SELF LEARNING MATERIAL

Master of Arts

# ASSAMESE

(Second Semester)

# অসমীয়া কবিতা

## (নিৰ্বাচিত পাঠ)

# ASSAMESE POETRY

## (SELECTED TEXT)

**COURSE : ASM – 202**

**(BLOCK : 1 – 5)**


**Directorate of Open & Distance Learning**

**DIBRUGARH UNIVERSITY**

**DIBRUGARH - 786 004**

# Master of Arts
# ASSAMESE
## (Second Semester)

## COURSE : ASM – 202

**Contributor :**

Prof. (Mrs.) K. D. Hazarika
Department of Assamese
Dibrugarh University

**Editor :**

Dr. (Mrs.) Usha Rani Baruah
D.H.S.K. College
Dibrugarh

ISBN : 978-81-947907-0-9

© Copy right by Directorate of Open & Distance Learning, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form or by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Directorate of Open & Distance Learning, Dibrugarh University by the Director, DODL, D.U., and re-printed at Designer Graphics, H. S. Road, Dibrugarh - 786 001. Year, 2022.

# অসমীয়া কবিতা (নিৰ্বাচিত পাঠ)

## ASSAMESE POETRY
### (selected Text)

**সূচীপত্ৰ** পৃষ্ঠা


**খণ্ড ১ ঃ প্ৰাচীন অসমীয়া কবিতা (প্ৰাক্‌শংকৰী যুগ)** **১**

গোটট ১ ঃ চৰ্যাপদ (নিৰ্বাচিত পাঠ ১ আৰু ৫) ২

গোটট ২ ঃ মাধৱ কন্দলিৰ ৰামায়ণৰ সুন্দৰাকাণ্ড (পদসংখ্যা ৪১৪৫-৪১৯৩) ১৩

গোটট ৩ঃ লৱ-কুশৰ যুদ্ধ ২০

**খণ্ড ২ ঃ প্ৰাচীন অসমীয়া কবিতা (বৈষ্ণৱ যুগ)** **৩০**

গোটট ১ ঃ কুৰুক্ষেত্ৰ কাব্য ৩১

গোটট ২ ঃ নামঘোষা ৪০

গোটট ৩ ঃ মনসা কাব্য ৫৫

**খণ্ড ৩ ঃ ৰোমান্টিক কবিতা (আদি পৰ্ব)** **৬৫**

গোটট ১ ঃ জোনাকী যুগ আৰু অসমীয়া কবিতা ৬৬

গোটট ২ ঃ সন্ধিয়াৰ সুৰ ৭৯

**খণ্ড ৪ ঃ ৰোমান্টিক কবিতা (শেষ পৰ্ব)** **৯২**

গোটট ১ ঃ তুমি কাব্য ৯৩

গোটট ২ ঃ সাগৰ দেখিছা ১০৭

**খণ্ড ৫ ঃ আধুনিক কবিতা**

গোটট ১ ঃ আধুনিক কবিতা ১২৩

গোটট ২ ঃ যাত্ৰাৰ শেষ নাহট ১৩১

গোটট ৩ ঃ লখিমী ১৩৭

গোটট ৪ ঃ প্ৰাৰ্থনা ঃ দেহচ্যুত আত্মা ১৪২

গোটট ৫ ঃ স্বপ্ন বাসৱদত্তা ১৪৮

গোটট ৬ ঃ আয়োজন শেষ ১৫৩

# খণ্ড ১

# প্ৰাচীন অসমীয়া কবিতা (প্ৰাক-শংকৰী)
# [Early Assamese Poetry (Pre-Sankardev)]

## গোট ১ ঃ চৰ্যাপদ (নিৰ্বাচিত পাঠ ১ আৰু ৫)

## গোট ২ ঃ মাধৱ কন্দলিৰ ৰামায়ণৰ সুন্দৰাকাণ্ড (পদসংখ্যা ৪১৪৫-৪১৯৩)

## গোট ৩ ঃ লৱ-কুশৰ যুদ্ধ

**প্ৰস্তাৱনা ঃ**

অসমীয়া সাহিত্যৰ বিষয়ে যথাযথ জ্ঞান লাভ কৰিবৰ বাবে চৰ্যাপদৰ দিনলৈ উভতি যাবলগীয়া হয়। কাৰণ চৰ্যাপদবোৰকেই অসমীয়া লিখিত সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন বুলি গণ্য কৰা হয়। অসমীয়া সাহিত্যৰ যুগ-বিভাজন কৰোঁতে চৰ্যাপদৰ সময়ৰপৰা শংকৰদেৱৰ আগলৈকে বিয়পা সময়খিনিক প্ৰাক্‌শংকৰী যুগ বা প্ৰাক্‌বৈষ্ণৱ যুগ বোলা হৈছে। এইখিনি সময়ৰ ভিতৰত চৰ্যাপদৰ বাহিৰেও মাধৱ কন্দলি, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, হৰিবৰ বিপ্ৰ আৰু ৰুদ্ৰ কন্দলিৰ ৰচনা পোৱা যায়। এইসকল কবিৰ ৰচনা অধ্যয়ন নকৰাকৈ অসমীয়া কবিতাৰ ইতিহাস আৰু গুণাগুণ জনা সম্ভৱ নহয়। চৰ্যাপদৰ দাৰ্শনিক তত্ত্ব আৰু ভাষা, প্ৰাক্‌শংকৰী কবিসকলৰ ৰচনাৰীতি আৰু ভাষা এক বিস্তৃত অধ্যয়নৰ সমল। অসমীয়া কবিতাৰ সম্যক ধাৰণাৰ বাবে সেয়েহে প্ৰতিনিধিত্বমূলকভাৱে দুটি চৰ্যা আৰু দুজন কবিৰ ৰচনা বাচি লোৱা হৈছে।

চৰ্যাপদৰ পিছত মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ ৰচনা অধ্যয়ন কৰিলে তোমালোকে অসমীয়া কবিতাৰ প্ৰথমৰফালৰ গুণাগুণসমূহ জানিব পাৰিবা। অসমীয়া কবিতাৰ ইতিহাসৰ আদিকালৰ বিষয়েও ধাৰণা হ'ব।

## খণ্ড ১

## গোট ১ ঃ চৰ্যাপদ (নিৰ্বাচিত পাঠ ১ আৰু ৫)

১.১.০ উদ্দেশ্য
১.১.১ প্ৰস্তাৱনা
১.১.২ চৰ্যাপদৰ পৰিচয় আৰু বৈশিষ্ট্য
১.১.৩ নিৰ্বাচিত পাঠৰ অনুবাদ আৰু গূঢ়াৰ্থ
১.১.৪ সাৰাংশ
১.১.৫ অনুশীলনী
১.১.৬ সম্ভাব্য প্ৰশ্নোত্তৰ

### ১.১.০ উদ্দেশ্য

- অসমীয়া কবিতাৰ আৰম্ভণী স্তৰ সম্পৰ্কে জ্ঞান লাভ।
- প্ৰাচীন অসমীয়া কবিতাৰ আদিতম ৰূপৰ সন্ধান।

### ১.১.১ প্ৰস্তাৱনা

অসমীয়া সাহিত্যৰ ইতিহাসত চৰ্যাপদৰ গুৰুত্ব অপৰিসীম। চৰ্যাপদবোৰ এক প্ৰকাৰ সাধন বিষয়ৰ গীত। বৌদ্ধধৰ্মৰ মূলমন্ত্ৰ নিৰ্বাণ লাভৰ তত্ত্ব হ'ল চৰ্যাপদসমূহৰ বিষয়বস্তু। এই গোটৰ জৰিয়তে চৰ্যাপদৰ আভাস দিবলৈ প্ৰয়াস কৰা হ'ল।

### ১.১.২ চৰ্যাপদৰ পৰিচয় আৰু বৈশিষ্ট্য

খৃষ্টীয় অষ্টম শতিকাৰ পৰা ত্ৰয়োদশ শতিকা পৰ্যন্ত নেপাল, তিব্বত, বংগ, কলিংগ, কামৰূপ আদি ঠাইত বৌদ্ধধৰ্মৰ ভিত্তিত এক বৃহৎ তান্ত্ৰিক ধৰ্মসম্প্ৰদায়ে গঢ় লৈ উঠিছিল। এই সময়ছোৱাতে বৌদ্ধ সিদ্ধাচাৰ্যসকলে বহুতো ধৰ্মগ্ৰন্থ ৰচনা কৰিছিল। সেইবোৰ তিব্বতী ভাষালৈ অনূদিত হৈছিল। এই গ্ৰন্থসমূহৰ মাজত পূব-নব্যভাৰতীয় আৰ্যভাষাৰ সাহিত্যিক নিদৰ্শন বিচাৰি পোৱাৰ মানসেৰে কেইবাজনো ভাষাতত্ত্ববিদ পুথিসংগ্ৰহৰ কামত নেপাললৈ গৈছিল। নেপাল, নালন্দা, বিক্ৰমশীলা আদি বিহাৰসমূহত এই গ্ৰন্থসমূহ ৰখা হৈছিল।

কলিকতাৰ এচিয়াটিক চ'চাইটিৰ পুথি-সংগ্ৰহৰ কামত হৰপ্ৰসাদ শাস্ত্ৰী কেইবাবাৰো নেপাললৈ গৈছিল। তেওঁ ১৯০৭ চনত তৃতীয়বাৰ নেপাললৈ যাওঁতে কেইবাখনো অতি মূল্যবান পুথি সংগ্ৰহ কৰি আনে। সেই কেইখন হ'ল– 'চৰ্য্যাচৰ্য্য বিনিশ্চয়', সৰোজৱজৰ (সৰোৰুৱজ) 'দোহাকোষ' আৰু কৃষ্ণাচাৰ্যৰ 'দোহাকোষ'। তেওঁ এই তিনিওখন পুথি আৰু আগৰবাৰতে সংগ্ৰহ কৰি অনা 'ডাকাৰ্ণৱ', এই চাৰিওখন পুথি একেলগ কৰি 'হাজাৰ বছৰেৰ পুৰান বাংলা ভাষায় বৌদ্ধ গান ও দোহা'' নামেৰে প্ৰকাশ কৰে। কলিকতাৰ বংগীয় সাহিত্য পৰিষদে ইয়াক ১৯১৬ চনত ছপা কৰি উলিয়ায়।

হৰপ্ৰসাদ শাস্ত্ৰীয়ে পোৱা 'চৰ্য্যাচৰ্য্য বিনিশ্চয়' পুথিখন মূল পুথি নহয়। আচাৰ্য মুনিদত্তই টীকা লিখাহে পুথি। 'চৰ্য্যাচৰ্য্যবিনিশ্চয়' নামটিও শাস্ত্ৰীয়ে নিজেই দিয়া বুলিহে ধৰা হয়, কাৰণ প্ৰাপ্ত পুথিখনৰ ক'তো এই নামৰ উল্লেখ নাই। কিন্তু পুথিখনৰ মঙ্গলাচৰণ শ্লোকটিত ''আচাৰ্য-চৰ্যাচয়'' নামটি পোৱা যায়। তিব্বতী অনুবাদৰ সাহায্যত মূল পুথিৰ নাম 'চৰ্য্যাগীতিকোষ' বুলিহে পণ্ডিতসকলে ক'ব খোজে। শাস্ত্ৰীৰ দ্বাৰা প্ৰাপ্ত পুথিত মাজে মাজে মূল পুথিৰ চৰ্যাবিলাকো সন্নিবেশ কৰা আছিল। মুনিদত্তই টীকা লিখা পুথিখনৰ নাম 'চৰ্য্যাগীতিকোষ বৃত্তি' বুলিহে পোৱা যায়। ইয়াৰ পিছত নীলৰতন সেনে নেপালৰ জাতীয় অভিলেখালয়ত সংৰক্ষিত এই পুথিখনৰ আৱৰণী কাঠৰ পাতত 'চৰ্য্যা-চৰ্য্য-টীকা' নামটো লিখি থোৱা পালে। কিন্তু এই নামটিও গ্ৰহণযোগ্য যেন নেদেখি সেনেও 'চৰ্য্যাগীতিকোষ' নামেৰেই পুথিখন প্ৰকাশ কৰিছে।

চৰ্যাগীতিৰ তিব্বতী অনুবাদৰ প্ৰথম সন্ধান পায় ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ে। তাৰপিছত ড° প্ৰবোধচন্দ্ৰ বাগচীৰ গৱেষণাৰ ফলতেই চৰ্যাৰ আৰু বহুতো অজ্ঞাত তথ্যৰ সন্ধান পোৱা গ'ল। বাগচীয়ে ১৯২৯ খ্ৰীঃত নেপাললৈ গৈ তাৰ দৰবাৰ লাইব্ৰেৰী আৰু ৰাজগুৰুৰ পৰা অপভ্ৰংশত ৰচিত কিছুমান দোহা সংগ্ৰহ কৰি আনে আৰু সেইবোৰৰ গৱেষণাৰ ফলতেই চৰ্যাগীতিৰ সম্পূৰ্ণ তিব্বতী অনুবাদ আৱিস্কৃত হয়। এইবিলাকৰ পৰাই সংস্কৃত টীকাকাৰৰ নাম যে মুনিদত্ত আছিল তাকো জনা যায়। ১৯৫৬ চনত প্ৰবোধ চন্দ্ৰ বাগচী আৰু শান্তি ভিক্ষুৰ যুটীয়া সম্পাদনাত তিব্বতী অনুবাদসমূহ 'চৰ্যাগীতিকোষ' নামেৰে প্ৰকাশ কৰে।

হৰপ্ৰসাদ শাস্ত্ৰীয়ে উদ্ধাৰ কৰা 'চৰ্য্যাচৰ্য্য-বিনিশ্চয়' পুথিখনি তালপাতত লিখা এখন খণ্ডিত পুথি। ইয়াত টীকাকাৰ বা লিপিকাৰৰ নামৰ উল্লেখ নাই। ৬৯টা পাত আছে; প্ৰতি পাতৰ মাজত একোটা বিন্ধা আছে; সেই বিন্ধা পুথিখন বন্ধাৰ সুবিধাৰ বাবেই ৰখা হৈছিল বুলি ভবা হয়। প্ৰত্যেক পাতত পাঁচোটাকৈ শাৰী আছে। শাস্ত্ৰীয় পাতবোৰত ১/১ক, ২/২ক এনেদৰে সংখ্যা দি গৈছে। তেওঁ পোৱা পুথিখনৰ কেইটামান পাত উদ্ধাৰ হোৱা নাই।

সেইকেইটা হ'ল ৩৫,৩৬,৩৭,৩৮,৬৬ আৰু ৭০ সংখ্যাক। সেইকাৰণে তিনিটা গীত আৰু এটা গীতৰ শেষৰ শাৰী নাইকীয়া হৈছে। কিন্তু নীলৰতন সেনৰ ফটোমুদ্ৰণ সংস্কৰণ পুথিখনিত ৪৬টি পূৰ্ণ গীত আৰু এটি গীতৰ অসমাপ্ত ছয় শাৰী পোৱা গৈছে। পত্ৰ অনুযায়ী প্ৰাসংগিক সংস্কৃত টীকাও পোৱা গৈছে বুলি তেওঁ উল্লেখ কৰিছে।

'চৰ্য্যাচৰ্য্য-বিনিশ্চয়' পুথিখনৰ চৰ্যাবোৰক হৰপ্ৰসাদ শাস্ত্ৰীয়ে বৌদ্ধ-সংকীৰ্তন বুলি অভিহিত কৰিছে। চৰ্যাপদ নামটোও তেঁৱেই উল্লেখ কৰিছে। বৌদ্ধসিদ্ধসকলে তেওঁলোকৰ গীতৰ মাজত পদ, চৰ্যা আৰু গীত এই তিনিওটা শব্দকে প্ৰয়োগ কৰিছে। ইয়াৰপৰা জানিব পাৰি যে তিনিওটা শব্দই সমাৰ্থবাচক ৰূপে ব্যৱহৃত হৈছে। অসমীয়াতো গীত আৰু পদ দুয়োটা সমাৰ্থবাচক শব্দ।

কুক্কুৰীপাদে ২নং চৰ্য্যাত 'অইসন চৰ্যা কুক্কুৰীপাদে গাইড়' বুলি উল্লেখ কৰিছে। আকৌ ঢেণ্ঢনপাদে ৩৩ নং চৰ্যাৰ শেষত ''ঢেণ্ঢনপাএৰ গীত বিৰলেঁ বুঝঅ'' বুলি কৈছে।

'চৰ্য্যাচৰ্য্য-বিনিশ্চয়' পুথিখনৰ গীতবিলাকৰ ভাষাৰ লগত পূব নব্য ভাৰতীয় আৰ্যভাষাবিলাকৰ লগত বিশেষ মিল থকা দেখা যায়। তত্কালীন মৈথিলী, বঙালী আৰু অসমীয়া এই কেইটা ভাষাই চৰ্যাগীতসমূহক নিজ নিজ ভাষাৰ প্ৰাচীন সাহিত্যিক নিদৰ্শন বুলি দাবী কৰি আহিছে। হৰপ্ৰসাদ শাস্ত্ৰী, সুনীতিকুমাৰ চেটাৰ্জী, প্ৰবোধচন্দ্ৰ বাগচী আৰু মুহম্মদ শ্বহীদুল্লাহ আদি বিশেষজ্ঞসকলে চৰ্যাপদৰ ভাষাক প্ৰাচীন বঙলা ভাষাৰ নিদৰ্শন বুলি কৈছে। কিন্তু নীলৰতন সেনে তেওঁৰ পুথিত এটি কথাৰ সংযোজন কৰি দেখুৱাইছে যে তেওঁ যেতিয়া নেপাললৈ মূল পুথি পৰীক্ষাৰ কামত গৈছিল তেতিয়া কেইজনমান নেপালী পণ্ডিতৰ লগত পুথিখনৰ বিষয়ে আলোচনা কৰিছিল। নেপালী পণ্ডিতকেইজনৰ মতে পুথিখনৰ লিপি নেৱাৰী, গীতবোৰ মৈথিলী আৰু টীকাসমূহ সংস্কৃতত লিখা। আলোচনা প্ৰসংগত এইবুলিও উল্লেখ কৰিছে যে, ''যি সময়ত এইবোৰ ৰচিত হৈছিল তেতিয়া মৈথিলীৰ লগত অসমীয়া আৰু বঙালীৰ তেনে কোনো পাৰ্থক্য নাছিল।'' ইয়াৰ পৰাও ক'ব পাৰি যে এই পুথিত পূব-ভাৰতীয় ভাষাসমূহৰ প্ৰত্যেকৰে অলপ হ'লেও সাদৃশ্য দেখা গৈছে। কিন্তু ইয়াৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিকৰ বিশেষত্ব মধ্য-অসমীয়াৰ মাজেদি আধুনিক অসমীয়ালৈ আহিছে বুলি ড° বাণীকান্ত কাকতিয়ে প্ৰমাণ কৰি দেখুৱাইছে।

শাস্ত্ৰীদেৱে পোৱা পুথিত ২৩ জন সিদ্ধাচাৰ্যৰ ৰচিত গীত পোৱা গৈছে। কিন্তু চতুৰ্দশ শতিকাৰ মৈথিলী পণ্ডিত জ্যোতিষীশ্বৰৰ 'বৰ্ণৰত্নাকৰ' গদ্যৰ পুথিত ৮৪জন সিদ্ধৰে অন্তৰ্ভুক্ত বুলি ৰাহুল সংকৃত্যায়ন আদি বিশেষজ্ঞসকলে ক'ব খোজে। এওঁলোকৰ ভিতৰত প্ৰথম আৰু শ্ৰেষ্ঠ বুলি অভিহিত হোৱা লুইপাদক

বহুতো পণ্ডিতে প্ৰাচীন কামৰূপৰে লোক বুলি ধাৰণা কৰা দেখা যায়। লুইপাদৰ আন এটি নাম মীননাথ বুলি তিব্বতী ঐতিহ্যত পোৱা যায়। তিব্বতী গ্ৰন্থ 'Pag Sam Jon Zan'ৰ মতে লুইপাদ কামৰূপৰ কৈৱৰ্ত কুলৰ লোক। এই গ্ৰন্থতে সৰহপাদ বা ৰাহুলভদ্ৰও প্ৰাচ্যদেশৰ ৰাজ্ঞী নামে ঠাইৰ লোক বুলি কোৱা হৈছে। তেওঁৰ জন্মস্থান প্ৰাচ্যদেশৰ ৰাজ্ঞী বৰ্তমান কামৰূপ জিলাৰ ৰাণী বুলি পণ্ডিতসকলে অনুমান কৰিছে। তিব্বতী গ্ৰন্থ, Grub to bৰ মতে ৰাহুল কামৰূপৰ এজন শূদ্ৰ আছিল বুলি জনা যায়। 'বাহ্যান্তৰ বন্ধোপদেশ' নামেৰে মীননাথৰ এখনি পুথি পোৱা গৈছে। তাৰ ভাষাৰ লগতো প্ৰাচীন অসমীয়া ভাষাৰ যথেষ্ট মিল আছে বুলি পণ্ডিতসকলে মত পোষণ কৰিছে। এইবিলাকৰ পৰা চৰ্যাসমূহত অসমীয়া প্ৰাচীন সাহিত্যৰ নিদৰ্শন ফুটি ওলোৱাটো একো অসম্ভৱ যেন নালাগে। আকৌ কনকলাল বৰুৱাই লুইপাদৰ সমসাময়িক নাগাৰ্জ্জুন, ঢেণ্ঢনপদ, গোৰক্ষপাদ, দাড়িকপাদ, কানুপাদ, ডোম্বীপাদ, ভুসুকপাদ, শান্তিপাদ, শবৰপাদ, মহীধৰপাদ আদি সিদ্ধাচাৰ্যসকলকো প্ৰাচীন কামৰূপীয় লোক বুলিয়েই পণ্ডিতসকলে কোৱাৰ কথা উল্লেখ কৰিছে।

এই চৰ্যাপদসমূহ গাবৰ কাৰণেই ৰচিত হৈছিল বুলি অনুমান কৰা হয়। কাৰণ, প্ৰত্যেক পদৰ দ্বিতীয় চৰণটোত 'ধ্ৰুং' বা 'ধ্ৰুৰ' বুলি নিৰ্দেশ কৰা হৈছে, অৰ্থাৎ দোহাৰি গাব লাগে। এই গীতসমূহো চৰ্যাকাৰসকলে ধৰ্মপ্ৰচাৰৰ উদ্দেশ্যেই ৰচনা কৰিছিল। শংকৰ-মাধৱৰ বৰগীতসমূহো তেনে উদ্দেশ্যেৰেই ৰচনা কৰা হৈছিল। বৰগীতত থকাৰ দৰে প্ৰত্যেক চৰ্যাৰ ওপৰত ৰাগৰ নাম উল্লেখ কৰা আছে। কেৱল ১নং চৰ্যাতহে শেষত আছে। মুঠতে ১৭ টা ৰাগৰ নাম চৰ্যাত ব্যৱহৃত হৈছে। ইয়াৰে কিছুমান ৰাগ পুৰণি অসমীয়া গীততো পোৱা যায়।

চৰ্যাসমূহৰ বিষয়বস্তু এক ৰহস্যময় ভাবেৰে আবৃত। সেইবোৰত বৌদ্ধধৰ্মৰ সহজযান পন্থাৰ গুপ্ত সাধনতত্ত্ব নিহিত হৈ আছে। ইয়াত সাধনৰ পথো নিৰ্দেশ কৰা হৈছে। ই যাৰে-তাৰে কাৰণে নহয়। গুৰুৰ উপদেশ বিনে ইয়াৰ তত্ত্ব উপলব্ধি কৰিব নোৱাৰি। সেয়েহে ইয়াৰ ভাষাক হৰপ্ৰসাদ শাস্ত্ৰীয়ে সন্ধ্যা ভাষা বুলিছে। ইয়াক সহজে বুজিব নোৱাৰি। ইয়াৰ ভাষা বোবা গুৰুৱে কলা শিষ্যক বুজোৱা (গুৰু বোবসে সীস কাল, ৪০ নং চৰ্যা) কিছুমান ইংগিত মাত্ৰ। বৌদ্ধধৰ্মৰ মূলমন্ত্ৰ হৈছে নিৰ্বাণ লাভ। তেওঁলোকৰ মতে এই নিৰ্বাণ লাভ কৰিবলৈ হ'লে শূন্যতা আৰু কৰুণাৰ সংযোগ হ'ব লাগিব। অৰ্থাৎ এই সুখময় সংসাৰ সকলো বাহ্যিক ভেদাভেদ আঁতৰাই চিত্তক অচিত্তত প্ৰতিষ্ঠা কৰিব পাৰিব লাগিব। এই নিৰ্বাণ সুখময় বুলি ধৰা হয়। ইয়াকেই বেদান্তৰ মতে মোক্ষ প্ৰাপ্তি বোলা হয়। চৰ্যাসমূহত এই নিৰ্বাণ লাভৰ উপায়ৰ কথাকে নানা উপমা, ৰূপক আদিৰ দ্বাৰা ব্যাখ্যা কৰা হৈছে। চৰ্যাত ব্যৱহৃত গছ, নাও, কুম্ভীৰ, হাতী, হৰিণা, বাৰুণী, শুণ্ডিনী, শবৰী, গংগা-যমুনা আদি ৰূপক স্বৰূপে লৈ সহজীয়া তত্ত্ব ব্যাখ্যা কৰা হৈছে।

যদিও চৰ্যাপদবোৰ সাধন বিষয়ৰ গীত, তথাপি সেইবোৰত কাব্যিক সৌন্দৰ্যই ভূমুকি নমৰাকৈ থকা নাই। এই বিষয়ত শৱৰপাদৰ শৱৰ-শৱৰীৰ প্ৰেম বিষয়ক দুটি চৰ্যা উল্লেখযোগ্য। আনফালে চৰ্যাবোৰৰ মাজত সেই সময়ৰ সমাজখনৰো সুন্দৰ ছবি এখনি চিত্ৰিত হৈছে। কপাহ খেতি, মাছ-মৰা, দবা-খেলা, মদ খাই প্ৰমত্ত হোৱা আদিৰ লগতে অলংকাৰ-পাতি, সাজ-পাৰ, বাদ্য-যন্ত্ৰ আদিৰ ব্যৱহাৰৰ কথাও বৰ্ণনা কৰা হৈছে। ইয়াৰ বাহিৰেও যৌথ পৰিয়ালৰ কথা শহুৰ, ননদ, বোৱাৰী আদি শব্দবোৰৰ পৰা জানিব পাৰি।

ইমানপৰে তোমালোকে চৰ্যাপদৰ বৈশিষ্ট্য সম্পৰ্কে কিছু কথা শিকিলা। এইবাৰ দুটি চৰ্যাৰ সৰল অসমীয়া অনুবাদ আৰু গূঢ়াৰ্থ দাঙি ধৰিছোঁ।

## ১.১.৩ নিৰ্বাচিত পাঠৰ অনুবাদ আৰু গূঢ়াৰ্থ

**১নং চৰ্যাৰ সৰল অসমীয়া অনুবাদ ঃ**

শৰীৰটো বৃক্ষ, তাৰ পাঁচটি ডাল। চঞ্চল চিত্তত কাল প্ৰবেশ কৰিলে। দৃঢ় কৰি মহাসুখৰ পৰিমাণ প্ৰমাণ কৰা। লুইপাদে কয়, গুৰুক সুধি জানি লোৱা, সকলো যোগ, ধ্যান কিহৰ বাবে। সুখ-দুখ, জন্ম-মৃত্যু নিশ্চিত। এই কামনা-বাসনা ত্যাগ কৰি, ইন্দ্ৰিয় তৃপ্তিৰ আশা এৰি শূন্যতা পক্ষক ভিত্তি স্বৰূপে ওচৰত লোৱা উচিত। লুইপাদে কৈছে, মই ধ্যানৰ দ্বাৰা দেখিছা, শ্বাস আৰু প্ৰশ্বাস এই দুই আসন পাৰি বহিছোঁ।

**১নং চৰ্যাৰ গূঢ়াৰ্থ ঃ**

চৰ্যাটিত শৰীৰক গছৰ লগত তুলনা কৰা হৈছে। শৰীৰৰ পাঁচবিধ কৰ্মেন্দ্ৰিয় হৈছে ইয়াৰ ডাল। পাৰ্থিৱ বিষয়-বাসনাৰ মোহত চিত্ত চঞ্চল হয়। চঞ্চল চিত্তত ৰিপুকাল সহজতে প্ৰৱেশ কৰে। তেতিয়াই মানুহে সুখ-দুখ ভুগিব লগা হয়। সংসাৰৰ এই বান্ধোন এৰাই শূন্যতা বা জগতৰ অসাৰতা সম্পৰ্কে জনা উচিত। লুইপাদে কৈছে যে মহাসুখ লাভ কৰিবলৈ হ'লে সংসাৰৰ অনিত্যতা বা অসাৰতা সম্পৰ্কে জ্ঞান লাভ কৰা উচিত। লুইপাদে ধ্যানৰ যোগেদি জানিব পাৰিছে যে তেওঁ জাগতিক আকৰ্ষণৰ দ্বাৰা কেতিয়াও বিচলিত নহয় কাৰণে তেওঁ চিত্তক স্থিৰ আৰু দৃঢ় কৰিব পাৰিছে।

**৫নং চৰ্যাৰ সৰল অসমীয়া অনুবাদ ঃ**

ভৱ-নদী গহীন, গম্ভীৰ গতিৰে প্ৰবাহিত হয়। দুয়োপাৰ বোকাময়,

মাজত ঠাই নাই। ধৰ্মৰ কাৰণে চাটিলে সাঁকো তৈয়াৰ কৰিছে। পাৰ হ'ব খোজা যাত্ৰী নিৰ্ভয়ে পাৰ হ'ব পাৰিব। মায়া-মোহ গছ কাটি তক্তা জোৰা লগোৱা হৈছে। জ্ঞানৰ দৃঢ় ৰটালিৰ দ্বাৰা নিৰ্বাণক কটাকটি কৰি ঠিক কৰা হ'ল। সাঁকোত উঠিলে সোঁ বাওঁ দিশ হোৱাৰ ভয় নাই। ওচৰতে বোধিচিত্ত আছে, দূৰলৈ নাযাবা। যদি তুমি বা তোমালোকে পাৰগামী হোৱা অৰ্থাৎ ভৱ-নদী পাৰ হ'ব খোজা তেন্তে শ্ৰেষ্ঠ সিদ্ধাচাৰ্য চাটিলপাদক সোধা।

**৫নং চৰ্যাৰ গূঢ়াৰ্থ ঃ**

চৰ্যাটিত সংসাৰখনক নদী-প্ৰৱাহৰ লগত তুলনা কৰা হৈছে। সংসাৰৰ ভয়াবহতা খৰস্ৰোতা নদীৰ সদৃশ। চাটিলপাদে কৈছে যে জাগতিক মায়ামোহে সংসাৰখনক ভয়ংকৰ কৰি তুলিছে। সেয়েহে এই সংসাৰ স্বৰূপ নদীখনৰো গতি প্ৰখৰ হৈ উঠিছে। ইয়াত উল্লেখ কৰা নদীৰ দুয়োপাৰ বোকা, কাঠৰ তক্তা, সাকোঁ তৈয়াৰ কৰা আদি সকলো ৰূপকাত্মক। ইয়াৰ দ্বাৰা চাটিলপাদে বুজাইছে যে—, সহজীয়া ধৰ্মমতে শিষ্যই সহজে এই ভৱনদী পাৰ হৈ নিৰ্বাৰ্ণ লাভ কৰিব পাৰে। মোহ তৰু ফালি পাট তৈয়াৰ কৰা অৰ্থাৎ, চিত্তৰ প্ৰকৃত জ্ঞানৰ উদ্ভৱ হ'লেই নিৰ্বাণ সম্ভৱপৰ হৈ উঠে। সংসাৰৰ মায়া-মোহ, অৰ্থাৎ অবিদ্যাৰ দ্বাৰা নিৰ্বাণ লাভ অসম্ভৱ। এই ভৱনদী বা সংসাৰৰ সাঁকো পাৰ হ'বলৈ হ'লে চিত্তক সুদৃঢ় কৰি ল'ব লাগিব। সাঁকো সোঁফাল বাওঁফাল কৰি বেঁকা হ'লে পৰি যোৱাৰ ভয় থাকে। ইয়াৰ দ্বাৰা চিত্তৰ চঞ্চলতাৰ কথা কোৱা হৈছে। চিত্তৰ চঞ্চলতাই জীৱনলৈ দুখহে আনে, সুখ লাভ নহয়। চিত্তক সংযম আৰু সুদৃঢ় কৰিব পাৰিলেই সিদ্ধি লাভ কৰিব পাৰি। সেয়েহে, সিদ্ধি লাভৰ কাৰণে যোগীসকলে দূৰলৈ যাব নালাগে ওচৰতে সেই তথতা আছে। যদি কোনোবাই সংসাৰৰ দুখ-দুৰ্গতি নাইকিয়া কৰিবলৈ বিচাৰে তেতিয়া হ'লে সেই কথা চাটিলপাদক সুধিলে তেওঁ বুজাই ক'ব।

## ১.১.৪ সাৰাংশ

- চৰ্যাপদবোৰৰ ৰচনাকাল খৃষ্টীয় অষ্টম শতিকাৰ পৰা ত্ৰয়োদশ শতিকাৰ ভিতৰত।
- চৰ্যাপদৰ বিষয়বস্তু এক ৰহস্যময় ভাৱেৰে আবৃত।
- চৰ্যাপদৰ ভাষা মধ্য অসমীয়াৰ মাজেদি আধুনিক অসমীয়ালৈ প্ৰৱাহিত।
- প্ৰাচীন অসমীয়া সাহিত্যৰ নিদৰ্শন ৰূপে চৰ্যাপদক গ্ৰহণ কৰিব পাৰি।

## ১.১.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**শুদ্ধ উত্তৰ নিৰ্বাচন কৰাঁ–**

চৰ্যাপদৰ দৰ্শন হ'ল—

(১) ভক্তিবাদ

(২) মহাসুখবাদ

(৩) প্ৰকৃতিবাদ

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**খালী ঠাই পূৰণ কৰাঁ–**

ভৱ-নদী ______ গতিৰে প্ৰৱাহিত হয়

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**পাঁচোটা বাক্যৰ ভিতৰত উত্তৰ সম্পূৰ্ণ কৰা—**

চৰ্যাপদৰ 'দৰ্শন'ৰ বিষয়সাৰ (theme) কি ?

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

## ১.১.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

চৰ্যাপদৰ দৰ্শন হ'ল— **মহাসুখবাদ।**

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

ভৱ-নদী **গহীন, গম্ভীৰ** গতিৰে প্ৰৱাহিত হয়।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

চৰ্যাৰ বিষয়-সাৰ (theme) ৰহস্যময় ভাবেৰে আবৃত বৌদ্ধ ধৰ্মৰ সহজযান পন্থাৰ গুপ্ত সাধন তত্ত্বও নিহিত হৈ আছে। ইয়াত সাধনৰ পথ আৰু গুৰুৰ উপদেশ নিৰ্ধাৰিত কৰা থাকে। নিৰ্বাণ লাভ হ'ল বৌদ্ধ ধৰ্মৰ মূলমন্ত্ৰ। নিৰ্বাণ লাভৰ বাবে শূন্যতা আৰু কৰুণাৰ সংযোগ ঘটিব লাগিব। অৰ্থাৎ সুখময় সংসাৰৰ সকলো ভেদাভেদ আঁতৰাই চিত্তক আচিত্তত প্ৰতিষ্ঠা কৰিব পাৰিব লাগিব। এই নিৰ্বাণক সুখময় প্ৰাপ্তি বুলি গণ্য কৰা হয়। ইয়েই হ'ল চৰ্যাপদত প্ৰকাশিত বিষয়-সাৰ (theme)।

## খণ্ড ১

## গোট ২ ঃ মাধৱ কন্দলিৰ ৰামায়ণৰ সুন্দৰাকাণ্ড (পদসংখ্যা ৪১৪৫-৪১৯৩)

১.২.০ উদ্দেশ্য

১.২.১ প্রস্তাৱনা

১.২.২ কবি পৰিচয়

১.২.৩ বিষয়বস্তু আৰু বৈশিষ্ট্য

১.২.৩.১ প্রকৃতিচিত্রণ

১.২.৩.২ ৰস

১.২.৩.৩ কাব্যিক সৌন্দর্য

১.২.৪ সাৰাংশ

১.২.৫ অনুশীলনী

১.২.৬ সম্ভাৱ্য প্রশ্নোত্তৰ

### ১.২.০ উদ্দেশ্য

- প্রাচীন অসমীয়া কবিতাত মহাকাব্যৰ সংগ্রহণৰ বিষয়ে ধাৰণা।
- হৰিবৰ বিপ্র আৰু মাধৱ কন্দলিৰ ৰচনাৰ আলমত প্রাচীন অসমীয়া কবিতাৰ সৌন্দর্য সন্ধান।
- উদ্ভৱকালীন অসমীয়া কবিতাৰ বিষয়ে ধাৰণা।

### ১.২.১ প্রস্তাৱনা

চর্যাপদৰ বিষয়ে কিছু জ্ঞান লাভ কৰিলা। ইয়াৰ পিছত প্রাক্শংকৰী যুগলৈ আহোঁ। চর্যাপদৰ ভাষাতকৈ এই সময়ৰ ভাষা অসমীয়া ভাষাৰ বেছি ওচৰচপা। গতিকে, বুজাত সহজ হ'ব। এইসময়ৰ দুজন কবি মাধৱ কন্দলি আৰু হৰিবৰ বিপ্রৰ ৰচনাৰ বিষয়ে মনপুতি পঢ়াচোন।

অসমীয়া সাহিত্য যুগ-বিভাজন কৰোঁতে চৰ্যাপদৰ সময়ৰপৰা শংকৰদেৱৰ আগলৈকে বিয়পা সময়খিনিক প্ৰাক্‌শংকৰী যুগ বা প্ৰাক্‌বৈষ্ণৱ যুগ বোলা হৈছে। এইখিনি সময়ৰ ভিতৰত চৰ্যাপদৰ বাহিৰেও মাধৱ কন্দলি, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, হৰিবৰ বিপ্ৰ আৰু ৰুদ্ৰ কন্দলিৰ ৰচনা পোৱা যায়। এইসকল কবিৰ ৰচনা অধ্যয়ন নকৰাকৈ অসমীয়া কবিতাৰ ইতিহাস আৰু গুণাগুণ জনা সম্ভৱ নহয়। চৰ্যাপদৰ দাৰ্শনিক তত্ত্ব আৰু ভাষা, প্ৰাক্‌শংকৰী কবিসকলৰ ৰচনাৰীতি আৰু ভাষা এক বিস্তৃত অধ্যয়নৰ সমল। চৰ্যাপদৰ পিছত মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ ৰচনা অধ্যয়ন কৰিলে তোমালোকে অসমীয়া কবিতাৰ প্ৰথমৰ ফালৰ গুণাগুণসমূহ জানিব পাৰিবা। অসমীয়া কবিতাৰ ইতিহাসৰ আদিকালৰ বিষয়েও ধাৰণা হ'ব।

### ১.২.২ কবি পৰিচয়

অসমীয়া সাহিত্যত মাধৱ কন্দলিৰ ৰামায়মখনিৰ বিশেষ মূল্য আছে। ৰামায়ণৰ ভিতৰত 'সুন্দৰাকাণ্ড'টি বিশেষ সৌন্দৰ্যপূৰ্ণ। মাধৱ কন্দলিৰ কবি-প্ৰতিভা আৰু অনুবাদ দক্ষতা অতুলনীয়। কেৱল অসমীয়া সাহিত্যতে নহয়, ভাৰতৰ আঞ্চলিক ৰামায়ণ-সাহিত্যতো কন্দলিৰ ৰামায়ণখনি বিশেষ গুৰুত্বপূৰ্ণ। পণ্ডিতসকলে অনুমান কৰিছে যে, কৃত্তিবাসী বা তুলসীৰামায়ণতকৈ মাধৱ কন্দলিৰ ৰামায়ণ প্ৰাচীন। কৃষ্ণকান্ত সন্দিকৈৰ মতে, প্ৰাচীনতাৰ ফালৰ পৰা ইতিহাস চৰ্চা আৰু ভাষা অধ্যয়নৰ ক্ষেত্ৰতো মাধৱ কন্দলিৰ ৰামায়ণ গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হ'ব পাৰে।

যুগ-নায়ক শংকৰদেৱে তেওঁৰ পূৰ্বকবি মাধৱ কন্দলিক অপ্ৰমাদী কবি আখ্যা দি কবিজনাৰ সাগৰ সংকাশ প্ৰতিভাৰ স্বীকৃতি দিছে। এই স্বীকৃতিত কোনো দ্বিমত হোৱাৰ স্থল নাই। যিজন কবিয়ে সংস্কৃত ৰামায়ণখনৰ ইমান সুন্দৰ, সহজ আৰু সজীৱ অনুবাদ কৰিব পাৰে তেওঁ অপ্ৰমাদী কবি আখ্যাৰেই উপযুক্ত। মাধৱ কন্দলিয়ে নিজকে বিপ্ৰ বা দ্বিজবৰ বুলি উল্লেখ কৰিছে। এঠাইত কৈছে—

*কবিৰাজ কন্দলি যে আমাকেসে বুলিৱয়*
*মাধৱ কন্দলি আৰু নাম।*

কবিৰাজ তেওঁৰ নাম নহৈ পৃষ্ঠপোষক বা বিজ্ঞসমাজে দিয়া উপাধিও হ'ব পাৰে। কন্দলি উপাধি তেওঁৰ বংশানুক্ৰমিক নে প্ৰতিভাৰ বাবে লাভ কৰা জনা নাযায়। অনন্ত কন্দলিয়ে তৰ্কবিদ্যাৰ নৈপুণ্যৰ বাবে কন্দলি উপাধি পাইছিল। কন্দলি উপাধিধাৰী আৰু বহু প্ৰাচীন অসমীয়া কবি আছে যিসকল প্ৰতিভা আৰু পাণ্ডিত্যৰ বাবে খ্যাত। সম্ভৱতঃ মাধৱ কন্দিলয়েও পাণ্ডিত্যৰ

বাবেই এই উপাধি লাভ কৰিছিল। কোনোৱে কয় যে নগাঁও জিলাৰ কন্দলি নামৰ ঠাইত বাস কৰা বাবে তেওঁৰ উপাধি কন্দলি হ'ল। অৱশ্যে এই কথাৰ কোনো নিৰ্ভৰযোগ্য প্ৰমাণ নাই।

মাধৱ কন্দলিৰ সময় আৰু পৃষ্ঠপোষকৰ নামে নানা তৰ্কৰ অৱতাৰণা কৰে। তেওঁ নিজে কোৱা মতে বাৰাহ ৰজা মহামাণিক্য তেওঁৰ পৃষ্ঠপোষক–

*কবিৰাজ কন্দলি যে আমাকেসে বুলিৱয়*
*কৰিলোহো সৰ্বজন-বোধে।*
*ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্যযে*
*বাৰাহ ৰাজাৰ অনুৰোধে॥*

এই মহামাণিক্যৰ বিষয়ে খাটাংকৈ জানিলেই তেওঁৰ সময় বুজা গ'লহেঁতেন। বিজয়মাণিক, ধনমাণিক আৰু যশমাণিক নামে তিনিজন ৰজাই জয়ন্তাপুৰত ৰাজত্ব কৰিছিল দ্বাদশৰপৰা চতুৰ্দশ শতিকালৈকে। এওঁলোকৰ কোনোবা এজন মহামাণিক্য হোৱাটো সম্ভৱ। গেইট চাহাবে আকৌ বিজয়মাণিক আৰু ধনমাণিকৰ ৰাজত্বকাল ১৫৬৪-৮০ আৰু ১৫৯৬-১৬০৫ বুলি কৈছে। তেতিয়া হ'লে প্ৰাক্‌শংকৰ যুগৰ কবিজনাক জয়ন্তা ৰজাৰ দিনত কোনোমতেই স্থাপন কৰিব নোৱাৰি। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে 'বৰাহ' শব্দটো বৰাহী বুলি মহামাণিক্যক বৰাহী-কছাৰীসকলৰ ৰজা আৰু তেওঁ চতুৰ্দশ শতিকাৰ মাজভাগত ডিমাপুৰত ৰাজত্ব কৰিছিল বুলি মত দিছে। এওঁৰ মতে বৰাহীসকল হ'ল হিন্দুধৰ্ম গ্ৰহণ কৰা কছাৰীসকলৰ এটা শাখা। ড° ভূঞাই সম্পাদনা কৰা কছাৰী বুৰঞ্জীত কিন্তু ৰজাজনৰ নাম মহামাণিফা বুলিহে আছে। অসম, জয়ন্তা আৰু ত্ৰিপুৰাত ৰজাৰ নামৰ পাছত 'ফা' লেখা হয়। হয়তো মহামাণিফা নামটোৱে লিপিকাৰৰ ভুলৰ বাবে প্ৰাচীন পুথিত মহামাণিক্য ৰূপ ল'লে। কন্দলিয়ে আকৌ কোনো ঠাইত 'মহামাণি' নামটোও ব্যৱহাৰ কৰিছে।

বৰাহী ৰজা ডেট্‌চিং মহামাণিক্যৰ পৰিনাতি আৰু দিহিঙীয়া ৰজাৰ সমসাময়িক। দিহিঙীয়া ৰজাৰ ৰাজত্বকাল ১৪৯৫-১৫৩৯ খ্ৰীষ্টাব্দ। গতিকে এইফালৰপৰা মহামাণিক্য বা মহামাণিকফাৰ ৰাজত্বকাল চতুৰ্দশ শতিকাৰ মাজভাগ বুলি ক'ব পাৰি। কনকলাল বৰুৱাই কন্দলিক চতুৰ্দশ শতিকাৰ শেষভাগৰ বুলি মত প্ৰকাশ কৰিছে। কালিৰাম মেধিৰ মতে– কন্দলিৰ সময় চতুৰ্দশ শতিকাৰ মধ্যভাগ। এওঁৰ মতে মহামাণিক্য ত্ৰিপুৰাৰ ৰজা। এই মহামাণিক্যৰ পূৰ্বপুৰুষে কপিলী উপত্যকাক ৰাজত্ব কৰিছিল। ড° কাকতিৰ মতে কিন্তু মহামাণিক্য কছাৰী ৰজাহে। এওঁ ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা কন্দলিৰ সময় চতুৰ্দশ শতিকাৰ পিছলৈ যাব নোৱাৰে বুলি দৃঢ় মত প্ৰকাশ কৰিছে। কন্দলিৰ ভাষাত পিছৰ যুগত অপ্ৰচলিত হৈ পৰা শব্দ আৰু বৈয়াকৰণিক ৰূপ দেখা যায়।

কথাগুৰুচৰিতত এজন মাধৱ কন্দলিৰ উল্লেখ আছে। এওঁ শংকৰদেৱৰ গুৰু মহেন্দ্ৰ কন্দলিৰ টোল পৰিদৰ্শন কৰিবলৈ অহা ৰাঘ আচাৰ্যৰ গুৰু। এইজন মাধৱ কন্দলি ৰামায়ণ ৰচোঁতাজনেৰে সৈতে একে হোৱাও অসম্ভৱ নহয়।

এই আটাইবোৰ আলোচনা জুকিয়াই চাই এই সিদ্ধান্তলৈ আহিব পাৰি যে মাধৱ কন্দলি চতুৰ্দশ শতিকাৰ কবি বুলি কোৱাই সমীচীন। গতিকে এই কথাও ধৰি ল'ব পাৰি যে তেওঁৰ ৰামায়ণ কৃত্তিবাসী বা তুলসীদাসী ৰামায়ণতকৈ প্ৰাচীন।

এইজনা অপ্ৰমাদী কবিৰ স্থান-কাল যিদৰে কুঁৱলীৰদ্বাৰা আবৃত, সেইদৰে তেওঁৰ একমাত্ৰ ৰচনা অসমীয়া ৰামায়ণখনো নানা তৰ্কৰ অৱকাশেৰে পূৰ্ণ। প্ৰথম প্ৰশ্ন হয় ৰামায়ণ তেওঁৰ একমাত্ৰ ৰচনা, নে দেৱজিত নামে অন্য এখন পুথিও তেওঁ লিখিছিল? দ্বিতীয়তে, তেওঁৰ ৰামায়ণ সপ্তকাণ্ড নে? উত্তৰত ক'ব পাৰি যে ৰচনাৰীতিলৈ চাই দেৱজিত ৰচয়িতা মাধৱ কন্দলি অন্য এজনহে বুলি ধৰা যুগুত। মাধৱ কন্দলিয়ে তেওঁৰ ৰামায়ণত কৈছে, ''সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো''। কিন্তু তাৰে পোৱা গৈছিল মাত্ৰ পাঁচ কাণ্ডহে। আদিকাণ্ড-উত্তৰাকাণ্ড পিছত মাধৱদেৱে আৰু শংকৰদেৱে ৰচনা কৰি যোগ দিছিল। কোনো কোনোৱে ক'ব খোজে যে কন্দলি ৰচিত এই দুই কাণ্ড দেশৰ আভ্যন্তৰীণ বিগ্ৰহৰ সময়ত হেৰাল। কোনোৱে ক'ব খোজে যে মূল বাল্মীকি ৰামায়ণো পঞ্চকাণ্ডহে। গতিকে কন্দলিয়েও পাঁচ কাণ্ড অনুবাদেৰে অসমীয়া ৰামায়ণ ৰচনা সম্পূৰ্ণ কৰিছিল বুলি তেওঁলোকে মত দিয়ে। এই মতত ইন্ধন যোগায়--লংকাকাণ্ডত আত্মপৰিচয় দি কন্দলিৰ সামৰণি মৰা ধৰণটোৱে।

## ১.২.৩ বিষয়বস্তু আৰু বৈশিষ্ট্য

মাধৱ কন্দলিৰ ৰামায়ণখনি অসমীয়া সাহিত্যৰ এক মূল্যৱান সম্পদ। ৰামায়ণখনিৰ যি পাঁচোটা কাণ্ড মাধৱ কন্দলিয়ে ৰচনা কৰি থৈ গৈছে তাৰ ভিতৰত সৌন্দৰ্যৰ ফালৰপৰা সমালোচকসকলে সুন্দৰাকাণ্ডকে প্ৰথম স্থান দিছে। এই কাণ্ডত আছে সীতাৰ সন্ধানত ব্যাকুল ৰাম-লক্ষ্মণ আৰু কপিসকলে মন্ত্ৰণা কৰি হনুমন্তক লংকালৈ পঠাই সীতাৰ বাতৰি অনা, সাগৰত সেতু বান্ধি সীতা-উদ্ধাৰৰ বাবে সাজু হোৱাৰ কাহিনী। ৰামায়ণৰ অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, লংকাকাণ্ড আদি বাকী কেইটা কাণ্ডত কোনো গুণে হীন নহয়। গোটেইখন ৰামায়ণতে কবিৰ ভাষাশৈলী আৰু প্ৰকাশ ভংগীৰ সাৰলীলতা উ স্কুল হৈ জিলিকি আছে। তদুপৰি আছে তেওঁৰ অলংকাৰ প্ৰয়োগৰ দক্ষতা। ভাৰতীয় সাহিত্যত উপমাৰ ক্ষেত্ৰত কালিদাস যি স্থান পায় অসমীয়া সাহিত্যত সেই স্থান পায় কবি কন্দলিয়ে। ৰূপ বৰ্ণনাত, ৰসৰ বৰ্ণনাত আৰু প্ৰকৃতি বৰ্ণনাত কবি দক্ষ। অলংকাৰ, অনুপ্ৰাস, উপমা আদিৰ ব্যৱহাৰেৰে তেওঁ বৰ্ণনীয় কথা

ছবিৰ দৰে স্পষ্ট কৰি তোলে। অলংকাৰৰ প্ৰয়োগ ৰীতি সংস্কৃত কাব্যৰ অনুৰূপ। যেনে– দেহ বৰ্ণনাত পদুমৰ উপমা অনা হৈছে। মুখমণ্ডলক চন্দ্ৰৰ লগত আৰু নয়নক চকোৰ লগত তুলনা কৰা হৈছে। মৌলিক সৃষ্টিৰে তেওঁ এনে অসংখ্য উপমাপূৰ্ণ বাক্য ৰচনা কৰিছে। অৰণ্যকাণ্ড আৰু সুন্দৰাকাণ্ডত এনে বাক্যৰ প্ৰাচুৰ্য পৰিলক্ষিত হয়। এই দুয়োটা কাণ্ডই অতি সুন্দৰ। কবিয়ে নিজেই কৈছে—

*সুন্দৰ শ্ৰীৰামচন্দ্ৰ সুন্দৰ লক্ষ্মণ*
*সুন্দৰ যে সুগ্ৰীৱ সুন্দৰ কপিগণ*
*সুন্দৰ জানকী সীতা জগতৰ আই*
*সুন্দৰাকাণ্ডত কিছু অসুন্দৰ নাই।*

### ১.২.৩.১ প্ৰকৃতি চিত্ৰণ

প্ৰকৃতি বৰ্ণনাত কবি নিপুণ। সুন্দৰাকাণ্ডত অশোকবনৰ এটা বিস্তৃত আৰু সজীৱ বৰ্ণনা আছে। অযোধ্যাকাণ্ডত কবিয়ে ৰামৰ মুখেৰে সীতা আৰু প্ৰকৃতিক এক কৰি পেলাইছে। কিন্তু সুন্দৰাকাণ্ডৰ নায়ক হনুমানে স্বৰ্ণলংকাত পদাপৰ্ণ কৰি তাৰ যি প্ৰাকৃতিক সৌন্দৰ্য দেখা পাইছে সেই বৰ্ণনা বেছি বাস্তৱমুখী। লংকানগৰীৰ গছ-বন, চৰাই-চিৰিকতি আদি সকলোৰে মাজত কবিয়ে টানি আনিছে তেওঁৰ মাতৃভূমিৰ ঘৰুৱা চিত্ৰ। সেয়ে আমি সদায় দেখি থকা চিনাকি গছ-বন, চিনাকি পশু-পক্ষী আৰু চিনাকি ফল-মূলৰ বৰ্ণনাৰে ভৰপূৰ সুন্দৰাকাণ্ডটো আপোন আপোন যেন লাগে। স্বৰ্ণনগৰী লংকাৰ ৰাজউদ্যানৰ ভূমিভাগো সোণেৰে আবৃত। অথচ তাত উত্তৰ হোৱা বৃক্ষ আৰু ফলৰ নাম বিচাৰোতে কবিয়ে আম, জাম, বেল, নাৰিকল আদি অসমৰ গছ-বনলৈহে মনত পেলাইছে। তাত আছে–

খাজুৰি হাঠিঠা আমলখি ডহাফল
ছাটিয়াল গুৱা নাৰিকেল যে শ্ৰীফল
সলঙ্গা মহৰি আৰু কমলা টেঙ্গৰা
কৰ্দ্দে পিচুমাৰ্দ্দক যে সোলঙ্গা আমৰা

লংকাৰ নাৰীসকলে সোণৰ সজাত পালন কৰা চৰাইবিলাকৰ নামৰ মাজতো তেওঁ অসমৰ চুতীয়া শালিকাটোলৈ পাহৰা নাই। কাহিনীৰ মাজে মাজে এইদৰে স্থানীয় ৰহণ সনাটো কন্দলিৰ কাব্যৰীতিৰ এটা বৈশিষ্টয। এই বৈশিষ্ট্যই তেওঁৰ ৰামায়ণখনক সকলোফালৰপৰা আকৰ্ষণীয় কৰি তুলিছে।

### ১.২.৩.২ ৰস

সুন্দৰাকাণ্ডত প্ৰায়বিলাক ৰসৰেই অলপ নহয় অলপ সোৱাদ পোৱা যায়। অশোকবনত বন্দিনী সীতাৰ বিলাপৰ মাজত করুণ ৰস গভীৰভাৱে প্ৰকাশ পাইছে। হনুমানৰ মুখেদি সীতাৰ বিৰহত হোৱা ৰামৰ কাতৰ অৱস্থাৰ বৰ্ণনা আৰু ৰামৰ দুখৰ সংবাদত সীতাৰ অস্থিৰতাৰ বৰ্ণনা অন্তৰ পৰশা। কিছু পৰিমাণে হ'লেও সুন্দৰাকাণ্ডত শৃংগাৰ ৰসৰ প্ৰকাশ দেখা যায়। ৰাৱণৰ অন্তেষপুৰত নিদ্ৰিতা সুন্দৰীসকলৰ বৰ্ণনাত আৰু তেওঁলোকৰ দেহভংগীৰ ছবিৰ মাজত শৃংগাৰ ৰসৰ আধিক্য আছে। সীতাৰ ওচৰলৈ আগবঢ়া ৰাৱণৰ কথা আৰু কাৰ্য শৃংগাৰ ৰসাত্মক। হাস্যৰসৰ ক্ষেত্ৰতো এই কাণ্ডটো কোনো গুণে হীন নহয়। লংকানগৰীৰ ৰাক্ষসবিলাকৰ বৰ্ণনা ৰস লগা ধৰণে হাঁহি উঠা। ৰাক্ষসৰ বৰ্ণনাত প্ৰয়োগ কৰা শব্দবিলাকো মন কৰিবলগীয়া। এই ৰাক্ষসবিলাকৰ—

*''কতো কুঁজা কতো খোৰা কতো গোট কলা।*
*কতোহো নাৰঙ্গা সোভা কুণ্ডলীয়া শোলা॥''*

অধিক হাস্যৰস সৃষ্টিৰ বাবে কবিয়ে আৰু কৈছে যে ৰাক্ষসবোৰে—

*'অন্ধলাৰ কান্ধত পেঙ্গুৰা যাই চড়ি।*
*পেঙ্গুৰাৰ উদ্দেশে অন্ধলা কাঢ়ে ভৰি॥''*

তদুপৰি হনুমানৰ বিবিধ কাৰ্য-কলাপেও হাস্যৰসৰ সৃষ্টি কৰিছে। বীৰ বা ৰৌদ্ৰ ৰস হনুমানৰ কথা আৰু কাৰ্যত ফুটি উঠিছে। এই ৰৌদ্ৰৰস তীব্ৰতম হৈছে ৰাৱণ যেতিয়া সীতাৰ ফালে আগবাঢ়িছে সেই সময়ত হনুমানৰ মনত উদয় হোৱা ভাৱৰাশিৰ বৰ্ণনাত। ৰাৱণৰ মুখতো দুই এটা বাক্যত ৰৌদ্ৰৰস পোৱা যায়। সেইদৰে ৰাৱণৰ প্ৰতি সীতাৰ বচনৰ মাজতো এই ৰস কিছু পৰিমাণে ফুটি উঠিছে। হনুমানৰ হাতত বিভিন্ন ৰাক্ষসবৰ্গৰ মৃত্যু আৰু কেইবাখনো যুদ্ধৰ বৰ্ণনাৰে সুন্দৰাকাণ্ডত প্ৰচুৰভআৱে বীৰৰসৰ সমাগম ঘটাইছে। কেইবাখনো যুদ্ধৰ বৰ্ণনাৰ ভিতৰত হনুমান আৰু ইন্দ্ৰজিতৰ যুদ্ধখনৰ বৰ্ণনা বেছি সজীৱ।

### ১.২.৩.৩ কাব্যিক সৌন্দৰ্য

মাধৱ কন্দলিৰ ৰচনাৰ অন্যতম বৈশিষ্ট্য হৈছে নগৰ বৰ্ণনা। গোটেইখিনি ৰামায়ণতে য'তেই সুবিধা পাইছে ত'তেই কবিয়ে বিভিন্ন নগৰৰ সুন্দৰ বৰ্ণনা আগবঢ়াইছে অযোধ্যাকাণ্ডত অযোধ্যাৰ বৰ্ণনাৰ দৰেই সুন্দৰাকাণ্ডৰ স্বৰ্ণালংকাৰ বৰ্ণানাও ছবিৰ দৰে স্পষ্ট। ৰাৱণৰ নগৰী-ত্ৰিভূবনৰ সকলো সৌন্দৰ্যৰ ভাণ্ডাৰ। সুবৰ্ণ আৰু মাণিক-মুকুতাৰে নিৰ্মিত বিভিন্ন প্ৰাসাদ, ঠায়ে ঠায়ে মনোমোহা উদ্যান

আৰু ফটিকৰ দৰে নিৰ্মল জলেৰে ভৰপূৰ জলাশয়ৰদ্বাৰা ৰাৱণে তেওঁৰ নগৰ সজাই তুলিছে। এই নগৰৰ মাজত সবাতোকৈ আকৰ্ষণীয় স্থান— অশোকবন। এই বনৰ মাজতে হনুমানে সীতৰ সাক্ষাৎ পাইছে। অশোকবনৰ কথা ক'বলৈ যাওঁতে কবি কন্দলিয়ে বহল বৰ্ণনাৰ সহায় লৈছে। বনৰ সৌন্দৰ্য, ৰাক্ষসবোৰৰ কুৰূপতা আৰু সীতাৰ ৰূপৰ স্নিগ্ধতাৰ কথা তেওঁ মনোৰমভাৱে দাঙি ধৰিছে। ৰাক্ষসীৰ মাজত থকা সীতাৰ কথা তেওঁ এইদৰে কৈছে—

*'তাসম্বাৰ মাজে দেৱী সংসাৰতে সাৰা।*
*মেঘে যেন ঢাকি আছে সৰ্বোত্তম তাৰা॥*
*কেশে যেন ঢাকি আছে চম্পক মল্লিকা।*
*ভস্মে যেন ঢাকি আছে অগনিৰ শিখা॥''*

মনৰ ভাৱ বৰ্ণনাত কবি কেনে নিপুণ আছিল। তাৰ উদাহৰণ বিভিন্ন সময়ত সীতাৰ মনত উদয় হোৱা বিভিন্ন ভাৱৰ প্ৰকাশৰপৰা বুজিব পাৰি। অসহায়া সীতা যেতিয়া ভয়ে ভয়ে ৰাৱণৰ আগমনৰ আশংকাত থাকিব লগা হৈছিল তেতিয়া তেওঁ 'চকিতা হৰিণী যেন চান্ত আগে পাছে'— সেই একে সীতাই ৰাৱণৰ আগত তীব্ৰ খঙত জম্বলি উঠিছে—

***ৰাঘৱ স্বামীৰ আমি ধৰ্মপত্নী***
***জম্বলস মোহোৰ শোক***
***স্বামীৰ ইঙ্গিত পাইলে এতিক্ষণে***
***শাপি ভস্ম কৰো তোক।***

অথচ হনুমানক ওচৰত পাই প্ৰবাসত আপোনজনক পোৱাৰ দৰে আনন্দ আৰু বেজাৰত সীতাৰ মন ভাগি কৰিছে। সীতাই যেন হনুমানক কথা সুধি অন্তই কৰিব নোৱাৰে। ৰামৰ কথা, লক্ষ্মণৰ কথা, মাতৃসকলৰ কথা জানিবলৈ তেওঁ ব্যগ্ৰ হৈ পৰিছে। সাদৰী পত্নীৰ স্বাভাৱিকতাৰে তেওঁ প্ৰশ্ন কৰিছে—

***মোহোৰ কি স্বামী ৰাম কুশলে আছন্ত॥***
***কিমত শয়ন স্নান ভোজন কৰন্ত।***
***কিবা চিন্তা কৰি মোক প্ৰভু সুমৰন্ত॥***

দুখুনী সীতাৰ মনোবল আৰু অসীম ধৈৰ্যই সুন্দৰাকাণ্ডৰ ৰহণ চৰাইছে।

মাধৱ কন্দলিৰ অন্য এটা বৈশিষ্ট্য— ফকৰা-যোজনা পটন্তৰ প্ৰয়োগ আৰু কথ্যভাষাৰ ঘৰুৱা সুৰৰ যথাৰ্থ ব্যৱহাৰ, এই দুটা গুণে সুন্দৰাকাণ্ডক অধিক সৌন্দৰ্য দান কৰিছে। যেনে—

*সীতায়ে বোলন্ত বানৰৰ মুখ চাই।*
*নিকটেৰ পোগোটৰ এতমান টাই॥*
*তুলা নিবে নোৰাৰয় ভাৰ বান্ধে শিলে।*
*গুগুকুৰি পৰুৱায়ে হাতীগোট গিলে॥*
*ঢোল হেন ডিমাপাৰে চুঙ্গাৰ বাদুলি।*
*পিপিয়া চটকে পৰ্বতক লৰে তুলি॥*

এনেবোৰ শব্দ প্ৰয়োগৰ ফলত সুন্দৰাকাণ্ডটো ঘৰুৱা আপোন-আপোন যেন লগা হৈছে। উপমাৰ ক্ষেত্ৰত, কন্দলিৰ ৰামায়ণত উদাহৰণৰ অভাৱ নাই। তাৰে দুটা উদাহৰণ– সীতাৰ কাষলৈ মদমত্ত হস্তীৰ দৰে আগবঢ়া ৰাৱণক মন্দোদৰীয়ে যিদৰে শান্ত কৰিলে তাক কোৱা হৈছে– ‘হস্তীক অংকুসে যেন পালতাই টানি।’ ৰাজকাৰেঙৰ অন্তেষপুৰত তেওঁৰ সুন্দৰী পত্নীসকলৰ লগত নিদ্ৰিত ৰাক্ষসৰাজ ৰাৱণৰ কথা এইদৰে কোৱা হৈছে– ‘ডাঙৰ বৃক্ষক যেন নানাভাৱে বেঢ়ি আছে— কোমল মাধৱীলাত সংগে।’ সুন্দৰীসকলৰ বৰ্ণনাও অপৰূপ। কাৰো সুন্দৰমুখবোৰ যেন মালা গাঁঠিবৰ বাবে সাজু কৰি থোৱা পদুমহে। কোনোবা নিদ্ৰিতা ৰূপহীৰ সাতসৰী হাৰ শয্যাত বাগৰি আছে সেয়া যেন আকাশৰ উ  জ্বল নক্ষত্ৰহে। ৰাৱণৰ কাষত নিদ্ৰিতা মন্দোদৰীৰ
জ্জ ৰূপ যেন কাল পৰ্বতত জিলিকি উঠা বিজুলীৰ স্বৰ্ণৰেখাহে।

সুন্দৰাকাণ্ডৰ সৌন্দৰ্যৰ কথা কম কথাত কৈ অন্ত কৰিব নোৱাৰি। গোটেইখিনি ৰামায়ণত তেওঁ সমসাময়িক অসমৰ কিছু ৰীতি-নীতি, প্ৰকৃতি জগত আৰু ফকৰা-যোজনা খাপ খোৱা ধৰণে সুমুৱাই পেলাইছে। এই স্থানীয় গুৰুত্বযুক্ত বৰ্ণনাই তেওঁৰ ৰামায়ণক বিশেষ মূল্য দিছে। পৰাপক্ষত তেওঁ মূলৰপৰা ফালৰি কাটি অহা নাই আৰু বৰ কমহে ‘লম্ভা’ কথা যোগ দিছে। অন্যান্য কাণ্ডৰ দৰে সুন্দৰাকাণ্ডতো তেওঁ মূলৰপৰা পৰাপক্ষত আঁতৰি অহা নাই আৰু মূলৰ শ্লোকবোৰ প্ৰয়োজনবোধে কম বা বেছি পদত ভাঙনি কৰিছে। তেওঁৰ ভাঙনি ইমান নিমজ আৰু শুৱলা যে সেইবোৰ মৌলিক ৰচনা যেনহে লাগে। কবিৰ প্ৰতিভাৰ পৰশত সুন্দৰাকাণ্ডৰ ছত্ৰে ছত্ৰে সৌন্দৰ্যৰ স্ফূৰণ ঘটিছে।

## ১.২.৪ সাংৰাশ

- সুন্দৰাকাণ্ডত  কবিৰ মৌলিকতা সুন্দৰ ৰূপত ফুটি উঠিছে।
- কন্দলিৰ অনুবাদ-ৰীতি স্বকীয় বৈশিষ্ট্যযুক্ত।
- বিবিধ ৰসৰ সমাৱেশ ঘটিছে।
- হনুমানৰ চৰিত্ৰ ইয়াত ঘাই চৰিত্ৰ।

- কন্দলিৰ বৰ্ণনাশক্তি চমকপ্ৰদ।
- ৰচনাৰ মাজত অসমৰ স্থানীয় ৰহণ ফুটি উঠিছে।

## ১.২.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**শুদ্ধ উত্তৰ নিৰ্বাচন কৰা—**

সুন্দৰাকাণ্ডত—

(১) ৰাম আৰু লৱকুশৰ যুদ্ধৰ কথা আছে।

(২) অশোকবনত বন্দীনি সীতাৰ কথা আছে।

(৩) ৰামৰ অকালবোধন দুৰ্গাপূজাৰ কথা আছে।

(৪) সকলো সুন্দৰ ৰূপত বৰ্ণিত হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**খালী ঠাই পূৰ কৰা——**

(১) অন্ধলাৰ কান্ধত যাই চড়ি

পেঙ্গুৰাৰ উদ্দেশ্য কাঢ়ে ভৰি।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**পাঁচোটা বাক্যৰ ভিতৰত উত্তৰ সম্পূৰ্ণ কৰা।**

সুন্দৰাকাণ্ডৰ কাব্যিক সৌন্দৰ্য বৰ্ণনা কৰা।

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

## ১.২.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

(৪) সকলো সুন্দৰ ৰূপত বৰ্ণিত হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

(১) অন্ধলাৰ কান্ধত পেঙ্গুৰা যাই চড়ি

পেঙ্গুৰাৰ উদ্দেশ্য অন্ধলা কাঢ়ে ভৰি।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

সুন্দৰাকাণ্ডত স্বৰ্ণালংকাৰ বৰ্ণনা কৰোঁতে কবিৰ মৌলিকতা সুন্দৰ ৰূপত ফুটি উঠিছে। বনৰ সৌন্দৰ্য, ৰাক্ষসবোৰৰ কুৰূপতা আৰু সীতাৰ ৰূপৰ স্নিগ্ধতাৰ কথা তেওঁ মনোৰমভাৱে দাঙি ধৰিছে। ফকৰা-যোজনা, পটন্তৰ প্ৰয়োগ আৰু কথ্যভাষাৰ ঘৰুৱা সুৰৰ যথাৰ্থ ব্যৱহাৰ, এই দুটা গুণে সুন্দৰাকাণ্ডক অধিক সৌন্দৰ্য প্ৰদান কৰিছে। বিবিধ ৰসৰ সমাৱেশ, নিমজ, শুৱলা ভাঙনি আৰু স্বতন্ত্ৰ কাব্যিকতাৰ পৰশত মাধৱ কন্দলিৰ সুন্দৰাকাণ্ড অনুপম হৈ উঠিছে। কবিৰ নিজা কাব্য প্ৰতিভাই মূল ৰামায়ণৰ পৰা পৃথক অনন্য সৌন্দৰ্যৰে প্ৰতিভাত হৈছে।

**খণ্ড ১**

## গোট ৩ ঃ লৱ-কুশৰ যুদ্ধ

১.৩.০ উদ্দেশ্য

১.৩.১ প্ৰস্তাৱনা

১.৩.২ কবি পৰিচয়

১.৩.৩ বিষয়বস্তু আৰু বৈশিষ্ট্য

১.৩.৩.১ 'লৱকুশৰ যুদ্ধ' কাব্যৰ উল্লেখযোগ্য দিশ

১.৩.৪ সাৰাংশ

১.৩.৫ অনুশীলনী

১.৩.৬ সম্ভাৱ্য প্ৰশ্নোত্তৰ

### ১.৩.০ উদ্দেশ্য

প্ৰাচীন অসমীয়া সাহিত্যৰ ৰস গ্ৰহণ এই পাঠৰ ঘআই উদ্দেশ্য। যুদ্ধকাব্যৰ কাহিনী নিৰ্বাচন, ৰস-প্ৰয়োগ আৰু বৰ্ণনাৰীতিৰ পৰা প্ৰাচীন অসমীয়া সাহিত্যৰ শক্তি আৰু সৌন্দৰ্যৰ ধাৰণা পোৱা যাব। হৰিবৰ বিপ্ৰৰ ৰচনাৰ লগত চিনাকি হৈ অসমীয়া সাহিত্যত হৰিবৰ বিপ্ৰৰ স্থান নিৰূপণ কৰাও এই পাঠৰ উদ্দেশ্য।

### ১.৩.১ প্ৰস্তাৱনা

প্ৰাচীন অসমীয়া সাহিত্য আছিল মহাকাব্য-আশ্ৰয়ী। কবিসকল দুয়োখন মহাকাব্যৰ পৰা মনোমত কাহিনী নিৰ্বাচন কৰি কাব্যৰূপ দিছিল। কবি হৰিবৰ বিপ্ৰৰ প্ৰিয় বিষয় আছিল যুদ্ধৰ বৰ্ণনা। তেওঁ ৰচনা কৰা তিনিওখন কাব্যতে যুদ্ধৰ কাহিনীক আলম ৰূপে লৈ বিষয়বস্তুক গঢ় দিয়া হৈছে। হৰিবৰ বিপ্ৰৰ অন্যতম শ্ৰেষ্ঠ ৰচনা 'লৱ-কুশৰ যুদ্ধ'ৰ মাজত তেওঁৰ কবি-প্ৰতিভাৰ সুন্দৰ প্ৰকাশ দেখা যায়।

## ১.৩.২ কবি পৰিচয়

'লৱ-কুশৰ যুদ্ধ' কাব্যৰ পৰা হৰিবৰ বিপ্ৰৰ বিষয়ে একো জানিব পাৰ নাযায়। কিন্তু 'জৈমিনীয়াশ্বমেধ'ৰ পৰা পদ কৰি লিখা 'বব্ৰুবাহনৰ যুদ্ধ' কাব্যত হৰিবৰ বিপ্ৰই দিয়া আত্মপৰিচয় এনে ধৰণৰ—

*জয় জয় নৰপতি দুৰ্লভনাৰায়ণ ৰাজা কমতাপুৰে ভৈলা বীৰবৰ।*
*সপুত্ৰ বান্ধৱে যেৱে সুখে ৰাজ্য কৰন্তোক জীৱন্তোক সহস্ৰ বৎসৰ॥*
*তাহান ৰাজ্যত থিত সৰ্বজন মনোনীত অশ্বমেধ পৰ্ব মধ্যে সাৰ।*
*বিপ্ৰ হৰিবৰ কবি হৰিৰ (গৌৰীৰ) চৰণ সেৱি পদবন্ধে কৰিলো প্ৰচাৰ॥*

এই পদ কেইফাঁকিৰ পৰা আমি জানিব পাৰো যে, হৰিবৰ বিপ্ৰই কমতাপুৰৰ ৰজা দুৰ্লভনাৰায়ণৰ পৃষ্ঠপোষকতাত 'অশ্বমেধ-পৰ্বমধ্যে সাৰ' অৰ্থাৎ জৈমিনী 'অশ্বমেধ পৰ্ব'ৰ অন্তৰ্গত অৰ্জুন আৰু বব্ৰুবাহনৰ যুদ্ধৰ কথা আৰু তাৰ লগতে প্ৰাসঙ্গিকভাৱে উত্থাপিত লৱ-কুশৰ যুদ্ধৰ বৰ্ণনাও 'পদবন্ধ' ৰূপত ৰচনা কৰিছে। দুয়োখন পুথিৰ বিষয়বস্তু আৰু ৰচনাৰীতিৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰি দুয়োখন পুথিৰ ৰচয়িতা একেজন হৰিবৰ বিপ্ৰ বুলিব পাৰি। হৰিবৰ আৰু তেওঁৰ পৃষ্ঠপোষক দুৰ্লভনাৰায়ণৰ সময়কলৈ পণ্ডিতসকলৰ মাজত মতভেদ আছে। ড° হৰিনাথ শৰ্মা দলৈয়ে **অসমীয়া সাহিত্যৰ পূৰ্ণ-ইতিহাসত** মত প্ৰকাশ কৰিছে হৰিবৰ আৰু দুৰ্লভাৰায়ণ ত্ৰয়োদশ শতিকাৰ শেষ আৰু চৰ্তুদশ শতিকাৰ লোক। আনহাতে ড০ মহেশ্বৰ নেওগৰ মতে হৰিবৰ বিপ্ৰ পঞ্চদশ শতিকাৰ কবি (***অসমীয়া সাহিত্যৰ ৰূপৰেখা,*** পৃ. ৬০)

এতিয়ালৈকে হৰিবৰ বিপ্ৰৰ তিনিখনি কাব্য পোৱা হৈছে— 'লৱ-কুশৰ যুদ্ধ', 'বব্ৰুবাহনৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ' —এই তিনিওখন কাব্য জৈমিনিকৃত মহাভাৰতৰ আশ্বমেধিক পৰ্বৰ আখ্যানবিশেষৰ ওপৰত আধাৰিত। তিনিওখন পুথি অনুবাদমূলক হ'লেও কাব্যকেইখনৰ মাজত কবিৰ মৌলিক প্ৰতিভাৰ প্ৰকাশ ঘটিছে। তিনিওখন কাব্যৰে মূল বিষয় যুদ্ধ-বিগ্ৰহ। এই তিনিওখন কাব্যৰ ঘটনাৱলী মূলত পৰস্পৰ সম্বন্ধযুক্ত একপ্ৰকাৰে এটাই আখ্যান।

**লৱ-কুশৰ যুদ্ধ, বব্ৰুবাহনৰ যুদ্ধ** আৰু **তাম্ৰধ্বজৰ যুদ্ধ** তিনিওখন কাব্যতে বীৰ, বীভৎস, ভয়ানক, কৰুণ আদি ৰসৰ সমাবেশ ঘটিছে। **বব্ৰুবাহনৰ যুদ্ধ** আৰু **লৱ-কুশৰ যুদ্ধ** কাব্যৰ অন্যতম আকৰ্ষণ হৈছে কৰুণ ৰস। হৰিবৰ বিপ্ৰৰ ভাষা আৰু ৰচনা-শৈলী সৰস আৰু সহজ। জতুৱা খণ্ডবাক্যৰ প্ৰয়োগ প্ৰচুৰ পৰিমাণে দেখা যায়। পদ, দুলড়ি আৰু ছবি ছন্দৰ ব্যৱহাৰ কৰি তেওঁ কাব্য ৰচনা কৰিছিল। জৈমিনিৰপৰা ৰাম-কথা পদত ৰচনা কৰিলেও হৰিবৰে 'গৌৰীৰ চৰণ' সেৱা কৰাৰ চাই তেওঁক শাক্ত বুলি অনুমান কৰিব পাৰি।

## ১.৩.৩ বিষয়বস্তু আৰু বৈশিষ্ট্য

হৰিবৰ বিপ্ৰৰ **‘লৱ-কুশৰ যুদ্ধ’** প্ৰাচীন অসমীয়া সাহিত্যৰ এখন উল্লেখযোগ্য কাব্য। ব্যাস ঋষিৰ অন্যতম শিষ্য জৈমিনিয়ে জন্মেজয়ৰ অনুৰোধক্ৰমে এই কাহিনী বৰ্ণনা কৰিছিল। মূল কাহিনীৰ আধাৰতে হৰিবৰ বিপ্ৰই কিছু পৰিমাণে মৌলিকতাৰ মিশ্ৰণ ঘটাই কাব্যখন ৰচনা কৰিছে।

কাব্যৰ আদিতে ৰামচন্দ্ৰই সীতাক অগ্নিপৰীক্ষা কৰাৰ পিছত অযোধ্যালৈ অহাৰ বিস্তৃত বৰ্ণনা দিছে। ৰাম-সীতাৰ আগমনত অযোধ্যাত হোৱা আনন্দ-উল্লাহস বৰ্ণনা তেওঁ মূলত থকাৰ দৰে দিছে যদিও কিছুমান কথা কমাইছে অথবা বাদ দিছে। ইয়াৰ পিছত সীতাৰ গৰ্ভাধান, ৰামৰ স্বপ্ন দৰ্শন, ৰামৰ পুংসৱন, সীতাৰ অভিলাষ, সীতাৰ কলংক ৰটনা, ৰামৰ মানসিক দ্বন্দ্ব, ৰামৰ সীতা ত্যাগৰ সিদ্ধান্ত, লক্ষ্মণৰ সীতাৰ ওচৰলৈ গমন, সীতাৰ বিদায় গ্ৰহণ, সীতাৰ বনবাস যাত্ৰা, সীতাৰ বাল্মীকি সাক্ষাৎ, লৱ-কুশৰ জন্ম, ৰামৰ অশ্বমেধ যজ্ঞৰ আয়োজন, লৱৰ দ্বাৰা অশ্ববন্ধন, লৱ-কুশৰ ৰণ যাত্ৰা, লৱ-কুশৰ লগত ৰামৰ যুদ্ধ, লৱ-কুশৰ দ্বাৰা সীতাক যুদ্ধৰ বৃতান্ত কথন, বাল্মীকিৰ হস্তক্ষেপত পুনৰ মিলন আদি বিভিন্ন খণ্ডসমূহ একাদিক্ৰমে বৰ্ণনা কৰা হৈছে। সমগ্ৰ কাব্যখনিৰ মাজত হৰিবৰে যিমান পৰা যায় মূলৰ অনুসৰণ কৰা চকুত পৰে। ‘ৰামৰ স্বপ্ন দৰ্শন’ খণ্ড কেৱল জৈমিনীয়াশ্বমেধতহে আছে; অন্য কোনো ৰামায়ণী কাব্যত ইয়াৰ উল্লেখ নাই। হৰিবৰে এই স্বপ্ন বৃতান্ত মূলৰ দৰে ৰাখিছে।

হৰিবৰৰ কাব্যত অসমৰ সামাজিক চিত্ৰৰ প্ৰতিফলনৰ বিষয়ে ড° সত্যেন্দ্ৰ নাথ শৰ্মাই কৈছে যে ৰামৰ পুংসৱন ক্ৰিয়াৰ বিৱৰণ অসমত প্ৰচলিত পুংসৱন ক্ৰিয়াৰে প্ৰতিচ্ছবি মাথোন। কন্যা-জামাতাৰ মাংগলিক উৎসৱত পিতৃসকলে অংশগ্ৰহণ কৰাৰ ছবি জনক ৰজাৰ ভূমিকাৰ দ্বাৰা ফুটাই তোলা হৈছে। উৎসৱৰ বাবে যজ্ঞ-মণ্ডপ নিৰ্মাণ কৰা, ফুল আৰু মাংগলিক দ্ৰব্যৰে সজাই তোলাৰ বিস্তৃত বৰ্ণনাও দাঙি ধৰা হৈছে। নিজা উদ্ভাৱনাৰে হৰিবৰে ইয়াৰ মাজতো সৌন্দৰ্যৰ ৰহণ চৰাইছে। মূলত ভৰতে সীতাৰ ওচৰত বীণা বজাই থকাৰ কথা আছে যদিও হৰিবৰে কৈছে যে ‘যতেক মহন্ত ৰাজা আছিল পূৱত, তাক জুড়ি গীত গাইলা কনিষ্ঠ ভৰত।’’ ই যেন অসমীয়া সমাজৰ জোৰা নামৰহে প্ৰতিফলন। মূলৰ দৰেই পুংসৱনৰ পাছত নিজৰ সৰ্বস্ব ৰামক দান কৰি তপোবনলৈ গুছি যোৱা বুলি উল্লেখ কৰা হৈছে। ইয়াৰ পিছত হৰিবৰে ৰামে তেওঁৰ সম্পৰ্কত প্ৰজাই যি আলোচনা কৰে সেই কথা জানি আহিবলৈ গুপ্তচৰ নিয়োগ কৰাৰ কথা লিখিছে।

মূলত আছে যে, ৰামে গৰ্ভৱতী সীতাৰ বিশেষ কিবা অভিলাষ আছে নেকি সেই সম্পৰ্কে সুধিছিল। এই ক্ষেত্ৰত হৰিবৰে নিজাকৈ এখন খোৱাবস্তুৰ তালিকাও সংযোগ কৰিছে—

*চই লোণ পুস্পৰাজে দেই আখৈ চিৰা।*
*দধি দুগ্ধ ঘৃতমধু লবণু শৰ্কৰা॥*

ইয়াৰ পিছত সীতাই খোৱাবস্তুৰ প্ৰতি অভিলাষ নথকা বুলৈ কৈ ভাগীৰথীৰ তীৰত তথা ঋষি-পত্নীসকলক লগ পাবলৈহে হেঁপাহ কৰিছে। মূলৰ দৰে ইয়াতো ৰামে সীতাক পৰিহাস কৰি কৈছে যে, ইমানদিন বনবাসত থাকিও সীতাৰ হয়তো হেঁপাহ পলোৱা নাই।

মূলত ধোবাই ৰামক নিন্দা কৰাৰ কথা এজন গুপ্তচৰে কৈছেহি। হৰিবৰৰ ৰচনাত নিন্দাৰ কথা জানিব পাৰি ৰামে যি বেদনা লাভ কৰিছে আৰু যি গভীৰ মানসিক সংঘাতত ভুগিছে তাৰ বৰ্ণনা হৰিবৰে মূলতকৈ বেছি অন্তৰ পৰশা ৰূপে দাঙি ধৰিছে। যি সীতাৰ কাৰণেই তেওঁ সসৈন্যে সেতু বান্ধি সাগৰ পাৰ হৈ গৈ ৰাৱণক বধি লংকা চাৰখাৰ কৰি আহিলে, দেৱতা, ঋষি আৰু পিতৃগণে সীতাক সতী আৰু পতিৱ্ৰতা বুলি ক'লে; কিন্তু এতিয়া 'কোথাইৰ পাপিষ্ঠ ধোবে, মুণ্ডত মাৰিলে কোবে, হৃদয়ত মোৰ দিলে শাল' বুলি বিলাপ কৰিছে। সীতাক নিৰ্দোষ বুলি জানিও লোক-কলংকৰ বাবে ত্যাগ কৰিবলগীয়া হোৱাত শোকত আতুৰ হৈ ৰামে কৈছে—

*হা বিধি কিনো কষ্ট*
জ্জ *দুয়োপদে ভৈলা নষ্ট*
*এড়নেসে খণ্ডে হৃদিখেদ।*
*হৰি হৰি প্ৰাণেশ্বৰী*
*তোৰ মোৰ আজি ধৰি*
*দৰশন ভৈল পৰিচ্ছেদ॥*

এই উক্তিৰ মাজত কৰুণ ৰসৰ সাৰ্থক প্ৰকাশ দেখা যায়। ৰামে সীতাক ত্যাগ কৰাৰ বিষয়ে ভাতৃসকলক অৱগত কৰোৱাত লক্ষ্মণকে প্ৰমুখ্যে আটাইকেইজন ব্যথিত হয় আৰু তেনে কাৰ্যৰ প্ৰতিবাদ কৰে। এইখিনি ঘটনা হৰিবৰে যথেষ্ট বহলাই ব্যাখ্যা কৰিছে। ৰাম আৰু ভাতৃসকলৰ কথোপকথনৰ যোগেদি ধোবাৰ নিন্দা বাণী পুনৰ উল্লেখ কৰা হৈছে আৰু সীতাক ত্যাগ নকৰাৰ সপক্ষে থকা যুক্তিসমূহো বহলাই উল্লেখ কৰা হৈছে। এইক্ষেত্ৰত লক্ষ্মণৰ চৰিত্ৰৰ মাজত থকা তেজস্বী গুণ উ স্কলভাৱে প্ৰকাশ পাইছে। লক্ষ্মণে কৈছে যে, অগ্নি আদি দেৱতাসকল আৰু পিতৃ দশৰথে সীতাক পবিত্ৰ বুলি কোৱাৰ পিছতো ৰামে ধোবাৰ কথাক গুৰুত্ব দিয়াটো অনুচিত কাৰ্য হৈছে। তেওঁ কৈছে—

*দেৱৰ পিতৃৰ বোল সবে ভৈল পাছ।*
*কেৱলে ধোবাৰ বাক্য দেখিলাহা সাঞ্চ॥*

ইয়াৰ পিছতো ৰাম নিজৰ সিদ্ধান্তত অটল হৈ থকাত নিৰুপায় লক্ষ্মণক সীতাক বনবাসলৈ লৈ যাবলৈ দিয়া হৈছে। প্ৰজাৰ মনোৰঞ্জনৰ বাবে নিজৰ প্ৰাণতকৈয়ো প্ৰিয় সীতাক ত্যাগ কৰিবলগা হোৱাত ৰামে কেনে মনোকষ্ট লাভ কৰিছে তাৰ বৰ্ণনা দি হৰিবৰে কৈছে যে, 'সীতাক এৰন্তে ৰাম বাতুল পৰায়'' আৰু হিতাহিত জ্ঞান হেৰুৱাই তেওঁ কৈছে—

*জাঙ্গ ধৰো বাপ ধৰো মোৰ বোল কৰ।*
*সীতাক নিবাস দিয়ো বিলম্ব নকৰ॥*

নিৰুপায় লক্ষ্মণে সীতাক তপোবনলৈ নিবলৈ আহোঁতেও সীতাই কিন্তু তেওঁক যে নিৰ্বাসন দিয়া হৈছে সেই কথা জনা নাছিল। সেয়েহে ঋষি-পত্নীসকলক প্ৰদান কৰিবৰ বাবে বিবিধ উপহাৰ-দ্ৰব্য যোগাৰ কৰিবলৈ লক্ষ্মণক অনুৰোধ কৰিছিল। এই সমগ্ৰ বৰ্ণনা কৰুণ ৰসেৰে সিক্ত।

শাহুৱেকসকলৰ পৰা বিদায় লওঁতে কৌশল্যাই সীতাক যেনে ধৰণে বাৰণ কৰিছিল আৰু 'গভাৰ্ৱতী ভৈলে স্ত্ৰী গৃহৰ নোলাই বাঝ' বুলি কৈছিল, সেই উক্তিৰ মাজত চিৰন্তন ভাৰতীয় নাৰীৰ শাহু-বোৱাৰীৰ সম্পৰ্কৰ প্ৰতিফলন দেখা যায়। এই প্ৰসংগত হৰিবৰে মূলৰ বৰ্ণনা যথেষ্ট বঢ়া-টুটা কৰিছে।

সীতাৰ বনবাস যাত্ৰাৰ পথত হোৱা কিছুমান কৰুণ ঘটনাৰ ৰমণীয় বৰ্ণনা হৰিবৰে বাদ দিছে। অৱশ্যে সীতাই বাটত দেখা অমংগলবোৰৰ কথা একেই ৰাখিছে। মূলত অৰণ্যৰ গছ-লতা, বিবিধ পুষ্প, কুঞ্জবন আৰু গংগা নদীৰ জলধাৰাৰ মনোৰম বৰ্ণনা পোৱা যায়। হৰিবৰে এই বৰ্ণনা চমুৱাই থৈছে। অৱশ্যে দুটি-এটি পদৰ দ্বাৰাই তেওঁ এখন গভীৰ অৰণ্যৰ আভাস দিব পাৰিছে। অন্য এঠাইত সত্তৰ বিধ মান গছৰ নাম উল্লেখ কৰি বেলিৰ পোহৰ নপৰা অন্ধকাৰ অৰণ্যৰ ভয়াবহ ইংগিত কৰিছে। মূলত জম্বু, আম্ৰ, চম্পক, পুলিন্দ আদি বাৰ বিধ গছৰ নামহে উল্লেখ আছিল। মূলত আছে যে, সীতাই আশা কৰা মতে তপোবনৰ হোমৰ ধোঁৱা তথা ঋষি আৰু ঋষি-পত্নীসকলৰ ঠাইত ভয়ঙ্কৰ জীৱ-জন্তুৰহে মাত শুনি শংকতি হৈছে। এই দীঘলীয়া বৰ্ণনা চমু কৰি হৰিবৰৰ সীতাই লক্ষ্মণক সুধিছে—

*ঋষিৰ আশ্ৰম আৰ কত বেলি পাই॥*
*নেদেখো ঋষিৰ কৰ্ণে নুশুনো বেদধ্বনি॥*
*নুশুনো ঋষিৰ ভাৰ্য্যাৰ পুত্ৰৰ বেদবাণী॥*

ইয়াৰ পিছত লক্ষ্মণে দুখ মনেৰে সীতাক প্ৰকৃত সত্য অৱগত কৰোৱাত সীতা মূৰ্চ্ছিত হৈ পৰিছে। চেতনা পোৱাৰ পিছত নানা ধৰণে বিলাপ কৰা সীতাই এইবুলিও কৈছে যে, পূৰ্বতে দণ্ডকাৰণ্যত লক্ষ্মণে ৰাম-সীতাক ৰক্ষা কৰিও আছিল আৰু ফল-মূলৰ যোগান ধৰি ভৰণ-পোষণ কৰি আছিল। এগৰাকী

সাধাৰণ নাৰীৰ দৰে কৰা সীতাৰ এই বিলাপ নিতান্ত হৃদয়-পৰশা। সীতাৰ মাজত দুখ-বেদনা গ্লানি আৰু আত্মধিক্কাৰ একগোট হৈ প্ৰকাশ পাইছে। দশৰথ-কৌশল্যাৰ বোৱাৰী, জনকৰ কন্যা, ৰামৰ পত্নী-সীতাকো যে বিধতাই অকাৰণতে এনে কষ্ট দিছে সেই সত্যৰ উপলব্ধিয়ে সীতাৰ দৰেই পাঠককো যেন কাতৰ কৰে।

গভীৰ অৰণ্যৰ মাজত লক্ষ্মণে সীতাক অকলে এৰি থৈ অহাৰ বৰ্ণনা মূলৰ দৰে হৰিবৰৰ বৰ্ণনাতো কৰুণ ৰসেৰে সিক্ত হৈ উঠিছে। বাল্মীকিয়ে সীতাক সেই অৰণ্যৰ মাজত লগ পোৱাৰ পাছত জনক ৰজা তেওঁৰ মিত্ৰ আছিল বাবে সীতাও তেওঁৰ কন্যা তুল্যা বুলি কোৱা উক্তি হৰিবৰৰ উদ্ভাৱনা। এই উদ্ভাৱনাই ৰচনাৰ ঘৰুৱা গুণ বৃদ্ধি কৰিছে। লৱ-কুশৰ জন্মবৃতান্তও হৰিবৰে নিজৰ মতে সজাই উপস্থাপন কৰিছে। মূলত থকা দৰে লৱ-কুশৰ নামকৰণৰ কাৰণ উল্লেখ কৰা নাই। লৱ-কুশক বাল্মীকিয়ে সৰ্ববিদ্যাত পাৰ্গত কৰাৰ বৰ্ণনা হৰিবৰে দুই-তিনিটা পদতে সামৰি থৈছে।

ইয়াৰ পিছত ৰামৰ অশ্বমেধ যজ্ঞৰ বৰ্ণনা মূলৰ অনুৰূপে কৰিছে যদিও থলুৱা পাঠকলৈ মনত পেলাই বৰ্ণনাসমূহ নিজৰ ঠাঁচত ঢালি লৈছে। এই অংশত হৰিবৰৰ কাব্যিক প্ৰতিভাৰ উ স্কলতা লক্ষ্য কৰা যায়। লৱৰ দ্বাৰা অশ্বমেধৰ অশ্ববন্ধন আৰু ৰামৰ সৈন্য-বাহিনীৰ লগত লৱৰ যুদ্ধ, শত্ৰুঘ্ন
জ্জ আৰু লৱৰ যুদ্ধ, কুশৰ ৰণস া আৰু ৰণযাত্ৰা মূলত থকাৰ দৰে দিছে যদিও নিজা অভিৰুচিৰে কিছুমান বৰ্ণনা সংযোগ কৰাত কাব্যখনৰ লৌকিক গুৰুত্ব বৃদ্ধি পাইছে। শত্ৰুঘ্নৰ কাৰণে কৰা ৰামৰ বিলাপ মূলতকৈ বিস্তৃত আৰু অন্তৰপৰশা। মূলত থকাৰ দৰেই হৰিবৰে কুশৰ আঘাতত লক্ষ্মণ ধৰাশায়ী হোৱাৰ কৰুণ বৰ্ণনা দিছে। লৱ-কুশৰ বীৰত্ব দেখি ভৰতে তেওঁলোকক কোনোবা দেৱতাই শিশুৰূপে যুদ্ধ কৰিছে বুলি কৰা ধাৰণা মূলৰ অনুৰূপ। এনেকুৱা একাধিক বৰ্ণনা মূলৰ সৈতে একে ৰাখিও হৰিবৰে সামান্য হাত ফুৰাই শক্তিশালী ৰূপে অসমীয়া পাঠকৰ গ্ৰহণীয় কৰি তুলিছে।

লৱ-কুশৰ হাতত ৰামচন্দ্ৰৰ মৃত্যু, তাকে শুনি সীতাৰ কাতৰ হোৱা অৱস্থা, এই যুদ্ধত হনুমানেও যোগ দিয়া আৰু হনুমানৰো মৃত্যু হোৱা বৰ্ণনাই পাঠকক চমৎকৃত কৰে। ইয়াৰ পিছত হাতত অমৃত পাত্ৰ লৈ বাল্মীকিৰ আগমন, মৃতসকলৰ পুনৰ জীৱনলাভ, পিতা-পুত্ৰৰ পৰিচয়ৰ দ্বাৰা কাহিনীৰ মধুৰ সমাপ্তি ঘটোৱা হৈছে। মূলতকৈ হৰিবৰৰ উল্লেখযোগ্য পাৰ্থক্য হ'ল এই কথাতহে যে, পুত্ৰৰ হাতত ৰাম পৰাস্ত হোৱাটোহে যেন তেওঁৰ কাব্যৰ ঘাই বক্তব্য। সীতাৰ প্ৰতি ৰামৰ অন্তিমত হোৱা সুবিচাৰ বিশেষ উল্লেখ হৰিবৰ বিপ্ৰৰ কাব্যত পোৱা নাযায়।

### ১.৩.৩.১ ‘লৱ-কুশৰ যুদ্ধ’ কাব্যৰ উল্লেখযোগ্য দিশ ঃ

হৰিবৰ বিপ্ৰৰ ৰচনাশৈলীৰ মাজত থলুৱা জীৱনৰ ছবি দেখা যায়। কিছুমান উপমা আৰু পটন্তৰ তেওঁ লোকজীৱনৰ পৰা সংগ্ৰহ কৰিছে। লক্ষ্মণৰ পৰা ৰামে নিৰ্বাসন দিয়া বুলি অৱগত হোৱাৰ পিছত সীতা মূৰ্চ্ছা যোৱাৰ চিত্ৰ তেওঁ এনেকৈ দাঙি ধৰিছে—

*সীতাৰ লগত কেনে নভৈল মৰণ॥*
*আকাশৰপৰ যেন পড়িলা ৰোহিনী।*
*গোড় কটা কল যেন পড়িলন্ত যেনি॥*
*সাপে খোৱা নাৰী যেন পৰিলা মহীত।*
*ভৈল অচেতন গাৱ মৃতকৰ চিত্ত॥*

কাব্যখনিৰ ছন্দস াতো কবিৰ প্ৰতিভা প্ৰকাশ পাইছে। কুশৰ ৰণস া আৰু গৰ্বভৰা বাণী, দুলড়ী ছন্দৰ মাজত সজীৱ হৈ উঠিছে। মনোভাৱ প্ৰকাশমূলক বিবিধ উক্তিয়ো সজীৱ হৈ ধৰা দিছে। লৱৰ সন্ধানত কুশয়ো ৰণযাত্ৰা কৰিবলৈ বিচৰাত সীতাৰ মনত যি দোধোৰ-মোধোৰ অৱস্থা হৈছিল, তাক হৰিবৰে এনেদৰে বৰ্ণাইছে—

*একমনে বোলো জানো তোমাক পঠাঞ।*
*আৰো মনে বোলো জানো দুইকে হৰুৱাঞ॥*
*উগুল-থুগুল মন নাহি স্বস্থ আৰ।*
*আপুনাৰ মানে ইচ্ছা সেইখানি কৰ॥*

বিবিধ ৰসৰ ভিতৰত কৰুণ ৰস প্ৰকাশত হৰিবৰ অধিক সিদ্ধহস্ত আছিল। লক্ষ্মণে সীতাক গভীৰ অৰণ্যত অকলে এৰি অহাৰ পিছত সীতাই বিলাপ কৰিছে—

*নাহি গোত্ৰ-কুটুম্ব লগতো নাহি পতি।*
*হেনসে কৰিলে মোক বিধি বিসঙ্গতি॥*
*কিবা সিংহে ব্যাঘ্ৰে ভালুকে কিবা খাই।*
*কিবা গিৰি গহ্বৰত পড়ি প্ৰাণ যাই॥*

ঘৰুৱা মাত-কথাৰ প্ৰয়োগে কাব্যখনিত চিনাকি পৰিবেশৰ সৃষ্টি কৰিছে। যেনে, লৱ-কুশক দেখি ভৰতৰ সৈন্যসকলে এইদৰে আতংকিত হৈছে—

*অন্যো অন্যে মাৰে কাটে সৰেও চেঞ্চাই।*
*খুৰা জেঠা মোহা বাপ মোমাই ককাই॥*
*দদা পেসা সম্বন্ধী জোৱাঁই মিত্ৰ সাজি।*
*আমি হে’ৰা থাকিলোঁ ভূমিত পৰি আজি॥*

ৰাম, সীতা, ভৰত আদি চৰিত্ৰৰ মাজত হৰিবৰে মনোভাৱ প্ৰকাশসূচক কিছুমান উক্তি দাঙি ধৰিছে। ইয়াৰে বেছিভাগেই তেওঁৰ মৌলিক সৃষ্টি। তাৰে কিছুমান প্ৰাণস্পৰ্শী হৈ উঠিছে। মূলত কোৱা হৈছিল যে, যুঁজাৰু বালক দুটি ৰামৰ সৈতে একে আকৃতিৰ। তাকে বহলাই হৰিবৰে ৰামৰ মুখত দিছে–

*সৰ্বাংগ সুন্দৰ দেখি দুইৰো সম কায়া।*
*হেন দেখি ৰামৰ আশেষ ভৈল দায়া॥*
*নাক মুখ আসি দেখি হেনয় আকলি।*
*সীতাৰ গৰ্ভত ভৈল আমাৰ ছৱালি॥*
*আগবাঢ়ি পুছি তাৰ ভাল মন্দ বুজোঁ।*
*জিজ্ঞাসা কৰিয়া পাছে সাৱধানে যুজোঁ॥*

এইদৰে সমগ্ৰ কাব্যখনিত হৰিবৰ বিপ্ৰৰ কাব্য প্ৰতিভাৰ ৰেঙণি ফুটি উঠা দেখা যায়।

## ১.৩.৪ সাৰাংশ ঃ

- হৰিবৰ বিপ্ৰৰ কাব্যৰীতি আনন্দদায়ক। 'লৱ-কুশৰ যুদ্ধ'ৰ মাজত তেওঁৰ বৰ্ণনাৰ দক্ষতা প্ৰকাশ পাইছে। স্থান বিশেষে অসমীয়া সমাজৰ ছবিৰ প্ৰতিফলন দেখা যায়। ৰস-প্ৰয়োগ আৰু চৰিত্ৰ-চিত্ৰণত তেওঁ দক্ষ আছিল। যথাসম্ভৱ মূল অনুসৰণ কৰিছে। এইখনি প্ৰাচীন অসমীয়া সাহিত্যৰ মূল্যবান সম্পদ।

## ১.৩.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**শুদ্ধ ৰূপত মিলোৱা—**

| | |
|---|---|
| (ক) কৃষ্ণাচাৰ্য | ৮ম–১৩ শতিকা |
| (খ) হৰিবৰ বিপ্ৰ | চতুৰ্দশ শতিকা |
| (গ) মাধৱ কন্দলি | তাম্ৰধ্বজৰ যুদ্ধ |
| (ঘ) চৰ্যাপদ | দোহাকোষ |

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**খালী ঠাই পূৰণ কৰাঁ—**

চই লোণ————— আখৈ চিৰা

দধি দুগ্ধ ——————— শৰ্কৰা॥

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**'লৱ-কুশৰ যুদ্ধ' কাব্যৰ মূল—**

(ক) জৈমিনিয়াশ্বমেধ

(খ) অগ্নিপুৰাণ

(গ) কালিকাপুৰাণ

## ১.৩.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

| | | |
|---|---|---|
| (ক) কৃষ্ণাচাৰ্য | – | দোহাকোষ |
| (খ) হৰিবৰ বিপ্ৰ | – | তাম্ৰধ্বজৰ যুদ্ধ |
| (গ) মাধৱ কন্দলি | – | চতুৰ্দশ শতিকা |
| (ঘ) চৰ্যাপদ | – | ৮ম–১৩ শতিকা |

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

চই লোণ পুষ্পৰাজে দেই আখৈ চিৰা।

দধি দুগ্ধ ঘৃতমধু লবণু শৰ্কৰা॥

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

'লৱ-কুশৰ যুদ্ধ' কাব্যৰ মূল জৈমিনিয়াশ্বমেধ।

### *এই খণ্ডটোৰ দুটিমান আৰ্হি প্ৰশ্ন ঃ*

১। চৰ্যাপদৰ মাজত সামাজিক জীৱনৰ কিছুমান ছবি কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰাঁ।

২। ‘চৰ্যাগীতত নীৰস আধ্যাত্মিক কথাক ৰূপক আৰু চিত্ৰৰ সহায়ত সজীৱ আবেদনশীল কৰি তোলা হৈছে।’’— কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰাঁ।

৩। চৰ্যাগীতৰ ভাব, ভাষা আৰু ৰাগৰ বৈশিষ্ট্য সম্পৰ্কে এটি— আলোচনা কৰাঁ।

৪। তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত দুটি চৰ্যাৰ সৰল অনুবাদ আৰু গূঢ় অৰ্থ আলোচনা কৰাঁ।

৫। অসমীয়া ৰামায়ণী সাহিত্যত মাধৱ কন্দলিৰ স্থান সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ।

৬। ‘মাধৱ কন্দলিৰ ৰামায়ণৰ এটা চকুত লগা বৈশিষ্ট্য হ’ল অসমৰ মানুহ, সমাজ আৰু প্ৰকৃতিৰ প্ৰতিফলন’— কথাষাৰ উদাহৰণসহ আলোচনা কৰাঁ।

৭। ‘সুন্দৰাকাণ্ড’ত হনুমানৰ কাৰ্যকলাপৰ এটি চমু বৰ্ণনা দিয়া। হনুমানৰ কাৰ্যকলাপে কি কি ৰসৰ সৃষ্টি কৰিছে; বিশ্লেষণ কৰাঁ।

৮। ‘লৱ-কুশৰ যুদ্ধ’ কাব্যৰ মাজত প্ৰকাশ পোৱা হৰিবৰ বিপ্ৰৰ মৌলিক প্ৰতিভাৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ।

৯। ‘লৱ-কুশৰ যুদ্ধ’ কাব্যৰ মূল ক’ৰ পৰা লোৱা হৈছে? কাব্যখনত কবিয়ে মূলৰ পৰা কিমানখিনি আঁতৰি আহিছে?

১০। হৰিবৰ বিপ্ৰৰ ৰচনাশৈলীৰ মাজত থলুৱা গুণ কেনেদৰে প্ৰকাশ পাইছে ‘লৱ-কুশৰ যুদ্ধ’ কাব্যৰ আকৰ্ষণীয় দিশসমূহ আলোচনা কৰাঁ।

## খণ্ড ২
## প্ৰাচীন অসমীয়া কবিতা (বৈষ্ণৱ যুগ)
## Early Assamese Poetry (Vaisnavite Period)

**প্ৰস্তাৱনা ঃ**

তোমালোকক ইতিমধ্যে প্ৰাচীন অসমীয়া কবিতাৰ প্ৰথমৰফালৰ কবিতাসমূহৰ কিছু আভাস দিয়া হ'ল। ***চৰ্যাপদ, লৱ-কুশৰ যুদ্ধ*** আৰু ***ৰামায়ণ***ৰ সুন্দৰাকাণ্ডৰ বিষয়েও তোমালোকে কিছুকথা জানিলাহক। ইয়াৰ পিছত শংকৰদেৰৰ প্ৰভাৱপুষ্ট নৱ-বৈষ্ণৱ যুগৰ অসমীয়া কবিতাৰ বিষয়ে তোমালোকক কিছু কথা জনাবলৈ বিচাৰিছোঁ।

অসমীয়া সাহিত্যৰ ইতিহাসত শংকৰদেৱ আৰু মাধৱদেৱৰ সময়খিনি বিশেষ গুৰুত্বপূণ। দয়োজনা মহাপুৰুষৰ বিবিধ ৰচনাসম্ভাৰে অসমীয়া সাহিত্যত কেনে মূল্যৱান অৱদান আগবঢ়াইছিল সেইকথা সৰ্বজনবিদিত। শংকৰ-মাধৱৰ অনুগামী কেইবাজনো কবি-নাট্যকাৰে গীত-নাট ইত্যাদি ৰচনা কৰি এক জনজাগৰণৰ সৃষ্টি কৰিছিল। নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শৰে পুষ্ট সাহিত্যৰ এই ঘাই সুঁতিৰ লগে লগে প্ৰৱাহিত হৈ আছিল লৌকিক সাহিত্যৰো এটি ধাৰা। মনকৰৰ ***মনসাকাব্য*** এই ধাৰাৰ লোকপ্ৰিয় ৰচনা। অসমীয়া কবিতাৰ বিকাশৰ ফালৰ এই ঘাই দুই দিশ চিনাকি হ'বৰ বাবে শংকৰদেৱৰ ***কুৰুক্ষেত্ৰ***, মাধৱদেৱৰ ***নামঘোষা*** আৰু মনকৰৰ ***মনসাকাব্য*** বাচি লোৱা হৈছে। প্ৰাচীন অসমীয়া কবিতাৰ বৰ্ণনাভংগী, দাৰ্শনিক চিন্তা, ভক্তিতত্ত্ব আৰু লৌকিক উপাদান উপলব্ধি কৰাত এই কাব্যকেইখনে সহায় কৰিব।

## খণ্ড ২

## গোট ১ ঃ কুৰুক্ষেত্ৰ কাব্য

২.১.০ উদ্দেশ্য

২.১.১ প্ৰস্তাৱনা

২.১.২ কুৰুক্ষেত্ৰ কাব্যৰ বিষয়বস্তু
  ২.১.২.১ কবি পৰিচয়

২.১.৩ বিষয়বস্তু আৰু বৈশিষ্ট্য

২.১.৪ সাৰাংশ

২.১.৫ অনুশীলনী

২.১.৬ প্ৰশ্নোত্তৰ

### ২.১.০ উদ্দেশ্য

- প্ৰাচীন অসমীয়া কবিতাৰ পূৰ্ণতম বিকাশ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰা।
- শংকৰদেৱৰ বিশাল কাব্য প্ৰতিভাৰ ৰস গ্ৰহণ কৰা।
- নৱবৈষ্ণৱ যুগৰ সাহিত্যৰ ঘাই লক্ষণসমূহৰ বিষয়ে অৱগত হোৱা।

### ২.১.১ প্ৰস্তাৱনা

শংকৰদেৱৰ প্ৰভাৱিত সময়ছোৱা অসমীয়া সাহিত্যৰ ইতিহাসৰ অতি উল্লেখযোগ্য সময়। শংকৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ অনুগামীসকলৰ মূল্যৱান সাহিত্যকৰ্মই অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছিল। শংকৰদেৱৰ ৰচিত ‘কুৰুক্ষেত্ৰ’ কাব্যৰ যোগেদি সেই সময়ৰ সাহিত্যৰ আভাস দিবলৈ বিচাৰিছোঁ।

অসমীয়া সাহিত্যৰ ইতিহাসত শংকৰদেৱ আৰু মাধৱদেৱৰ সময়খিনি বিশেষ গুৰুত্বপূৰ্ণ। দুয়োজনা মহাপুৰুষৰ বিবিধ ৰচনাসম্ভাৰে অসমীয়া সাহিত্যত কেনে মূল্যবান অৱদান আগবঢ়াইছিল সেইকথা সৰ্বজনবিদিত। শংকৰ-মাধৱৰ অনুগামী কেইবাজনো কবি-নাট্যকাৰে গীত-নাট ইত্যাদি ৰচনা কৰি এক জনজাগৰণৰ সৃষ্টি কৰিছিল।

## ২.১.২ কুৰুক্ষেত্ৰ কাব্য

### ২.১.২.১ কবি পৰিচয়

অসমীয়া সাহিত্যৰ সোণালী যুগ আৰম্ভ হৈছিল মহাপুৰুষ শংকৰদেৱ (১৪৪৯-১৫৬৮)ৰ হাতত। ঘাইকৈ এজন ধৰ্মপ্ৰচাৰক হ'লেও শংকৰদেৱৰ ধৰ্মীয় ৰচনাসমূহ সাহিত্যিক গুণেৰে সমৃদ্ধ আছিল। ধৰ্ম-দৰ্শন, নৃত্য-গীত-বাদ্য আৰু চিত্ৰকলাৰ দ্বাৰা তেওঁৰ অসমৰ জনজীৱন জগাই তুলিছিল। শংকৰদেৱৰ অৱদানৰ বহুমূলীয়া দিশ হ'ল সমাজ সংস্কাৰ আৰু সমাজ গঠন। ধৰ্মৰ নামত চলা অনাচাৰ আৰু তথাকথিত উচ্চ শ্ৰেণীয়ে সৰ্বসাধাৰণক কৰা শোষণ দূৰ কৰিবৰ বাবে তেওঁৰ যি প্ৰেম-ভক্তিৰ ধৰ্ম প্ৰচাৰ কৰিছিল, সি আছিল দূষিত সামাজিক পৰিবেশত এছাটি মুকলি বতাহৰ দৰে। মহাপুৰুষ শংকৰদেৱক উচিত ভাৱেই অসমীয়া জাতিৰ জনক হিচাপে শ্ৰদ্ধা নিবেদন কৰা হয়।

মহাপুৰুষ শংকৰদেৱ আছিল বহুমূখী প্ৰতিভাৰ অধিকাৰী। অসমীয়া সাহিত্য আৰু সংস্কৃতি এই দুয়োটা দিশতে তেওঁৰ অৱদান অনুপম। তেওঁ একেধাৰে কবি, সমাজ-সংস্কাৰক, ধৰ্ম-প্ৰৱৰ্তক, নাট্যকাৰ, অভিনেতা, সংগীতজ্ঞ আৰু এজন পৰমগুৰু। এই সকলো বিষয়তে তেওঁৰ অম্লান প্ৰতিভাৰ স্ফূৰণ দেখা গৈছিল। তেওঁ ৰচনা কৰা প্ৰতিখন গ্ৰন্থৰ সঠিক সময় নিৰ্ণয় কৰা টান যদিও সেইবোৰৰ ৰচনাৰীতিৰ পৰা কোনখন আগবয়সৰ আৰু কোনখন পিছৰ কালৰ তাক জানিব পাৰি। পৃষ্ঠপোষক ৰজাসকলৰ নামোল্লেখৰ পৰাও কিছুমান গ্ৰন্থৰ সময় আৰু স্থান সম্পৰ্কে জনা যায়। জীৱনৰ আগডোখৰত ৰচনা কৰা গ্ৰন্থসমূহত কল্পনা-প্ৰৱণতা আৰু ভক্তিতকৈ বিষয়বস্তুৰ মনোৰম প্ৰকাশভংগী বেছি, ভাষাও আবেদনময়ী আৰু জতুৱাঠাঁচপূৰ্ণ। কিন্তু শেষ বয়সৰ ৰচনাসমূহৰ মাজত ভাষাৰ গাম্ভীৰ্য আৰু ভক্তিৰ প্ৰাধান্য মনকৰিবলগীয়া। ৰচনাৰীতি আৰু ৰূপ অনুসৰি শংকৰদেৱৰ ৰচনাৰাজিক এইকেইটা ভাগত ভাগ কৰিব পাৰি।

১। কাব্য ঃ (ক) হৰিচন্দ্ৰ উপাখ্যান, (খ) ৰুক্মিণীহৰণ, (গ) বলিছলন, (ঘ) অমৃত-মথন, (ঙ) অজামিল উপাখ্যান আৰু (চ) কুৰুক্ষেত্ৰ।

২। ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ ঃ (ক) ভক্তি-প্ৰদীপ, (খ) ভক্তিৰত্নাকৰ (সংস্কৃত), (গ) নিমিনৱসিদ্ধসংবাদ

৩। অনুবাদমূলক ঃ (ক) ভাগৱতৰ ১ম, ২য়, ৬ষ্ঠ, ৮ম, ১০ম, একাদশ আৰু দ্বাদশ, (খ) উত্তৰাকাণ্ড ৰামায়ণ।

৪। অংকীয়া নাট ঃ (ক) পত্নীপ্ৰসাদ, (খ) কালিয়াদমন, (গ) কেলিগোপাল, (ঘ) ৰুক্মিনীহৰণ, (ঙ) পাৰিজাত হৰণ আৰু ৰামবিজয়।

৫। গীত ঃ (ক) বৰগীত আৰু (খ) ভটিমা

৬। নাম-প্ৰসংগৰ পুথি ঃ (ক) কীৰ্তন আৰু (খ) গুণমালা

এইসমূহ ৰচনাৰ ভিতৰত গীত, নাট আৰু কাব্যসমূহ অধিক জনপ্ৰিয়। গীত আৰু নাটৰ ভাষা ব্ৰজবুলি, কিন্তু কাব্যসমূহৰ ভাষা অসমীয়া। 'ৰুক্মিনীহৰণ', 'কুৰুক্ষেত্ৰ' আদি কাব্য বিশেষভাবে জনপ্ৰিয়। ৰচনাৰ মাজত ফুটি উঠা অসমীয়া সমাজ জীৱনৰ ছবি, আচাৰ-অনুষ্ঠানৰ বৰ্ণনা, যোজনা-পটন্তৰৰ প্ৰয়োগ আৰু চৰিত্ৰ সৃষ্টিৰ নিপুণতা কাব্যসমূহৰ জনপ্ৰিয়তাৰ কাৰণ। তদুপৰি দেৱ-দেৱীৰ চৰিত্ৰৰ মাজত সাধাৰণ মানুহৰ কিছুমান লক্ষণ আৰোপ কৰি তেওঁৰ চৰিত্ৰসমূহক মানুহৰ ওচৰ চপাই আনিছিল। অসমীয়া মানুহে শংকৰদেৱৰ কাব্যৰ মাজত নিজৰ পৰিয়াল, আত্মীয়-স্বজন আৰু চিনাকী সমাজৰ প্ৰতিফলন দেখিবলৈ পায়। সেয়েহে নিৰক্ষৰ গঞা ৰাইজৰ পৰা শিক্ষিত আধুনিক পাঠকলৈকে সকলোৱে এইবোৰৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰে।

## ২.১.৩ বিষয়বস্তু আৰু বৈশিষ্ট্য

কথা গুৰুচৰিত পুথিৰ পৰা জানিব পৰা মতে শংকৰদেৱে পাটবাউসীত থকা কালত এই কাব্য ৰচনা কৰে। এইখন আছিল তেওঁৰ শেষ বয়সৰ ৰচনা। কাব্যখনৰ কোনো অংশতে শংকৰদেৱে নিজৰ নাম উল্লেখ কৰা নাই। নিজৰ কথা উল্লেখ কৰোতে 'কৃষ্ণ-কিংকৰ' বা 'কৃষ্ণৰ দাস' বুলিহে কৈছে। 'ভাগৱত-পুৰাণ'ৰ 'দশম' স্কন্ধৰ ৮২-৮৫ অধ্যায়ৰ বিষয়বস্তুৰ আধাৰত এই কাব্য ৰচিত হৈছে। কুৰুক্ষেত্ৰৰ সমৰস্থলীত কৃষ্ণ আৰু বলৰামে নন্দ, যশোদা, ৰোহিণী আৰু গোপীসকলৰ লগত সাক্ষাৎ কৰাৰ বৰ্ণনা ইয়াত দিয়া হৈছে। কৃষ্ণৰ প্ৰধান সহচৰী আঠগৰাকী গোপীয়ে দ্ৰৌপদী আৰু অন্যান্য মহিলাসকলৰ আগত কৃষ্ণৰে সৈতে তেওঁলোকৰ মিলনৰ কাহিনী বৰ্ণনা কৰিছে। ইয়াৰ লগতে বসুদেৱৰ কৃষ্ণ বন্দনাৰ এটি দীঘলীয়া অংশও সংযুক্ত কৰা হৈছে। কৃষ্ণ আৰু বলৰামে দৈৱকীৰ ছয়টি মৃত সন্তানক কিছু সময়ৰ বাবে পুনৰ ঘূৰাই অনাৰ কাৰ্য বৰ্ণনা কৰা হৈছে। কাহিনীভাগৰ মাজত কিছুমান দাৰ্শনিক চিন্তাযুক্ত খণ্ড দেখা যায়। অদ্বৈতবাদী দৰ্শনৰ লগতে ভক্তিৰ শ্ৰেষ্ঠত্বও ইয়াত প্ৰকাশ কৰা হৈছে।

দশমস্কন্ধৰ ভাগৱতৰ কাহিনীভাগত শংকৰদেৱে নিজা প্ৰতিভাৰে সংযোগ আৰু বিযোগ ঘটাইছে। মূল কাহিনীত যদুবীৰসকলে সূৰ্যগ্ৰহণৰ বাবে কৰা তীৰ্থযাত্ৰাৰ বৰ্ণনাৰে কাহিনী আৰম্ভ কৰা হৈছিল। শংকৰদেৱে কিন্তু ভাৰতবৰ্ষৰ বিভিন্ন ৰজা-মহাৰজাই কেনেদৰে কুৰুক্ষেত্ৰলৈ মহাসমাৰোহেৰে যাত্ৰা কৰিছিল তাৰহে বিস্তৃত বৰ্ণনা দিছে। এনে বৰ্ণনাই মনত পেলায় মহাপুৰুষ মাধৱদেৱৰ 'ৰাজসূয় কাব্য'ৰ ''যাদৱসকলৰ ইন্দ্ৰপ্ৰস্থ যাত্ৰা'' বৰ্ণনালৈ। দুয়ো অংশতে বিভিন্ন উপমাৰে বৰ্ণনাংশ ছৱিৰ দৰে সজীৱ কৰি তোলা হৈছে। কুৰুক্ষেত্ৰ ভূমিত কৃষ্ণ কেনেকৈ সৰ্বজনৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছিল সেই কথা শংকৰদেৱে সুন্দৰকৈ প্ৰকাশ কৰিছে।

*কুৰুক্ষেত্ৰ জুৰি চেষ্টা যত।*
*নাৰী কহে নাৰী পুৰুষে পুৰুষত॥*
*আন একো গ্ৰাম্য কথা নাছিল তথাত।*
*মহোদয় লোকৰ মিলিল সিবিলাত॥ ৩৩৯*
*কুৰুক্ষেত্ৰ জুৰি যেন জগত আধাৰ।*
*পাতিলা প্ৰচুৰ প্ৰভু প্ৰেমৰ পসাৰ॥*
*জগতৰ ৰাজা প্ৰজা বেহাইলৈক হাট।*
*কৰাইলা ঈশ্বৰ কৃষ্ণে প্ৰেমময় নাট॥ ৩৪০*

বৰ্ণনা অংশত অসংখ্য চৰিত্ৰ সমাবেশ ঘটিছে। ৰজা-মহাৰজাৰ পৰা ঋষি-মুনিলৈকে, দৈৱকী-বাসুদেৱৰ পৰা নন্দ-যশোদা, কুন্তীলৈকে, দ্ৰৌপদী আৰু কৃষ্ণ-পত্নীসকলৰ পৰা গোপীসকললৈকে বৈচিত্ৰপূৰ্ণ চৰিত্ৰৰ সমাবেশত কাহিনী মুখৰ হৈ উঠিছে। হৰ্ষ-বিষাদ, প্ৰেম আৰু ভক্তিৰ বিভিন্ন ৰসৰ প্ৰয়োগেএই কাহিনীত যেন সোণতে সুৰগা চৰাইছে।

কোনো কোনো ক্ষেত্ৰত মূলৰ কথা শংকৰদেৱে বিস্তৃত কৰি ৰচনা কৰিছে। উদাহৰণস্বৰূপে, মূলত মাথোন একেটি শ্লোকতে নন্দ-যশোদা আদিয়ে কৃষ্ণক লগ পাবলৈ কুৰুক্ষেত্ৰলৈ আহিছিলে বুলি কোৱা হৈছে। শংকৰদেৱে কিন্তু নন্দ-যশোদা আৰু গোপীসকলৰ কৃষ্ণক লগ পোৱাৰ হাবিয়াস, আনন্দ আৰু যাত্ৰাৰ প্ৰস্তুতিৰ বিৱৰণ আড়ম্বৰেৰে সৈতে উপস্থাপন কৰিছে।

মূলত বসুদেৱে নন্দক আলিংগন কৰাৰ সময়ত কম কথাতে অতীতৰ স্মৃতি ৰোমন্থন কৰাৰ কথা কোৱা হৈছে। শংকৰদেৱে দুয়োৰে মাজত কথোপকথনৰ যোগেদি অন্তৰংগতাৰ ছৱিখন বেছি স্পষ্ট কৰাত ই অসমীয়া সমাজৰ বাবে বেছি গ্ৰহণীয় হৈছে। একে কথাতে ক'ব পাৰি নন্দ-যশোদা আৰু কৃষ্ণ-বলৰামৰ পুনৰ মিলনৰ দৃশ্যৰ বিষয়েও। কিছুমান কথা শংকৰদেৱে সম্পূৰ্ণ নিজাকৈ উদ্ভাৱন কৰি কাহিনীৰ আকৰ্ষণ বৃদ্ধি কৰিছে। উদাহৰণস্বৰূপে, ৰোহিণী আৰু দৈৱকীৰ লগত যশোদাৰ সাক্ষাৎৰ বৰ্ণনা আৰু দ্ৰৌপদী, ৰুক্মিণী আদি নাৰীসকলে যশোদাক শুশ্ৰূষা কৰাৰ বৰ্ণনাৰে উল্লেখ কৰিব পাৰি। এনেবোৰ খণ্ডত অসমীয়া সমাজৰ ঘৰুৱা ছৱিও সুন্দৰকৈ জিলিকি উঠা লক্ষ্য কৰা যায়। দৈৱকীৰ আগত যশোদাই কৃষ্ণৰ বিৰহত কৰা উক্তি অতি প্ৰাণপৰশা। যশোদাই কৈছে–

*গধূলি বেলাত থাকো পদূলীত চাই।*
*বৎস লৈয়া আসে সোণামুখে বংশী বাই॥*
*আগবাঢ়ি ধৰিয়া আঞ্চলে মোছোঁ ধূলি।*
*প্ৰাণ পুত্ৰ বুলি বুকে সাবটোহোঁ তুলি॥ ১০৯*

এই উক্তিয়ে 'ৰুক্মিণী-হৰণ' কাব্যৰ দৈৱকী আৰু শশীপ্ৰভাৰ ঘৰুৱা আলাপৰ দিশটোলৈ মনত পেলায়। তদুপৰি শংকৰদেৱৰে 'কীৰ্তন' পুথিৰ 'শিশুলীলা' খণ্ডৰ বৰ্ণনাভঙ্গীলৈয়ো মনত পেলায়।

কৃষ্ণৰ লগত তেওঁৰ প্ৰধান মহিষীসকলৰ বিবাহৰ বিস্তৃত বৰ্ণনা শংকৰদেৱে মূলতকৈ ভালেখিনি বিস্তৃত কৰিছে। প্ৰতিখন বিবাহৰ বৰ্ণনা প্ৰসংগত ৰুক্মিণী, সত্যভামা, জাম্বৱতী, লক্ষ্মণা, কালিন্দী আদি নাৰীসকলে কৃষ্ণ-মহিমা বৰ্ণনা কৰি দ্ৰৌপদী আদি অন্যান্যসকলক অভিভূত কৰিছে। এইদৰে কাহিনীভাগত য'তেই সুৰুঙা পাই ত'তেই শংকৰদেৱে কৃষ্ণমাহাত্ম্য প্ৰকাশ কৰিছে।

এক আবেগ মধুৰ ভাষাৰে শংকৰদেৱক মূলৰ অনুৰূপ বৰ্ণনাতো নতুন ৰহন চৰোৱা দেখা যায়। বিশেষকৈ বহুকালৰ পিছত পুনৰ মিলিত হোৱা কৃষ্ণ আৰু গোপীসকলৰ মিলনৰ দৃশ্য তেওঁ অধিক আৱেদনময় কৰি তুলিছে। মূলত কোৱা হৈছিল যে গোপীসকলে কাতৰতা প্ৰকাশ কৰাত কৃষ্ণই হাঁহি এটা মাৰি তেওঁলোকক সান্তস্কনাৰ বাণী শুনাইছে। কিন্তু শংকৰদেৱৰ মতে, কৃষ্ণই গোপীসকলক আঁতৰাই লৈ গৈ আলিংগন কৰি ''পীতবস্ত্ৰে মছিলন্ত আঁখি মুখ'' আৰু ''মধ্য কৰি কৃষ্ণক বসিলা গোপীগণ।'' এনেদৰে কাহিনীত অধিক ৰস সৃষ্টি কৰা হৈছে। যাদৱবীৰসকলে নন্দ-যশোদা আৰু গোপীসকলক নানা উপঢৌকন আগবঢ়োৱা আৰু কৃষ্ণপত্নীসকলে যশোদাক শাহু বুলি মান ধৰা কাৰ্যও শংকৰদেৱৰ নিজা উদ্ভাৱন। ব্ৰজবাসীসকলক আগবঢ়াই থবলৈ কৃষ্ণই সেনাসকলক নিয়োগ কৰাৰ উল্লেখ মূলত নাই। এইটো শংকৰদেৱৰ মৌলিক সৃষ্টি। এনে মৌলিকতাৰ দ্বাৰা কাহিনীভাগৰ ঘৰুৱা গুণ বঢ়োৱা হৈছে আৰু আকৰ্ষণীয়তাও বৃদ্ধি পাইছে।

কুৰুক্ষেত্ৰ কাব্যখনিৰ অন্যতম সম্পদ হ'ল বিভিন্ন ৰসৰ সু-প্ৰয়োগ। কাব্যখনৰ ঘাই ৰস ভক্তি যদিও কৰুণ, বাৎসল্য, শৃংগাৰ আদি ৰসো ঠায়ে ঠায়ে বিকশিত হৈছে।

## ২.১.৪ সাৰাংশ

শংকৰদেৱে তেওঁৰ অন্যান্য ৰচনাৰ দৰে 'কুৰুক্ষেত্ৰ কাব্য'তো কৃষ্ণ-মাহাত্ম্য প্ৰকাশ কৰিবৰ বাবে আদিৰ পৰা অন্তলৈকে কৃষ্ণৰ ঈশ্বৰত্ব প্ৰকাশত একাগ্ৰদৃষ্টি হৈ আছে। নানান চৰিত্ৰৰ মুখেদি কৃষ্ণৰ মাহাত্ম্য ঘোষণা কৰা হৈছে। ঋষিসকলৰ মুখেদি কৃষ্ণৰ ভক্তিয়ে কৰ্মবন্ধ নাশ কৰে বুলি কৈ ঘোষণা কৰা হৈছে—

*ইটো কৰ্ম সকৰ্মীৰ কহিলা পৰমাৰ্থ।*
*তোমাৰ নলাগে তুমি ভৈলাহা কৃতাৰ্থ॥*
*পৰম ঈশ্বৰ হৰি জগতৰ পতি।*
*তাহাঙ্ক অৰ্চিলা তোৰা পৰম ভকতি॥*

কৃষ্ণ ভক্তিক গুৰুত্ব দিয়া বাবে ভক্তিৰসে প্ৰধান ভূমিকা গ্ৰহণ কৰিলেও বাৎসল্য আৰু কৰুণ ৰসো আকৰ্ষণীয়ভাৱে প্ৰকাশ পাইছে। প্ৰাণপুত্ৰ কৃষ্ণৰ বিৰহত যশোদাৰ মানসিক অৱস্থা হৃদয়-পৰশা হৈ প্ৰকাশ পাইছে–

*কৃষ্ণ সূৰ্য্য দিনে দেখো আন্ধাৰ দুৰ্যোগ।*
*আউৰ গৃহ কৰ্মত নপৰে চিত্ত মোৰ॥*

কৃষ্ণই গৃহ ত্যাগ কৰি গুচি অহাৰ পিছত যশোদাৰ অৱস্থা হৈছে অত্যন্ত বেদনাদায়ক–

*আজিউ সোণাৰ বংশী ঘৰে আছে পড়ি।*
*দেখি দহগুণে মোৰ মৰ্ম যায় চড়ি॥*

মাতৃসকলৰ কৃষ্ণৰ স্নেহত হৃদয় মগন হোৱাৰ বৰ্ণনা মাধুৰ্য গুণেৰে ভৰা। ভাবৰ লগত খাপ খোৱা শব্দ প্ৰয়োগৰ বাবে ইয়াত প্ৰসাদ ঘুণো দেখা যায়।

গোপীসকলৰ কৃষ্ণ প্ৰেমৰ মাজত স্বৰ্গীয় আনন্দৰ চিত্ৰ অঁকা হৈছে। কৃষ্ণই তেওঁলোকক বাহু মেলি আলিঙ্গন কৰাৰ বৰ্ণনাত শৃংগাৰ ৰস প্ৰকাশ পালেও গোপীৰ কৃষ্ণপ্ৰেমত ভক্তিৰসহে বেছি প্ৰকট। ভগৱান সদায় ভক্তৰ অধীন। গোপী-কৃষ্ণ প্ৰেমৰ মাজত এই তাৎপৰ্য প্ৰকাশ পাইছে কৃষ্ণৰ এনে উক্তিত–

*মোকেসে সুহৃদ নিজ আত্মা বুলি মানা।*
*সুখে সখীসৱ মোক পালা হেন জানা॥*
*ভৈলো তোমাসাৰ বশ্য কহো বিদ্যমান।*
*মই যেন মত তাক শুনা সাৱধান॥*

শংকৰদেৱৰ 'ৰাস-ক্ৰীড়া' অংশত থকাৰ দৰেই। গোপীসকলৰ প্ৰেমক ইয়াত মহত্তম ৰূপ দান কৰা হৈছে। কেৱল গোপীয়েই নহয়, সমগ্ৰ ব্ৰজবাসীৰ লগত কৃষ্ণৰ অচ্ছেদ্য সম্পৰ্ক ঘোষণা কৰা হৈছে। খন্তেকৰ সাক্ষাতৰ পিছত পুনৰ বিচ্ছেদৰ কাৰুণ্য কেৱল নন্দ, যশোদা বা গোপীসকলেই নহয়, কৃষ্ণয়ো অনুভৱ কৰিছে। বিচ্ছেদৰ সময়ৰ বেজাৰ আৰু বিলাপৰ বৰ্ণনা কৰুণ ৰসেৰে সিক্ত হৈ কাব্যখনিৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। ইয়াত কৰুণ ৰস পৰিণত হৈছে ভগৱৎ ভক্তিত। সুদীৰ্ঘ কৰুণ ৰসাত্মক উক্তিসমূহে শংকৰদেৱৰ বৰ্ণনা দক্ষতা প্ৰকাশ কৰিছে। ব্ৰজবাসীসকলৰ প্ৰেম আৰু ভক্তিৰ গভীৰতাই যদুবংশীসকলক অভিভূত কৰাৰ মাজত একান্ত ভক্তিৰে যে সাধাৰণ জনেও ভগৱানক লাভ কৰিব পাৰে, সেই পৰম বিশ্ময়কৰ তত্ত্বও প্ৰকাশ পাইছে।

## ২.১.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**সঁচা-মিছা নিৰ্ণয় কৰা।**

(ক) শংকৰদেৱৰ ‘কুৰুক্ষেত্ৰ’ এখন নাটৰ নাম।

(খ) শংকৰদেৱে ৰচনা কৰা কাব্যৰ সংখ্যা দহখন।

(গ) ‘কুৰুক্ষেত্ৰ’ৰ কাহিনীভাগ দশম স্কন্ধ ভাগৱতৰ পৰা লোৱা হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**(ক) শুদ্ধ ৰূপত মিলোৱা—**

| | |
|---|---|
| ভক্তি-প্ৰদীপ | নাট |
| বলিছলন | ভক্তিতত্ত্ব প্ৰকাশক পুথি |
| কেলিগোপাল | নাম-প্ৰসংগৰ পুথি |
| গুণমালা | কাব্য |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**খালী ঠাই পূৰ কৰা–**

বেলাত থাকো চাই।

বৎস লৈয়া আসে বংশী বাই॥

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**শুদ্ধ উত্তৰ নিৰ্বাচন কৰা—**

(ক) ‘কুৰুক্ষেত্ৰ কাব্য’ত কেৱল নাৰী চৰিত্ৰৰ সমাৱেশ ঘটিছে।

(খ) ‘কুৰুক্ষেত্ৰ কাব্য’ত অসংখ্য চৰিত্ৰৰ সমাবেশ ঘটিছে।

(গ) ‘কুৰুক্ষেত্ৰ কাব্য’ত কেৱল যদুবীৰসকলৰ চৰিত্ৰৰ সমাবেশ ঘটিছে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ ঃ**

**পাঁচোটা বাক্যত উত্তৰ দিয়া।**

(ক) ‘কুৰুক্ষেত্ৰ কাব্য’ৰ ঘাই লক্ষণ নিৰ্ণয় কৰা।

## ২.১.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

(ক) মিছা

(খ) মিছা

(গ) সঁচা

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

| | | |
|---|---|---|
| ভক্তি-প্ৰদীপ | – | তত্ত্ব |
| বলিছলন | – | কাব্য |
| কেলিগোপাল | – | নাট |
| গুণমালা | – | প্ৰসংগ |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

গধূলি বেলাত থাকো পদূলীত চাই।

বৎস লৈয়া আসে সোণামুখে বংশী বাই॥

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

(খ) কুৰুক্ষেত্ৰ কাব্যত অসংখ্য চৰিত্ৰৰ সমাৱেশ ঘটিছে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ৰ উত্তৰ ঃ**

শংকৰদেৱৰ কাব্যসমূহৰ ভিতৰত কুৰুক্ষেত্ৰ কাব্যত বিচিত্ৰ চৰিত্ৰৰ সমাৱেশ দেখা যায়। ভক্তিতত্ত্ব প্ৰচাৰত মনোযোগ অক্ষুণ্ণ ৰাখিও নানা আমোদজনক সৰু-সুৰা কাহিনী সংযুক্ত কৰা হৈছে। কবিৰ মৌলিক প্ৰতিভা স্পষ্ট আৰু সজীৱ। পৌৰাণিক চৰিত্ৰৰ কাৰ্য-কলাপৰ মাজত অসমীয়া সমাজৰ ৰীতি-নীতিৰ প্ৰতিফলন দেখা যায়। বিশাল পৰিসৰৰ কাহিনীভাগক সুসংলগ্ন কৰি দাঙি ধৰা হৈছে।

**খণ্ড ২**

## গোট ২ ঃ নামঘোষা

২.২.০ উদ্দেশ্য

২.২.১ প্ৰস্তাৱনা

২.২.২ কবি পৰিচয়

২.২.৩ নামঘোষাৰ তাত্বিক দিশ

২.২.৩.১ ভক্তিতত্ত্ব

২.২.৩.২ মুক্তিতত্ত্ব আৰু ভক্তিৰ শ্ৰেষ্ঠত্ব

২.২.৩.৩ শংকৰ মহিমা

২.২.৩.৪ কাব্যিক সৌন্দৰ্য

২.২.৪ সাৰাংশ

২.২.৫ অনুশীলনী

২.২.৬ প্ৰশ্নোত্তৰ

### ২.২.০ উদ্দেশ্য

➢ মাধৱদেৱৰ নামঘোষাৰ আধ্যাত্মিক সৌন্দৰ্য উপলব্ধি কৰা।

### ২.২.১ প্ৰস্তাৱনা

অসমীয়া সাহিত্যৰ ইতিহাসত শংকৰদেৱ আৰু মাধৱদেৱৰ সময়খিনি বিশেষ গুৰুত্বপূৰ্ণ। দুয়োজনা মহাপুৰুষৰ বিবিধ ৰচনাসম্ভাৰে অসমীয়া সাহিত্যত কেনে মূল্যবান অৱদান আগবঢ়াইছিল সেইকথা সৰ্বজনবিদিত। শংকৰ-মাধবৰ অনুগামী কেইবাজনো কবি-নাট্যকাৰে গীত-নাট ইত্যাদি ৰচনা কৰি এক জনজাগৰণৰ সৃষ্টি কৰিছিল। মাধৱদেৱৰ ‘নামঘোষা’ৰ মাজত প্ৰতিফলিত হোৱা তত্ব, কাব্যিক সৌন্দৰ্য আৰু ৰসৰ আভাস দিয়া হ’ল।

## ২.২.২. কবি পৰিচয়

অসমৰ বৈষ্ণৱ আকাশত শংকৰদেৱৰ দৰেই মাধৱদেৱো উ ষ্ক জ্যোতিষ্কস্বৰূপ। শংকৰদেৱৰ পিছতেই তেওঁৰ উত্তৰাধিকাৰীৰূপে মাধৱদেৱেই নৱবৈষ্ণৱ ধৰ্মৰ আন্দোলনটিক সবল আৰু সাৰ্থক ৰূপত পৰিণত কৰাই আগবঢ়াই নিব পাৰিছিল। নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত শংকৰদেৱৰ প্ৰধান সহায়ক আছিল মহাপুৰুষ মাধৱদেৱ। তেওঁ গুৰু শংকৰৰ আদেশ শিৰোধাৰ্য কৰি লৈ ধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত আত্মনিয়োগ কৰি সফল হ'ব পাৰিছিল। এই দুজন মহাপুৰুষৰ জীৱন এনেভাৱে জড়িত আছিল যে এজনক বাদ দি আনজনৰ ব্যক্তিত্বৰ মূল্যায়ণ কৰা টান হৈ পৰে।

মাধৱদেৱৰ জন্ম হয় লক্ষীমপুৰৰ লেটেকুপুখুৰী নামে গাৱঁত। কথাগুৰুচৰিত আৰু বৰদোৱা চৰিতৰ মতে ১৪১১ শকৰ জেঠ মাহত মহাপুৰুষ মাধৱদেৱৰ আবিৰ্ভাৱ হয় বুলি মানি লোৱা হয়। তেঁওৰ পিতৃৰ নাম গোৱিন্দগিৰি আৰু মাতৃ মনোৰমা।

ছাত্ৰজীৱন বন্দুকাতে আৰম্ভ কৰা মাধৱদেৱে অতি কম বয়সৰ ভিতৰতে ন্যায়, তৰ্ক, কাব্য আৰু কায়স্থালি বৃত্তিৰ জ্ঞানেৰে পৰিপক্ক হয়। পিতৃৰ বিয়োগ ঘটাত বেহাবেপাৰৰ দায়িত্বও মাধৱদেৱৰ কান্ধত পৰিল। মাধৱদেৱৰ জীৱনৰ এক চৰম পৰিবৰ্তন এইখিনি সময়তে আহি পৰে। ভনীজোঁৱাইৰ
জ্জ
ৰামদাসৰ যোগেদি তেঁও শংকৰদেৱৰ সান্নিধ্যলৈ আহে। পাণ্ডিত্যাভিমানী আৰু শাক্তধৰ্ম আৰু বলি-বিধানৰ শ্ৰেষ্ঠতালৈ শংকৰদেৱৰ লগত তৰ্কযুদ্ধত অৱতীৰ্ণ হয় আৰু শেষত শংকৰৰ পাণ্ডিত্য আৰু অকাট্য যুক্তিৰ আগত সেও মানি শংকৰদেৱক গুৰু বুলি স্বীকাৰ কৰে। বিষ্ণুৰ শ্ৰেষ্ঠত্ব জানি মাধৱদেৱে ভক্তিধৰ্মত শৰণ লয় আৰু জোৰোণ পিন্ধোৱা কন্যাকো পৰিত্যাগ কৰি ধৰ্মৰ হকে জীৱন উচৰ্গা কৰে। তেঁও এফালে যেনেকৈ তীক্ষ্ণ বুদ্ধিৰ প্ৰতিভাশালীলোক আনফালে এজন সু-গায়ক আৰু সুপণ্ডিতো আছিল। এনেবোৰ গুণৰ কাৰণেও সহজেই শংকৰদেৱৰ হৃদয় সম্পূৰ্ণৰূপে জয় কৰিব পাৰিছিল। ভক্তৰসৰ মাজতো তেঁওৰ ব্যক্তিত্ব বিশেষভাৱে জিলিকি আছিল। যিদিনাৰ পৰা শংকৰ-মাধৱৰ মিলন হ'ল, সেইদিনাৰ পৰাই ভক্তিধৰ্ম আন্দোলনে গা কৰি উঠিছিল।

মহাপুৰুষ শংকৰদেৱৰ পিছত মাধৱদেৱেই ধৰ্মৰ গুৰুভাৰ বহন কৰি নানা শাস্ত্ৰ ৰচনা আৰু ধৰ্মপ্ৰচাৰৰ কাম কৰে। শংকৰদেৱে তেঁওৰ অন্তিম সময়ত মাধৱদেৱকে তেওঁৰ উত্তৰাধিকাৰী পাতি থৈ গৈছিল। গুৰু শংকৰৰ মৃত্যুৰ অলপদিন পিছত মাধৱদেৱে পাটবাউসীত এবছৰমান থাকি সুন্দৰীদিয়াত স্থায়ী সত্ৰ পাতে আৰু শাস্ত্ৰ ৰচনা; নাম-ধৰ্ম প্ৰচাৰ এইকেইটা বিষয়ত আত্মনিয়োগ কৰে। শেষৰ দিনকেইটাত গোটেই জীৱনৰ ভিতৰতে শান্তিৰ মুখ দেখিছিল। আধ্যাত্মিক চিন্তাধাৰাই তেওঁক এখন অপাৰ্থিৱ জগতৰ সন্ধান দিছিল।

১৫২৮ শকৰ ভাদমাহৰ শুক্লা দ্বিতীয়াত মাধৱদেৱৰ তিৰোভাৱ ঘটে। মাধৱদেৱৰ ৰচনাৰাজিক এইকেইটা ভাগত ভাগ কৰি দেখুৱাব পাৰি।

১। তত্ত্বমূলক ৰচনা ঃ (ক) নামঘোষা, (খ) ভক্তি-ৰত্নাৱলী, (গ) জন্ম-ৰহস্য
(ঘ) নাম-মালিকা

২। কাব্য ঃ (ক) আদিকাণ্ড ৰামায়ণ আৰু (খ) ৰাজসূয়

৩। গীত ঃ (ক) বৰগীত (খ) ভটিমা

৪। ঝুমুৰা ঃ (ক) চোৰধৰা, (খ) পিম্পৰা গুচোৱা (গ) ভোজনবেহাৰ,
(ঘ) ভূমি-লেটোৱা আৰু (ঙ) অৰ্জুন ভঞ্জন।

৫। মাধৱদেৱৰ নামত প্ৰচলিত নাটসমূহ ঃ (ক) ভূষণ-হৰণ, (খ) ৰাম-ঝুমুৰা, (গ) কোটোৱা-খেলা, আৰু (ঘ) ব্ৰহ্মা-মোহন।

৬। চৰিতপুথিত উল্লেখ থকা কিন্তু
পাবলৈ নোহোৱা নাট ঃ (ক) ৰামযাত্ৰা, (খ) নৃসিংহ-যাত্ৰা (গ) গোবৰ্দ্ধন যাত্ৰা

৭। কীৰ্তনৰ ‘ধ্যান-বৰ্ণনা’ অংশ

৮। সংকলন আৰু সম্পাদনা ঃ (ক) কীৰ্তন ঘোষা সংকলন (খ) ৰামায়ণ সম্পাদনা

## ২.২.৩ ‘নামঘোষা’ৰ তাত্ত্বিক দিশ

মহাপুৰুষ মাধৱদেৱৰ মহান সৃষ্টি ‘নামঘোষা’ৰ দাৰ্শনিক ভিত্তি বেদান্ত। ‘সমস্ত বেদান্ত সাৰ’ ভাগৱতৰ সত্য তত্ত্বকে ‘নামঘোষা’ই প্ৰকাশ কৰিছে। ‘নামঘোষা’ৰ এহেজাৰ ঘোষাৰ ভিতৰত চাৰিশমান মূল হিচাপে বৈষ্ণৱ গ্ৰন্থৰ সংস্কৃত শ্লোক পোৱা গ’লেও কোনো এখন নিৰ্দিষ্ট গ্ৰন্থক ‘নামঘোষা’ৰ মূল বুলি ধৰিব নোৱাৰি। ‘নামঘোষা’ৰ মূল হৈছে মাধৱদেৱৰ হৃদয়ৰ মাজত। তেওঁৰ অনুভূতি আৰু প্ৰতিভাৰ পৰশত মূলৰ প্ৰতিটো শ্লোকেই যেন নৱজন্ম লাভ কৰিছে। তদুপৰি সুষম-পটল-বিভাজনৰ যোগেদি বিভিন্ন শ্লোকক সু-সংশ্লিষ্ট কৰা হৈছে। ‘‘ভক্তিতত্ব- নিৰূপক গ্ৰন্থ হিচাপে ‘নামঘোষা’ নিৰূপম। অৱতাৰবাদ; প্ৰসাদ (পুষ্টি বা পোষণ) বা অনুগ্ৰহবাদ; মায়া-তৰণৰ উপায় স্বৰূপে সকলো ঘৰ্মৰ ভিতৰত, জ্ঞান-কৰ্মৰ ওপৰতো ভক্তিৰ শ্ৰেষ্ঠতা; ভক্তিৰ পুৰুষোত্তমপ্ৰেম স্বৰূপতা; ভক্তিৰ অহৈতুকিতা বা অনিমিত্ততা; ভক্তিৰ শ্ৰৱণ-কীৰ্তন প্ৰধানতা; সৎসংগ মাহাত্ম্য; দাস্য, জড়ৰূপী অন্য দেৱসেৱা নিবাৰণ-পূৰ্বক চৈতন্যস্ব ৰূপ একদেৱ আৰু একনামৰ বিশ্বাসেৰে একশৰণবাদ মহাপুৰুষীয়া ধৰ্মৰ (অসমৰ ভক্তি সম্প্ৰদায়) এই মূল সূত্ৰবোৰ ‘নামঘোষা’ৰ নানা ঠাইত নানাভাৱে ব্যাখ্যা কৰা হৈছে।

‘নামঘোষা’ৰ প্ৰথম ভজনত সেইজন যদুপতি ভগৱন্তৰ বন্দনা কৰা

হৈছে যিজন 'নিজ ভকতৰ বশ্য'। দশ অৱতাৰ ধাৰণ কৰোঁতা এই ভগৱন্ত মহেশ্বৰ। তেওঁ বাসুদেৱ আৰু নিৰাকাৰ যদিও সাকাৰ ৰূপতো তেওঁৰ অলেখ নাম। তেওঁ পৰমানন্দময়, অনাদি আৰু অনন্ত। চৈধ্যসাক্ষীৰ ওপৰত তেওঁ সৰ্বসাক্ষী, গতিকে সমস্তৰে বুদ্ধিচিত্তৰ দ্ৰষ্টা; অন্তৰ্যামী ৰূপে তেওঁ জীৱৰ নিয়ামক। চৰাচৰৰ আত্মা আৰু মূল এই ভগৱন্ত পৰম ব্ৰহ্ম; প্ৰতি জীৱ ব্ৰহ্মৰ অংশ। কাৰণৰো কাৰণ ব্ৰহ্মই হৈছে জড় জগতৰ একমাত্ৰ চৈতন্য শক্তি। 'ব্ৰহ্মা আদি কৰি যত জীৱ মায়া শয্যা মাজে' ঘূমটি গৈ থকাৰপৰা ব্ৰহ্মইহে কেৱল জগাব পাৰে।

প্ৰকৃতিৰ দুই শক্তি আৱৰণ আৰু বিক্ষেপ। আৱৰণেৰে অবিদ্যা নাম লৈ প্ৰকৃতিয়ে জীৱৰ মনত অনাত্মা দেহত আত্মবুদ্ধি ঘটায়। বিক্ষেপ শক্তিৰে সেয়ে হ'ল পাৰমেশ্বৰী মায়া। পুৰুষো সেইদৰে দুবিধ-প্ৰকৃতিৰ অধীন জীৱ আৰু প্ৰকৃতিক বশ কৰি সংসাৰৰ সৃজন কৰোঁতা ঈশ্বৰ। ব্ৰহ্ম প্ৰকৃতি আৰু পুৰুষ দুইত শ্ৰেষ্ঠ।

*'প্ৰকৃতি পুৰুষ  দুইত কৰি পৰ*
*দুইহানো নিজ কাৰণ।'*

গতিকেই তেওঁ পৰমেশ্বৰ, পৰম ভজনীয়, তেওঁ অনাদি, অনন্ত, অচ্যুত, নিৰাকাৰ, নিৰঞ্জন, নিৰ্বিকাৰ আৰু নিৰাময়। তেওঁ নিৰ্গুণ, কিন্তু সময়বিশেষে গুণযুক্ত–

*'তুমি প্ৰভু নিৰ্গুণ, গুণৰ সীমা নাই।*
*নিৰ্গুণ হোৱয় জীৱ সেই গুণ গাই॥'*

'নামঘোষা'ত এই নিৰ্গুণৰ নিৰাকাৰ আৰু সাকাৰ উভয় ৰূপৰে অসংখ্য নামৰ যি অন্বয় সেয়া বিশেষ বৈশিষ্ট্যপূৰ্ণ। ভক্ত কবিৰ তত্ত্বদৰ্শী মনে প্ৰতিটো নামৰে অভিনৱ তাৎপৰ্য লোকচক্ষুৰ আগত দাঙি ধৰিছে। ভগৱন্ত কৃষ্ণ বনমালী, তেওঁ গোপবালক– কণ্ঠত বনমালা। এই বনমালাৰ তাৎপৰ্যও 'নামঘোষা'ৰ মতে গভীৰ অৰ্থবহ,– 'পঞ্চভূতে' পঞ্চবৰ্ণ এই মালা ধাৰণ কৰা বাবেই জগদীশ্বৰৰ নাম বনমালী।

ভগৱন্ত দশ অৱতাৰৰ প্ৰতিটো নামৰে ব্যাখ্যা ইয়াত সৰ্বসাধাৰণৰ বাবে অভিনৱ। ছবি আৰু দুলড়ী ছন্দৰ নামান্বয় খণ্ড 'নামঘোষা'ৰ অন্যতম সম্পদ। অৰ্থৰ গভীৰতা আৰু প্ৰকাশভংগীৰ স্বচ্ছন্দতাৰ সংমিশ্ৰণত সদানন্দ পুৰোষোত্তমৰ প্ৰতিটো ৰূপে ভক্তৰ মনত সৰলভাৱে ধৰা দিয়েহি।

### ২.২.৩.১ ভক্তিতত্ত্ব

একদেৱ সেৱা 'নামঘোষা'ৰ প্ৰধান বক্তব্য। যিহেতু কৃষ্ণহে একমাত্ৰ দুখহাৰী দেৱ, গতিকেই 'কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ'। 'ঈশ্বৰ-নিৰ্ণয়'

খণ্ডত সৃষ্টি-স্থিতি-অন্তকাৰী দেৱৰূপে কৃষ্ণ বা বিষ্ণুক সমস্ত জগতৰ সাৰ বুলি নিৰ্ণয় কৰা হৈছে। ‘নামঘোষা’ৰ মতে জড় চৰাচৰৰ মাজত কৃষ্ণ একমাত্ৰ চৈতন্য শক্তি। গতিকে—

*‘‘চৈতন্য কৃষ্ণক এৰি জড়ক ভতিজা মৰে*
*কিনো লোক অধম মুগুধ।’’*

সাধুসকলে জানে যে কৃষ্ণ-ভক্তিয়য়েই মুক্তিৰ দ্বাৰ। অন্যদেৱ আৰু পিতৃসকলে সময়মতে পূজা নাপালে বিঘিনি ঘটায়, কিন্তু শান্তমূৰ্তি কৃষ্ণ সদায়ে কৃপালু আৰু ক্ষমাশীল। গতিকে জ্ঞানীজনে এই সুন্দৰ আৰু আনন্দময় ভগৱান কৃষ্ণকে নিজৰ উপাস্য দেৱতা বুলি মানি লয়। যিসকলে অজ্ঞানবশতঃ কৃষ্ণসেৱাৰ পৰা আঁতৰি থাকে, হাজাৰ তপ-জপেও তেওঁলোকক পুণ্য লাভ কৰাত সক্ষম নকৰে।

অব্যভিচাৰী ভক্তিৰ কৃষ্ণৰ চৰণত শৰণ লোৱাই জীৱমাত্ৰৰ লক্ষ্য হোৱা উচিত।

*‘কৃষ্ণকেসে মাত্ৰ ভজে যিটো জনে*
*অব্যভিচাৰী ভকতি।*
*তিনিগুণ অতি ক্ৰমি ব্ৰহ্মৰূপ*
*পাৱে সিটো মহামতি॥*

‘‘নামঘোষা’’ত দাস্য ভক্তিৰ সুৰ ধ্বনিত হৈছে মাধৱদেৱে তেওঁৰ ইষ্টদেৱক সখা আৰু সুহৃদ বুলি মানিলেও সেই পৰম পুৰুষৰ চৰণত দাসৰূপেহে আত্মসমৰ্পণ কৰিছে। কৃষ্ণ-কিংকৰৰ দাস হ’ব পৰাটোও মহাভাগ্য, তাৰ পূণ্যফল তীৰ্থব্ৰততকৈয়ো বেছি। কৃষ্ণৰ চৰণত আশ্ৰয় পালেই জীৱৰ বন্ধন গুচে। গতিকে ‘নামঘোষা’ৰ ছত্ৰে ছত্ৰে কৃষ্ণৰ দাসৰূপে তেওঁৰ পদসেৱন কৰাৰ সৌভাগ্য বিচাৰি মাধৱদেৱে কাকুতি কৰিছে। এই কাকুতিৰ সুৰ অতিশয় কৰুণ আৰু হৃদয় পৰশা,—

*‘দান্তে তৃণ তুলি ধৰো যিমতে সেৱাত ৰহো*
*দিয়া মোক সেহি উপদেশ।’*

তেওঁ ভৃত্যৰূপে একান্ত আত্মসমৰ্পণ কৰিছে, লগে লগে তেওঁৰ নাথ বা স্বামীৰপৰা কামনা কৰিছে চৰণ-ছত্ৰৰ ছায়া। তেওঁৰ ভক্তি স্বামীৰ প্ৰতি দাসৰ মনোভাৱ হ’লেও তাত আছে এক সহজ প্ৰীতিৰ সম্পৰ্ক। তেওঁৰ দাস্যভক্তিয়ে চৰাচৰ তুচ্ছ কৰি ইষ্টদেৱৰ চৰণ-ছায়াতহে একমাত্ৰ সত্যৰ সন্ধান পাইছে।

‘নামঘোষা’ত মায়া সম্পৰ্কে সঘনে উক্তি কৰা হৈছে। মায়া ৰহস্যময়

শক্তি। যি শক্তিৰ সহায়ত এক পৰম শক্তিয়ে চৰাচৰ স্রজন আৰু পালন কৰিছে সেই শক্তিয়ে হৈছে মায়া। এই ঐশী শক্তিয়ে ব্ৰহ্মাৰ স্বৰূপ আবৃত কৰি ৰাখে 'আৱৰণ' – ৰূপে, অসত্যত সত্যৰ প্ৰতীতি ঘটায় 'বিক্ষেপ' শক্তিৰূপে। মায়া অনাদি নহয়, সংসাৰ সৃষ্টিৰ আহিলাৰূপে মায়াক স্রজন কৰে পৰমব্ৰহ্মই। এই সংসাৰ ভগৱন্তৰ ক্ৰীড়াৰ স্থান। নিজানন্দপূৰ্ণ ভগৱন্তই নিজৰ বিনোদনৰ বাবে অলীক সংসাৰৰ সৃষ্টি কৰিলে। এই সংসাৰ নিৰ্মাণত তেওঁৰ সহায় হ'ল তেওঁৰ শক্তি মায়া। গতিকে ভগৱন্ত একমাত্ৰ সত্য, বাকী সকলো অলীক।

সংসাৰ যে মিথ্যা, সংসাৰ যে ভগৱানৰ ধেমালিৰ সামগ্ৰী মাথোন (লোকৱৎ তু লীলাকৈৱল্যম, - গীতা) এই কথা অজ্ঞ জীৱক বুজিবলৈ নিদিয়াটোৱেই মায়াৰ প্ৰধান কাম। বহল অৰ্থত মায়া অনন্ত; ব্ৰহ্মৰ দৰেই বিনাশহীন। কিন্তু সীমিত অৰ্থত মায়াৰ অন্তও আছে। কোনো বিশেষজনে যেতিয়া পৰমাতত্ত্ব উপলব্ধি কৰে, ব্ৰহ্মৰ স্বৰূপ সম্পৰ্কে অৱগত হয়, তেতিয়াই তেওঁ মায়াক জয় কৰে। তেওঁৰ কাৰণে তেতিয়া আৰু মায়া অনন্ত নহয়, অন্তযুক্ত। মায়াক জয় কৰাৰ আগলৈকে জীৱৰ বাবে সংসাৰ পৰম সত্যৰূপে পৰিগণিত হৈ থাকে। অসত্য জগতক সত্য প্ৰতীয়মান কৰা মায়াও প্ৰকৃততে অসত্য,–

*মায়া আদি ধৰি সমস্তে অসন্ত*
*জানিবা জড় নিশ্চয়।*
*হৰি মাত্ৰ সন্ত চৈতন্য ঈশ্বৰ*
*পৰম তত্ত্ব নিৰ্ণয়।*

মায়া জড়, হৰি চৈতন্য; মায়া অসত্য, হৰি সত্য। গতিকে মায়াক হৰিয়েহে পৰিচালনা কৰে। মায়াৰ বান্ধোনত জীৱক আৱদ্ধ কৰা নাইবা মায়াৰপৰা জীৱক মুক্তি দিয়া ভগৱন্তৰহে কাম। তেওঁৰ ইচ্ছাৰদ্বাৰা মায়া নিয়ন্ত্ৰিত হয়।

'অঘটনঘটনপটিয়সী' মায়াৰ পাৰ পোৱা সহজ নহয়। মায়া সেয়ে 'দুস্তৰ'। তদুপৰি মায়া কপট গুণযুক্তা আৰু নিগ্ৰহকাৰিণী। কপট গুণেৰে মায়াই জীৱৰ মনত ভ্ৰম উৎপাদন কৰে। ই আত্ম-উপলব্ধিত অগ্ৰসৰ হোৱা জীৱক পদে পদে পথভ্ৰষ্ট কৰে।

হৰি-বিমুখসকলহে মায়াৰ নিৰ্ঘাটনৰ পাত্ৰ। তেনেলোককহে মায়াই মোহিত কৰে। গতিকে কোৱা হৈছে–

*"তুমি প্ৰিয় আত্মা পৰম দেৱতা*
*তোমাত ভৈল বিমুখ*
*এতেকে তোমাৰ মায়ায়ে আন্ধাত*
*দিলেক পৰম দুখ॥"*

এই সংসাৰ-দুখৰপৰা জীৱৰ সহজে নিস্তাৰ নাই। জন্ম-মৃত্যুৰ চক্ৰত জীৱ অবিৰাম আৱৰ্তিত। ব্ৰহ্মোপলব্ধি নোহোৱালৈকে বাৰে বাৰে জন্ম লৈ জীৱই নিকাৰ ভুঞ্জে। গতিকে ক্ষুদ্ৰ সুখে বহু আশা কৰি, ঐহিক তৃপ্তিকে চৰম সুখ বুলি ভাবি জীৱই তুচ্ছ আনন্দত কালপাত কৰে। স্বপ্ন বা প্ৰপঞ্চৰ দৰে অলীক মানৱ-জীৱনৰ মাজত ভ্ৰমবশতঃ সত্য বিচাৰি পোৱা অজ্ঞান জীৱ মায়া বা অবিদ্যাৰ হাতৰ পুতলা। যেতিয়াই মায়া দূৰ হয় তেতিয়াই জীৱ সংসাৰৰ নিত্যতা সম্পৰ্কে সচেতন হৈ উঠে আৰু তেতিয়াই নিজকে ব্ৰহ্মৰ অংশ বুলি উপলব্ধি কৰে। উপলব্ধিয়েই হৈছে পৰম জ্ঞান। কিন্তু ‘যম, কাল, মায়াই’ ‘বাঘজালি কৰি’ বেঢ়ি থকা অৱস্থাত জালত আৱদ্ধ পশুৰ দৰে জীৱৰ অৱস্থা। তেওঁলোকে নিজকে চিনি নাপায়।

মায়া-তাৰণৰ উপায় হিচাপে নামঘোষাত একান্ত ভক্তিকে সাৰোগত কৰা হৈছে। হৰি-বিমখতাত যি নিগ্ৰহ; হৰিত আত্মসমৰ্পণতেই তাৰ সমাপ্তি। ‘মধুমতী মায়া উন্মত্ত কৰায়া’ জীৱক সংসাৰৰ দুখ দিওঁতা মধুসুদনৰ হাততহে মায়া মৰ্দনৰ ক্ষমতা আছে। হৰিত আত্মসমৰ্পণ নকৰালৈকে মায়াই লগ নেৰে–

***“তাৰত মায়াত নতৰে হৰিত***
***শৰণ নলৰে যেৰে॥”***

সেইবাবে তেওঁৰ চৰণত শৰণ পোৱাটো ভক্তসকলে ভাগ্যৰ কথা বুলি বিবেচনা কৰে। কিন্তু অন্তৰত ভক্তিৰ উদ্ভৱ হোৱা আৰু তাৰ দ্বাৰাই মায়াৰ হাত সৰা, –এই সকলোবোৰ নিৰ্ভৰ কৰে ভগৱন্তৰ অনুগ্ৰহৰ ওপৰত। ‘মহন্তৰ সঞ্জ হৰিকথা ৰসে মনক জিনিয়া’ হৰিৰ অনুগ্ৰহ লাভ কৰিব পাৰি। শ্ৰৱণ-কীৰ্তণৰূপ ভক্তি হৈছে হৰিৰ কৃপা লাভৰ সহজ উপায়।

## ২.২.৩.২ মুক্তিতত্ব আৰু ভক্তিৰ শ্ৰেষ্ঠত্ব

মায়া-তাৰণৰ পিছত জীৱৰ মুক্তি ঘটে। জীৱমুক্তি আৰু বিদেহমুক্তি মুক্তিৰ দুটা স্তৰ। আত্মজ্ঞান লাভ কৰোঁতাই সংসাৰৰ মাজতে থাকিও বন্ধনমুক্ত অৱস্থা লাভ কৰে। ব্ৰহ্মৰ অংশৰূপে চিনি পোৱাৰ পিছত এই জীৱন্মুক্তসকলে মোক্ষলাভ কৰি নিৰ্মল আনন্দ লাভ কৰে। মোক্ষপ্ৰাপ্ত অৱস্থা চৰম আনন্দময়। এই আনন্দ লাভ সহজ লভ্য নহয়, অবিদ্যাৰ বাধাৰ বাবে। অবিদ্যা নাশ হ’লেহে কণ্ঠলগ্ন বস্তুৰদৰে নিজৰ মাজতে থকা পৰম আত্মাৰ সাক্ষাৎ লাভ সম্ভৱপৰ।

মোক্ষলাভৰ বাবেও ভগৱন্তৰ অনুগ্ৰহ লাগে। যিসকল ক্ৰোধ আৰু হিংসাশূণ্য বাসনাৰ পৰা মুক্ত, তেওঁলোকে একান্ত আত্মসমৰ্পণৰ দ্বাৰা হৰিৰ প্ৰিয়পাত্ৰ হৈ মোক্ষ লাভ কৰে।

শৰীৰ ত্যাগৰ পিছত লাভ কৰা মুক্তি হৈছে বিদেহ মুক্তি। সাৰ্ষ্টি, সালোক্য, সামীপ্য আৰু সাযুজ্য মুক্তিৰ প্ৰতিটোৱেই যদিও পৰম আদৰণীয় নামঘোষাত কিন্তু মুক্তিতকৈ ভক্তিক বেছি প্ৰাধান্য দিয়া হৈছে। পুথিৰ আদিতে থকা 'মুক্তিতো নিস্পৃহ যিটো, সেহি ভকতক নমো, ৰসময় মাগোহো ভকতি' ঘোষা ফাকিৰ পৰাই অনুমান কৰিব পাৰি যে ''নামঘোষাৰ মতে মুক্তিতকৈ ভক্তিৰ সোৱাদ বেছি। ভক্তিক মোক্ষলাভৰ আহিলা বুলি স্বীকাৰ কৰা হৈছে; কিন্তু মোক্ষ সাধনৰ বাবে ভক্ত যেতিয়া ভক্তিত ৰত হয়– তেতিয়া আৰু মোক্ষ সাধনৰ কথা তেওঁৰ মনত নাথাকে। তেতিয়া হৰিৰ চৰণত আশ্ৰয় পোৱাটোহে নাইবা নিৰ্মল ভক্তি লাভ কৰাটোহে তেওঁৰ বাবে প্ৰধান হৈ পৰে। ভগৱন্তৰ সেৱাত ইমানেই আনন্দ আছে যে এবাৰ সেই আনন্দৰ সোৱাদ পোৱাৰ পিছত 'মুকুতি-সুখকো তেজি মহাজনে সদাৰাম নাম ধৰে।'

ভক্তিৰ মাহাত্ম্য ইমানেই বেছি যে সকামীলোকেও যদি কোনো কামনা মনতলৈ হৰি সেৱাত ৰত হয়, পিছলৈ তেওঁ কামনাশূণ্য হৈ নিস্কাম ভক্তত পৰিণত হয়। কৰ্ম, যোগ, জ্ঞান, বেদমন্ত্ৰ নাইবা তীৰ্থস্নানেৰে বশ্য কৰিব নোৱাৰা ভগৱন্তক একমাত্ৰ ভক্তিৰে সহজে বশ কৰিব পাৰি।

নৱবিধি ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্তনে ''নামঘোষা''ত আগঠাই পাইছে। ভক্তি উৎপাদনৰ বাবে হৰিকথা চৰ্চা আৰু শ্ৰৱণ প্ৰশস্ত উপায়। জ্জ ইয়াৰ বাবে লাগে সন্তজনৰ সঞ্জ। একান্ত ভকতসকলে য'ত হৰিনাম লয়, তাত কাল আৰু মায়াৰ প্ৰৱেশ নাই। কৃষ্ণৰ কীৰ্তনসুখেই হৈছে মুক্তিতকৈ শ্ৰেষ্ঠ–

*তোমাৰ ভকতি ৰসে মুকুতিবেগ*
*কৰে অতি উপহাস॥*

গতিকে মুক্ত পুৰুষসকলেও 'এক প্ৰাণ হুয়া'' হৰিনাম উচ্চাৰণ আৰু শ্ৰৱণৰ আনন্দসাগৰত বুৰ গৈ থাকে। একান্ত ভকতসকলে 'নকৰে কামনা ভকতিৰ তেজি আন' – সেয়ে হৈছে ভাগৱতী ভক্তি।

আত্ম উপলব্ধিৰ ক্ষেত্ৰত ভক্তিপ্ৰধান আহিলা, গতিকেই ভক্তি হৈছে একপ্ৰকাৰ সত্য-স্পৃহা। ভক্তি হ'ল আত্মসমৰ্পণ, তাৰ লগতে থাকে আন্তৰিক শ্ৰদ্ধা। এই দুইৰ সংযোজত জীৱ আৰু ব্ৰহ্মৰ অভেদত্ব সম্পৰ্কে অপ্ৰয়াসে জ্ঞান লাভ হয়।

ভক্তি যেতিয়া ঐকান্তিক হয়, ভক্তৰ মনত তেতিয়া ভগৱন্তৰ বাহিৰে অন্য চিন্তা নাথাকে। তেওঁৰ সমগ্ৰ অনুৰক্তি থুপ খায়গৈ ইষ্টদেৱতাৰ চৰণত। সকলো চিন্তা আৰু সংকোচ আঁতৰাই থৈ ব্ৰজগোপিকাৰ দৰে লোকল া চকুল া এৰি অহৰ্নিশে কৃষ্ণপ্ৰেমত মগ্ন হ'ব পৰাই হৈছে প্ৰকৃত ভক্তি। ভক্তিৰ মাহাত্ম্য সম্পৰ্কে ''নামঘোষা'' উচ্ছ্বাসিত। ভক্তিয়ে ভক্তক ভগৱানৰ

ওচৰ চপায়। হৰি-ভক্তিত জাতি-অজাতিৰ ভেদ নাই। এজন হৰিভক্ত চণ্ডালো ভক্তহীন ব্ৰাহ্মণতকৈ শ্ৰেষ্ঠ।

হৰিসেৱাৰ বাবে যাগ-যজ্ঞ নাইবা পূজা-পাতলৰ প্ৰয়োজন নাই। 'নামতেসে তুষ্ট গুণ-লুবুধ মাধৱ', গতিকে হৰিনাম কীৰ্তন আৰু শ্ৰৱণ কৰিবলৈ 'নালাগে দেৱ দ্বিজ ঋষি হুইবে, নলাগে শাস্ত্ৰ সমস্ত জানিবে।' হৰিনামৰ মাহাত্ম্য স্বয়ং হৰিতকৈয়ো বেছি,–'তোমাত কৰিয়া তযু গুণ নাম সাৰ'। গতিকে জীৱৰ নিস্তাৰৰ একমাত্ৰ উপায় হৈছে হৰি-ভক্তি আৰু হৰি-ভক্তিৰ সহজতম পন্থা হৈছে শ্ৰৱণ আৰু কীৰ্তন।

'নামঘোষা'ৰ 'আত্ম-উপদেশ' অধ্যায়ত মাধৱদেৱে ন্তৰেন্দ্ৰিয় মন, চিত্ত, বুদ্ধি, অহংকাৰ আৰু জ্ঞানেন্দ্ৰিয় জিহ্বা আৰু কৰ্ণৰ বিষয়ে যি উক্তি কৰিছে তাৰ মাজেদি তেওঁৰ ঐকান্তিক ভক্তিৰ গাঢ়তা ফুটি উঠিছে। কৃষ্ণ নাম পৰম মংগল বুলি সংকল্প কৰি সেই তৃপ্তিতময় নাম শ্ৰৱণ কীৰ্তন আৰু উপলব্ধি কৰিবলৈ তেওঁ আপোন ইন্দ্ৰিয়সমূহক আহ্বান কৰিছে।

## ২.২.৩.৩ শংকৰ-মহিমা

মাধৱদেৱে যি ঐকান্তিকতাৰে ভগৱানৰ বিষয়ে আলোচনা কৰে সেই একেই ঐকান্তিকতাৰ প্ৰকাশ পায়– তেওঁ যেতিয়া গুৰুজনাৰ বিষয়ে কয়। তেওঁৰ ধৰ্মীয় জীৱনৰ পিতৃস্বৰূপ এই পূজ্যপাদ্য গুৰুজনে মাধৱদেৱৰ শ্ৰদ্ধাৰ আসনত ভগৱানৰ সমানেই পূজ্যস্থান পাইছে। সময় বিশেষে শংকৰদেৱ দেৱতাতকৈয়ো শ্ৰেষ্ঠ; বৈকুণ্ঠৰ পৰা প্ৰেম অমৃতৰ নদী বোৱাওতা শ্ৰীমন্ত শংকৰ বৈকুণ্ঠনাথৰ দৰেই কৃপালু। তেওঁ মূঢ়মতি জীৱক হৰিভক্তিৰ পথা দেখুৱাই সংসাৰ তাৰণৰ পথ সুগম কৰিছে। গতিকে মাধৱদেৱৰ বাবে তেওঁৰ দৰে সুহৃদ আৰু কোনো নাই।

*''শ্ৰীমন্ত শংকৰ হৰিভকতৰ*
*জানা যেন কল্পতৰু।*
*তাহান্ত বিনাই নাই নাই নাই*
*আমাৰ পৰম গুৰু॥''*

যি গুৰু গম্ভীৰ আৰু ঈষৎ কৰুণ সুৰত ''নামঘোষা'ৰ ঘোষাকেইটিয়ে ৰূপ লৈছে, তাৰ মাজতে ব্যতিক্ৰম হ'ল পুথিখনৰ 'নিন্দা' অংশ। হৰি-বিমুখ আৰু শংকৰ বিৰোধীসকলৰ প্ৰতি এই অংশত মাধৱদেৱৰ বক্তব্য তীক্ষ্ণ আৰু মৰ্মভেদী। যি গুৰুজনাক তেওঁ ভগৱানৰ আসনত বহুৱাইছে সেই পিতৃ-প্ৰতীম শংকৰদেৱৰ বিৰুদ্ধে কাৰোবাৰ এষাৰি কু-বাক্য শুনিলেই প্ৰিয় শিষ্য মাধৱদেৱৰ মন তিক্তবিৰক্ত হৈ উঠে। শান্ত-সমাহিত ভক্ত মাধৱ নিমিষতে পৰিণত হয়

যুক্তি বাণেৰে বিপক্ষক ধৰাশায়ী কৰিব পৰা নিপুণ ধৰ্ম প্ৰচাৰকলৈ। গুৰু বোলাই পাণ্ডিত্যৰ বৰাই কৰা এচাম শ্লোকে সেই সময়ত অনাচাৰ আৰু ব্যভিচাৰৰদ্বাৰা বৈষ্ণৱৰ নামত কলমক সানিছিল। তেওঁলোকে হৰিকথা ছলে কৰ্ণত কুমন্ত্ৰ দি দিনে ৰাতি বিষয়ৰ চিন্তা কৰিছিল। এইসকলৰ বিষয়ে মাধৱদেৱে উক্তি কৰিছে–

*''অন্ন যোনি কিছু নকৰে বিচাৰ*
*জাতি কুল ভৈল নষ্ট*
*বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়*
*বেদপন্থ কৰি নষ্ট।''*

বৈষ্ণৱৰ মুখা পিন্ধা এই কু-বুদ্ধিযুক্ত লোকসকলে সেই সময়ৰ সমাজত এক বিশৃংখলাৰ সৃষ্টি কৰিছিল। শংকৰৰ শুদ্ধমতক বিকৃত কৰা আৰু সাধুসকলক উত্যক্ত কৰা এই নিন্দুকসকলৰ বিষয়ে 'নামঘোষা'ত যি মন্তব্য আছে যি অতি তীক্ষ্ণ আৰু অৰ্থপূৰ্ণ। য'তেই বিষ্ণু-নিন্দুক আৰু বৈষ্ণৱ-নিন্দুকৰ কথা ওলাইছে, তাতেই মাধৱদেৱৰ ভাব আৰু ভাষা শাণিত অস্ত্ৰৰ দৰে তীক্ষ্ণ হৈ পৰিছে।

## ২.২.৩.৪ কাব্যিক সৌন্দৰ্য

সাধাৰণতে ধৰ্মপুথিবোৰত সাহিত্যিক সৌন্দৰ্য বৰ বেছিকৈ চকুত নপৰে। 'নামঘোষা' কিন্তু এই ক্ষেত্ৰত ব্যতিক্ৰম। ধৰ্মপুথি হ'লেও ''নামঘোষা'ত ধৰ্মপ্ৰচাৰৰ মনোভাৱতকৈ আত্মবিলোপনৰ সুৰে পুথিখনিত কোমল সৰগী সৌন্দৰ্য দান কৰিছে। নামঘোষাৰ অধিকাংশ ঘোষাক উত্তম কবিতাৰ শ্ৰেণীত পেলাব পাৰি। এই কবিতা যেন এজন ৰহস্যবাদী কবিৰ অকৃত্ৰিম অনুভূতিৰ নিজৰা। ৰহস্যবাদীসকলে সংসাৰৰ প্ৰতিটো বস্তুকে সুন্দৰ দেখে; মংগলময় যেন দেখে। তেওঁলোকে সন্ধান কৰে এই সকলো সুন্দৰৰ মূল এক একক সত্তাৰ। সেই আকাংক্ষিতক পোৱাৰ আগতে সন্ধানৰ যন্ত্ৰণাই ৰহস্যবাদীসকলক অস্থিৰ আৰু ক্ষত-বিক্ষত কৰি তোলে; এইখিনি বেদনাময় সময়ক বুলিব পাৰি ''আত্মাৰ আন্ধাৰ ৰাতি''। প্ৰতিজন সাধক কবিৰ জীৱনলৈ এই 'আন্ধাৰ ৰাতি' এবাৰলৈ হ'লেও নামিছে। মাধৱদেৱে এই সমসা অতিক্ৰম কৰি আৱিস্কাৰ কৰিছে তেওঁৰ 'প্ৰিয়তম আত্মা পৰম দেৱতা',—

*হৰি তুমি আনন্দ সিন্ধু।*
*হামো ভিক্ষাৰী মাগো এক বিন্দু॥'*

কিন্তু, আনন্দসিন্ধু ভগৱান যে অন্যত মগ্ন। নিজকে একান্ত উছৰ্গা কৰা কবিয়ে সেয়ে আক্ষেপেৰে ক'ব লগাত পৰে,–

*মোক নিজ দাস কৰি লৈলে*
*কহিয়ো কৃপাল*
*কি হয় তোমাৰ হানি।*

মাধৱদেৱৰ ব্যক্তিত্বক বাদ দি 'নামঘোষা'ৰ আলোচনা সম্পূৰ্ণ হ'ব নোৱাৰে। কাৰণ কবিৰ গভীৰ অনুভূতিয়েই কাব্যসৃষ্টিৰ কাৰণ। 'নামঘোষা'ৰ আধ্যাত্মিক ভাবৰ পুথি। কিন্তু ইয়াত 'হৃদয়ৰ ভক্তিৰ আৱেগ ঢালি দি দাস্য-ভাৱক কবিত্বৰ চৰম সীমালৈ লৈ যোৱা হৈছে। গতিকে নামঘোষা পুথি পঢ়িলে 'ছন্দৰ ঝংকাৰ ভাষাৰ মাধুৰ্য, ভাবৰ প্ৰগাঢ়তা, সকলোকে অতিক্ৰম কৰি মনঃ চক্ষুৰ দৃষ্টি পৰে মাধৱদেৱৰ ভক্তিকাতৰ কৰুণ মূৰ্তিত।' আজীৱন কৌমাৰ্যব্ৰতী এইজনা ভক্ত-কবিৰ মায়াময় সংসাৰৰ প্ৰতি বিৰক্তি আৰু ভগৱানৰ অৰুণ চৰণত আসক্তিৰ একান্ত আকুল সুৰ কৰুণ সুৰত প্ৰকাশ পাইছে।

ভক্ত কবি, সাধক বা ৰহস্যবাদীসকলৰ বাবে আকাংক্ষিতৰ ৰূপ বেলেগ বেলেগ। কোনোৱে তেওঁক বিচাৰে প্ৰিয়ৰূপে, কোনোৱে বিচাৰে স্বামীৰূপে, কোনোৱে আকৌ বিচাৰে প্ৰিয়াৰ মাজতে তেওঁৰ ৰূপ। মাধৱদেৱৰ বাবে সেই চিৰবাঞ্ছিত ৰূপ হ'ল 'প্ৰিয় আত্মা মখা ইষ্ট গুৰু'; দুয়ো যেন অভিন্ন আত্মা। অথচ সেই প্ৰিয় সখাই যেতিয়া কবিৰ মনটো বুজিও নুবুজাৰ ভাও ধৰে তেতিয়া অভিমানী নকৈ নোৱাৰে;

*'তুমি সৰ্বসাক্ষী আত্মা হৃষিকেশ*
*জানাহা মোৰ চিত্তক।*
*শৰণাগতক মইআতুৰক*
*উপেক্ষা কৰা কিসক॥'*

বহুতো লুকা-ভাকুৰ পিছত যেতিয়া বিচাৰাজনক ওচৰত পোৱা হয়, ভাগৰুৱা মনে তেওঁক আৰু এৰি দিব নোখোজে। সকলো কষ্ট, সকলো শ্ৰমৰ অন্তত প্ৰাপ্তিৰ সুখ উপভোগ কৰি নিৰাপদ আশ্ৰয়ত কিছুপৰ নিটাল মাৰি থকাৰ লোভ সকলোৰে। কবি মাধৱদেৱেও সেয়ে কাতৰ কণ্ঠেৰে কৈ উঠিছে–

*'ইবাৰ কৰুণাময় হৰি কমলাপতি*
*মোকে নাচাড়িবা নাৰায়ণ।*
*অৰুণ চৰণ তলে হৰি কমলাপতি*
*সত্যে সত্যে পশিলোশৰণ।*

এই 'মোক নাছাড়িবা' সুৰে নাম-ঘোষাত প্ৰধান আকৰ্ষণৰ সৃষ্টি কৰিছে। অন্তৰৰ অনুভূতিক ছন্দেৰে সজালেই সেয়া কবিতা নহয়। কবিতা সুন্দৰ হয়

ইলংকাৰৰ যোগেদি। মাধৱদেৱৰ আড়ম্বৰহীন কবিতাবোৰো ঠাই বিশেষে উপমা-অলংকাৰেৰে শোভিত হৈছে। সংস্কৃত বাক্যৰীতিৰ আৰ্হিতেই তেওঁৰ প্ৰিয় দেৱতাৰ ৰূপ ধ্যান কৰিছে। তেওঁৰ ইষ্ট-দেৱতাৰ নয়ন পঙ্কজ সদৃশ; চৰণ পঙ্কজ সদৃশ আৰু হস্তত পঙ্কজ সদৃশ। এই গতানুগতিক উপমাৰ ভিতৰতো তেওঁৰ মৌলিকতা সুস্পষ্ট। পদুমৰ দৰে ৰাতুল এই চৰণ বন্দনাত তেওঁ কৈছে–

*'কৃপাৰসে তিতি অৰুণ বৰুণ*
*চৰণ ভৈল তোমাৰ।'*

তেওঁৰ বাবে ভগৱানৰ মুখমণ্ডল নয়নৰ পানপাত্ৰ, অৰ্থাৎ ভগৱানৰ ৰূপ অমৃতময়। মাধৱদেৱে তেওঁৰ সুহৃদ দেৱতাৰ লগত জড়িত প্ৰতিটো বস্তুতে অমৃতৰ সন্ধান পায়। তেওঁৰ বাবে 'ৰাম নামেসে অমিয়া জুৰে'। তেওঁৰ 'মায়াৰ ৰচনা আশানদী মাজে মজিয়া নপাইলো পাৰ' নাইবা ভৱকুপে জীৱ আছে পৰি, কালসৰ্পে দংশি হৰিল চেতন গাৰ' আদি ৰচনাবোৰ স্বভাৱজাত উপমাৰ প্ৰয়োগেৰে সুন্দৰ আৰু অৰ্থবহ।

'সদা জন্ম-মৃত্যু-জড়হীন শ্ৰীমন্ত সুন্দৰ গুণনিধি' তেওঁৰ উপাস্য দেৱতা। এই দেৱতাক স্মৰণ কৰি মাৱদেৱে যিহকেই কয় সিয়েই হৈ পৰে আন্তৰিক
জ্জ প্ৰীতিৰ পৰশত সুন্দৰ, উ   স্কল আৰু নিৰ্মল॥

## ২.২.৪ সাৰাংশ

- 'নামঘোষা'ৰ মাজত নৱ বৈষ্ণৱ ধৰ্মৰ মূল তত্ত্বসমূহ প্ৰকাশ পাইছে।
- বেদান্ত দৰ্শনৰ ঘাই তত্ত্বসমূহ ''নামঘোষা''ৰ মাজেদি সৰলভাৱে প্ৰকাশ পাইছে।
- মাধৱদেৱৰ গুৰুভক্তি অন্যতম ঘাই দিশৰূপে ফুটি উঠিছে।
- মাধৱদেৱৰ ব্যক্তিত্বৰ প্ৰকাশে 'নামঘোষা'ৰ সৌন্দৰ্য বৃদ্ধি কৰিছে।
- 'নামঘোষা' ধৰ্মপুথি হ'লেও কাব্যিক সৌন্দৰ্যৰ দিশৰ পৰাও অনুপম।
- 'নামঘোষা'ৰ মাজেদি মাধৱদেৱৰ দাস্যভক্তিৰ শ্ৰেষ্ঠতম প্ৰকাশ ঘটিছে।
- অসমীয়া ৰহস্যবাদী কবিতাৰ প্ৰথম নিদৰ্শন 'নামঘোষা'ৰ মাজত দেখা যায়।

## ২.২.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**সঁচা-মিছা নিৰ্ণয় কৰাঁ—**

(ক) 'নামঘোষা' মাধৱদেৱৰ মৌলিক ৰচনা।

(খ) 'কীৰ্তন' পুথিৰ 'ধ্যান-বৰ্ণনা' মাধৱদেৱৰ ৰচনা।

(গ) 'ভূমি লেটোৱা' মাধৱদেৱৰ ৰচনা নহয়।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**খালী ঠাই পূৰণ কৰা—**

তুমি প্ৰভু ______ সীমা নাই।

হোবয় জীৱ ______ গুণ গাই॥

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**শুদ্ধ ৰূপত মিলোৱা—**

| | |
|---|---|
| নাম-মালিকা | গীত |
| চোৰধৰা | কাব্য |
| ৰাজসূয় | তত্ত্বমূলক পুথি |
| গুৰুভটিমা | ঝুমুৰা |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**শুদ্ধ উত্তৰ নিৰ্বাচন কৰাঁ—**

(ক) 'নামঘোষা'ৰ মতে, মুক্তিতকৈ শ্ৰেষ্ঠ–

ভগৱান

বৈকুণ্ঠ

মায়া

ভক্তি

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ ঃ**

পাঁচোটা বাক্যত উত্তৰ লিখা।

'নামঘোষা'ৰ কাব্যিক সৌন্দৰ্য

____________________

____________________

____________________

____________________

____________________

____________________

____________________

____________________

____________________

## ২.২.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

(ক) মিছা
(খ) সঁচা
(গ) মিছা

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

তুমি প্ৰভু নিৰ্গুণ গুণৰ সীমা নাই।
নিৰ্গুণ হোবয় জীৱ সেই গুণ গাই॥

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

| | | |
|---|---|---|
| নামমালিকা | – | তত্ত্বমূলক পুথি |
| চোৰধৰা | – | ঝুমুৰা |
| ৰাজসূয় | – | কাব্য |
| গুৰু-ভটিমা | – | গীত |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

(ক) 'নামঘোষা'ৰ মতে, মুক্তিতকৈ শ্ৰেষ্ঠ – ভক্তি

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ৰ উত্তৰ ঃ**

নামঘোষাৰ কাব্যিক সৌন্দৰ্য অনুপম। ভক্তিতত্ত্ব নিৰূপক পুথি হ'লেও কবিতাৰ কোমলতা আৰু কবি-প্ৰাণৰ দাস্য ভাবযুক্ত আবেগে ইয়াত গভীৰ সৌন্দৰ্যৰ সৃষ্টি কৰিছে। ৰহস্যবাদী চিন্তাৰ প্ৰকাশ দেখা যায়। অলংকাৰৰ সুপ্ৰয়োগ ঘটিছে। কবি মাধৱদেৱৰ ব্যক্তিত্বৰ প্ৰকাশ 'নামঘোষা'ৰ অন্যতম আকৰ্ষণ। মাধৱদেৱৰ স্বতন্ত্ৰ ব্যক্তিত্বৰ প্ৰকাশে 'নামঘোষা'ক এক ভিন্ন মাত্ৰা প্ৰদান কৰিছে।

**খণ্ড ২**

## গোট ৩ ঃ মনসা কাব্য

২.৩.০ উদ্দেশ্য

২.৩.১ প্ৰস্তাৱনা

২.৩.২ কবি পৰিচয়

২.৩.৩ মনসা কাব্যৰ এটি পৰিচয়

২.৩.৩.১ পাঁচালী কাব্য

২.৩.৪ সাৰাংশ

২.৩.৫ অনুশীলনী

২.৩.৬ প্ৰশ্নোত্তৰ

### ২.৩.০ উদ্দেশ্য

- অসমীয়া সাহিত্যৰ এই বিশিষ্ট ধাৰাটোৰ সৈতে চিনাকি হোৱা।
- মনসা কাব্যৰ ঘাই লক্ষণসমূহৰ বিষয়ে অৱগত হোৱা।
- মনসা কাব্যৰ সৌন্দৰ্য আৰু বৈশিষ্ট্যৰ বিষয়ে সচেতন হোৱা।

### ২.৩.১ প্ৰস্তাৱনা

অসমীয়া সাহিত্যৰ বিশাল পৰিসৰত মনসাকাব্যৰ বিশিষ্ট আসন আছে। দেৱী মনসাৰ মাহাত্ম্যসূচক এই কাব্যপ্ৰকাৰৰ বিষয়বস্তু চয়ন আৰু সুৰ-সঞ্চাৰত লোকৰঞ্জনৰ প্ৰচুৰ উপাদান লক্ষ্য কৰা যায়। মনকৰৰ মনসা কাব্য নিজস্ব লক্ষণেৰে সমৃদ্ধ। প্ৰাচীন অসমীয়া সাহিত্যত মনকৰৰ এই নিজস্বতাৰ বিশেষ বৈশিষ্ট্য লক্ষ্য কৰা যায়।

## ২.৩.২ কবি পৰিচয়

মনসা দেৱীৰ মাহাত্ম্যজ্ঞাপক কাব্য ৰচক হিচাপে মনকৰৰ অসমীয়া সাহিত্যত এক বিশিষ্ট স্থান আছে। মনকৰ সম্ভৱত ষোড়শ শতাব্দীৰ আদি ভাগৰ কবি। ‘‘কমতাই ৰাজা বন্দো ৰাজা জল্লেশ্বৰ। একশত মহিষী বন্দো ওঠৰ কোঁৱৰ’’– মনকৰৰ এই পদটোৰ পৰা আমি জানিব পাৰোঁ যে তেওঁ কমতাৰ ৰজা বিশ্বসিংহৰ কথা উল্লেখ কৰিছে। মনকৰে কাব্যৰ মাজত নিজৰ পৰিচয় এনেদৰে দি গৈছে যে, তেওঁ কোনোবা ঢেকেৰিয়াত নাতি, কামাখ্যাৰ ওচৰৰ অধিবাসী, কমতাৰাজ (জলেশ্বৰ)ৰ সময়ৰ কবি আৰু কালিন্দীমাতৃৰ পুত্ৰ। সম্ভৱতঃ মনকৰ এজন সংগীতজ্ঞ আছিল। শাস্ত্ৰীয় আৰু লৌকিক আচাৰ পদ্ধতি সম্পৰ্কে তেওঁৰ বিস্তৃত আৰু গভীৰ জ্ঞান তথা অভিজ্ঞতাৰ প্ৰমাণ তেওঁৰ ৰচনাত প্ৰকাশ পাইছে।

মনকৰী ৰচনাৰ ভিতৰত কেৱল মাত্ৰ পদ্মা-পুৰাণৰ অংশবিশেষহে পোৱা গৈছে। বেউলা আখ্যান ইয়াৰ ভিতৰত নাই। কিন্তু মনকৰে সৃষ্টিখণ্ডৰ শেষত লিখা– ‘‘কাঞ্চৰ মেৰত পশি ডঙিকবো লখাই’’ বুলি কৰা উক্তিৰ পৰা ভাবিব পাৰি কিজানি মনকৰে বেউলা-লখিন্দাৰৰ কাহিনীটো লিখিছিল নাইবা লিখাৰ কাৰণে হয়তো মনস্থ কৰিছিল। প্ৰকাশিত মনকৰী কাব্যত সৃষ্টি বৰ্ণনা, হৰ-পাৰ্বতীৰ বিবাহখণ্ড আৰু পদ্মাৰ জন্মখণ্ড পোৱা যায়। প্ৰকাশিত পাঠত পোৱা মতে, পদ্মাৰ জন্ম আৰু চণ্ডীৰ দ্বাৰা তেওঁৰ চকু কণা কৰাতে কাহিনীৰ সামৰণি পৰিছে।

মনকৰৰ বিষয়ে বিশেষ কথা জনা নগলেও তেওঁৰ আত্ম-পৰিচয়সূচক উক্তিৰ পৰা জনা যায় যে, তেওঁ গুৰুৰ ওচৰত সংগীতবিদ্যা শিকি ওজাপালি কীৰ্তন কৰি ফুৰিছিল। তেওঁৰ ৰচনাৰ হৰ-পাৰৱতীৰ বিবাহখণ্ডৰ পৰা বুজিব পাৰি যে, শাস্ত্ৰীয় আৰু লৌকিক আচাৰ পদ্ধতি সম্পৰ্কে তেওঁৰ যথেষ্ট জ্ঞান আছিল। কাব্যখন মনসা-কাব্য যদিও দুৰ্গাদেৱীৰ বন্দনা আৰু গুণ-কীৰ্তনৰ আধিক্যলৈ চাই তেওঁক শাক্ত কবি বুলি অনুমান কৰিব পাৰি।

## ২.৩.৩ মনসা কাব্যৰ এটি পৰিচয়

**কাহিনীৰ পৰিচয় ঃ**

মনকৰৰ মনসাকাব্যত শিৱ, দুৰ্গা, গংগা আদি নানা চৰিত্ৰৰ কাৰ্কলাপ আৰু কথা-কাণ্ডৰ যোগেদি কাহিনী আগবঢ়াই নিয়া হৈছে। প্ৰত্ন-অসমীয়া সাহিত্য ‘শূণ্যপুৰাণ’ৰ লগত এই ‘মনসা-কাব্য’ৰ কিছু সাদৃশ্য দেখা যায়। বিশেষকৈ সৃষ্টিতত্ত্বৰ অংশত এই সাদৃশ্য প্ৰকট। ধৰ্ম-সাহিত্য নামৰ সাহিত্যশ্ৰেণীত থকা সৃষ্টিতত্ত্বৰ মতে, সৃষ্টিৰ আদিতে যেতিয়া এক অনন্ত মহাশূণ্যই সকলো আৱৰি

আছিল, তেতিয়া ধৰ্ম-নিৰঞ্জনৰ উদ্ভৱ হ'ল। এই ধৰ্ম-নিৰঞ্জনে জল-স্থল, আদ্যশক্তি আৰু ব্ৰহ্মা-বিষ্ণু, মহেশ্বৰৰ সৃষ্টি কৰে। এক বিশেষ পৰীক্ষাৰ দ্বাৰা ধৰ্ম নিৰঞ্জনে শিৱৰ শ্ৰেষ্ঠত্ব বুজি পাই আৰু তেওঁক আদ্যশক্তিক বিবাহ কৰাবলৈ নিৰ্দেশ দিয়ে। সৃষ্টিতত্ত্বৰ এই বৰ্ণনাৰ লগত মনকৰৰ কাব্যৰ কিছু পৰিমাণে সাদৃশ্য লক্ষ্য কৰা যায়। মনকৰৰ ৰচনাৰ ভিতৰত 'পদ্মপুৰাণ'ৰ কিছু অংশহে পোৱা গৈছে। এই অংশক 'মনসা-কাব্য' নাম দি প্ৰকাশ কৰা হৈছে। মনকৰে তেওঁৰ গীতক শ্ৰীবণেৰ গীত আৰু পাঞ্চালি (পদ্মাৰ পাঞ্চালী) আখ্যা দিছে মনকৰী কাব্যৰ ঘাই খণ্ডকেইটা হ'ল সৃষ্টি-বৰ্ণনা, হৰ-পাৰ্বতীৰ বিবাহ খণ্ড আৰু পদ্মাৰ জন্মখণ্ড। মনকৰৰ কাব্যৰ ভাষা সৰল আৰু পোনপটীয়া। বৰ্ণনাঙ্গী চহা কবিৰ সমপৰ্যায়ৰ। ঠায়ে ঠায়ে নিম্নখাপৰ ৰুচিবোধৰ প্ৰকাশ দেখা যায়।

মনকৰৰ কাব্যত শিৱক বিশেষ গুৰুত্ব দিয়া হৈছে। "হৰৰ আদেশে ব্ৰহ্মা স্ৰজিলা সকল" এই বাক্যৰ দ্বাৰা হৰৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰা হৈছে। অন্য এঠাইত কোৱা হৈছে যে, 'অৰ্দ্ধ অঙ্গ মহাদেৱ অৰ্দ্ধ অঙ্গ ধৰ্ম' বুলি শিৱ আৰু ধৰ্মৰ সমতুল্যতা উল্লেখ কৰা হৈছে। সমালোচকসকলে এই সৃষ্টিতত্ত্বত তান্ত্ৰিক ব্ৰজযান আৰু শৈৱ নাথ সম্প্ৰদায়ৰ ধৰ্মমতৰ সংমিশ্ৰণ লক্ষ্য কৰে। মনকৰৰ বৰ্ণনাত অৱশ্যে সৃষ্টিতত্ত্বৰ জটিলতা প্ৰকাশ পোৱা নাই। হয়তো মনকৰৰ সমসাময়িক সমাজত পুৰণি অসমত নাথ সম্প্ৰদায়ৰ শিৱপূজা আৰু কোনো কোনো ঠাইত ধৰ্মপূজাৰো প্ৰচলন আছিল। এই ধৰ্মীয় মতসমূহৰ সংমিশ্ৰিত ৰূপ এটি মনকৰৰ কাব্যত স্বাভাৱিকভাৱেই প্ৰতিফলিত হৈছে। কোনো কোনো গুপুত সম্প্ৰদায়ৰ সাহিত্যতো মনকৰৰ অনুৰূপ সৃষ্টিতত্ত্বৰ বৰ্ণনা পোৱা যায়। 'গুপ্তমণি', 'গুপ্ত-সাৰ' আদি পুথিৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য।

'হৰ-পাৰ্বতীৰ বিবাহ' খণ্ডৰ মাজত মনকৰৰ কবিপ্ৰতিভাৰ বিকাশ দেখা যায়। এই অংশৰ মাজত লৌকিক আৰু সামাজিক বৰ্ণনাৰো প্ৰাধান্য লক্ষ্যণীয়। বিশ্বকৰ্মাৰ কমাৰ-শাল, হেমন্ত ঋষিৰ পত্নীৰ হাতলৈ যোৱা নাৰদৰ চতুৰালী, হৰ-পাৰ্বতীৰ কাম-কেলি, কুচুনীৰ বেশত দুৰ্গা মহাদেৱৰ লগত গংগাৰ তৰ্ক, দুৰ্গাৰ সতীত্ব পৰীক্ষা ইত্যাদি বৰ্ণনাত মনকৰে যথেষ্ঠ মনোযোগ দিছে। বৰ্ণনাৰ মাজে মাজে হাস্য আৰু শৃঙ্গাৰ ৰসৰ বাহুল্য লক্ষ্য কৰা যায়। শিৱৰ ফুলনিবাৰীলৈ দুৰ্গাৰ ফুল বিচাৰি যাত্ৰা, ফুলনিত শিৱৰ দুৰ্গাৰ প্ৰতি আসক্তি আৰু শিৱ-দুৰ্গাৰ মিলনৰ বিস্তৃত বৰ্ণনা মনকৰে আড়ম্বৰেৰে দাঙি ধৰিছে। বিশেষকৈ, সতীত্ব নাশ নকৰিবলৈ কৰা দপৰ্গাৰ আকূতি আৰু অৱশেষত শিৱ-দুৰ্গাৰ মিলনৰ বৰ্ণনাত শৃংগাৰ ৰসৰ আধিক্য লক্ষ্য কৰা যায়।

শিৱ আৰু দুৰ্গাৰ বিবাহৰ যোগাযোগত নাৰদৰ ভূমিকাৰ কহিনী হাস্যৰসাত্মক। বিবাহৰ ভাৰৰ মিষ্টান্ন নিজে ভক্ষণ কৰি নাৰদে কেনেকৈ তাৰ ঠাইত অন্যান্য সামগ্ৰী লৈ যায়, সেই বৰ্ণনা হাত্যৰসাত্মক হ'লেও কিছু পৰিমাণে ৰুচি বিগৰ্হিত। সেইদৰে, হেমন্ত ঋষিৰ পত্নী মেনকাই পেটত কাপোৰ

বান্ধি গৰ্ভৱতীৰ ভাও ধৰি হাটলৈ যোৱাৰ বৰ্ণনাও নিম্নৰুচিযুক্ত।

'পদ্মাৰ জন্মবৃতান্ত'তো যথেষ্ঠ শৃংগাৰ ৰসাত্মক বৰ্ণনা পোৱা যায়। হেম বৰুৱাই মত প্ৰকাশ কৰিছে যে, 'হৰ আৰু গৌৰীৰ গোপন মিলনৰ আখ্যান জনমানসৰ পিনৰ পৰা যৌন-উদ্দীপক সম্ভাৱনাৰে পৰিপূৰ্ণ। কবি মনকৰে এই সুবিধাৰ নিগূঢ়ভাৱে প্ৰয়োগ কৰিছে। বিশেষভাৱে ক'বলৈ গ'লে কবি-শিল্পী মনকৰৰ বিষয়বস্তু অনুপ্ৰেৰণা আৰু ভাৱবস্তুৰ পিনৰ পৰা প্ৰধানতঃ যৌন আসক্তিমূলক আছিল।" আধুনিক দৃষ্টিত মনকৰৰ ৰুচিবোধ সমালোচনাযোগ্য হ'লেও পুৰণি সমাজৰ চহা সমাজক হয়তো এনেবোৰ বৰ্ণনাই আকৰ্ষিত কৰিছিল।

মনকৰৰ কাব্যত বিস্তৃত বৰ্ণনা আছে যদিও বৰ্ণনাৰ গাম্ভীৰ্য ৰক্ষিত হোৱা নাই। তেওঁৰ প্ৰধান দৃষ্টি আছিল লোকৰঞ্জনত। সেয়েহে সৰ্বসাধাৰণক আনন্দ দিবলৈ যোৱাত তেওঁ নিম্নখাপৰ ৰসসৃষ্টি, হাস্যৰসৰ নামত বহুৱালি (নাৰদৰ চৰিত্ৰত) আৰু শৃংগাৰ ৰসৰ উৎকট প্ৰয়োগো কৰিছিল। তেওঁৰ দেৱতাৰ চৰিত্ৰ মানৱীয় গুণেৰে সমৃদ্ধ। শিৱ, দুৰ্গা, গংগা, পদ্মা আৰু নাৰদক সাধাৰণ মানুহ ৰূপেই যেন অংকন কৰা হৈছে। দেৱতাৰ মহত্ব আৰু গাম্ভীৰ্য কোনোটো চৰিত্ৰৰ মাজতে নাই। অসমীয়া সমাজত প্ৰচলিত ধাৰণাৰ লোকদেৱতা শিৱৰ আদিম ৰূপ মনকৰৰ কাব্যতে দেখা যায়। বেদৰ ৰুদ্ৰ আৰু পৌৰাণিক শিৱৰ ধাৰণাৰ মাজেদি যিজন কৃষ্ণক দেৱতা শিৱ লোকদেৱতা ৰূপে পূজিত সেই শিৱৰ এটি চঞ্চল, লঘূ আৰু সাধাৰণ মানৱীয় ৰূপ মনকৰৰ কাব্যত দেখা যায়। ইয়াত নাৰদ মহাদেৱৰ ভাগিন আৰু এজন ধৃত টেটোন ব্যক্তি। দেৱৰ্ষি নাৰদৰ অটল গাম্ভীৰ্য ইয়াত নাই। শংকৰদেৱ আদি অসমীয়া বৈষ্ণৱ কবিয়ে নাৰদৰ যি লোকৰঞ্জক ৰূপৰ ছবি আঁকিছিল তাৰ মূলতে মনকৰৰ এই টেটোন নাৰদো হ'ব পাৰে।

সামাজিক বৰ্ণনা কাব্যখনিৰ অন্যতম বিশেষত্ব। 'হৰ-পাৰ্বতীৰ বিবাহ' খণ্ডৰ প্ৰতিটো বৰ্ণনাতে অসমীয়া সমাজৰ হুবহু চিত্ৰ প্ৰকাশ পাইছে। ফলত সাধাৰণ শ্ৰোতাৰ বাবে কাব্যখনি গ্ৰহণীয় হৈ উঠিছে। অৱশ্যে দুই-এঠাইত অশ্লীলতাই চূড়ান্ত ৰূপ পোৱাৰ বাবে কাব্যখনিৰ গাম্ভীৰ্য হ্ৰাস পাইছে। অশ্লীল বৰ্ণনাৰ যোগেদি হাস্যৰস সৃষ্টিৰে এই প্ৰৱণতা ঢুলীয়া ভাওনা আদি কিছুমান প্ৰাচীন লোক অনুষ্ঠানতো দেখা যায়।

মনকৰৰ ৰচনাৰ পৰা জানিব পৰা যায় যে, তেওঁৰ সময়ত আগৰেপৰাই মনসাপূজাৰ প্ৰচলন হৈ আছিল। সেই সম্পৰ্কে তেওঁ কৈছে যে,

***বৰিষেক অন্তৰ বাৰিষা সময়ত।***
***চাৰিদিনা পূজিবেক শ্ৰাৱণ মাসত॥***

শাওণ মাহত গোৱাৰ বাবে তেওঁৰ গীতবোৰক 'শ্ৰাৱণেৰে গীত'

আখ্যা দিছে। পূজাৰ মণ্ডপ আৰু বিবিধ উপচাৰৰ বিষয়েও তেওঁ বৰ্ণনা কৰিছে–

*চৌমাস বাৰিষা মাস ৰাত্রি দিনা মঞ্চে লয়া পূজা মান॥*
*নাগেসে আসন নাগেসে বসন নাগেসে শ্রীফল ধৰে।*
*যাহাক ডৰে ত্রিভুবন নৰে যাক বাদে কৰে॥*
*পূজা বিষহৰি একচিত্ত কৰি শতদল কমল ফুলে।*
*মাটিৰ ভাড়ি সিজুৰ ডালি পূজে বাৰিষাৰ কালে॥*
*শিখেতে সিন্দুৰ পায়ত নূপুৰ চলিতে ৰুণঝুন বাজে।*
*অষ্ট অলংকাৰ কৰ্ণত কুণ্ডল কটিত কিংকিনী ৰাজে॥*

বৰ্ণনাৰ মাজত ধূপ-দীপ, ঘট, নৈৱেদ্য, সোণ-ৰূপৰ ফুল, নেত কাপোৰৰ চন্দ্রাতপ, চামৰ আদিৰ উল্লেখ কৰিছে।

কোনো কোনো অংশত মনকৰৰ বৰ্ণনা চিত্রধৰ্মী হৈ পৰিছে। উদাহৰণস্বৰূপে, তলৰ পদকেইটালৈ আঙুলিয়াব পাৰি—

*বায়ু বেগে দেৱীৰ নদীৰে ভৈলা পাৰ।*
*আঙুলী দেখায় পুতা মোচাৰিবো যাৰ॥*
*পাৰ হৈয়া দেৱী মায়ে পাইলা নদীৰ কুল।*
*ঝাৰিয়া বান্ধিলা দেৱী মাথাৰ চুল॥*

জ্জ

মনকৰৰ মনসা-গীতসমূহ লোকসমাজত যথেষ্ট জনপ্রিয় আছিল বুলি অনুমান কৰিব পাৰি। বৰ্তমানে পাবলৈ নোহোৱা তেওঁৰ ৰচনাৰ কিছু অংশ মানুহৰ মুখে মুখে প্রচলিত হৈ পিছত অন্য নামেৰে লিপিবদ্ধ হোৱা বুলিও কোনো কোনো পণ্ডিতে অনুমান কৰে, "মনকৰৰ কাব্যৰ প্রভুত প্রভাৱ অষ্টাদশ শতিকাৰ জগ ীৱন ঘোষাল আৰু ষোড়শ-সপ্তদশ শতাব্দীৰ উত্তৰ-পূব বংগৰ কবি তন্ত্ৰ বিভূতিৰ ৰচনাত দেখা যায় বুলি সত্যেন্দ্রনাথ শৰ্মাই মন্তব্য প্রকাশ কৰিছে। পাতি ৰাভাসকলৰ মাজত প্রচলিত মাৰে গীতৰ এটি প্রকাশিত সংকলন মায়াৱতী বিষহৰীৰ লগত মনকৰৰ মনসাকাব্যৰ যথেষ্ট সাদৃশ্য দেখা যায়। জগদ্দীবনৰ মনসামংগল কাব্যৰ লগতো মনকৰী কাব্যৰ সাদৃশ্য আছে। বহুতো পদ শাৰীয়ে শাৰীয়ে মিলি যোৱাও দেখা যায়। মনকৰতকৈ জগ ীৱনৰ সময় অন্ততঃ ১২০ বছৰৰ পিছৰ। এই কথাই মনকৰীকাব্যৰ জনপ্রিয়তাকে প্রমাণ কৰে।

মনসাকাব্যৰ ভাষা ঃ মনকৰৰ ভাষা সহজ-সৰল আৰু কথিত ভাষাৰ ওচৰ চপা। তেওঁৰ ৰচনাশৈলী অলংকাৰপূৰ্ণ নহয়। সত্যেন্দ্রনাথ শৰ্মাই কৈছে, "যি দুই এঠাইত উপমাদি অলংকাৰৰ প্রয়োগ আছে, তাতো গতানুগতিকতা বা কৃত্রিমতা নাই। এই কাৰণেই মনকৰৰ কাব্য কৃত্রিম দিব্য উপবন নহয়, প্রকৃতিয়ে নিজে গঢ়া কানন। ঠায়ে ঠায়ে উলুৱনি বকৰানিও নথকা নহয়।"

মনকৰৰ স্বাভাৱিক অলংকাৰ যুক্ত বৰ্ণনাৰ দুটামান উদাহৰণ এনে——

১। *গগন সমান নদীখান ছোট।*
*খৰওৰ ভুজঙ্গৰ ছিণ্ডে লাঞ্জত গোট॥*

২। *কমল মুখৰ মুচুকিয়া হাসি।*
*শৰীৰ শোভে কেতেকীৰ পাসি॥*

৩। *অমূল্য কুসুম বস্ত্র পিন্ধিলা গোসানী।*
*শৰীৰ জৌতি জস্কলে ত্রিভুৱন জিনি॥*

হেম বৰুৱাৰ মত অনুসৰি ক'ব পাৰি যে, এইজনা কবিৰ ভাষাক সেই যুগত ইছলাম ধৰ্মৰ প্ৰথম হেঁচাত সম্ভৱ হোৱা কামৰূপ আৰু গোৱালপাৰা জিলাৰ ভাষা বুলি ক'লে অত্যাধিক ভুল কৰা নহ'ব।

**মনসা কাব্যত ৰস ঃ**

মনকৰৰ কাব্যত হাস্য, শৃঙ্গাৰ আৰু কৰুণ ৰসৰ প্ৰকাশ দেখা যায়। নাৰদৰ চৰিত্ৰই প্ৰচুৰ সাহ্যৰসৰ সৃষ্টি কৰিছে। শিৱৰ বিয়াত জোৰোণৰ ভাৰত বালি আৰু শিলগুটি ভৰাই নি নাৰদে যেনে বিপৰ্যয়ৰ সৃষ্টি কৰিছিল, সি গ্ৰাম্য শ্ৰোতাৰ বাবে আনন্দদায়ক। শিৱ আৰু দুৰ্গাৰ মিলনৰ বৰ্ণনা উৎকট শৃংগাৰ ৰসেৰে ভৰা। দুৰ্গাৰ বিলাপ কৰুণ ৰসাত্মক হ'লেও সি কাহিনীত আদিৰস সৃষ্টিতহে সহায় কৰিছে। মনকৰে সকলো প্ৰকাৰৰ ৰসসৃষ্টি কৰিছিল ঘাইকৈ তেওঁৰ গ্ৰাম্য শ্ৰোতাৰ মনোৰঞ্জনৰ বাবে। গতিকে ঠায়ে ঠায়ে এইবোৰ সীমা চেৰাই যোৱা বিধ হৈছে।

**মনসা কাব্যৰ সাংগীতিক মূল্যায়ন ঃ**

পাঁচালী কাব্য হিচাবে মনকৰৰ কাব্য ৰাগ-তাল যুক্ত আছিল। এই সম্পৰ্কে বিশেষ চৰ্চা নহ'লেও অসমীয়া সংগীতৰ ইতিহাসত এইবোৰে বিশেষ মূল্য বহন কৰে।

## ২.৩.৩.১ পাঁচালী কাব্য

পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা ষোড়শ শতিকাৰ আদি ভাগৰ ভিতৰত উদ্ভৱ হোৱা কেইজনমান কবিক বৈষ্ণৱ আন্দোলনে বিশেষ প্ৰভাৱান্বিত কৰা নাছিল। তেওঁলোকৰ সাহিত্যৰ বিষয়বস্তু আৰু ৰচনাভংগীতো বৈষ্ণৱ ভাৱাদৰ্শ পোৱা নাযায়। এওঁলোকৰ দ্বাৰা ৰচিত সাহিত্যিক পাঁচালী বা ওজাপালি সাহিত্য আখ্যা দিয়া হৈছে। বিষয়বস্তুৰ দিশৰ পৰা এনে সাহিত্যক

দুটা ভাগত ভগাব পাৰি– (১) মনসা বা পদ্মদেৱীৰ মাহাত্ম্য প্ৰকাশক আৰু

(২) ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহিনী আধাৰত।

মনসা বা পদ্মদেবীৰ মাহাত্ম্যসূচক ৰচনাক ''বিষহৰীৰ গীত'' আৰু পৌৰানিক কাহিনীক লৈ ওজাপালিৰ উদ্দেশ্যে ৰচনা গীত আৰু কাব্যক ''বিয়াহৰ গীত'' আখ্যা দিয়া হৈছে। মনকৰ, দুৰ্গাবৰ কায়স্থ আৰু পীতাম্বৰ কবি এই ধাৰাৰ কবি। এই কবিসকলৰ ৰচনাক 'পাঁচালী' বোলা হয়। 'পাঁচালী' শব্দৰ মূল সংস্কৃত 'পাঞ্চালী' বা 'পাঞ্চালিকা' অৰ্থাৎ পুতলা। খুবসম্ভৱ ওজাপালি অনুষ্ঠানৰ উৎপত্তিৰ লগত পুতলানাচৰ সম্পৰ্ক আছিল। পাঁচালী নামৰ এবিধ গীতৰ বিষয়েও জনা যায়। প্ৰাচীন অসমত প্ৰচলিত পুতলানাচৰ আদৰ্শ আৰু অনুকৰণতেই অসমত ওজাপালি অনুষ্ঠান গঢ় লৈ উঠিছে বুলি ভবা হয়। নৃত্য-গীতৰ মাজেদি ওজাপালিয়ে পৰিবেশন কৰিব পৰাকৈ বিভিন্ন ৰাগত গোৱাৰ উপযোগী কাহিনীপ্ৰধান কাব্যৰ প্ৰয়োজন পূৰণাৰ্থেই হয়তো পাঁচালীৰ সৃষ্টি হৈছিল।

পাঁচালী বা ওজাপালি কাব্যকেইখনত গীত আৰু বৰ্ণনাত্মক পদৰ সমাৱেশ ঘটিছে। চৰিত্ৰৰ মানসিক অৱস্থা, আবেগ অনুভূতি প্ৰকাশ কৰিবলৈ গীতৰ প্ৰয়োগ কৰা দেখা যায়। ঘটনা পৰম্পৰাৰ প্ৰৱাহ পদছন্দত প্ৰকাশ কৰা হয়। কেতিয়াবা আন কবিৰ পদো গীতৰ মাজে মাজে ব্যৱহাৰ কৰা হয়।

ৰাসসংগীতৰ প্ৰয়োগ ওজাপালি কাব্যৰ আন এক বিশেষত্ব। দুৰ্গাবৰ, পিতাম্বৰ, সুকবি নাৰায়ণদেৱ আদিৰ কাব্যত নামান ৰাগৰ উল্লেখ পোৱা যায়।

পাঁচালী কাব্যৰ আন এটা উল্লেখযোগ্য বিশেষত্ব হ'ল ইয়াৰ লৌকিকতা। এই কাব্যৰ চৰিত্ৰবোৰত মানবীয় গুণ আৰোপ কৰা দেখা যায়। মানৱীয় শক্তি-সামৰ্থ, ঈৰ্ষা, দোষ-দুৰ্বলতা, যৌন-আবেগ আদিয়ে চৰিত্ৰবোৰৰ ক্ৰিয়া-কাণ্ডত প্ৰভাৱ পেলাইছে। সামাজিক আচাৰ-ব্যৱহাৰ, গ্ৰাম্যকথা আদিৰে, লৌকিক মনক আকৰ্ষণ কৰাৰ প্ৰয়াস কাব্যবোৰত স্পষ্টৰূপত দেখা যায়। তেওঁলোকৰ ৰচনাতো বিশেষ ৰীতি-আনুগত্য, অনুপ্ৰাস, উপমা আদি অলংকাৰৰ প্ৰাচুৰ্য দেখা নাযায়। ভাষাও কথিত ভাষাৰ ওচৰ চপা।

বৈষ্ণৱ যুগৰ পাঁচালী কাব্যৰ কবিসকলৰ ভিতৰত পীতাম্বৰ কবি, দুৰ্গাবৰ কায়স্থ, মনকৰ আৰু সুকবি নাৰায়ণদেৱৰ নাম উল্লেখযোগ্য। পীতাম্বৰ কবিয়ে হৰিবংশৰ পৰা ঊষা-অনিৰুদ্ধৰ বিয়াৰ কাহিনী লৈ 'ঊষা-পৰিণয়' গীতি-কাব্যখনি লিখাৰ উপৰি ভাগৱতৰ পদ কৰোঁতে কৃষ্ণ-ৰুক্মিনীৰ বিয়া আদি বিষয়ত কল্পনাৰ ৰহণ দিবৰ অৱকাশ পায়। দুৰ্গাবৰ কায়স্থৰ 'গীতি-ৰামায়ণ' আৰু 'বেউলা-আখ্যান' মনকৰৰ পদ্মা-পুৰাণৰ অংশবিশেষ আৰু মুকলি নাৰায়ণদেৱৰ 'পদ্মপুৰাণ' এই সময়ৰ উল্লেখযোগ্য গ্ৰন্থ।

## ২.৩.৪ সাংৰাশ

- বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবিৰ ৰচনা।
- লৌকিক উপাদানৰ বাহূল্য লক্ষ্য কৰা যায়।
- ৰচনাৰীতি লঘু ভংগীৰ।
- শৃংগাৰ ৰসৰ আধিক্য প্ৰকাশ পাইছে।
- পাঁচালীৰ আৰ্হিত সুৰ ধৰি গাব পৰাকৈ ৰচিত।

## ২.৩.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**সঁচা মিছা নিৰ্ণয় কৰাঁ—**

(ক) মনকৰৰ কাব্যৰ মূল উদ্দেশ্য ভক্তিৰস প্ৰচাৰ।

(খ) মনকৰ আছিল বিষ্ণুৱ উপাসক।

(গ) মনকৰক শাক্ত কবি বুলি অনুমান কৰিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**খালী ঠাই পূৰণ কৰাঁ—**

বৰিষেক অন্তৰ            সময়ত।

পূজিবেক            মাসত॥

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**শুদ্ধৰূপত মিলোৱা—**

| | |
|---|---|
| হৰ-পাৰ্বতিৰ বিবাহ খণ্ড | শ্ৰাৱণেৰ গীত |
| মনকৰৰ গীতৰ অন্য নাম | পদ্মা |
| কমতাৰ ৰজা | শৃংগাৰ ৰস |
| মনসাৰ নাম | বিশ্বসিংহ |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**শুদ্ধ উত্তৰ দুটি বাচি উলিওৱা—**

মনকৰী কাব্যত বিশেষ গুৰুত্ব দিয়া হৈছে—

শিৱক

বিষ্ণুক

ব্ৰহ্মাক

নাৰদক

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ ঃ**

**পাঁচোটা বাক্যত উত্তৰ লিখাঁ—**

মনকৰৰ মনসা-কাব্যত ৰস প্ৰয়োগ সম্বন্ধে লিখাঁ।

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

## ২.৩.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

(ক) মিছা

(খ) মিছা

(গ) সঁচা

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

বৰিষেক অন্তৰ বাৰিষা সময়ত।

চাৰিদিনা পূজিবেক শ্ৰাৱণ মাসত॥

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

| | | |
|---|---|---|
| হৰ-পাৰ্বতিৰ বিবাহ খণ্ড | - | শৃংগাৰ ৰস |
| মনকৰৰ গীতৰ অন্য নাম | - | শ্ৰাবণেৰ গীত |
| কমতাৰ ৰজা | - | বিশ্বসিংহ |
| মনসাৰ নাম | - | পদ্মা |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

মনকৰী কাব্যত বিশেষ গুৰুত্ব দিয়া হৈছে— শিৰক, নাৰদক।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ৰ উত্তৰ ঃ**

মনকৰে তেওঁৰ মনসা-কাব্যত বিচিত্ৰ ৰসৰ প্ৰয়োগ কৰিছে। তাৰ ভিতৰত শৃংগাৰ আৰু হাস্যৰসে বেছি গুৰুত্ব লাভ কৰিছে। শৃংগাৰ ৰসৰ প্ৰয়োগে সীমা চেৰাই যোৱা বাবে আৰু হাস্যৰস মাজে মাজে নিম্নস্তৰৰ হোৱা বাবে কাব্যখনিৰ গাম্ভীৰ্য ৰক্ষিত হোৱা নাই। তথাপিও লোকৰঞ্জনৰ বাবে তেওঁ ৰস প্ৰয়োগত সফল হৈছিল বুলিয়েই ক'ব লাগিব।

# খণ্ড ৩

# ৰোমাণ্টিক কবিতা (আদি পৰ্ব)

**প্ৰস্তাৱনা ঃ**

ৰোমাণ্টিক কবিতাৰ ‘আদিপৰ্ব’ৰ অধ্যয়নৰ উদ্দেশ্য তোমালোকে বুজি পালা। এইবাৰ এই সম্পৰ্কে আৰু দুটামান দিশ তোমালোকৰ লগত আলোচনা কৰিবলৈ বিচাৰিছোঁ। প্ৰথমতে তোমালোকে ‘জোনাকী যুগ’ৰ বিষয়ে কিছু কথা জানি লোৱা ভাল হ’ব; কাৰণ, এই সময়তেই অসমীয়া সাহিত্যই নতুন ৰূপত বিকাশ লাভ কৰিছিল। ‘বনকুঁৱৰী’ কবিতাৰে অসমীয়া কবিতালৈ ৰোমাণ্টিক চেতনা কঢ়িয়াই আনোতা চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘বীণবৰাগী’ কাব্যৰ মাজত আগৰৱালাৰ ‘কাব্য-দৰ্শন’ৰ ৰূপটোও সুন্দৰ ৰূপত প্ৰকাশ পাইছে। উদাৰ মানবিকতাবাদেৰে উজস্বলি উঠিছে তেওঁৰ বহুতো কবিতা। সেইদৰে নলিনীবালা দেৱীৰ ‘সন্ধিয়া সুৰ’ৰ কবিতাবোৰত আধ্যাত্মিকতাবাদ, জন্মান্তৰবাদ, কৰ্মফলবাদ আদি ভাৰতীয় চিন্তাৰ সুন্দৰ প্ৰকাশ ঘটিছে।

## খণ্ড ৩

## গোট ১ ঃ জোনাকী যুগ আৰু অসমীয়া কবিতা


৩.১.০ উদ্দেশ্য

৩.১.১ প্ৰস্তাৱনা

৩.১.২ জোনাকী যুগ আৰু অসমীয়া কবিতা

৩.১.২.১ ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য

৩.১.৩ বীণবৰাগী

৩.১.৩.২ কবি পৰিচয়

৩.১.৩.২ বীণবৰাগী কাব্যৰ আলোচনা

৩.১.৪ সাৰাংশ

৩.১.৫ অনুশীলনী

৩.১.৬ প্ৰশ্নোত্তৰ


### ৩.১.০ উদ্দেশ্য

- অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰথমৰ ফালৰ লক্ষণসমূহৰ বিষয়ে অৱগত হোৱা।
- চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ মাজেদি প্ৰকাশ পোৱা উল্লেখযোগ্য ৰোমাণ্টিক চিন্তাধাৰাৰ জ্ঞান লাভ কৰা।
- অসমীয়া ৰোমাণ্টিক কবিতাৰ পটভূমিৰ বিষয়ে জ্ঞান লাভ কৰা।
- অতিন্দ্ৰীয়বাদী কবিতাৰ গাম্ভীৰ্য আৰু সৌন্দৰ্য অধ্যয়ন কৰা।

## ৩.১.১ প্ৰস্তাৱনা

অসমীয়া ৰোমাণ্টিক কবিতাৰ আদিস্তৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত প্ৰকাশ পোৱা মানৱতাবাদ, প্ৰকৃতি, সৌন্দৰ্য আদি আৰু নলিনীবালা দেৱীৰ কবিতাত প্ৰকাশ পোৱা অতিন্দ্ৰীয় ৰহস্যবাদী চিন্তাৰ আভাস দিয়া হ'ল। ইয়াৰ জৰিয়তে ৰোমাণ্টিক কবিতাত ফুটি উঠা সেই সময়ৰ কেইটিমান দিশৰ লগত পৰিচয় কৰাই দিয়া হ'ল। প্ৰথমতে তোমালোকে 'জোনাকী যুগ'ৰ বিষয়ে কিছু কথা জানি লোৱা ভাল হ'ব; কাৰণ এই সময়তেই অসমীয়া সাহিত্যই নতুন ৰূপত বিকাশ লাভ কৰিছিল।

## ৩.১.২ জোনাকী যুগ আৰু অসমীয়া কবিতা

জোনাকী যুগৰ কবিতা বুলিলেই কল্পনা আৰু সৌন্দৰ্যৰ পাৰ বাগৰা লহৰৰ কথা মনলৈ আহে। অসমীয়া কবিতাৰ নৱজন্ম হৈছিল এই যুগতে। ইয়াৰ মূলতে আছিল এচাম শিক্ষিত যুৱকৰ মাতৃভাষাপ্ৰেম আৰু মাতৃভাষাৰ সাহিত্যৰ পুনৰ প্ৰতিষ্ঠাৰ বাসনা। তেওঁলোকৰ উদ্যম আৰু বাসনাই কেনেকৈ 'জোনাকী' কাকতৰ জন্ম দিলে আৰু কেনেকৈ জোনাকীৰ বুকুৰে ৰমন্যাসবাদৰ ঢল আহি অসমীয়া কবিতা সঞ্জীৱিত কৰি তুলিলে, সেইকথা প্ৰতিজন অসমবাসীয়ে গৌৰৱ আৰু কৃতজ্ঞতাৰে স্মৰণ কৰে। তেতিয়াৰ অসমীয়া যুৱকে উচ্চশিক্ষাৰ বাবে কলিকতালৈ যাবলগীয়া হৈছিল। কলিকতা তেতিয়াও আছিল বংগদেশৰ সাহিত্য-সংস্কৃতিৰ ঘাই-কেন্দ্ৰ আৰু সকলো নতুন চিন্তাৰ পীঠস্থান।

অষ্টাদশ শতিকাৰ অন্তিম ভাগত পাশ্চাত্য জগতত যি ৰমন্যাসবাদৰ অভ্যুত্থান ঘটিছিল, তাৰ মূলতে আছিল ঘাইকৈ ফৰাচী বিপ্লৱৰ ফলত সৃষ্টি হোৱা নতুন চেতনা এই চেতনাই বংগদেশৰ শিক্ষিত সমাজত প্ৰৱেশ কৰিছিল ইংৰাজী সাহিত্যৰ যোগেদি। ফৰাচী, জাৰ্মান আৰু ইংৰাজী সাহিত্যত প্ৰকাশ পোৱা ৰমন্যাসবাদৰ ধাৰণাই সমগ্ৰ বিশ্বতে তোলপাৰ লগাইছিল। অসমীয়া ডেকাসকলে সেই নতুন চেতনাৰ সন্ধেদ পাইছিল কলিকতাৰ শৈক্ষিক আৰু সাংস্কৃতিক বাতাবৰণৰ মাজত। বাহিৰৰ জগতৰ ৰূং-ৰূপ দেখি তেওঁলোক বেছিকৈ সচেতন হৈ উঠিছিল মাতৃভূমি আৰু মাতৃভাষাৰ দীনদশাৰ প্ৰতি। এই সচেতনতাৰ ফলস্বৰূপেই জন্ম লৈছিল 'জোনাকী' (১৮৮৯) কাকতৰ, যাৰ উদ্দেশ্য আছিল 'দেশৰ উন্নতি, জোনাক'। 'জোনাকী'ৰ প্ৰথমৰ ফালৰ তিনি ঘাই ব্যক্তি যিসকলক জোনাকী যুগৰ ত্ৰিমূৰ্তি বুলি জনা যায়। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ প্ৰতিভাৰ সোণৰ কাঠিৰ পৰশত অসমীয়া কবিতা ঠন ধৰি উঠিছিল ন পানী পোৱা অংকুৰৰ দৰে। সেই অংকুৰ যেতিয়া ক্ৰমে পোখা মেলি সময়ত এজোপা বিশাল বৃক্ষ হ'ল, তাৰ লগত জড়িত হৈ পৰিল আৰু ভালেমান কবিৰ নাম। জোনাকী

যুগৰ সামান্য পিছৰ কালৰ কবিসকলৰ অৰিহণাৰ দ্বাৰাও এই যুগৰ কবিতাৰ প্ৰচ্ছায়া গঠিত হৈছিল। আগৰৱালা, বেজবৰুৱা আদিৰ সমুখত আছিল ৰমন্যাসবাদক আমাৰ সাহিত্যলৈ আদৰি অনাৰ এক ইচ্ছাকৃত দায়বদ্ধতা। গতিকে প্ৰেম, দেশপ্ৰেম, বিস্ময়ৰ অপূৰ্ব মনোভাব, অতীতলৈ ঘূৰি চোৱাৰ প্ৰবৃত্তি, মানুহৰ অসীম সম্ভাৱনাৰ প্ৰতি আস্থা স্থাপন আদি বিবিধ বিষয় লৈ একোজন কবিয়েই কবিতা ৰচনা কৰিছিল। তেওঁলোক আছিল ৰমন্যাসিক সাহিত্যৰ বিবিধ শাখাৰ দুৱাৰ মুকলি কৰোঁতা। সেই দুৱাৰেদি প্ৰবেশ কৰি পিছলৈ একো একোজন কবিয়ে প্ৰেম, প্ৰকৃতি, ৰহস্যবাদ আদিৰ সম্পূৰ্ণ একোখন ক্ষেত্ৰত বিচৰণ কৰিছিল। এইসকল সাহিত্যপ্ৰেমী যুৱকে আগৰচামৰ পৰা পোৱা সাহিত্যিক পৰম্পৰাক নেওচি নতুন ৰীতি, নতুন আদৰ্শ আৰু নতুন ভাৱধাৰা আদৰি লৈছিল। তেওঁলোকৰ মনত আছিল পৰাধীন দেশৰ গ্লানি আৰু অসমৰ লুপ্তপ্ৰায় গৌৰৱৰ পুনৰুদ্ধাৰৰ হাবিয়াস। পাশ্চাত্যৰ পৰা অহা নতুন বতাহে তেওঁলোকৰ সাহিত্য চেতনাৰ গতি নিৰ্ণয় কৰিলেও ভাৰতীয় সাহিত্যৰ গৌৰৱময় পৰম্পৰাত তেওঁলোকে পাহৰি পেলোৱা নাছিল। সেয়েহে 'জোনাকী' যুগে আৰম্ভ কৰা কবিতাৰ গতি আছিল কোমলতা, চঞ্চলতাৰে ভাৰ, থাৰ লগে লগে আছিল ভাৱ-ভাষা-ছন্দত নিত্য নতুন বৈচিত্ৰ্য। ভাৰতীয় চিন্তাধাৰাৰ গুৰুগম্ভীৰ সুৰেও কেতিয়াবা কবিতাবোৰত গাম্ভীৰ্য প্ৰদান কৰিছিল।

### ৩.১.২.১ ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য

ড° মহেন্দ্ৰ বৰাই 'ৰমন্যাসিক' শব্দটো 'ৰোমাণ্টিক' শব্দৰ পৰিভাষা ৰূপে প্ৰয়োগ কৰিছে। ৰোমাণ্টিক কবিতাৰ ঘাই বৈশিষ্ট্যসমূহ হ'ল—

১। প্ৰকৃতিৰ মাজত শান্তি, সৌন্দৰ্য আৰু শিক্ষাদাত্ৰী গুণৰ সন্ধান।

২। মানুহৰ অসীম সম্ভাৱনাৰ স্বীকৃতি।

৩। অতিপ্ৰাকৃত চিন্তাধাৰা আৰু লৌকিক পৃথিৱীৰ মাজতে অলৌকিক জগতৰ উপলব্ধি।

৪। অতীতপ্ৰীতি।

৫। সাধাৰণ মানুহৰ প্ৰণয়ানুভূতিত গুৰুত্ব প্ৰদান।

৬। কল্পনাৰ আধিক্য।

৭। কথিত ভাষাৰ সহজ সৰল প্ৰয়োগ।

## ৩.১.৩ বীণ বৰাগী

### ৩.১.৩.১ কবি পৰিচয়

**চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৭)ঃ** চন্দ্ৰকুমাৰ আগৰৱালা জোনাকী যুগত সৃষ্টি হোৱা ৰমন্যাসিক কবিতাৰ প্ৰথমজ কবি। পিতৃ আছিল প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰথম প্ৰকাশক হৰিবিলাস আগৰৱালা। চন্দ্ৰকুমাৰ আগৰৱালা এজন আগশাৰীৰ ব্যৱসায়ী আৰু সাহিত্যপ্ৰেমী আছিল। তেওঁ 'জোনাকী' কাকতৰ (১৮৮৯) প্ৰতিষ্ঠাপক সম্পাদক হোৱাৰ উপৰিও 'অসমীয়া' (১৯১৮), 'সাদিনীয়া অসমীয়া' আৰু 'তিনিদিনীয়া অসমীয়া' কাকতো তেঁৱেই প্ৰতিষ্ঠা আৰু পৰিচালনা কৰিছিল। 'জোনাকী'ত প্ৰকাশ পোৱা চন্দ্ৰকুমাৰৰ 'বনকুঁৱৰী' কবিতাটো আছিল অসমীয়া ৰমন্যাসিক কবিতাৰ পথ-প্ৰদৰ্শক। তেওঁৰ দুখন কবিতাপুথিৰ নাম **'প্ৰতিমা' (১৯১৪)** আৰু **'বীণ-বৰাগী' (১৯২৩)।**

জোনাকী যুগৰ সাহিত্যত প্ৰকাশ পোৱা প্ৰকৃতি, সৌন্দৰ্য, ব্যক্তিগত প্ৰেম আৰু মানুহৰ মাজত থকা মহত্বৰ ঘোষণা চন্দ্ৰকুমাৰৰ কবিতাত পূৰ্ণ ৰূপত বিকশিত হৈছিল। তেওঁৰ কবিতাত অতিপ্ৰাকৃত চৰিত্ৰৰ সৌন্দৰ্য, সাধাৰণ মানুহৰ মাজত প্ৰছন্ন হৈ থকা অসাধাৰণ শক্তি আৰু সকলো অশুভক নাশ কৰি নিজ হাতে মংগল প্ৰতিষ্ঠাৰ বাসনা আনি নতুন ভাৱ-অনুভূতিৰ প্ৰকাশ দেখা যায়। ইয়াৰ আগলৈকে বৈষ্ণৱৰীতিৰ কবিতা পঢ়ি অহা অসমীয়া পাঠকৰ বাবে আগৰৱালাৰ কবিতাত আছিল নতুন চমক।

### ৩.১.৩.২ বীণ-বৰাগী কাব্যৰ আলোচনা

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ যোগেদি কেইবাটিও নতুন দিশে অসমীয়া কবিতাত প্ৰৱেশ কৰিলে। তেওঁৰ আগলৈকে অসমীয়া কবিতা আছিল বন্ধ পানীৰ দৰে স্থবিৰ। আগৰৱালাই যেন সেই পানীৰ পাৰহে ভাঙি দিলে, উচ্ছল নদীৰ দৰে নানা শাখাৰে বৈ গ'ল অসমীয়া কবিতাৰ প্ৰাণময় সুঁতি। প্ৰকৃতি, সৌন্দৰ্য, ব্যক্তিগত প্ৰেম-প্ৰণয় আৰু ক্ষুদ্ৰমানৱৰ মহান শক্তি আছিল 'জোনাকী' যুগৰ কবিতাৰ ঘাই বিষয়বস্তু। আগৰৱালাৰ কবিতাৰ ইয়াত প্ৰায়বোৰৰে পূৰ্ণতম বিকাশ দেখা যায়।

'প্ৰতিমা' আৰু 'বীণ-বৰাগী'ৰ মাজেৰে আগৰৱালাৰ কবি-প্ৰতিভাৰ জিলিকনি ফুটি উঠিছে। সেই জিলিকনিৰ সম্যক ৰূপৰ ধাৰণাৰ বাবে কেইটিমান বিশেষ কবিতাৰ আলম ল'ব পাৰি। প্ৰথমতেই 'প্ৰতিমা'ৰ সৌন্দৰ্যৰ ফালে মন কৰিলে দেখা যায় যে আগৰৱালাৰ নতুন পোহৰে ভৰা কবি-প্ৰাণে ইয়াত প্ৰকাশ বাট বিচাৰিছে—

*‘আধাফুটা আবেগৰ ইমান জুমুৰি*
*দিলো মেলি হৃদয় দুৱাৰ।’*

এই ৰীতি নতুন, কোমলতা আৰু অস্পষ্টতাৰে ভৰা, কবিৰ প্ৰাণত প্ৰকাশৰ বাট বিচৰা অনুভূতিৰ আধিক্যত যি বিষাদৰ সৃষ্টি হয়, তাৰ উমান তেওঁৰ কবিতাত আছে। তেওঁৰ কবিতা বহুমুখী। ব্যক্তিগত শোকৰপৰা মহাজাগতিক সৌন্দৰ্যলৈকে নানা বিষয় সামৰি তেওঁ কবিতা ৰচনা কৰিছে। মানৱ-জীৱনৰ ক্ষুদ্ৰতা, নীচতা আৰু যন্ত্ৰণাই তেওঁক বিষাদিত কৰাৰ লগতে মানৱৰ মহত্বয়ো তেওঁক অভিভূত কৰিছে। মানুহৰ শ্ৰেষ্ঠতম সম্পদ হ’ল প্ৰেম। এই প্ৰেমৰ বিষয়ে তেওঁ কয়–

*‘যি প্ৰেমেই তোমাৰ সম্বল*
*সেয়ে স্পৰ্শমণি সংসাৰৰ।’*

সংসাৰৰ সিপাৰে থকা সৌন্দৰ্যৰ মহামেলা তেওঁৰ কবিপ্ৰাণত ধৰা পৰে। তেওঁৰ অনুভৱত মানুহৰ জীৱনৰ উদ্দেশ্যই হ’ল সৌন্দৰ্যৰ মহানুসন্ধান- – ‘সৌন্দৰ্যৰ আৰাধনা জীৱনৰ খেল।’ মানুহৰ মাজত নানা ৰূপ, নানা লীলা। মানুহৰ ৰহস্যৰ পাৰাপাৰ নাই।

আগৰৱালাৰ কবিতাৰ এটি মনোৰম গুণ হ’ল আধাফুলা সৌন্দৰ্যৰ বন্দনা। এই বন্দনা পাৰ বাগৰি উপচি পৰিছে ‘মাধুৰী’ আৰু ‘কিশোৰী’ নামৰ কবিতাত। অসমীয়া কবিতাত এই সুৰ অভিনৱ। কবি ৱৰ্দছৱৰ্থৰ ‘লুচি’ত থকাৰ দৰে– অকলশৰীয়া তৰা আৰু আধা ঢাক খাই থকা ফুলৰ ৰূপৰ শোভা আমাৰ কবিৰো হৃদয়ে অনুভৱ কৰিছে। কৈশোৰ আৰু যৌৱনৰ দোমোজাত থকা নাৰী-ৰূপৰ মাজত তেওঁ প্ৰত্যক্ষ কৰিছে স্বৰ্গীয় এক শোভনতা, যাৰ তুলনা অন্যত পাবলৈ নাই। সৰগ-মৰত মিহলি কৰা সৌন্দৰ্যেৰে প্ৰতিভাত হৈ উঠিছে তেওঁৰ ‘মাধুৰী’ৰ ৰূপ শোভা।

আগৰৱালাৰ কবিতাৰ অন্য এটি বৈশিষ্ট্য হ’ল অতি প্ৰাকৃত উপাদানৰ প্ৰয়োগ। এইবোৰ কবিতাত ধুঁৱলী-কুঁৱলী জগত এখনৰ অবুজ সৌন্দৰ্য জিলিকি উঠিছে। নিজম দুপৰীয়াৰ উ স্কৃন ৰ’দে ভৰা স্তব্ধ পৰিৱেশত প্ৰকৃতিৰ মাজত যেন গোপন জগতে সাৰ পাই উঠে। এই জগতত জলকুঁৱৰীয়ে খেলা কৰে। বনকুঁৱৰীয়ে দেখা দিয়ে। যক্ষিণী ছোৱালীয়ে চাপৰি বায় নাচে। গছ-বন, পশু-পক্ষী সকলোৰে মাজত সাৰ পাই উঠে মানুহে ঢুকি নোপোৱা উলাহ। এই উলাহ কিন্তু মানুহে নুবুজা প্ৰকৃতিৰ। ক্ষুদ্ৰ মানৱৰ বাবে য’ত ভয় আৰু শংকাৰ স্থান, প্ৰকৃতিৰ সেই গোপন ৰং মেলাত মানুহৰ প্ৰৱেশ নিষেধ। ‘তেজীমলা’ কবিতাত প্ৰকাশ পাইছে মৰমী প্ৰকৃতিৰ শান্তিদায়িনী গুণ। তাৰ বিপৰীতে জিলিকি উঠিছে মানুহৰ শঠতা আৰু হৃদয়হীনতা। তেজীমলা যেন মানৱী-মনৰ আশা আৰু বেদনাৰ প্ৰতীক। মানুহে মোল নোপোৱা আজলী তেজীমলাই

প্ৰকৃতিৰ বুকুতহে শান্তি পাইছে। কাৰণ—

*‘মানুহৰ চোতালত মাধুৰী ফুটিলে*
*মানুহে নিচিনি হায়*
*সাৰি তুলি ছিঙি মোহাৰি পেলালে*
*মানুহৰ মৰমো নাই।’*

প্ৰকৃতিৰ ৰং-ৰূপৰ নানা ছবি আঁকিছে কবিয়ে। এই ছবিত অলংকাৰপূৰ্ণ বাক্যৰীতিৰ উচ্ছ্বাস নাথাকিলেও তেওঁৰ সহজাত প্ৰকৃতি-প্ৰীতিৰ পৰিচয় পোৱা যায়।

ৰমন্যাসিক সাহিত্যৰ সকলো লক্ষণৰ ভিতৰত মানৱ শক্তিৰ স্বৰূপ মূল্যায়নৰ দিশটো আগৰৱালাৰ কবিতাৰ মাজত জিলিকি আছে। ‘মানৱক তেওঁ বিশ্ব-জগতৰ পৰাৎপৰ কেন্দ্ৰ ৰূপে দেখা পাইছে আৰু পংকিল বিশ্বক সেই মানৱৰ পবিত্ৰ লীলাক্ষেত্ৰত পৰিণত কৰিবলৈ বিচাৰিছে।’ বৈষ্ণৱ কবি চণ্ডীদাসে মানুহক সকলোতকৈ শ্ৰেষ্ঠ বোলাৰ দৰে আগৰৱালায়ো ‘মানুহেই দেৱ ইহ জগতৰ’— বুলি মানৱৰ জয়গান গাইছে। ইয়াৰ আগলৈকে অসমীয়া সাহিত্যত দেৱ-দেৱী আৰু প্ৰকৃতিয়েই স্থান দখল কৰি আছিল। আগৰৱালাই দুয়োবিধৰ ওপৰত মানুহৰ স্থান নিৰূপিত কৰি অসমীয়া কবিতালৈ নতুন ধাৰা বোৱাই আনিলে। তেওঁৰ কবিতাৰ মাজত আৰু আছে এটি বিষাদৰ সুৰ। এই বিষাদ কল্পনা-পিয়াসী কবিৰ ব্যক্তিগত হা-হুমুনিয়াহেৰে ভৰপূৰ নহয়। এয়া হ’ল মানৱপ্ৰেমী কবিৰ মনত মানৱৰ কিছুমান ক্ষমাহীন দোষে সৃষ্টি কৰা বিষাদ।

সুদীৰ্ঘ কবিতা বীণ-ব’ৰাগীৰ মাজত প্ৰকাশ পাইছে কপটতা ভৰা সংসাৰখনৰ প্ৰতি কবিৰ তীব্ৰ বিতৃষ্ণা আৰু তাৰ লগে লগে নতুন সমাজ গঢ়াৰ বাসনা। সংসাৰৰ বিচিত্ৰ ৰূপে তেওঁক বিস্মিত কৰিছে। তেওঁৰ অনুভৱত ধৰা পৰিছে যে সংসাৰৰ প্ৰকৃত সুখ ক’তো নাই। ভেম, ঘৃণা, নিষ্ঠুৰ বাক্যৰে ভৰা মানুহৰ মনৰ পৰা মৰম চেনেহৰ সুৰদী অনুভৱ দিনে দিনে আঁতৰি গৈছে। মানুহৰ প্ৰতি মানুহৰ অবিচাৰৰ বিষেৰে ভাৰাক্ৰান্ত হৈ পৰিছে পৃথিৱী। কিন্তু অশুভ শক্তিয়ে ঢাকি পেলোৱা এই পৃথিৱীক পুনৰ শুভ আৰু মংগলময় কৰিব পাৰিব যি মানুহে, সেই মানুহৰ সীমাহীন সম্ভাৱনাৰ প্ৰতিও কবিয়ে আস্থা হেৰুওৱা নাই। পাৰ্থিৱ জগতৰ ক্ষুদ্ৰতাৰ পৰা অপাৰ্থিৱ জগতৰ মহত্বলৈ মানুহে সহজেই উত্তৰণ কৰিব পাৰিব, যদিহে নিজৰ ভিতৰত থকা সকলো শুভ শক্তি মানুহে চিনি পায়।

‘বীণ-বৰাগী’ৰ কবিতাকেইটিত এক সৰলতা বিৰাজমান। পোনপটীয়া নিভাঁজ কথাৰীতিৰ মাজত আলংকাৰিক শব্দ-প্ৰয়োগ বিশেষ চকুত নপৰে। পুথিখনিত কেতিয়াবা বৰ্তমান দীপ্ত হৈ উঠিছে, কেতিয়াবা অতীতৰ ৰেঙণি পৰিছে আৰু কেতিয়াবা হয়তো ভৱিষ্যতেও ভুমুকি মাৰিছে। ইয়াত আছে

একৰ মাজত অনেক প্ৰকাশ দেখি অভিভূত হোৱা কবিৰ প্ৰাণৰ প্ৰতিবিম্ব। মানৱৰ মাহাত্ম্যত তেওঁ মুগ্ধ, সৃষ্টিৰ সৌন্দৰ্যত আত্মহাৰা। ৰমন্যাসৰ পৰশ লাগি তেওঁৰ পুৰণি মনটোৰ যেন 'ছিগিল হৃদয় গ্ৰন্থি,গুচিল সংশয়' আৰু তেওঁ হৈ পৰিল 'নতুন বলেৰে বলী মুকলি বিশ্বত।' তেওঁৰ কবি কণ্ঠই যেন ক'বলৈ বিচাৰিছে—

*মোৰেই মুখেদি মানব প্ৰাণৰ*
*ফুটক আকুল মাত।*
*মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ*
*সত্য হক প্ৰতিভাত।*

'বীণ-বৰাগী' নামৰ সুদীৰ্ঘ কবিতাটিত কপটতা ভৰা সমাজৰ প্ৰতি কবিৰ তীব্ৰ-বিতৃষ্ণা আৰু তাৰ লগে লগে নতুন সমাজ গঢ়াৰ বাসনা বিচিত্ৰ ৰূপত প্ৰকাশ পাইছে। সম-সাময়িক কবি বেজবৰুৱাৰ 'বীণ আৰু বৰাগী' কবিতাত থকাৰ দৰে কবি আগৰৱালাই কেতিয়াবা দুখৰ কাহিনী গাইছে, কেতিয়াবা বিদ্ৰোহৰ সুৰ তুলিছে তেওঁৰ প্ৰাণৰ বীণত। বীণখনি তেওঁৰ প্ৰাণৰ বন্ধু, অন্তৰৰ সমস্ত দুখ-বেদনা উজাৰি দিব পৰা আৰু এধানি শান্তি বিচাৰি আশ্ৰয় ল'ব পৰা নিৰাপদ আশ্ৰয়স্থল। সংসাৰ যাত্ৰাৰ নানা ঘাত-প্ৰতিঘাতে ক্লান্ত কৰা কবিয়ে বীণৰ সুৰীয়া মাতৰ মাজতে বিচাৰি পাইছে দুখক সুখ কৰিব পৰা পৰম শক্তি, সেই সুৰত 'দুখো সুখ হৈ পৰে'। তেওঁৰ কবিপ্ৰাণৰ কাতৰ সমৰ্পণ—

*দুখ-ভাগৰৰ অন্ত তোমাতেই*
*সন্তাপ আঁতৰাই নিয়া*
*তোমাতেই আশ্ৰয়, তোমাতেই নিৰ্ভয়*
*তোমাতেই নিচুক হিয়া।*

মানুহৰ পৃথিৱীত একমাত্ৰ সৰগী বস্তু হ'ল সংগীতৰ ধ্বনি। বীণৰ ঝংকাৰত দীন-দৰিদ্ৰৰ প্ৰাণতো মধুৰ কল্পনাই পাখি মেলে। চিৰন্তন মানৱ-প্ৰাণে সৃষ্টিৰ পাতনিৰে পৰা যি এক অপাৰ্থিৱ সম্পদৰ কামনাত দিনে-নিশাই ব্যাকুল হৈ আছে, সেয়েই ধৰা দিয়েহি এই ঝংকাৰত। সুৰৰ ৰাগীত মতলীয়া হোৱা মানৱে ক্ষণিকৰ বাবে পাহৰি পেলায় দুখ-বেদনা, জস্কলা-যন্ত্ৰণাৰ কথা। মানুহৰ অন্তৰৰ নিভৃত স্থলত যি এক অসীম তৃষ্ণা সদায়ে শুই থাকে ঃ সেই তৃষ্ণাই পৰম আশাৰে পৰিতৃপ্তি বিচাৰে সুৰৰ মাজত। আমাৰ কবিৰো মনৰ মাজৰ বীণৰ কাষতে উজাৰি দিছে সমস্ত পুঞ্জীভূত ক্ষোভ আৰু বেদনা। তেওঁ নকৈ পৰা নাই যে—

*গোটেই সংসাৰ দুখৰ বোজাটো*
*নহয় যে এলাপেচা,*

*সেয়ে প্ৰতি ক্ষণে খুন্দিয়াই মোক*
*বুকুত গধুৰ হেঁচা।*

হৃদয় পাতল কৰিবৰ বাবে তেওঁ বীণৰ কাষ চাপিছে– যাৰ সুৰত লুইত উজায়, জোন তধা লাগে; যতনেৰে যি বুকুত ভৰাই লয় মানুহৰ কৌটিকলীয়া দুখ। 'একৰ দুখক এশত ভগাই' মানুহৰ প্ৰাণৰ এশ সুঁতি আনি একেটি ধাৰতে বোৱাই নিয়া বীণখনিৰ সুৰত তেওঁ যেন নিজৰ প্ৰাণৰ সুৰটি মিলাইহে দিব। হিয়াৰ সকলো গোপন কামনা, দুখৰ অনুভূতি আৰু শুধৰণিৰ বাসনা– বীণৰ সুৰতে ফুটি উঠক, এয়ে তেওঁৰ কামনা।

কবিৰ অনুভৱ সংসাৰত প্ৰকৃত সুখ ক'তো নাই। বাৰেৰহণীয়া সুখৰ পখিলাটি দুখৰ চিলাই থপিয়াই নিয়ে। সুখৰ সন্ধানত ভ্ৰমি ফুৰা কবিৰ অভিজ্ঞতা। দুখজনক–

*দেখিলো কোনেনো নৰ-সমাজত*
*বিষম জঞ্জাল হায়!*
*মানুহে মানুহে পৰতকৈ পৰ*
*একেৰি মৰমো নাই।*

তেওঁ দেখিছে ডাঙৰৰ ডাঙৰ ভেম, দুখীয়াৰ প্ৰতি ঘৃণা, মৰমভৰা সুখে ভৰা একো একোটি পৰিয়ালত চেনেহতকৈও প্ৰাধান্য পোৱা ধনৰ মোহ। মিঠা মাতষাৰৰ ঠাইত মানুহৰ মুখত হৃদয় বিদাৰি যোৱা বাক্যবান। 'মানুহৰ তেজ শুহি শুহি খায় মানুহ ৰাক্ষসে চোৱা' বুলি কবিয়ে তেওঁৰ আক্ষেপৰ সুৰ প্ৰকাশ কৰিছে। কিন্তু ইমানতো মানুহৰ শঠতাৰ কথা অন্ত পৰা নাই,

*ফুলনিৰ ফুল লখিমী জীয়ৰী*
*দলিছে ভৰিৰে হায়*
*সৰগী বস্তুৰ কি জানিব মোল ?*
*পৃথিৱী পাপৰ ঠাই।*

মানুহৰ প্ৰতি মানুহৰ অবিচাৰত তেওঁৰ প্ৰাণে হাহাকাৰ কৰি উঠিছে। য'ত কেৱল অন্যায়, অত্যাচাৰ আৰু অবিচাৰৰ মেলা, য'ত পাপ আৰু ছলনাৰ মায়াজাল, প্ৰয়োজনেই বা কি তেনে এখন সমাজৰ? যিখন সমাজত নিঃকিনলৈ মাথো দুখ-দুৰ্দশা আৰু 'দুৰ্বলীৰ গতি জীয়ন্তে মৰণ', তেনেখন সমাজ কবিক নালাগে। সেই সমাজে দান কৰা সম্ভ্ৰম, সন্মান, কৃপা, ভিক্ষা একোৰে প্ৰতি তেওঁৰ স্পৃহা নাই। তেওঁৰ মনোভাৱ– আহিলে আহক প্ৰলয়ৰ দিন, চূৰ্ণ হৈ যাওক সমাজ। পৰা হ'লে কবিয়ে নিজেই নমালেহেঁতেন ঘনঘোৰ প্ৰলয়–

*আঙুলি বুলাব জনা হ'লে আজি*
*পেলালোহেঁতেন টানি*
*হিমালয় চূড়া বুৰালোঁহেঁতেন*
*উছালি কলীয়া পানী।*

অকাশৰ তৰা লাখে লাখে থপিয়াই, জোন-বেলি-গ্ৰহ দলিয়াই পৰা হ'লে তেওঁ পাপৰ পৃথিৱীখন সাগৰত তল নিয়ালেহেঁতেন। শ্যেলীৰ প্ৰমিথিউছৰ দৰে আমাৰ কবিৰো কামনা মানুহে স্বীকৃতি পাব পৰা এখন নতুন সমাজৰ সৃষ্টি। দুখ-লাজ-ভয়বিহীন সেই নতুন জগতত সদায়ে থাকিব মাথোঁ আনন্দৰ সুৰ, মান অপমান আঁতৰি যাব প্ৰলয়ৰ জলধিত। নতুন সৃষ্টিৰ অৰুণ কিৰণত পবিত্ৰ হৈ উঠিব মানুহৰ নতুন সংসাৰ।

বৰাগী কবিয়ে জগতৰ ৰহস্যৰ মাজতে বিচাৰি পাইছে এক ঐশী শক্তি। মানুহ এই শক্তিৰেই ৰূপান্তৰ মাথো। মানুহ হ'ল জীৱনৰ পথত পাট বুলি থকা, যুগে যুগে পথশ্ৰমৰ ক্লান্তিত ভাঙি পৰা অসীমৰ যাত্ৰী। তাৰেই এটি প্ৰতীক যেন এই বৰাগী। জীৱন পথৰ বাট বুলনিত ক্ষণিক জিৰণিৰ বাবে বহি তেওঁ অনুভৱ কৰিছে প্ৰকৃতি জগতৰ মুকলিমুৰীয়া সৌন্দৰ্য। তেওঁৰ বুকুলৈ সোমাই আহিছে এনে এক অনুভৱ– পৃথিৱীখনি যেন বিমল সুখৰ আলয়। ধৰাক মাথোন অসুন্দৰ কৰে দুখ, দন্দ্ব, শোক আৰু কোঢ়ালে। এইবোৰ উপসৰ্গ দূৰ হ'লেই পৃথিৱী হৈ পৰিব স্বৰ্গতকৈও মনোৰম।

মানুহ দেৱতাতকৈও শ্ৰেষ্ঠ। মানুহৰ প্ৰীতি সাধিবৰ বাবেই বিশ্ব-জগত নিৰ্মিত হৈছে, তৰাই দীপ জ্বলাইছে, মলয়াই দিছে শীতলী বা। 'হাঁহিছে মানুহে, কান্দিছে মানুহে, পাতিছে মানুহে প্ৰেম', মানুহৰ যি লীলা খেলা সেয়েই পৃথিৱীৰ সৌন্দৰ্য। আত্মচিন্তাৰ মগ্ন হৈ বৰাগী কবি পৰিণত হৈছে ৰহস্যবাদী কবিলৈ। সৃষ্টিৰ দিনৰেপৰা আৰম্ভ হোৱা মানৱ-জীৱনৰ অনন্ত যাত্ৰাত তেওঁ প্ৰত্যক্ষ কৰিছে চৰাচৰৰ মাজত পৰম শক্তিৰূপে জিলিকি থকা মানৱ-সত্তাক। নীচতা-হীনতা আদি নানাবিধ বিচ্যুতিয়ে কলংকিত কৰিলেও প্ৰকৃত মানৱ সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ। মানুহৰ হাঁহি-কান্দোন, মিলা-প্ৰীতিয়ে সৰগৰ জেউতিও চেৰ পেলাব পাৰে।

'বীণ-বৰাগী' কবিতাটিৰ মাজত কোনো কোনো ঠাইত কবিৰ দাৰ্শনিক চিন্তাধাৰা প্ৰকাশ পোৱা দেখা যায়। পুতলা-নাচৰ সংসাৰত লীলা-খেলা চলাই থকা মানুহৰ ৰেহ-ৰূপে তেওঁক কেতিয়াবা বিস্ময়াভূত কৰিছে, কেতিয়াবা আমোদ দিছে। তেওঁ দেখা পাইছে নানাৰূপে বিচৰণ কৰা মানুহৰ জগতত একৰ মাজত বহুতৰ আৰু বহুতৰ মাজত একৰ প্ৰকাশ। কেতিয়াবা বন্ধুৰ মাজত, কেতিয়াবা পুত্ৰ-কন্যাৰ মাজত মৰম বিলাই মানুহে নিজৰ লগতে যেন ধেমালি কৰে। কেতিয়াবা দুষ্টৰ ভূমিকাত, কেতিয়াবা সন্তৰ ভূমিকাত নিতে

নিতে নানাধৰণৰ লীলা-খেলা কৰা মানুহে সৃষ্টি ভাঙে যেনেদৰে, পাতেও সেইদৰেই। জগতৰে সৈতে মানুহৰ অটুট সম্পৰ্ক। ইয়াৰ মাজতে কেতিয়াবা মনত ভ্ৰম জাগে, সপোনত উমলি-জামলি ফুৰা মানুহে সপোনকে সঁচা বুলি ভাবি দিঠকত হাহাকাৰ কৰে। স্বাৰ্থ-অহংকাৰত মোহান্ধ মানুহে মুগাৰ খোলাৰ মাজত 'ৰ-লগা পলু যেন' হৈ সংসাৰ পতাৰ অলীক অহংকাৰত আকণ্ঠ নিমি ত হয়। যেতিয়াই এই অজ্ঞনতাৰ অন্ধকাৰ আঁতৰি যায়, তেতিয়া পুনৰ অসীমৰ অনুভূতিৰে ভৰি পৰে প্ৰাণ-মন। নিজকে অনুভৱ হয় পৰম সম্পদশীল যেন।

জীৱন যাত্ৰাৰ পথ বৰ দীঘলীয়া। বৰাগী কবিৰ দেহলৈ ক্লান্তি নামিলেও মনৰ মাজত বীণৰ ঝংকাৰটোৱে প্ৰতি উঠি আহে নব নব উছাহ। মানুহ সকলোটি মহাপ্ৰয়াণৰ যাত্ৰী। জন্মৰ দিনৰেপৰা মানুহৰ বাট বুলনি অন্তিমৰ মুখৰ ধামলৈ। 'হিয়াৰ মাজত অনন্ত সুখৰ পৰি আছে ৰাজবাট।'

কবিৰ হৃদয় সমৰ্পিত হৈছে 'নিঃকিনৰ ধন জগৎ ৰঞ্জন' ভগৱানলৈ। এই সমৰ্পণ বৈষ্ণৱ কবিতাত থকা ভগৱানৰ কাষত ভক্তৰ আত্মসমৰ্পণ নহয়। এয়া হৈছে চিৰন্তন মানৱ-প্ৰাণৰ সৰ্বশক্তিমানৰ প্ৰতি থকা আস্থা আৰু নিৰ্ভৰতাৰ প্ৰকাশ। প্ৰাণতে থকা প্ৰাণৰ সম্বল পাহৰি গৈ যিসকলে বাহ্যিকতাৰ মাজত সুখ-শান্তিৰ সন্ধান কৰে, সেইসকলৰ বিস্মৃত জ্ঞানৰ পুনৰুদ্ধাৰৰ বাবে কবিয়ে সেই সৰ্বশক্তিমানক 'জড় জগতৰ চেতন নিয়ন্তা' আখ্যা দি তেওঁৰ অন্যায়-অসত্য আৰু পাশৱ-বলেৰে সৈতে কৰা সংগ্ৰামৰ কথা স্মৰণ কৰিছে। ক্ৰমে ক্ৰমে কবিৰ মনেও গতি কৰিছে পাৰ্থিৱ জগতৰ ক্ষুদ্ৰতাৰ পৰা অপাৰ্থিৱ জগতৰ মহত্বলৈ। সেই সৰগী অনুভূতিৰ ভাগ ল'বলৈ তেওঁ বিশ্ববাসী নৰগণক আহ্বান জনাইছে।

মানুহে মানুহে বিশ্বপ্ৰেমৰ ডোলেৰে বান্ধ খাবলৈ শিকিলেহে পৃথিৱী সুন্দৰ হ'ব। সত্যপিয়াসী মানৱ-প্ৰাণে অসীম ৰহস্যৰ মাজত বুৰ গৈ হৃদিস্থিত আনন্দৰ স্বাদ পাহৰি গৈছে। প্ৰকৃতি জগতৰ মাজত জিলিকি উঠা পৰম সুন্দৰৰ সৃষ্টিৰ উদ্দেশ্য, যি প্ৰকাশ কৰে মানৱক সুখী কৰা আৰু সংসাৰ সুখময় কৰাৰ প্ৰচেষ্টা, হৃদয়াংগম কৰিব পাৰিলেহে মানুহে সৃষ্টি কৰিব পাৰিব এখনি সুন্দৰ পৃথিৱী।

'বীণ-বৰাগী' পুথিত কবিৰ চিন্তাধাৰা পোনতে বৈপ্লৱিক আছিল যদিও ক্ৰমে ক্ৰমে ই গভীৰ আধ্যাত্মিকতাৰফালে গতি কৰাটো পৰিলক্ষিত হয়। হিয়াৰ মাজৰ অনন্ত পথেদি তেওঁৰ যাত্ৰা 'আনন্দতীৰ্থ'লৈ, – তীৰ্থৰ দেৱতা প্ৰভু জগন্নাথে য'ত বিৰাজ কৰে। ৰামধেনুৰ সাতোটি ৰহণেই সুৰুযৰ এটি ৰঙত বিলীন হোৱাৰ দৰে মানুহৰ ব্যক্তিগত সকলো শক্তিৰ উৎস সেই দেৱতাৰ পৰম শক্তি; দৰ্পত অন্ধ মানুহে কিন্তু সেয়া বুজি নাপায়। সেয়ে

কবিয়ে মানুহৰ দৰ্পচূৰ কৰিবলৈ প্ৰাৰ্থনা জনাইছে।

'পশুবন' কবিতাত তেওঁ হজুৰাৰ ওপৰত টিঘিল ঘিলাই ফুৰা, 'হোজাক দমাই দুষ্টক পলা', 'ধনকে বুটলি ধনকে চিনি পোৱা' মানুহ নামধাৰী পশুবোৰৰ সমালোচনা কৰি পুনৰ মানুহৰ মজত থকা ভগৱৎ শক্তিৰ কথা সকিয়াই দিছে।

তেওঁৰ কবিতাত নিৰাশা ক'তো নাই। ক্ষোভ বা বেদনা প্ৰকাশ পালেও আশাৰ ৰেঙণিয়ে তাক মঁচি নিয়াৰ প্ৰয়াস কৰে। 'বসুধৈৱকুটুম্বকম' ভাৱেৰে সংসাৰখনকে কবিয়ে আপোনা কৰি ল'ব পাৰে।

ন-পুৰণিৰ সান-মিহলিত নানাভাৱে তেওঁৰ হৃদয়ত উখল-মাখল কৰে। তেওঁৰ কবিতাত নতুন হ'লেও মানৱ জাতিৰ মনৰ কতৰিৰূপে এই অনুভূতি সু-প্ৰাচীন। 'পুৰণি কথাকে নতুন সাজেৰে' দাঙি ধৰি তেওঁ বিশ্বভাতৃত্বৰ আদৰ্শ প্ৰচাৰ কৰিছে। কবি আগৰৱালাৰ কবিতাত মাজে মাজে লোকগীতৰ সুৰ এটি ফুটি উঠা দেখা যায়। এই সুৰে কবিতাবোৰত মাটিৰ গোন্ধ আনি দিছে। বেজবৰুৱাৰ 'বীণ আৰু বৰাগী' কবিতাৰ দৰে 'বীণ-বৰাগী'ৰ কবিয়ে অতীত ৰোমন্থন কৰা নাই, বৰঞ্চ ভৱিষ্যতৰ সোণালী আঁচনিহে কৰিছে। অলংকাৰহীন উকা বাক্যৰ সহযোগত তেওঁ মনৰ গভীৰ চিন্তাৰাশিক কবিতাৰূপ দিছে। এই ৰূপ কাব্যিক সৌন্দৰ্যৰে ভৰপূৰ নহ'লেও ভাবৰ গভীৰতাৰ বাবেই হৃদয় পৰশা। বৈচিত্ৰৰ মাজত ঐক্যৰ সন্ধান পোৱা কবিয়ে মানুহক দিছে শ্ৰদ্ধা-প্ৰীতিৰ উচ্চ আসন আৰু জগতৰ আগত দাঙি ধৰিছে বিশ্বপ্ৰেমৰ মহান বাণী। অসমীয়া কবিতালৈ এনে নতুন চিন্তাধাৰা নমাই অনাহ বাবেই তেওঁৰ 'বীণ-বৰাগী' পুথি চিৰস্মৰণীয় হৈ ৰ'ব।

## ৩.১.৪ সাৰাংশ

- প্ৰথম অসমীয়া ৰোমাণ্টিক কবি আছিল চন্দ্ৰকুমাৰ আগৰৱালা।
- **বীণ-বৰাগী**ত পশ্চিমৰ উদাৰ মানৱিকতাবাদ (liberal humanism) আৰু পূবৰ অধ্যাত্মবাদ (spiritualism)ৰ সংমিশ্ৰণ ঘটিছে।
- 'বীণ-বৰাগী' কাব্যগ্ৰন্থত অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰায়বোৰ দিশেই ভূমুকি মাৰিছে।
- বিষাদ আৰু শূন্যতাবোধ, স্বদেশপ্ৰেম, সমাজ পৰিৱৰ্তনৰ মনোভাৱ, প্ৰকৃতিপ্ৰীতি আদিয়ে বিশেষ গুৰুত্ব লাভ কৰিছে।

## ৩.১.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**শুদ্ধ উত্তৰটো লিখাঁ—**

প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটিৰ নাম—
জলকুঁৱৰী
বনকুঁৱৰী
মাধুৰী
পুৰা

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**খালী ঠাই পুৰ কৰাঁ—**

দুখ-ভাগৰৰ অন্ত
আঁতৰাই নিয়া
তোমাতেই তোমাতেই
তোমাতেই হিয়া।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**শুদ্ধ/ অশুদ্ধ নিৰ্ণয় কৰাঁ—**

(ক) চন্দ্ৰকুমাৰ আগৰৱালা 'বাঁহী'ৰ সম্পাদক আছিল।
(খ) জোনাকীৰ প্ৰকাশৰ কাল ১৮৭৯।
(গ) ৰোমাণ্টিক কবিতাৰ অন্যতম লক্ষণ কল্পনাৰ আধিক্য।
(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম হৈছিল ১৯৬৭ চনত।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**পাঁচোটা বাক্যত উত্তৰ দিয়াঁ—**

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত মানৱতাবাদ
______________________________
______________________________

## ৩.১.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটিৰ নাম— বনকুঁৱৰী।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

দুখ ভাগৰৰ অন্ত তোমাতেই  
সন্তাপ আঁতৰাই দিয়া  
তোমাতেই আশ্ৰয় তোমাতেই নিৰ্ভয়  
তোমাতেই নিচুক হিয়া।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

(ক) অশুদ্ধ  
(খ) অশুদ্ধ  
(গ) শুদ্ধ  
(ঘ) শুদ্ধ

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

ৰমন্যাসিক কবিতাৰ অন্যতম শ্ৰেষ্ঠ লক্ষণ মানৱতাবাদৰ প্ৰকাশ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত সুস্পষ্ট। তেওঁ ‘মানুহেই দেৱ মানুহেই সেৱ’ বুলি মানৱৰ বন্দনা কৰিছে। তেওঁৰ মতে মানৱ সবাতোকৈ শ্ৰেষ্ঠ। তেওঁ মানৱ শক্তিৰ স্বৰূপ উপলব্ধি কৰিছে। মানৱৰ মাজত থকা নানা কপটতাই দুখ দিলেও মানৱৰ জয়গান গাই তেওঁ বিশ্ব সুন্দৰ কৰাৰ সপোন দেখিছে।

**খণ্ড ৩**

## গোট ২ ঃ সন্ধিয়াৰ সুৰ

**৩.২.০ উদ্দেশ্য**

**৩.২.১ প্ৰস্তাৱনা**

**৩.২.৩ 'সন্ধিয়াৰ সুৰ'ৰ বিষয়বস্তু**

৩.২.৩.১ কবি পৰিচয়

৩.২.৩.২ ৰহস্যবাদ আৰু নলিনীবালা দেৱী

৩.২.৩.৩ 'সন্ধিয়া সুৰ'ৰ আলোচনা

**৩.২.৪ সাৰাংশ**

**৩.২.৫ অনুশীলনী**

**৩.২.৬ প্ৰশ্নোত্তৰ**

### ৩.২.০ উদ্দেশ্য

- অসমীয়া কবিতাৰ ৰহস্যবাদী ধাৰাৰ লগত পৰিচয় হোৱা।
- নলিনীবালা দেৱীৰ কবিতাৰ সৌন্দৰ্য অনুধাৱন কৰা।
- অসমীয়া কবিতাত উপনিষদীয় চিন্তাৰ প্ৰভাৱ লক্ষ্য কৰা।

### ৩.২.১ প্ৰস্তাৱনা

অসমীয়া কবিতাৰ গতিপথত যিকেইগৰাকী মহিলা কবিক লক্ষ্য কৰা যায় নলিনীবালা দেৱী তাৰ মাজত অন্যতম। তেওঁৰ ৰচনাত ভাৱৰ গভীৰতা আৰু ছন্দৰ সচ্ছন্দতা দেখা যায়। কেৱল মহিলা কবি বুলিয়েই নহয়, মহিলা-পুৰুষ নিৰ্বিশেষে সমূহ ভাৰতীয় কবিৰ মাজতো নলিনীবালা দেৱীৰ স্থান অতি উচ্চত।

## ৩.২.৩ ‘সন্ধিয়াৰ সুৰ’ৰ বিষয়বস্তু

### ৩.২.৩.১ কবি পৰিচয়

অসমৰ কবিতা জগতৰ অন্যতম শ্ৰেষ্ঠ প্ৰতিভা নলিনীবালা দেৱী (১৮৯৮-১৯৭৭)। অতীন্দ্ৰিয়বাদ তেওঁৰ কবিতাৰ ঘাই সম্পদ যদিও অন্য বহুতো বৈচিত্ৰ্যপূৰ্ণ অভিব্যক্তি বিভিন্ন কবিতাত সিঁচৰতি হৈ আছে। তেওঁৰ কবিতা পুথিসমূহ হ'ল **‘সন্ধিয়াৰ সুৰ’ (১৯২৮), ‘সপোনৰ সুৰ’ (১৯৩৪), ‘পৰশমণি’ (১৯৫৪), ‘যুগদেৱতা’ (১৯৫৭)** আৰু **‘অলকানন্দা’ (১৯৬৭)**।

নলিনীবালাৰ কবিতাৰ প্ৰধান আকৰ্ষণ বিষাদে সেমেকাই তোলা তেওঁৰ ভগৱৎ প্ৰেম। এই প্ৰেমে এক ৰহস্যবাদী অনুভূতিৰে সিক্ত হৈ তেওঁক অসমীয়া ৰহস্যবাদী কবিসকলৰ মাজত জিলিকাই ৰাখিছে। এনেবোৰ অতিন্দ্ৰীবাদী কবিতাৰ মাজত তেওঁৰ প্ৰজ্ঞা আৰু প্ৰতিভাৰ অপূৰ্ব মিলন লক্ষ্য কৰা যায়। ভাৰতীয় দৰ্শনত বিশ্বাসী তেওঁৰ সুকুমাৰ হৃদয়ে এইবোৰ কবিতাৰ মাজেদি আত্মপ্ৰকাশ কৰিছে। তেওঁৰ কবিতাৰ আন এটি ধাৰাত থকা দেশপ্ৰেমমূলক কবিতাৰ ভিতৰত ‘জনমভূমি’ এটি উৎকৃষ্ট কবিতা। মাতৃভূমিৰ প্ৰতি থকা নিভাঁজ মৰমৰ বাবে কবিতাটিৰ শব্দসমূহো হৈ উঠিছে কোমল আৰু আলফুলীয়া। কবিতাটিৰ প্ৰতিটো চৰণ যেন তেওঁ ৰচনা কৰিছে জনমভূমিৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম আৰু আন্তৰিক কৃতজ্ঞতা মন্থন কৰি। ধনেৰে বৈভৱশালী নহ'লেও এই দেশ শান্তি আৰু সৌন্দৰ্যৰ অনুপম আলয়। সেয়েহে তেওঁ কৈছে—

***দুখীয়াৰ ভগা পঁজা একোখনি তীৰ্থ তাত***
***একোখনি পূণ্যৰ আশ্ৰম।***
***মৰিলে পুনৰ আহি দুখীয়া দেশতে মোৰ***
***লওঁ যেন পুনৰ জনম।***

নলিনীবালাৰ কবিতাত মায়াভৰা জোনাক ৰাতি, পৰ্বতৰ নাচনী নিজৰা, সেউজীয়া অৰণ্য, কলকণ্ঠী বিহগ, এই সকলোবোৰে ভূমুকি মাৰিছে। তাৰ লগে লগে বিভিন্ন উছৱ আৰু বিশিষ্ট ব্যক্তিক লৈও ভালেমান কবিতা আছে। ‘পুতলী’ তেওঁৰ এটি শোকৰ কবিতা। মাতৃপ্ৰাণৰ হাহাকাৰৰ সুৰে কবিতাটিক চকুপানীৰে ধুৱাই থৈছে।

### ৩.২.৩.২ ৰহস্যবাদ আৰু নলিনীবালা দেৱী

কবিতাৰ জগতত ৰহস্যবাদ এটি পুৰণি নাম। ই এটা বিশিষ্ট ধাৰা। প্ৰকৃততে কবিৰে নহয়, সকলো মানুহৰে মনত কিছুমান চিৰন্তন প্ৰশ্ন থাকে। যিবোৰৰ কোনো সহজ উত্তৰ নাই। নদীৰ অবিৰাম গতি, পখীৰ গীত,

পাহাৰৰ উচ্চতা সকলোৰে মাজত বিস্ময়ৰ গভীৰ সমল থূপ খাই আছে। আনকি মানুহৰ নিজৰ মাজতো অসীম ৰহস্য। এই সকলো ৰহস্য, সকলো বিস্ময়, সকোল জিজ্ঞাসাৰ আঁৰ কাপোৰখনি উদঙাবলৈ যুগে যুগে মানৱৰ যত্নৰ শেষ নাই। এচাম মানুহে সেই যত্নৰ শেষত আৱিস্কাৰ ৰিছে পৰম শক্তিমান এটি সত্তাৰ অস্তিত্ব। কোনো সীমাৰে আবদ্ধ কৰিব নোৱাৰা সেই নামহীন, ব্যাখ্যাহীন সত্তাটিৰ সন্ধানত মানৱপ্ৰাণে চিৰকালে এক উৎকণ্ঠা আৰু কৌতূহল অনুভৱ কৰে।

ৰহস্যবাদৰ ইংৰাজী প্ৰতিশব্দ 'mysticism' গ্ৰীক ভাষাৰ শব্দ 'muco'অৰ পৰা আহিছে বুলি ভবা হয়। এই শব্দৰ অৰ্থ হ'ল 'joining together the edges of a wound' অৰ্থাৎ এটি ক্ষতৰ দুটি দাঁতিৰ একত্ৰীকৰণ। ইয়াৰ অৰ্থৰ আঁৰত আছে মানুহৰ সৰ্বশক্তিমানৰ সৈতে একীভূত হ'বৰ বাসনা। বিজ্ঞানী বা দাৰ্শনিকসকলতকৈও সাহিত্যিসকলেহে ৰহস্যবাদৰ হৃদয় পৰশা প্ৰকাশ ঘটোৱা দেখা যায়। ৰহস্যবাদী উপলব্ধি আৰু সাহিত্যিক অনুপ্ৰেৰণাৰ সোণ-সুৱগাৰ মিলন স্বৰূপে বিশ্ব সাহিত্যত নানা মূল্যবান ৰচনাৰ সৃষ্টি হৈছে। প্ৰাচীন গ্ৰীচ আৰু জাৰ্মানীৰ শ্ৰেষ্ঠ সাহিত্যসম্ভাৰসমূহৰ মাজত ৰহস্যবাদৰ নিমজ প্ৰকাশ এটি চকুত পৰে। সাহিত্যৰ বিভিন্ন বিভাগসমূহৰ ভিতৰত ঘাইকৈ কবিতাই হ'ল ৰহস্যবাদৰ শ্ৰেষ্ঠ বাহন। ইংৰাজী সাহিত্যত পোনপ্ৰথমে কবি উইলিয়াম ব্লেকৰ কবিতাৰ গতানুগতিকতাৰ পৰা আঁতৰি ৰহস্যবাদৰ অভিনৱ সুৰ ধ্বনিত হোৱা শুনা যায়। এওঁৰে সমসাময়িক জাৰ্মান কবি J.C.F. Holderlinঅৰ কবিতাত খ্ৰীষ্টীয় ৰহস্যবাদৰ লগত মিশ্ৰিত হৈছে প্ৰাচীন গ্ৰীক কবিতাৰ সুন্দৰ চিত্ৰসমূহ। এই সময়ৰে পৰাই কবিতাজগতত ৰহস্যবাদৰ স্পন্দন ভালদৰে অনুভূত হ'বলৈ ধৰে। পাৰ্থিৱ জগতৰ সীমাৰ সিপাৰে থকা কুঁৱলী কুঁৱলী সৌন্দৰ্যৰ মায়া ভৰা প্ৰকাশে কবিতা ৰসিকক অভিনৱ আনন্দলোকৰ সন্ধান দিলে।

ৰহস্যবাদৰ এটি বিশিষ্ট ধাৰ 'ছুফীবাদ'ত পাৰ্থিৱ প্ৰেমৰ মাজেদি পৰম প্ৰেমৰ সন্ধান কৰা হয়। ছুফীসাধকসকলে পৰম আকাংক্ষিতজনক কেতিয়াবা বিচাৰে প্ৰিয়াৰ ৰূপত, কেতিয়াবা স্বামীৰ ৰূপত। আটৰ, জালালুদ্দিন, ৰুমী আৰু ছাদ্দী আদি কবিসকলে ছুফীবাদত এক মাধুৰ্য প্ৰদান কৰিছিল।

অসমীয়া ৰহস্যবাদী কবিতাৰ ক্ষেত্ৰত এটা চিৰস্মৰণীয় নাম হৈছে নলিনীবালা দেৱী। 'শান্ত, স্নিগ্ধ আৰু কৰুণ আকৃতিৰে ভৰা এইবোৰ কবিতাত কবিৰ হৃদয়ে যেন মমৰ দৰে গলি গলি সৰিছে। তেওঁৰ হৃদয়ৰ পাত্ৰ বিষাদেৰে ওপচা। অথচ সেই বিষাদৰ পৰাই তেওঁ অমৃত মন্থন কৰি উলিয়াইছে। অতীন্দ্ৰিয়বাদী কবিতাসমূহত নলিনীবালা দেৱীৰ কেৱল হৃদয়ৰ আকুলতাই নহয়; চিন্তাৰ গভীৰতাও প্ৰকাশ পাইছে। তেওঁৰ চিন্তাধাৰা আছিল আধ্যাত্মিক

জ্ঞান আৰু অধ্যয়নেৰে পৰিপুষ্ট। বেদান্ত দৰ্শন আছিল তেওঁৰ একান্ত প্ৰিয়। গতিকে কবিতাৰ মাজতো তাৰ প্ৰকাশ স্পষ্টভাৱে চকুত পৰে। তেওঁ বিশ্বাস কৰিছিল আত্মাৰ অবিনশ্বৰতা আৰু জন্মান্তৰবাদ। ব্যক্তিগত জীৱনৰ নিদাৰুণ বেদনাই তেওঁক ভগৱানৰ চৰণত আত্মসমৰ্পণ কৰাইছিল। এই আত্মসমৰ্পণ বিশ্বাস আৰু সংশয়ৰ দোমোজাৰে মধুৰ আৰু ছয়া-ময়া গুণেৰে ভৰা। তেওঁ মানুহৰ মাজত দেখিছে ৰূপ আৰু সৌন্দৰ্যৰ প্ৰতি চিৰন্তন হেঁপাহ; এই হেঁপাহক মহত্ত্বৰ কবি কবিয়ে কৈছে–

*মানুহৰ অন্তৰৰ অসীম সৌন্দৰ্য তৃষ্ণা*
*সুখ আশা হেঁপাহ বুকুৰ*
*নহয় ই মৰতৰ খন্তেকীয়া জীৱনৰ*
*সুখ আশা পৰম পদৰ*
*ৰূপ তৃষ্ণা চিৰ সুন্দৰৰ।* **(পৰমতৃষ্ণা)**

নলিনীবালাৰ দুখময় জীৱনত শান্তিৰ ছায়া আছিল চিৰ সুন্দৰৰ প্ৰতি থকা অনাবিল ভৰসা। তেওঁৰ কবিতাৰ মাজত সেই ভৰসাৰ মনোৰম ছবি এখন ফুটি ওলায়। কৰ্মফলবাদ মানি লৈ কবিয়ে নিজৰ দুখ আৰু যন্ত্ৰণাক স্বাভাৱিক প্ৰাপ্তি বুলি মানি লৈছে। তেওঁ জানে, জনমে জনমে তেওঁৰ লগত আছে চিৰ সুন্দৰৰ মংগলময় সান্নিধ্য।

*অন্তিমতো মিলন হ'ব*
*তুমি জ্যোতি মই ৰেণু*
*হে অৰূপ! ৰূপৰ আলয়,*
*অনুৰূপে অনাদিত*
*তোমাতেই লীন হ'ম গৈ।* **(সমাধি)**

অনন্তৰ ৰহস্যৰ ফালে কবিৰ যাত্ৰা, আন্ধাৰ নে পোহৰ সেইখন দেশ কবিয়ে নাজানে। মাথোন জানে, সময় নদীৰ সোঁতত নাও এৰি সেই দেশলৈ তেওঁ যাবই লাগিব। অচিন সেই যাত্ৰাপথৰ দায়িত্ব ভগৱানৰ ওপৰতে এৰি দি কবি নিচিন্ত হৈছে—

*নেজানো একোকে মই*
*উৰাদিহ নাপাওঁ বাটৰ*
*তুমিয়েই হ'বা মোৰ*
*অসীমৰ চিৰ লগৰীয়া।* **(নাৱৰীয়া)**

আত্মাৰ লক্ষ্য হ'ল পৰমাত্মাৰ লগত মিলন। এই মিলনৰ যাত্ৰাপথ বাধা-বিঘিনিৰে ভৰা। সকলো বাধা নেওচি প্ৰিয়তম ভগৱানৰ সান্নিধ্য লাভৰ

বাবে কবি ব্যাকুলা হৈ উঠিছে। তেওঁ অনুভৱ কৰিছে সমস্ততে ভগৱানৰ দৰদী হাতৰ পৰশ, ৰূপৰ জিলিকনি। জীৱনত নাপালেও মৃত্যুৰ সিপাৰে সেই পৰম সুন্দৰক পাবলৈ কবি স্থিৰ বিশ্বাসেৰে সাজু হৈ আছে। তেওঁৰ বাবে 'মৰণ' সেইবাবে বাঞ্চিত সুন্দৰ। যিদিনা প্ৰিয়তমৰ লগত মিলন হ'ব, সেইদিনা—

*চিতাগ্নি হোমাগ্নি হ'ব*
*সমীৰণ মলয় চন্দন*
*সেইদিনা পূৰ্ণ হ'ব শূন্য অৰ্ঘ্য*
*পূৰ্ণ ই জীৱন।* **(শেষ অৰ্ঘ্য)**

কবিৰ হৃদয় যেন মাজে মাজে নিজৰ বাবেই অচিনাকি। তেওঁ নিজৰ মাজতে বিচাৰি পায় অন্তহীন ৰহস্য, কোনো এক শুভ শক্তিয়ে যেন ওৰে জীৱন তেওঁক পৰিচালনা কৰি আছে। সেই শক্তিৰ লগত তেওঁৰ মিলনৰ কামনা। সেই শক্তিৰ লগত তেওঁৰ মিলনৰ কামনা—

*বৰ শ্ৰান্ত প্ৰভু মই*
*লোৱা মোক তুলি*
*দিয়া ঠাই চৰণ তলত।* **(ভাগৰুৱা)**

এই ৰহস্যময় শক্তিটিৰ সন্ধানত কবি নলিনীবালাৰ অন্তৰ, জীৱন সদায় আকুল হৈ আছে। হৃদয়ৰ দুখৰ বোজা ভগৱানৰ চৰণত নমাই থৈ এধানি শান্তিৰ জিৰণি পাবলৈ তেওঁ কামনা কৰিছে। এই কামনাৰ ফলত সৃষ্টি হৈছে তেওঁৰ সীমাৰ সিপাৰৰ বাসনাৰে ভৰা ৰহস্যবাদী কবিতাসমূহ।

### ৩.২.৩.৩ 'সন্ধিয়াৰ সুৰ'ৰ আলোচনা

অসমীয়া অতিন্দ্ৰীয়বাদী কবিতাৰ এইখন এখন শ্ৰেষ্ঠ পুথি। ব্যক্তিগত বেদনা ইয়াৰ মূল উৎস। স্বামী আৰু সন্তানৰ বিয়োগত কাতৰ হৈ পৰা নলিনীবালাৰ শান্তি আৰু সান্তস্কনাৰ পথ সন্ধানৰ ফলস্বৰূপে এই কাব্যৰ জন্ম হৈছিল। অভাগী নাৰী-হিয়াৰ বিননিতকৈ ইয়াত স্পষ্ট হৈ আছে কবিপ্ৰাণৰ সংযত বিষাদৰ সুৰ। কবিৰ হৃদয়ত থকা ভাৰতীয় দৰ্শনৰ প্ৰতি আস্থাই তেওঁক ভাঙি পৰিবলৈ দিয়া নাই। জীৱনটো দুখেৰে ভৰা হ'লেও তাক তেওঁ প্ৰীতিৰে গ্ৰহণ কৰিছে। একোকে নিদিয়া পৃথিৱীখনলৈও তেওঁৰ অভিযোগ নাই–

*আজিৰে নোহোৱা মোৰ সুন্দৰী পৃথিৱী*
*জনমৰ যুগমীয়া তুমি*
*তুমি মোৰ জীৱনৰ শান্তিৰ জিৰণি*
*অতীতৰ স্বপ্ন লীলাভূমি।*

কবি কৰ্মফলত বিশ্বাসী। অপূৰণ কৰ্মৰ ভাৰ বান্ধি লৈ বাৰে বাৰে পৃথিৱীলৈ অহা মানুহে সহজে জন্মান্তৰৰ হাত সাৰিব নোৱাৰে। কাৰণ মানুহৰ অন্তৰত আছে চিৰন্তন অতৃপ্তিৰ খনি। তাৰ পূৰ্ণতাৰ বাবে আত্মাই সংসাৰত অবিৰাম ভ্ৰমণ কৰে। গতিকে–

*ভোগতেই মানুহৰ তৃপিতি পলোৱা হ'ল*
*বাসনাও নোৱাৰে থাকিব*
*মানুহৰ বাসনাৰ সমাধি শয়ন হ'লে*
*জীৱন মৰণো নাথাকিব।*

বিশাল সংসাৰৰ বুকুত নিজাকৈ এখনি পুতলা সংসাৰ পাতি মানুহে দুদিনৰ বাবে ধেমালি কৰে। তেনে এখন সংসাৰ অকালতে হেৰাই যোৱাৰ বিষাদত কবিয়ে অনুভৱ কৰিছে সংসাৰৰ অনিত্যতা। মানুহৰ সমাজত পূৰ্ণতা বিচাৰি নোপোৱা কবিয়ে তেওঁ নিষ্ঠুৰ জীৱন-দেৱতাকো সুন্দৰ ৰূপেৰে চাইছে আৰু জীৱনজোৰা দুখৰ বোজা তেওঁৰ চৰণ-তলত নমাই থ'বৰ বাবে আকুল হৈ মাতিছে–

*অ' মোৰ পৰম প্ৰিয়*
*তুমি ক'ত, তুমি ক'ত*
*তুমি ক'ত ?*

এই পৰম-প্ৰিয়ৰ ৰূপৰ ছবিয়ে কবিৰ অন্তৰ ৰূপে-ৰসে ভৰাই তুলিছে। তেওঁৰ প্ৰতিটি ক্ষণ প্ৰিয়ৰ সান্নিধ্যৰ বাবে ব্যাকুল হৈ পৰিছে, সকলোতে তেওঁ বিচাৰি পায় প্ৰিয়ৰ পৰশ;–

*শিতানত ফুলা*
*বুকুল জুপিত*
*শুনিলো বাঁহীৰ মাত*
*সাৰ পাই দেখোঁ*
*চন্দন সুবাস*
*আমোল মোলাই গাত।*

সেই সুন্দৰক জীৱনৰ আশ্ৰয় ৰূপে গ্ৰহণ কৰি কবিয়ে কৈ উঠিছে–

*সহিব নোৱাৰি এই*
*জীৱনৰ ভাৰ*
*সপি দিলোঁ তোমাৰ পাৱত।*

*বৰ শ্ৰান্ত প্ৰভু! মই*
*লোৱা তুলি মোক*
*দিয়া ঠাই চৰণ তলত।* **(ভাগৰুৱা)**

জীৱন যেতিয়া অবাঞ্ছিত হয়, তেতিয়া 'মৃত্যু হয় বাঞ্ছিত সুন্দৰ'। জীৱনৰ সিপাৰৰ সেই দেশখনলৈ যাবলৈ কবিৰ প্ৰাণত আকুল হেঁপাহ। তেওঁৰ প্ৰাণে শুনিছে অসীমৰ আহ্বান; —

*দূৰণিৰ পখী জাকি উৰি যায় ৰিঙিয়াই*
*বিয়াকুল উদাসী সুৰত*
*প্ৰতিধ্বনি বাজে সুদূৰত।*
*মোৰো এই পিঁজৰাৰ অশান্ত পখীটি দেখো*
*মিলি যাব খোজে অনন্তত*
*অসমীমৰ অচিন বাটত।* **(পৰমতৃষ্ণা)**

মৃত্যু তেওঁৰ বাবে চিতাগ্নি হোমাগ্নি হোৱা মিলনৰ মুহূৰ্ত। জীৱনৰ প্ৰতি ক্ষণে-ক্ষণে যাৰ সান্নিধ্যই তেওঁক সাহস আৰু শক্তি যোগাইছে সেই ভগৱানক প্ৰিয়তম ৰূপেৰে লৈ কবিয়ে তেওঁৰ লগত মৃত্যুৰ যোগেদি মিলনৰ সপোন দেখিছে। মানুহৰ আত্মা অবিনাশী, কিন্তু শৰীৰ বিনাশশীল। জীৱাত্মা-অন্তিমত পৰমাত্মাত মিলি পৰে। সেই মিলনত পাৰ্থিৱ জীৱনৰ সকলো দুখ আৰু বেদনা নোহোৱা হৈ পৰে। কবিয়ে ইহ জীৱনৰ বেদনা আঁতৰাই থৈ ভগৱানক প্ৰিয়তম ৰূপে কামনা কৰি কৈ উঠিছে—

*তুমি জ্যোতি মই ৰেণু*
*হে অৰূপ ৰূপৰ আলয়*
*অনুৰূপে অনাদিত*
*তোমাতেই লীন হ'ব গৈ।*

নলিনীবালা দেৱীৰ কবিতাৰ মাজত যি সকৰুণ সুৰ আছে সেয়া ৰোমাণ্টিক কবিৰ দুখৰ বিলাস নহয়। তেওঁৰ দুখ যথাৰ্থতেই ব্যক্তিগত। জীৱনৰ মধুৰ সপোন যেতিয়া যৌৱনৰ স্বৰ্ণ মুহূৰ্ততে থানবান হ'ল, কবিৰ হৃদয় ভাঙি পৰিল। তেওঁৰ বাবে সংসাৰ হৈ পৰিল যন্ত্ৰণাময়।

'পৰ্বতীয়া জুৰিটিৰ জিৰ্‌জিৰণিত শুনো যেন বিননিৰ সুৰ', এক হাহাকাৰ সুৰে কবিৰ হৃদয় ভৰাই তুলিলে। কিন্তু তেওঁ কবি। কবিৰ হাতত কলমেই সান্তস্কনা। নলিনীবালা দেৱীয়েও কলমৰ বুকুতে বিচাৰি পালে এক

মহান আশ্ৰয়। এইখিনি সময়ত তেওঁ ৰচনা কৰা কবিতাবোৰ, হয়তো গভীৰ দুখৰপৰা জন্ম হোৱা বাবেই বৰ কৰুণ আৰু বৰ সুন্দৰ। ‘সন্ধিয়াৰ সুৰ’ৰ মাজত কবিৰ প্ৰজ্ঞা আৰু প্ৰতিভাৰ অপূৰ্ব মিলন ঘটিছে। তেওঁৰ মন ভাৰতীয় দৰ্শনেৰে পুষ্ট, সেয়েহে সাহসী। একো নোপোৱা জীৱনটোও তেওঁৰ বাবে পৰম প্ৰাপ্তিৰে পূৰ্ণ। জন্মান্তৰবাদত বিশ্বাসী কবিয়ে তেওঁক একোকে নিদিয়া পৃথিৱীখনকো মৰমেৰে কয়,—

*আজিৰ নোহোৱা মোৰ সুন্দৰী পৃথিৱী*
*জনমৰ যুগমীয়া তুমি*
*তুমি মোৰ, জীৱনৰ শান্তিৰ জিৰণি*
*অতীতৰ স্বপ্নলীলা ভূমি।*

মানুহ কৰ্মৰ অধীন। অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ বাৰে বাৰে পৃথিৱীলৈ অহা মানুহে সহজে জন্মান্তৰৰ হাত সাৰিব নোৱাৰে। কিহৰ বাবে অপূৰ্ণতা? কাৰণ মানুহ সদায়েই অজানাৰ পিয়াসী, সহজে পোৱা বস্তু এটাত মানুহৰ শান্তি নাই, তৃপ্তি নাই।

মানুহৰ এই অতৃপ্তি আৰু অসন্তুষ্টিক কবিয়ে সৃষ্টিৰ বিধান বুলি মানি লৈছে—

*ভোগতেই মানুহৰ তৃপিতি পলোৱা হ’ল*
*বাসনাও নোৱাৰে থাকিব*
*মানুহৰ বাসনাৰ সমাধি শয়ন হ’লে*
*জীৱন মৰণো নাথাকিব।*

বিশাল সংসাৰৰ বুকুত নিজাকৈ এখনি সৰু সংসাৰ পাতি মানুহে অভিনয় কৰে। ক’ত যে তাত মিলন-বিচ্ছেদ-হাঁহি-কান্দোনৰ খেলা। এই সকলোবোৰেই কিন্তু স্বপ্নৰ দৰে অলীক। এক বিশ্ব-নিয়ন্ত্ৰাৰ হাতৰ ইংগিতত সকলোবোৰ সংঘটিত হয়, শেষত অভিনয়ৰ ভাৱৰীয়াসকলো বিলীন হৈ পৰে তেওঁৰ বিশাল বক্ষত। দৃশ্যমান জগতৰ এইবোৰ ধেমালিৰ প্ৰতি কবি সেয়ে নিৰ্বিকাৰ। তেওঁক লাগে চৰাচৰৰ মূল সেই পৰম সত্তা, তেওঁ কৈ উঠে— ‘সুন্দৰ তুমি ক’ত ?’ কবিয়ে বিচাৰে তেওঁৰ দুখৰ বোজা কাৰোবাৰ চৰণ তলত নমাই নিশ্চিন্ত হ’বলৈ। সেয়ে তেওঁ আকুলভাৱে পৰমপ্ৰিয়ৰ সন্ধান কৰিছে। পৰমপ্ৰিয়ৰ ৰূপ-ছবিয়ে কবিৰ অন্তৰ ৰূপে-ৰসে ভৰাই তুলিছে। তেওঁৰ প্ৰতিটো ক্ষণ প্ৰিয়ৰ সান্নিধ্যৰ বাবে ব্যাকুল।

মৰণৰ সিপাৰে কবিৰ বাসনাৰ স্বৰ্ণময় দেশ। য’ত কবিৰ সকলো দুখৰ অঞ্জলি গ্ৰহণ কৰিব চিৰসুন্দৰে। পাৰ্থিৱ জীৱনত লাভ কৰা বেদনাৰ পূৰ্ণ পাত্ৰ সেই অপাৰ্থিৱ জীৱনত শূন্য হৈ পৰিব— কবিয়ে সেয়েই শ্যাম সমান

মৰণক ইমান প্ৰিয় কৰি লৈছে। অসুন্দৰ মৃত্যুক সুন্দৰ কৰি তুলিছে।

কবিয়ে কৈছিল, তেওঁৰ এই পৰম তৃষ্ণা সিদিনাই পূৰ্ণ হ'ব, যিদিনা-

*'চিতাগ্নি হোমাগ্নি হ'ব*
*সমীৰণ মলয় চন্দন।'*

এই ধাৰাৰ চিন্তা ভাৰতীয় কবিৰ বাবে নতুন নহয়। অন্তিম শয্যাক ফুলশয্যা আখ্যা দি চিৰসুন্দৰৰ সৈতে মিলনৰ কল্পনা কৰা কবিতা আৰু আছে। নলিনীবালা দেৱীৰ প্ৰকাশৰ ৰীতি কিন্তু নিজস্ব। যি ঐকান্তিক তেওঁৰ আত্মসমৰ্পণ, তাৰ তুলনা নাই। প্ৰিয়ৰ লগত তেওঁৰ সম্পৰ্ক অভিমান, অভিযোগ আৰু প্ৰাৰ্থনাৰে পূৰ্ণ। এইবোৰ কবিতাই সসীম জগত পাৰ হৈ এক অসীমৰ সম্ভেদ দিয়ে– য'ৰ প্ৰতিটো অনু-পৰমাণু এক অলৌকিক আনন্দ আৰু অপাৰ্থিৱ সৌন্দৰ্যৰে সমু   স্কা।

নলিনী-কাব্যৰ দ্বিতীয় সুৰ দেশপ্ৰেম। এই সুৰৰ বিশদ ব্যাখ্যাৰ প্ৰয়োজন নাই যদিহে 'জন্মভূমি' কবিতাটো এবাৰ সুঁৱৰি চাওঁ। ই এটা যুগজয়ী কবিতা–

*মেলিলো প্ৰথম চকু        তোমাৰ কোলাতে আই*
জ্জ *জনমৰ আদিম পুৱাত*
*মুদিম আকৌ চকু        তোমাৰ কোলাতেই আই*
*জীৱনৰ শেষ সন্ধিয়াত।*

দপৰ্ণত মহাকাশৰ ছাঁ পৰাৰ দৰে এই সৰু দুটা বাক্যতে কবিৰ সাগৰ-সংকাশ স্বদেশ প্ৰীতিৰ প্ৰতিফলন ঘটিছে। কবিতাটোৰ প্ৰতিটো শব্দই যেন তেওঁ উদ্ধাৰ কৰিছে গভীৰ প্ৰীতি আৰু কৃতজ্ঞতা মন্থন কৰি। একো একোটা শব্দৰ আঁৰত তাৰ হাজাৰ গুণ বেছি শব্দই অলিখিতভাৱে নিজকে প্ৰকাশ কৰিছে। জন্মভূমিৰ আকাশৰ সৰু তৰাটি, মাৰ যোৱা বেলিৰ কিৰণ, ওখ বিৰিখত বাঁহ লোৱা পখীটি– সকলোৰে জীৱন সাৰ্থক। কাৰণ ইহঁতে লাভ কৰে জন্মভূমিৰ সেৱাত লগাৰ মনোৰম সৌভাগ্য। মনোৰমা জন্মভূমিৰ ধূলিকণাটিতো সৌন্দৰ্য্যৰ সন্ধান পোৱা কবিয়ে সেয়ে গৌৰৱেৰে ক'ব পাৰে—

*দুখীয়াৰ ভগা পঁজা        একোখনি তীৰ্থ তাত*
*একোখনি পূণ্যৰ আশ্ৰম*
*মৰিলে পুনৰ আহি        দুখীয়া দেশতে মোৰ*
*পাওঁ যেন পুনৰ জনম।*

জন্মভূমিৰ বন্দনাৰে সমৃদ্ধ তেওঁৰ আন এটি কবিতা– ‘আমাৰ ওপজা ঠাই এইখনি মৰ্ত্য স্বৰ্গভূমি’। এইটি কবিতাত অসমৰ গৌৰৱময় ঐতিহ্যৰ উ স্কল ছবি কবিয়ে অংকন কৰিছে। ‘এই দেশ শংকৰৰ দেশ’, ‘শংকৰ মাধৱ’ আদি কবিতাটো কবিৰ স্বদেশ প্ৰেম প্ৰকট হৈ উঠিছে। যিখিনি দেশত সুদূৰ অতীততে সাহিত্য সংস্কৃতিৰ চৰম উৎকৰ্ষ সাধিত হৈছিল সেই মনোৰমা অসমৰ প্ৰতি গভীৰ স্নেহত কবি মগ্ন। ‘চেনেহী মাতৃ’ৰ সংস্কৃতিৰ হ’ব অভ্যুদয়’ নামৰ কবিতাটিত তেওঁ অসমৰ বাৰেৰহণীয়া, বিবিধ ভাষা, ধৰ্ম, জাতিৰ মিশ্ৰণত নিতে নৰৰূপ লোৱা সংস্কৃতিৰ বন্দনা কৰি আশা প্ৰকাশ কৰিছে–

*সৰলতা যদি সত্য হয়, মহত্বৰ আছে যদি জয়*
*চেনেহী মাতৃৰ মহা উদাৰ সংস্কৃতিৰ*
*যুগে যুগে হ’ব অভ্যুদয়।*

‘বিহু অপেচৰী’ নামৰ কবিতাত তেওঁ অসমৰ বিহুবলীয়া বতৰৰ ছবি আঁকি নিজৰেই মনৰ কথা যেন কবিতাত প্ৰকাশ কৰিছে–

*ভালপাওঁ অসমীৰ পৰ্বত ভৈয়ামৰ*
*সেউজীয়া প্ৰকৃতিৰ সুৰভৰা কুমলীয়া মন*
*মৰমে উপচি পৰা শুনো ৰূপকোঁৱৰৰ জীৱন সপোন।*

হালোৱা-পমুৱাসকলো অসমবাসীলৈ তেওঁ সাদৰে মিনতি কৰি কৈছে- – ‘বছৰৰ বিহুটিত আই বুলি মৌ মাত এবাৰ মাতিবা।’

নলিনীবালা দেৱীৰ কবিতাত এই দুটিয়েই প্ৰধান সুৰ। অসংখ্য কবিতাৰ এক বিশাল অংশ নানা উপলক্ষ্য আৰু চাহিদাত ৰচিত। এইবোৰত প্ৰয়াত বিশিষ্ট নেতা, সাহিত্যিক বন্দনাৰ পৰা উছৱৰ দিন, তীৰ্থক্ষেত্ৰৰ মাহাত্ম্য, মহানদৰ আত্মকথা আদি নানান বিষয়বস্তু সামৰা হৈছে। দুই এটি ব্যক্তিগত অনুভূতিযুক্ত কবিতাও আছে। ‘পুতলী’ নামৰ কৰুণ কবিতাটিত মাতৃপ্ৰাণৰ হাহাকাৰৰ বেদনাই পাঠকৰ মন জোঁকাৰি যায়। বিবিধ ভাৱৰ কবিতাবোৰ গঠনৰ ফালৰ পৰা নিখুঁত যদিও ৰহস্যবাদী কবিতাৰ বাবেহে কবি ঘাইকৈ সুখ্যাত হোৱাৰ বাবে এইবোৰ কবিতা বিশেষ জনপ্ৰিয় নহয়।

এই প্ৰসংগতে মনত ৰাখিবা যে উপনিষদীয় দৰ্শন আৰু ৰবীন্দ্ৰনাথৰ কবিতাৰ কিছু প্ৰভাৱ নলিনীবালাৰ কবিতাত দেখা যায়।

## ৩.২.৪ সাৰাংশ

- অতিন্দ্ৰীয়বাদী কবিতাৰ অন্যতম শ্ৰেষ্ঠ উদাহৰণ 'সন্ধিয়াৰ সুৰ' কাব্য।
- ব্যক্তিগত বিষাদ আৰু ভগৱৎ প্ৰেমৰ সংমিশ্ৰণ ঘটিছে।
- 'সন্ধিয়াৰ সুৰ'ৰ এটি কবিতাৰ মাজত মাতৃ-হৃদয়ৰ বিননিৰ প্ৰকাশো দেখা যায়।
- স্বদেশপ্ৰেমৰ সুৰ ধ্বনিত হৈছে।
- ভাৰতীয় দৰ্শনৰ প্ৰকাশে 'সন্ধিয়াৰ সুৰ' কাব্যৰ গাম্ভীৰ্য বৃদ্ধি কৰিছে।

## ৩.২.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**সঁচা মিছা নিৰ্ণয় কৰাঁ—**

(ক) নলিনীবালা দেৱীক বিহগী কবি বুলি কোৱা হয়।

(খ) নলিনীবালা দেৱীক অতিন্দ্ৰীবাদী কবি বুলি কোৱা হয়।

(গ) নলিনীবালাৰ এটি কবিতাৰ নাম 'জনমভূমি'।

(ঘ) নলিনীবালাৰ কোনো কবিতাতে ব্যক্তিগত শোকৰ প্ৰতিফলন নাই।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**খালী ঠাই পূৰণ কৰাঁ—**

যদি সত্য হয়, মহত্বৰ আছে যদি জয়

চেনেহী মাতৃৰ মহা

যুগে যুগে হ'ব ।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**শুদ্ধৰূপত মিলোৱা—**

| | |
|---|---|
| জনমভুমি | ৰহস্যবাদ |
| পৰমতৃষ্ণা | বিষাদ |
| পুতলী | উৎসৱ |
| বিহু-অপেচৰী | দেশপ্ৰেম |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**শুদ্ধ উত্তৰ নিৰ্বাচন কৰাঁ—**

(ক) নলিনীবালা দেৱীৰ কবিতাপুথিৰ সংখ্যা ৪খন।

(খ) নলিনীবালাৰ কবিতাত জন্মান্তৰবাদৰ ধাৰণা দেখা যায়।

(গ) নলিনীবালাৰ কাব্য-চিন্তাত ৰবীন্দ্ৰনাথৰ কিছু প্ৰভাৱ দেখা যায়।

(ঘ) নলিনীবালাৰ কবিতা গদ্যগন্ধী।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ ঃ**

**পাঁচোটা বাক্যত উত্তৰ লিখাঁ—**

নলিনীবালা দেৱীৰ কবিতাত মৃত্যুৰ ধাৰণা সম্পৰ্কে লিখাঁ।

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

## ৩.২.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

(ক) মিছা

(খ) সঁচা

(গ) সঁচা

(ঘ) মিছা

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

সৰলতা যদি সত্য হয়, মহত্বৰ আছে যদি জয়
চেনেহী মাতৃৰ মহা উদাৰ সংস্কৃতিৰ
যুগে যুগে হ'ব অভ্যুদয় ।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

| | | |
|---|---|---|
| জনমভুমি | - | দেশপ্ৰেম |
| পৰমতৃষ্ণা | - | ৰহস্যবাদ |
| পুতলী | - | বিষাদ |
| বিহু-অপেচৰী | - | উৎসৱ |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

(খ) নলিনীবালাৰ কবিতাত জন্মান্তৰবাদৰ ধাৰণা দেখা যায়।

(গ) নলিনীবালাৰ কাব্য-চিন্তাত ৰবীন্দ্ৰনাথৰ কিছু প্ৰভাৱ দেখা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ৰ উত্তৰ ঃ**

নলিনীবালাৰ বাবে মৃত্যু হ'ল চিতাগ্নি হোমাগ্নি হোৱা মিলনৰ মুহূৰ্ত। মৃত্যুৰ যোগেদি আত্মা-পৰমাত্মাৰ মিলন ঘটে। কবিয়ে কৈছে যে, মানুহৰ আত্মা অবিনাশী, কিন্তু শৰীৰ বিনাশশীল। এই বিনাশী শৰীৰৰ মৃত্যুত পৰম আকাংক্ষিত ভগৱানৰ লগত মিলিত হ'বলৈ তেওঁ আকুল হৈ বাট চাইছে। মৃত্যুৰ দ্বাৰাই বেদনাক জয় কৰি চিৰশান্তি পাবলৈ তেওঁ কামনা কৰিছে।

# খণ্ড ৪

# ৰোমাণ্টিক কবিতা (শেষ পৰ্ব)
# Romantic Poetry (last phase)

**প্ৰস্তাৱনা ঃ**

কুৰি শতিকাৰ চতুৰ্থ দশকৰ পৰা অসমীয়া ৰোমাণ্টিক কবিতাৰ গতি মন্থৰ হৈ পৰে। প্ৰেম-বিৰহৰ আধিক্য আৰু কল্পনা-প্ৰৱণতাৰ পৰা আঁতৰি নতুন বিষয় গ্ৰহণ কৰিবৰ বাবে কবিপ্ৰাণত ব্যগ্ৰতাৰ সৃষ্টি হয়। 'জোনাকী' আলোচনী স্তব্ধ হৈ পৰাৰ পিছত আৰু 'বাঁহী' আলোচনী গতানুগতিক হৈ পৰাৰ পিছত ৰোমাণ্টিক কবিতাৰ পূৰ্বৰ মাহাত্ম্য বহুখিনি হ্ৰাস পায়। সেই সময়ত নতুন চমকেৰে আত্মপ্ৰকাশ কৰা 'আৱাহন' (১৯২৯) আলোচনীয়ে সাহিত্যত নতুন জাগৰণৰ সৃষ্টি কৰিছিল। কোনো কোনো কবিৰ প্ৰাণত তেতিয়াও আছিল ৰোমাণ্টিক কবিতাৰ শেষ সুৰৰ প্ৰতিধ্বনি; যাৰ দুটিমান উদাহৰণ হ'ল– আনন্দচন্দ্ৰ বৰুৱা, গণেশ গগৈ আৰু দেৱকান্ত বৰুৱা। ইতিমধ্যে অম্বিকাগিৰি ৰায়চৌধুৰী আৰু অন্যান্যসকলে শক্তিশালী কৰি থোৱা ৰোমাণ্টিক কবিতাত এওঁলোকে ভাব আৰু আবেগৰ সৌন্দৰ্য সংযোগ কৰিছিল। ৰোমাণ্টিক কবিতাৰ সুদীৰ্ঘ পৰিক্ৰমাৰ শেষত দেৱকান্ত বৰুৱাই দান কৰিছিল প্ৰাক্‌আধুনিক চিন্তাধাৰা। ৰায়চৌধুৰী আৰু দেৱকান্ত বৰুৱাই কবিতাৰ আলোচনাৰ মাজেদি অসমীয়া ৰোমাণ্টিক কবিতাত ৰহস্যবাদী আৰু আধুনিকতাবাদী চিন্তাৰ কেনেদৰে সংমিশ্ৰণ ঘটিছে সেইকথাৰ উমান পোৱা যায়।

**খণ্ড ৪**

## গোট ১ ঃ ‘তুমি’ কাব্য


৪.১.০ উদ্দেশ্য

৪.১.১ প্ৰস্তাৱনা

৪.১.২ ‘তুমি’ কাব্যৰ বিষয়বস্তু

৪.১.২.১ কবি পৰিচয়

৪.১.৩ ৰহস্যবাদ আৰু অম্বিকাগিৰী

৪.১.৩.১ ‘তুমি’ কাব্যৰ আলোচনা

৪.১.৪ সাৰাংশ

৪.১.৫ অনুশীলনী

৪.১.৬ প্ৰশ্নোত্তৰ


### ১.০ উদ্দেশ্য

- অসমীয়া ৰোমাণ্টিক কবিতাত শেষৰ ফাললৈ যুক্ত হোৱা নতুন লক্ষণসমূহৰ অধ্যয়ন।
- ৰোমাণ্টিক কবিতাত প্ৰেম, দেশপ্ৰেম আৰু ভগৱৎ প্ৰেমৰ একত্ৰীকৰণ।
- ৰোমাণ্টিক কবিতাৰ মাজত আধুনিক কবিতাৰ পূৰ্ব লক্ষণৰ সন্ধান।
- ভাৱ-ভাষা আৰু শৈলীত প্ৰকাশ পোৱা নতুনত্বৰ অধ্যয়ন।

এইবাৰ ৰোমাণ্টিক কবিতাৰ শেষ পৰ্বৰ বিষয়ে তোমালোকক কিছু কথা ক'বলৈ বিচাৰিছো। আগৰৱালাৰ ‘বনকুঁৱৰী’ৰে আৰম্ভ হোৱা অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰৱাহিত গতিধাৰাত কেনেদৰে নতুন নতুন দিশৰ সংযোগ হৈছিল সেই সম্পৰ্কে থোৰতে কিছু কথা জানি লোৱাঁ।

## ৪.১.১ প্ৰস্তাৱনা ঃ

'প্ৰেম' আৰু 'বিদ্ৰোহ' নামৰ দুটা বিপৰীত ভাবৰ কবিতা লিখি অম্বিকাগিৰি ৰায়চৌধুৰীয়ে অসমীয়া ৰোমাণ্টিক কবিতাক এক অনন্য মাত্ৰা প্ৰদান কৰিছে।

এই গোটৰ জৰিয়তে ৰোমাণ্টিক যুগৰ শেষ স্তৰত প্ৰকাশ পোৱা কবিতাৰ অন্য কেইটিমান লক্ষণৰ লগত পৰিচয় কৰাই দিয়া হ'ল।

## ৪.১.২ 'তুমি' কাব্যৰ বিষয়বস্তু

### ৪.১.২.১ কবি পৰিচয়

অসমীয়া কবিতাৰ জগতত অম্বিকাগিৰি ৰায়চৌধুৰী (১৮৮৫–১৯৬৭) এটা জুইৰ আখৰেৰে লিখা নাম। খং আৰু বিদ্ৰোহৰ সুৰে উতলা এওঁৰ কবিতাত আছিল অফুৰন্ত দেশপ্ৰেমৰ সম্ভেদ। নাটক আৰু গীত ৰচনাতো প্ৰতিভাৰ পৰিচয় দিওঁতা ৰায়চৌধুৰীৰ কবিতাৰ কোমল সুন্দৰ ৰূপ এটি পোৱা যায় 'তুমি' (১৯১৫) কাব্যৰ মাজত। তেওঁৰ বাকীবোৰ পুথি হ'ল 'বীণা' (১৯১৬), 'অনুভূতি' (১৯১৪), 'বন্দো কি ছন্দেৰে', 'স্থাপন কৰ স্থাপন কৰ' আৰু কবিতাৰ বাহিৰে কেইখনমান বেলেগ পুথি।

কবি চৌধুৰীৰ হৃদয়ত দুটি অনুভৱৰ উঁহ আছিল। তাৰে এটিত আছিল অন্তহীন ক্ষোভ আৰু বিদ্ৰোহৰ আগ্নেয়গিৰিৰ লাভা। অন্যটিত প্ৰেমৰ শীতল সৰোবৰ। জলন্ত ভাৱৰ কবিতাবোৰৰ মাজত কবিৰ দেশৰ প্ৰতি থকা মৰমৰ ফলস্বৰূপে ফুটি উঠা সকলো অন্যায় অবিচাৰৰ সংশোধনৰ মনোভাৱ এটি দেখা যায়। 'মই বিপ্লৱী, মই তাণ্ডৱী' কবিতাটি কবিৰ তীব্ৰ ক্ষোভ আৰু বিদ্ৰোহৰ লগত খাজে-খাপে খাইপৰা শব্দৰে সুশোভিত। কবিতাটিত কবিয়ে ব্যক্তি-সত্বাক অতিক্ৰম কৰি সংস্কাৰকামী মনৰ চিৰন্তন মানৱৰ মাজত থকা এক শুভশক্তিৰ ৰূপ গ্ৰহণ কৰিছে। তেওঁ ক্ষুদ্ৰ মানৱৰ পৰা উত্তৰণ কৰিছে বিশাল মানৱলৈ। তেওঁ কালবিজয়ী আৰু কাল-বিনাশী। সময়ে তেওঁৰ গা-ত আচোঁৰ পেলাব নোৱাৰে। তেওঁৰ মাজত উদ্‌গীৰণৰ বাট বিচাৰিছে যি বিপ্লৱৰ আগ্নেয় অনুভৱে—

***নভো মহানীল চিৰাচিৰ কৰি***
***প্ৰলয় ভঙ্গী উঠে তাৰ চৰি,***

সেই অতিশক্তিমান লাভাপুঞ্জক থ'বলৈ-ক'বলৈ বিচাৰি পোৱা নাই উপযুক্ত আধাৰ পাত্ৰ। তেওঁৰ প্ৰলয় তাণ্ডৱত ধ্বংস কৰিবলৈ কবিয়ে দেশ-কাল-সমাজৰ সকলো অশুভ আৰু অনাচাৰৰ ফালে চকু দিছে। তেওঁ দেখিছে বিলাসৰ অলসতাত কৰ্মৰ-দীপ্তি ম্লান হৈ অহা মানুহ। দেখিছে প্ৰবঞ্চনা আৰু কুহকিনী

ৰূপৰ মোহত পৰি বিপথগামী হোৱা পৱিত্ৰতাৰ গতি। সমাজৰ আগশাৰীৰ আসন পোৱা কবি-কলাকাৰ দেশনেতাৰ কথা আৰু কামৰ মাজত থকা বিসংগতিয়েও কবিৰ তাণ্ডৱ-স্পৃহা দৃঢ় কৰিছে। পদ-মৰ্যাদা আৰু ক্ষমতাৰ লোভত পৰি বিবেক আৰু মনুষ্যত্বক বিসৰ্জন দিয়া এচামক দেখিও তেওঁৰ ক্ৰোধ উতলি উঠিছে।

*কোনফালে চাই কোনফালে লৰোঁ*
*কোনটিক এৰি কোনটিক ধৰো !*

চাৰিওফালে ঠগ-প্ৰবঞ্চনা, লোভ আৰু লালসা। জীৱন দিনে দিনে বিষাক্ত হৈ উঠিছে। কিন্তু খঙত উতলা কবিয়ে এপাকত বুজি উঠিছে, বাহিৰৰ জগতলৈ যোৱাৰ আগতে নিজৰ ভিতৰখন ভালদৰে চোৱা উচিত। স্বৰ্গ-নৰক নিজৰ ভিতৰতে, সৃষ্টি-স্থিতি-প্ৰলয়-বিনাশ সকলোবোৰ মানুহৰ ভিতৰতেই ঘটিব লাগিছে। গতিকে তেওঁৰ মতে, নিজক শুদ্ধ কৰিব পাৰিলেই দেশ আৰু সমাজ হৈ উঠিব সৎ আৰু পৱিত্ৰ।

ৰায়চৌধুৰীৰ কবিতাৰ এই জুই বৰষা সুৰৰ লগে লগে থকা আনটো সুৰ নতুনকৈ সৰা নিয়ৰৰ দৰেই প্ৰাণ শীতলকাৰী। প্ৰেমৰ কবিতাত তেওঁৰ প্ৰতিভা কিমান নিমজ আছিল তাৰ উমান পোৱা যায় 'সুৰী দৌত্য' নামৰ কবিতাটোত। কবিৰ প্ৰিয়াৰ মধুৰ অপেক্ষা ভাঙিবলৈ কবিয়ে বীণাখনি হাতত তুলি লৈছে, যাতে সুৰৰ ঢৌ উটি গৈ সেই প্ৰেয়সীৰ গানৰ সতে একাকাৰ হৈ পৰে। হিয়াৰ মাজত কবিৰ বেদনাৰ জুই জ্বলিছে, বিৰহৰ অগনিত তেওঁ কাতৰ। প্ৰিয়াৰ মিলনৰ বাবে এয়ে উপযুক্ত সময়—

*এই খেনতেই আহি যদি তেওঁৰ সাদৰি-আদৰি*
*চুমাটি খায়*
*দুয়োৰে মাজত বেথা জ্বলি থকা তেহে যদি এই*
*যাতনা খায়!*

হৃদয়ৰ দুৱাৰ মেলি প্ৰিয়াৰ আগমনলৈ বাট চাই থকা কবি যেন চিৰন্তন এক প্ৰেমিক পুৰুষ। শতজনমৰ যাতনা বুকুত লৈ তেওঁ অপেক্ষা কৰিছে প্ৰেয়সীৰ বাবে, যি প্ৰেয়সী অন্তহীন শান্তি আৰু আশ্ৰয়ৰ প্ৰতীক।

## ৪.১.৩ ৰহস্যবাদ আৰু অম্বিকাগিৰী ৰায়চৌধুৰী

অসমীয়া ৰহস্যবাদী কবিতাৰ ক্ষেত্ৰত অম্বিকাগিৰী ৰায়চৌধুৰী এটা উল্লেখযোগ্য নাম। তেওঁৰ কবিতাৰ এটা শাখাত আছে বিদ্ৰোহী অনুভূতিৰ প্ৰচণ্ড শক্তিশালী কবিতাবোৰ আৰু আনটো শাখাত আছে প্ৰেম আৰু অনুৰাগৰ সুকোমল অনুভূতিৰ মনোৰম প্ৰকাশ থকা কবিতাবোৰ, যাৰ উদাহৰণ হ'ল 'তুমি' কাব্য। সীমাৰ পৰা অসীমলৈ কৰা যাত্ৰাপথৰ সাৰ্থক ৰূপায়ণ ৰূপে

অম্বিকাগিৰীৰ 'তুমি' কাব্য জিলিকি আছে। ৰায়চৌধুৰীৰ ইন্দ্ৰিয়জ্ প্ৰেম-বাসনাৰ উত্তৰণ ঘটি ইন্দ্ৰিয়াতীতলৈ গতি কৰাৰ লগে লগেই তাৰ লগত আধ্যাত্মিক চিন্তা সংপৃক্ত হৈ পৰিছে। ৰায়চৌধুৰীৰ প্ৰেমৰ এই মননশীল উত্তৰণ 'তুমি' কাব্যত সুন্দৰৰূপত ধৰা দিছে। প্ৰেমৰ সৰ্বব্যাপী অৱস্থিতিৰ অনুভৱে কবিক এক অনিৰ্বচনীয় আনন্দ প্ৰদান কৰিছিল। প্ৰেমক সকলোতে পৰিব্যাপ্ত হৈ পৰা বুলি অনুভৱ কৰা কবিয়ে যিফালে চাই, সেইফালেই প্ৰেমকে দেখা পায়—

*যেতিয়া যিফালে চাওঁ*
*প্ৰেমকেহে দেখা পাওঁ*
*অসীমৰ বিৰাট অঞ্চল*
*ৰঞ্জিত প্ৰেমত*

ৰবীন্দ্ৰনাথেও বিশ্বৰ সৰ্বত্ৰ সিচঁৰতি হৈ থকা মহা প্ৰেমক আপোন হৃদয়ত অনুভৱ কৰে। এই অনুভৱৰ অন্তৰালত উপনিষদৰ ব্ৰহ্ম-ধাৰণাই ৰবীন্দ্ৰ-চিন্তাত প্ৰৱেশ কৰাৰ দৰেই অম্বিকাগিৰীৰ হৃদয়কো স্পৰ্শ কৰিছিল। প্ৰকৃতিৰ সৰ্বত্ৰ সেই অচিনা-অজানা অস্তিত্বৰ নামৰ ধ্বনি-প্ৰতিধ্বনিৰে মুখৰিত। কবিৰ অন্তৰাত্মাৰ প্ৰেমময়ক, ৰসময়ৰূপে উপলব্ধি কৰাটোও উপনিষদৰেই অনুৰণন বুলিব পাৰি—

*সৰস উপভোগৰ*
*সুৰভিত ফুলে ফুলে*
*লৱণু ছন্দত*
*ধৰণীৰ বুকু ফালি*
*তযু নামৰ অভ্ৰভেদী*
*সংগীতৰ ধাৰ।* — *তুমি*

অসমীয়া ৰহস্যবাদী কবিতাত অম্বিকাগিৰী ৰায়চৌধুৰীৰ বিশিষ্ট আসন আছে। তেওঁৰ চিন্তাধাৰত দেশপ্ৰেমৰ সুৰটো প্ৰৱল যদিও ৰহস্যবাদৰ কোমলতাতো তেওঁ দক্ষ আছিল। অম্বিকাগিৰীৰ 'তুমি' কাব্যত 'বিশ্বনাথ' পৰম শক্তিৰ ৰহস্যময় স্বৰূপ বৰ্ণনা কৰা হৈছে। উপনিষদীয় ব্ৰহ্মবাদৰ উপলব্ধিৰ ফলস্বৰূপে কবিৰ মনত এক পৰমসত্তাৰ লগত একাত্ম হোৱাৰ চেতনা নিহিত কৰি কবিক আজীৱন পৰিচালিত কৰিছে। কবিয়ে নিজৰ মাজতে আত্মা আৰু পৰমাত্মাৰ দ্বৈতভাৱ আৰোপ কৰি ব্ৰহ্মক উপলব্ধি কৰিছে। উপনিষদীয় ব্ৰহ্মক উপলব্ধি কৰি, আত্মচেতনাত তাক সংৰক্ষিত কৰি, সেই মহা উপলব্ধি তত্ত্বৰ পৰা কাব্যানুভৱলৈ পৰিৱৰ্তন কৰা ৰবীন্দ্ৰনাথৰ

লগত অম্বিকাগিৰীৰ অনুভৱৰ প্ৰকাশ অতি ওচৰচপা।

'তুমি' কাব্যত আনন্দবাদৰ ধ্বনি অনুৰণিত হয়। বিশ্বব্যাপী সৌন্দৰ্যৰ মাজত এক পৰমসত্তাৰ অৱস্থিতিৰ পৰিপূৰ্ণ উপলব্ধি অম্বিকাগিৰীৰ 'তুমি'।

*আনন্দ লহৰি কলে কলে*
*উঠে হিয়া আগুৰি*
*অতৃপ্তি হিয়াৰ মাজত*
*আঁতৰাই বিশ্বৰ বাজত*
*প্ৰাণ মোৰ মহা সৌন্দৰ্যত*
*পৰে আজি বাগৰি।*

সীমাৰ মাজত অসীমৰ, ৰূপৰ মাজত অৰূপৰ উপলব্ধিয়েই ৰবীন্দ্ৰ কাব্যৰ সৌন্দৰ্য। অম্বিকাগিৰীৰ 'তুমি' কাব্যতো কবিৰ মন উৰা মাৰিছে সেই অৰূপৰ সন্ধানত সীমাৰ পৰা অসীমৰ বুকুলৈ। তাৰ পিছত ক্ৰমে ক্ৰমে আহিছে কবিৰ সিদ্ধিলাভৰ অৱস্থা। নিজৰ মাজতে তেওঁ বিচাৰি পাইছে সেই ৰহস্যময়ৰ অস্তিত্ব—

*সহায় সম্পদহীন ক্ষুদ্ৰ ই জীৱন*
*সমুখত দেখি কিবা অজানা ৰতন*
*সুখ শান্তি কাতি কৰি*
*নানা বাট ধৰি ধৰি*
*মিছাতে ভৰমি মৰে অনন্ত জগত*
*পূৰ্ণ ৰূপে আছে কিন্তু হিয়াৰ মাজত।*

এনেদৰেই 'তুমি' কাব্যত কবি-মানসৰ বিচিত্ৰ চিন্তাধাৰাৰ সীমাৰ পৰা অসীমলৈ হোৱা উত্তৰণ স্পষ্টভাৱে প্ৰতিভাত হৈ আছে। সত্যেন্দ্ৰনাথ শৰ্মাই 'অম্বিকাগিৰী ৰায়চৌধুৰীৰ প্ৰতিভা' শীৰ্ষক পাতনি (অম্বিকাগিৰী ৰায়চৌধুৰীৰ ৰচনাৱলী)ত কৈ যোৱা 'ৰবীন্দ্ৰনাথৰ সৈতে দূৰান্বয়ী প্ৰভাৱৰ সম্ভাৱনা'ৰ আঁত ধৰি দেখা যায় যে, ৰবীন্দ্ৰনাথৰ লগত অতি ওচৰচপা সাদৃশ্য আৰু একেবাৰে কম ক্ষেত্ৰত ভাব-বিষয় আৰু ৰূপৰ সংগ্ৰহণো পৰিলক্ষিত হয়। অৱশ্যেই এই সমৰূপতাৰ মূলতেই আছিল ভাৰতীয় উপনিষদীয় ঐতিহ্য।

### ৪.১.৩.১ 'তুমি' কাব্যৰ আলোচনা

ৰায়চৌধুৰীৰ কবিতাত থকা ৰহস্যবাদৰ আলোচনাৰ বাবে 'তুমি' কাব্য সুন্দৰ উদাহৰণ। সীমাৰ পৰা অসীমলৈ কৰা যাত্ৰাপথৰ সাৰ্থক ৰূপায়ণ ৰূপে কাব্যখনি জিলিকি আছে। 'তুমি' কাব্যক কবিৰ বিশ্বৰূপ

দৰ্শন বুলি ক'ব পাৰি। বিন্দুতে সিন্ধুৰ দৰ্শনৰ দৰে তেওঁ এক পৰম শক্তিৰ মাজত দেখিছে অজস্ৰ ৰূপৰ মেলা। সকলো সুন্দৰ আৰু সকলো মঙ্গলময়ৰ ৰূপৰ আধাৰ যেন সেই পৰম শক্তি। প্ৰেমিকাৰ দৈহিক আৱেদন, জননীৰ সুগভীৰ স্নেহ, পত্নীৰ প্ৰেম আৰু ভগ্নীৰ মৰমৰ মাজত নাৰীয়ে নানা ৰূপে তেওঁলৈ চিৰসুন্দৰৰ বাতৰি বহন কৰে। প্ৰকৃতিৰ অপৰূপ জগতত সকলো সুন্দৰ, শান্ত, স্নিগ্ধ আৰু ভয়ংকৰ ৰূপৰ মাজতো তেওঁ দেখা পায় পৰম-সুন্দৰৰ অস্তিত্বৰ প্ৰচণ্ড প্ৰকাশ। তেওঁৰ প্ৰাণে কৈ উঠে—

*সকলো তুমিয়ে নাথ*
*জগতত দেখিছো যিমান।*

সেই চিৰসুন্দৰক প্ৰাণৰ মাজত ধৰোঁ ধৰোঁ বুলিও ধৰিব নোৱাৰি অতৃপ্তি আৰু হেঁপাহৰ মায়াজালেৰে ভৰা তেওঁৰ প্ৰাণৰ কাতৰোক্তি পৰিণত হৈছে অতীন্দ্ৰিয়বাদী কামনালৈ।

সাতোটা ছেদত বিভক্ত 'তুমি' কাব্যখনিত কবিৰ সুগভীৰ আবেগ-অনুভূতিৰ সুতীব্ৰ উত্থান-পতন লক্ষ্য কৰা যায়। তেওঁৰ ভাষা আবেগময়ী। বৰ্ণনাশক্তি তীব্ৰ উজস্কলতাৰে ভৰপূৰ। শব্দচয়নত তেওঁ সতৰ্ক আৰু ৰুচিশীল। তুমি কাব্যক বাণীকান্ত কাকতীয়ে অম্বিকাগিৰীৰ বিশ্বৰূপ দৰ্শন বুলি কৈছে। কাৰণ বিন্দুতে সিন্ধু দৰ্শনৰ দৰে তেওঁ এক পৰম শক্তিৰ মাজতে দেখা পাইছে অজস্ৰ অৰূপ ৰূপৰ মেলা। সকলো সুন্দৰ, সকলো মংগলময় ৰূপৰ আধাৰ যেন সেই পৰম শক্তি। প্ৰথম ছেদত এজনী সুন্দৰীৰ ৰূপে ৰসে ভৰা ৰমণীয়তাৰ লগত কবিয়ে তেওঁৰ সাদৃশ্য বিচাৰি পাইছে। এই অংশত কবিৰ স্বচ্ছন্দ অনুভূতি নিগৰি ওলাইছে কোমল কোমল শব্দ-সম্ভাৰক সাৰথি কৰি। পাৰ্থিৱ শৰীৰক সুন্দৰতাৰে যিবোৰ সৌন্দৰ্য কণিকাই, সেই আটাইবোৰকে কবিয়ে বিভিন্ন কোণৰ পৰা পৰ্যবেক্ষণ কৰিছে—

তুমি অমিয়          মাধুৰী সনা
মুখখনি সুন্দৰ নিখুঁত;
তুমি সুৰদী          কটাক্ষ এটি
সুন্দৰীৰ পদুম চকুত।

কেৱল প্ৰিয়াৰ ৰূপেই নহয়, মৰমৰ উমে ভৰা হিয়াৰ আকৰ্ষণো কবিয়ে অনুভৱ কৰিছে। সেই হিয়াত অপৰূপ সৌন্দৰ্যৰ তুলনা নাই। প্ৰেম অকলুৱা হৃদয়ৰ সকলো হেঁপাহ, সকলো আশা-নিৰাশা অবুজ সৌন্দৰ্য প্ৰভাৱে উদ্ভাসিত।

য'তে সুন্দৰতা, য'তে মধুৰতা; তাতে তেওঁ প্ৰেম আৰু বিৰহত, অনুৰাগ আৰু নিৰাশাত, অভিমান আৰু অনুযোগত তেওঁৰে মোহন মূৰতি। কবিৰ অনুভৱে

গতি কৰিছে প্ৰেমৰ উপাসনাৰ সকলো দৈহিক উপচাৰৰ মাজেদি। তীব্ৰ দেহজ সৌন্দৰ্যই যৌৱন মতলীয়া আকুল যুৱকক যিদৰে আকৰ্ষণ কৰে, যিদৰে দেহ সৌন্দৰ্যৰ প্ৰতি ৰেখাৰ মাজেৰে উদগ্ৰ কামনাই প্ৰেমিকৰ আহ্বান কৰে– সেইদৰেই তেওঁৰ প্ৰিয়ৰ ৰূপে কবিক উন্মাদ প্ৰায় কৰি তুলিছে। তেওঁৰ অনুনয়–

*সকলো তুমিয়ে নাথ*<br>*জগতত দেখিছোঁ যিমান।*

প্ৰথম ছেদৰ এই অংশত কবিৰ ভাষা উচ্ছ্বাস হয়, আৱেগপ্ৰৱণ। সময়ে সময়ে দেহ-বন্দনাৰ প্ৰখৰ সুৰে মূল কাব্যিক আকৰ্ষণক সৌন্দৰ্যহীন কৰি তুলিছে– কোনো কোনো অংশত, যেনে–

***তুমি চাও নে নাচাওঁ কই***<br>***চকুজুৰি ওৰণি আঁৰত;***<br>***তুমি হাহোঁনে নাহাহোঁকই***<br>***মুখখনি ওলোৱা প্ৰেমত।***

আৰু এনে বহুতো স্তৱকত দেখা যায় আগৰৱালাৰ কবিতাৰ সাদৃশ্য। এইবোৰে মনত পেলায় ‘মাধুৰি’লৈ। অৱশ্যে ৰায়চৌধুৰীৰ ভাষাত সামগ্ৰিকভাৱে আগৰৱালাৰ প্ৰভাৱ নাই। সৰ্বমুঠ বিচাৰত তেওঁৰ কবিতা নিজস্ব শৈলীৰে চহকী।

প্ৰিয়াৰ প্ৰেমৰ মাদকতাতকৈও বেছি গভীৰ জননীৰ স্নেহ। সেই স্নেহৰ সৰোবৰত বুৰ দিলে পৃথিৱীৰ কোনো পাৰ্থিৱ সুখ আৰু অৱসাদে স্পৰ্শ কৰিব নোৱাৰে। সেই অতুলনীয় স্নেহৰ মাজতো আছে কবি ৰায়চৌধুৰীৰ ‘তুমি’ৰ প্ৰকাশ। মানুহৰ জীৱনত শান্তিৰ আশ্ৰয় স্বৰূপ পৰিয়ালৰ বান্ধোনত পৰম পিতা ভগৱানৰ আছে বিচিত্ৰ ভূমিকা মাতৃৰূপে তেওঁ সন্তানৰ স্নেহত আকুল, সন্তানৰূপে আকৌ তেৱেঁই মাতৃৰ ওচৰত আদৰুৱা মনৰ অভিমানী শিশু। দাম্পত্য জীৱনত সুখে-দুখে ভৰা মৰম-চেনেহৰ সংসাৰত তেওঁ আনন্দ, বিশ্ৰাম, দায়িত্ব আৰু বুজাবুজিৰ সকলো শুভ শক্তি হৈ জিলিকি থাকে।

পৰিয়ালৰ বান্ধোনতকৈ বেছি বিস্তৃত সমাজৰ বিচিত্ৰ পৰিবেশ। এনে পৰিবেশত যিমানবোৰ সৎ বুদ্ধি আৰু শুভ চিন্তা বিকশিত হ’ব পাৰে, আটাইবোৰৰ মাজতে কবিয়ে দেখিছে ভগৱানৰ প্ৰকাশ। বহুৰূপী বিচিত্ৰবেশী সেই অসীম শক্তিমানক প্ৰণাম কৰি কবিয়ে কৈ উঠিছে –

***কিমান ধেমালি তুমি***<br>***খেলি আছা মুকলি মনেৰে,***<br>***প্ৰণাম কৰিছোঁ লোৱা***<br>বিৰহ দগ্ধ পৰাণেৰে।

ঘৰ আৰু সমাজৰ সীমিত পৰিসৰৰ পৰা কবিয়ে এইবাৰ মূৰ তুলি চালে প্ৰকৃতিৰ অপৰূপ জগতলৈ। তাত যে সৌন্দৰ্যৰ পাৰাপাৰ নাই। সকলো সুন্দৰ। কোনোটো ভয়ংকৰ, কিন্তু প্ৰতিটোৰ মাজতে ভগৱানৰ অৱস্থিতিৰ প্ৰচণ্ড প্ৰকাশ। জোনাকৰ ৰূপোৱালী জুই, বিজুলীৰ চঞ্চল লয়লাস, ৰামধেনুৰ মায়াময় ৰূপ, নদীৰ উজস্কল গতি এই সকলোবোৰ সৌন্দৰ্যৰ স্থিৰ চিত্ৰত মাজত ভাস্কৰ হৈ আছে তেওঁৰে ৰূপ। ভগৱানৰ চিৰ সুন্দৰ শাশ্বত ৰূপ যুগে যুগে কবি সকলে প্ৰত্যক্ষ কৰি আহিছে। আদিম মানৱে প্ৰকৃতিৰ বুকুত দেখিছিল ভগৱানৰ বিৰাট ৰূপৰ প্ৰথম প্ৰকাশ। সেই প্ৰকাশে তেওঁসোকৰ প্ৰাণৰ কবিজনক অনুপ্ৰাণিত কৰিছিল সূৰ্য্য বন্দনালৈ, নদী বন্দনালৈ। সেই বন্দনাৰ ভাষা মন্ত্ৰ আৰু স্তোত্ৰৰ পৰা বাগৰি বাগৰি ক্ৰমে আহি কবিতাত পৰিণত হ'ল। আমাৰ কবিয়েও প্ৰকৃতিৰ বাবে বাবে ৰহন সলোৱা ৰূপৰ চমকনিৰ আঁৰত পৰম সুন্দৰৰ অৱস্থিতি অনুভৱ কৰি মুগ্ধ আৰু অভিভূত হৈ পৰিছে। তেওঁ মুগ্ধতা মাজে মাজে বিশ্ময়লৈ পৰিবৰ্তিত হৈ পৰে–

*তুমি কি বিশাল! কি বিৰাট!*
*মহানীল সীমাহীন শূণ্য;*
*তুমি কি গুৰু গুঢ় ৰহস্য*
*কি তত্ত্ব কৰিছা প্ৰতিপন্ন ?*

কবিৰ অকপট স্বীকাৰোক্তি— 'সকলোতে তোমাৰেহে দেখা পাওঁ মঞ্জল মু'খনি' সেই দিব্য দৰ্শনৰ ফলত তেওঁৰ মন প্ৰাণ সৃষ্টি আৰু প্ৰৱল পৰম সৌন্দৰ্যময়ৰ ৰূপ সুধা পানত মতলীয়া হৈ উঠিছে।

এইখিনিৰ পৰাই কবিৰ গতি ভিন্ন পথেদি আগবাঢ়ি যোৱা পৰিলক্ষিত হয়। সকলো বিষয়ৰ আঁত বিচাৰি আৰু ৰহস্য উৎস বিচাৰি তেওঁ ব্যাকুল হৈ উঠিছে। তদুপৰি তুমি ভগৱানৰ বিশ্ব সৌন্দৰ্যত কবিয়ে অসীমৰ বিৰাট প্ৰেম-ৰঞ্জিত দেখিলে, কিন্তু ভগৱানৰ বিমোহন ৰূপ কবিয়ে সম্পূৰ্ণ উপলব্ধি কৰিব পৰা নাই। কিয়নো কবিৰ মনত যি প্ৰেম আছিল, সি–

*''কামনাৰ তলতীয়া*
*কামনাত মতলীয়া*
*সেই প্ৰেম মহা পৰাধীন*
*ইন্দ্ৰিয় ভোগৰ।*
*তাতহে তাহানি খন*
*নাপালো তোমাৰ মন*
*নকৰিলো প্ৰকাশ তোমাৰ*
*বিমোহন ৰূপ।''*

কবি আছিল বাসনাৰ আঁৰত, ভগৱান আছিল বাসনাৰ সিপাৰত; বাসনাই কবি আৰু ভগৱানৰ মিলনৰ প্ৰধান অন্তৰায়। কবিৰ দৃষ্টিভংগী ৰহস্যবাদী সকলৰ সমপৰ্যায়ৰ। ৰহস্যবাদী সাধক কবিয়ে সমস্ত ভুৱন প্ৰেমময় দেখে। তেওঁলোকে সকলো সুন্দৰৰ আঁৰত এক প্ৰেমময় শক্তিৰ অস্তিত্ব অনুভৱ কৰে। সেই প্ৰেমময়ৰ সন্ধানত ব্যাকুল আৰু কাতৰ হৈ পৰে তেওঁলোকৰ মন। সন্ধানৰ যন্ত্ৰণাই ক্ষত-বিক্ষত কৰি তোলা হৃদয়েৰে তেওঁলোকে পৰম প্ৰিয় সুন্দৰক অভিযোগ আৰু অভিমান কৰি নিজৰ কাষলৈ আহ্বান কৰে। ভাৰতীয় বৈষ্ণৱ সাধকসকলৰ বহুতেই গীত কবিতাৰ মাজত প্ৰকাশ কৰিছে এনে ৰহস্যবাদী মনোভাৱ, মহাপুৰুষ মাধৱদেৱৰ 'নামঘোষা'তো ভগৱানৰ কৰুণা লাভৰ আশাত একান্ত আত্মসমৰ্পণ কৰা কৰুণ কাতৰ কবি প্ৰাণৰ আকাশৰ মাজত ৰহস্যবাদৰ উমান পোৱা যায়। চুফীসকলৰ ভগৱৎ চিন্তাও এক প্ৰকাৰ ৰহস্যবাদৰে নামান্তৰ। ভগৱানক প্ৰেমিকা বুলি কল্পনা কৰি প্ৰেমিক-ৰূপী সাধকসকলে যেন দেখা পায়, সকলোতে তেওঁৰে ৰূপৰ প্ৰকাশ। তেওঁকে বিচাৰি চিৰকাল সাধক আৰু কবিৰ মনত জমা হৈ থাকে পুঞ্জীভূত অতৃপ্তি। তেওঁক বিচাৰি কবিয়ে কাতৰ কণ্ঠে কৈ উঠে – 'অ' মোৰ পৰম প্ৰিয়, তুমি ক'ত ? তুমি ক'ত ? তুমি ক'ত?' বৈষ্ণৱ কবিয়ে অভিমানৰ সুৰত–

*''মোক নিজ দাস কৰি লৈলে হৰি এ*
*কহিলো কৃপাল*
*কি হয় তোমাৰ হানি।''*

বুলি কোৱাৰ দৰে কবি ৰায়চৌধুৰীয়ে কৈছে –

*কি স'তে বান্ধিছা নাথ! ভীষণ হেঙাৰ*
*সৌন্দৰ্য উপৰি পৰা দ্বাৰত তোমাৰ?*
*নাজানানে দয়া-মায়া?*
*আকুল এখনি হিয়া*
*বিৰহৰ বহ্নিময় বেলিৰ তলত*
*তোমাকে ধিয়ান কৰি বিভোৰ ভাবত।*

এই সহজ প্ৰীতিৰে জন্ম দিয়া অভিযোগ সেইখন হিয়াতহে উৎপন্ন হ'ব পাৰে, য'ত আছে গভীৰ বিশ্বাস আৰু নিবিড় আস্থা, ৰায়চৌধুৰীত ভগৱৎ প্ৰীতি সেইবাবেই উকা অভিপ্ৰায়ৰ ঠাইত হৈ পৰিছে অতিন্দ্ৰীয়বাদীৰ বাসনা।

কবিৰ যেন কাণত পৰে সেই চিৰ সুন্দৰৰ আগমনৰ মৃদু মধুৰ পদধ্বনি। কিবা এটা নুবুজা সুৰত তেওঁৰ হৃদয় কঁপি উঠে–

*উগুল থুগুলকৈ*
*মন্দিৰৰ বাজ হৈ*
*থিয় দিলো দুৱাৰ মুখত*
*– উদাস চঞ্চল*

*শুনিলো কি এটি সুৰ*
*বিয়পি সুদূৰ দূৰ,*
*বিনাইছে কিহৰ দুখত*
*কঁপাই চঞ্চল।*

চিনো চিনো কৰিও চিনিব নোৱৰা। মনত পৰো পৰো কৰিও নপৰা সেই অভিনৰ সুৰে তেওঁৰ মন বিস্ময় আৰু কৌতূহলেৰে ভৰাই তুলিছে – যেন ‘অঞ্চল ধৰিতে গেলে পালাও চঞ্চল হেসে। কবিৰ মন উৰা মাৰিছে সেই অপৰূপ সন্ধানত সীমাৰ পৰা অসীমৰ বুকুলৈ। তাৰ পিছত ক্ৰমে ক্ৰমে আহিছে কবিৰ সিদ্ধিলাভৰ অৱস্থা। নিজৰ মাজতে তেওঁ বিচাৰি পাইছে সেই ৰহস্যময়ৰ অস্তিত্ব। এই উপলব্ধিৰ আগলৈকে প্ৰাপ্তিৰ আশা আৰু অপ্ৰাপ্তিৰ আশংকাই কবিৰ হৃদয় ক্ষত-বিক্ষত কৰি থৈছিল। আশা-নিৰাশাৰ দোমোজাত দোদুল্যমান কবি হৃদয়ে এবাৰ হাঁহিছিল, এবাৰ অভিমান কৰিছিল। সেয়া যেন আছিল ৰহস্যবাদী সকলৰ ‘আত্মাৰ আন্ধাৰ ৰাতি’ অতিক্ৰম কৰাৰ অৱস্থা। পৰিপূৰ্ণ হৃদয়েৰে তেওঁ উপলব্ধি কৰিছে– মানৱ জীৱনৰ সকলো ভাৱ-চিন্তা, অনুভূতি আৰু কাৰ্য, অসীম আৰু অৰূপৰ ৰূপ-লীলা মাথোন। এইবোৰ হ’ল সেই অৰূপৰ আত্মপ্ৰকাশৰ বিভিন্ন প্ৰকাৰ। কবিৰ তুমিয়েই ‘মই’, ‘মই’য়েই ‘তুমি’। ঋষি বাক্যত ‘তত্ত্ব মঃসি’— জগতত যি আছে সকলো ‘তুমি’ময়’।

‘তুমি’ কাব্যত কবি মানসৰ বিচিত্ৰ চিন্তাধাৰাৰ সীমাৰপৰা অসীমলৈ হোৱা উত্তৰণ স্পষ্টভাৱে প্ৰতিভাত হৈ আছে। প্ৰথম অংশৰ কবিতাবোৰ উকা দৃষ্টিত স্থূল দৈহিক প্ৰেমৰ বন্দনা বুলি ভুল হ’ব খোজে। ‘‘অৱশ্যে ইবোৰে শ্যেলী; বাইৰণৰ কাব্যৰ নিচিনা কামজ প্ৰেমৰ গণ্ডীৰ ভিতৰত আৱদ্ধ নাথাকি ইন্দ্ৰিয়গ্ৰাহ্য সম্ভোগৰ ভিত্তিত ইন্দ্ৰিয়াতীত অনুভূতিত পৰিণত হৈ জাগতিক আসক্তিৰ ক্লেশৰ হাত এৰাই অনন্তৰ ভূমা সৌন্দৰ্যত সান-মিহলি হৈ যাবলৈ প্ৰয়াস বিচাৰিছে। সুন্দৰী বিয়েত্ৰিচৰ ‘স্বৰ্গীয় নয়ন’ দুটিয়ে ইটালীৰ মহাকবি ডাণ্টেক চৈধ্য ভুৱন আৰু ভগৱন্তৰ ৰূপ দেখুওঁৱাৰ দৰে আমাৰ কবিকো উদ্দিন্ন-যৌৱনা যুৱতীৰ মদন পিছলি পৰা সৌন্দৰ্য-প্ৰসঙ্গই জগতৰ সকলো সৌন্দৰ্যৰ মাজত বিহাৰ কৰাইছে আৰু শেষত অনন্তৰ লগত সাক্ষাৎ কৰাব খুজিছে। চমুকৈ ক’বলৈ গ’লে ইয়াত ‘‘ব্যক্তিগত সন্মোহনৰ ভিত্তিত সৰ্বজনীন সন্মোহন প্ৰতিষ্ঠিত হৈছে আৰু ইয়াৰ জৰীয়তে কবি আত্মা আৰু ঈশ আত্মা একীভূত হৈছে।

ৰায়চৌধুৰীৰ সমগ্ৰ কবিতাৰ মাজত যি সুৰ বেছি দীপ্তিমান; সি হ'ল স্বদেশপ্ৰেমৰ সুৰ। 'তুমি'ৰ মাজত তেওঁৰ ভিতৰৰ ৰহস্যবাদী কবিজনে এবাৰ দেখা দিয়েই কৰ্তব্যবোধৰ তাগিদাত অন্যফালে ব্যস্ত হৈ পৰিল। ফলত কবিৰ কবিতাবোৰ পিছলৈ হৈ পৰিছে কঠিন শব্দৰ সংযোগ। তীব্ৰ উদ্দীপনাময় ভাষা আৰু খৰস্ৰোতা নদীৰ দৰে ছন্দৰ সহযোগত দীপ্ত আৰু প্ৰখৰ চেতনাময় কবিতা। 'তুমি'ৰ শান্ত কোমল প্ৰভা এইবোৰত নাই। দেশপ্ৰেমৰ কবিতাবোৰ কবি নজৰুলৰ দৰে বিদ্ৰোহী। তেওঁৰ কবিতাত দেখা যায় নজৰুলৰ দৰেই সুগঠিত শব্দৰ সমাহাৰত বৈ অহা লাভাৰ দৰে জস্কুলন্ত চিন্তাধাৰা। কিন্তু 'তুমি' কাব্যত তেওঁৰ একান্ত ব্যক্তিগত অনুভূতিৰ প্ৰকাশে কবিতাবোৰত স্নিগ্ধতা দান কৰিছে। অসমৰ ৰহস্যবাদী কবিতাৰ ভিতৰত 'তুমি' স্ব-আসনত স্ব-মহিমাৰে প্ৰতিষ্ঠিত হৈ আছে। দেশলৈ মৰম আৰু জাতিলৈ কৰ্তব্যবোধেৰে হাজাৰ দায়িত্বৰ মাজত হেৰাই যোৱা এজন প্ৰকৃত কবিক এই পুথিখনে আমাৰ বাবে সাঁচি থৈছে।

## ৪.১.৪ সাৰাংশ

- কবিমানসৰ বিচিত্ৰ চিন্তাধাৰাই সীমাৰ পৰা অসীমলৈ স্পষ্টভাৱে উত্তৰণ ঘটিছে।
- পাৰ্থিৱ প্ৰেম ভগৱৎ প্ৰেমলৈ ৰূপান্তৰিত হৈছে।
- কবিতাৰ ভাষা কোমল আৰু মনোৰম, শব্দ প্ৰয়োগ বৈশিষ্ট্যসম্পন্ন।
- সৌন্দৰ্য, আনন্দ আৰু ৰহস্যানুভূতি এক হৈ ধৰা দিছে।

## ৪.১.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১**

**সঁচা-মিছা নিৰ্ণয় কৰা।**

(ক) 'তুমি' এখন ৰহস্যবাদী কবিতা পুথি।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২**

**কবিৰ এখন কবিতা পুথি বিচাৰি উলিওৱা—**

অম্বিকাগিৰী ৰায়চৌধুৰী – সুৰী-দৌত্য
– অনুভূতি
– সাগৰ দেখিছা
– অপ্ৰকাশ

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩**

**শুদ্ধ উত্তৰ নিৰ্বাচন কৰাঁ—**

(ক) ‘তুমি’ কাব্যৰ ৰচনা কাল–

১৯১৬

১৯১৫

১৯১৪

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪**

**খালী ঠাই পূৰণ কৰাঁ—**

(ক) তুমি চাওঁ নে নাচাওঁ কই

চকুজুৰি .........................,

তুমি হাঁহো নে নাহাঁহো কই

মুখখনি ........................।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫**

তলত দিয়া নিৰ্দ্দিষ্ট স্থান ব্যৱহাৰ কৰি পাচোঁটা বাক্যত উত্তৰ সম্পূৰ্ণ কৰাঁ।

‘তুমি’ কাব্যৰ ঘাঁই সুৰ কি বুজাই লিখা।

_______________________________________________

_______________________________________________

_______________________________________________

_______________________________________________

_______________________________________________

_______________________________________________

_______________________________________________

_______________________________________________

_______________________________________________

## ৪.১.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ**

(ক) সঁচা

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ**

অম্বিকাগিৰী ৰায়চৌধুৰী – অনুভূতি

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ**

(ক) ১৯১৫

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ**

(ক) তুমি চাওঁ কি নাচাওঁ কই
চকুযুৰি ওৰণি আঁৰত;
তুমি হাঁহো নে নাহাঁহো কই
মুখখনি ওলোৰা প্ৰেমত।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ৰ উত্তৰ**

'তুমি' কাব্যত কবি মানসৰ বিচিত্ৰ চিন্তাধাৰাই সীমাৰ পৰা অসীমলৈ স্পষ্টভাৱে উত্তৰিত হৈছে। মানৱ জীৱনৰ সকলো ভাৱ-চিন্তা, অনুভূতি আৰু কাৰ্যই হ'ল অসীম আৰু অৰূপৰ লীলাহে মাথোন। কবিৰ চিন্তাৰ এই 'তুমি'য়েই 'মই' আৰু 'ময়েই' 'তুমি'। ঋষি বাক্যৰ 'তত্ত্বমসি' – অৰ্থাৎ জগতত যি আছে সকলো 'তুমি'ময়। সেইকাৰণেই কবিৰ প্ৰেমৰ ব্যক্তিগত পাৰ্থিৱ প্ৰেমৰ অনুভূতি অপাৰ্থিৱ আৰু সৰ্বময় হৈ উঠিছে, – এয়েই তুমি কাব্যৰ ঘাঁই সুৰ।

*এই গোটৰ কেইটামান আৰ্হি প্ৰশ্ন তোমালোকৰ অনুশীলনৰ বাবে দিয়া হ'ল—*

১। 'তুমি' কাব্যৰ মাজেদি প্ৰকাশিত প্ৰেমৰ বিভিন্ন স্তৰৰ বিষয়ে এটি আলোচনা কৰাঁ।

২। ''তুমি কাব্যত কবিৰ মন উৰা মাৰিছে অৰূপৰ সন্ধানত সীমাৰ পৰা অসীমৰ বুকুলৈ''। কথাষাৰ আলোচনা কৰা।

৩। ৰহস্যবাদী কাব্য হিচাপে 'তুমি' কাব্যৰ এটি আলোচনা কৰা।

**খণ্ড ৪**

## গোট ২ ঃ সাগৰ দেখিছা

৪.২.০ উদ্দেশ্য

৪.২.১ প্ৰস্তাৱনা

৪.২.২ 'সাগৰ দেখিছা'ৰ বিষয়বস্তু

৪.২.২.১ কবি পৰিচয়

৪.২.৩ সাগৰ দেখিছা ঃ এটি আলোচনা

৪.২.৩.১ যুগসন্ধিৰ কবি দেৱকান্ত বৰুৱা

৪.২.৪ সাৰাংশ

৪.২.৫ অনুশীলনী

৪.২.৬ প্ৰশ্নোত্তৰ

### ৪.২.০ উদ্দেশ্য

- অসমীয়া ৰোমাণ্টিক কবিতাৰ শেষৰ ফালৰ লক্ষণসমূহৰ লগত চিনাকি হোৱা।
- অসমীয়া কবিতাত আধুনিক চিন্তাৰ আগমন সম্পৰ্কে সচেতন হোৱা।
- অসমীয়া কবিতাত ইতিমধ্যে চলি অহা ৰীতি আৰু আংগিকৰ পৰিৱৰ্তন লক্ষ্য কৰা।

### ৪.২.১ প্ৰস্তাৱনা

অসমীয়া কবিতাৰ ইতিহাসত দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' কবিতা পুথিৰ বিশিষ্ট স্থান আছে। পৰম্পৰাগত ভাব, ভাষা আৰু আংগিকৰ ধাৰণা এই পুথিত সলাই পেলোৱা হৈছে। শক্তিশালী ৰীতি আৰু অভিনৱ ধাৰণাৰে 'সাগৰ দেখিছা'ই অসমীয়া কবিতাত নতুনৰ দুৱাৰ মুকলি কৰে।

## ৪.২.২ ‘সাগৰ দেখিছা’ৰ বিষয়বস্তু

### ৪.২.২.১ কবি পৰিচয়

অসমীয়া কবিতাৰ ৰোমাণ্টিক স্তৰৰ শেষৰজন আৰু সবাতোকৈ জনপ্ৰিয় কবিজন হ’ল দেৱকান্ত বৰুৱা (১৯১৪–১৯৯৬)। তেওঁৰ ‘‘স্বভাৱসিক্ত বিশ্লেষণ শক্তিয়ে স্বভাৱগত সৌন্দৰ্য আৰু উপমাক কবিতাৰ ভাষালৈ ৰূপান্তৰিত কৰিছিল।’’ তেওঁৰ কবিতাৰ অনবদ্য প্ৰকাশভংগী আছিল তেওঁৰ কবিতাৰ ঘাই আকৰ্ষণ। বৰুৱাৰ একমাত্ৰ কবিতাৰ পুথিখন হ’ল ‘সাগৰ দেখিছা’।

দেৱকান্ত বৰুৱা হ’ল ‘‘আৱাহন যুগৰ শ্ৰেষ্ঠ কবি আৰু এওঁতেই ৰোমাণ্টিক কবিতাই ভাৱঘন পৰিণতি লাভ কৰিছে বুলি ক’ব পাৰি।’’ নাটকীয় নিৰ্জনোক্তি আৰু গদ্যগন্ধি কবিতাৰ ভাষা দেৱকান্তৰ অসাধাৰণ বৈশিষ্ট্য।

ৰোমাণ্টিক যুগৰ শেষপৰ্বৰ কবি দেৱকান্তৰ কবিতাক ৰোমাণ্টিক চিন্তা আৰু আধুনিক ধাৰণাৰ সংযোগ সেঁতু বুলিব পাৰি। সেয়েহে তেওঁক এই দুয়ো যুগৰে সন্ধিক্ষণৰ কবি বুলি ক’ব পাৰি।

## ৪.২.৩ সাগৰ দেখিছা ঃ এটি আলোচনা

‘সাগৰ দেখিছা’ৰ যোগেদি দেৱকান্ত বৰুৱাই অসমীয়া কবিতাৰ জগতত যি আলোড়নৰ ঢৌ তুলিছিল সি আজিও মাৰ যোৱা নাই। ঘাইকৈ প্ৰেমৰ সাহসী ৰূপৰ প্ৰকাশ আৰু অতি বলিষ্ঠ কথনভঙ্গীৰ যোগেদি তেওঁ অৰ্জন কৰিছিল অশেষ জনপ্ৰিয়তা। দেৱকান্তৰ কবিতাত প্ৰেমৰ লগে লগে এক বিষাদবোধে ক্ৰিয়া কৰে যদিও সেই বিষাদৰো এক সুকীয়া সৌন্দৰ্য আছে। কোনো এগৰাকী নাৰী তেওঁৰ কবিতাৰ মূল আধাৰ। সখী, লাহৰী, প্ৰিয়া, মনোৰমা নানা নামেৰে কবিয়ে তেওঁক সম্বোধন কৰিছে। এই প্ৰেয়সীৰ দেহ আৰু মন দুয়োটাই তেওঁৰ বাবে সঁচা। কল্পজগতত সপোনৰ ডেউকা মেলি প্ৰিয়াৰ প্ৰেমৰ আকাশত তেওঁ বিচৰণ কৰি ফুৰা নাই। তেওঁৰ প্ৰিয়া তেজ-মঙহৰ শৰীৰী সত্ত্বা। শাৰীৰিক সৌন্দৰ্যৰে স’তে যুক্ত হৈহে প্ৰিয়াৰ মনৰ সৌন্দৰ্যই তেওঁৰ মৰু জীৱনলৈ ৰস আনিছে। কবিয়ে মুকলিকৈ কৈছে–

*নিপোটল বুকু                    লাটুমণি ওঠ*
*দুয়োপাৰি দাঁত ডালিম গুটি,*
*মৰুময় মোৰ                    জীৱনত সখী*
*তুমি কবিতাৰ একোটি সূঁতি।*

সেই সুন্দৰীৰ ৰূপৰ উপমা দিবলৈ ৰোমাণ্টিক উচ্ছ্বাসেৰে তেওঁ সবাতোকৈ শুৱনি বস্তুটোৰ সন্ধান কৰিছে আৰু নৱযৌৱনা প্ৰিয়াৰ সুকুমাৰ

সৌন্দৰ্য প্ৰকাশ কৰিছে। কেতবোৰ উচ্ছ্বাস ভৰা স্তৱকত ৰোমাণ্টিক ভাব-বিলাসিতা ধৰা পৰিলেও তেওঁৰ দৃষ্টিভংগী আছিল আধুনিকতাৰ প্ৰথম সোপানত। প্ৰেম তেওঁৰ বাবে থুনুকা আবেগেই কেৱল নহয়, এক প্ৰয়োজনো। ‘কলঙ পাৰত মাজনিশা’ কবিতাটোৰ মাজত আছে প্ৰেয়সীৰ লগত বিদায় মুহূৰ্ত্তৰ ছবি। অথচ এই ছবি চকু-পানীৰে সিক্ত নহয়, প্ৰাপ্তিৰ গৌৰৱেৰে দীপ্তিমান। প্ৰেয়সীৰ বিয়ালৈ দহদিন থকাৰ পৰত মাজনিশা অভিসাৰত তেওঁ যেন গোটাই লৈছে জীৱনৰ সকলো সম্পদ—

*তুমি গোলাপৰ আজি লভিছোঁ পৰশ প্ৰিয়া! কাঁইটৰ*
*শংকা মোৰ নাই।*

তেওঁৰ ভালপোৱাই প্ৰেয়সীক ধৰি ৰাখিব নোৱাৰিলে জীৱনৰ বাবে; অথচ তাৰ বাবে তেওঁৰ খেদ নাই, আছে এক অহংকাৰ। অনাগত জীৱনত প্ৰেয়সীয়েও তেওঁক সোঁৱৰণ কৰিব সেই কথা তেওঁ সহজভাৱে লৈছে—

*হয়তো কৰিব পাৰে, হয়তো নকৰে, মোৰ খেদ নাই।*
*মোৰ অহংকাৰ*
*প্ৰথম জগালোঁ ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা*
*হিয়াৰ তোমাৰ।*

প্ৰেমিকাৰ প্ৰত্যাখ্যানত মৰ্মাহত হৈ কবি দুৰ্ৰাই নিজকে উপেক্ষিত বনফুল আখ্যা দিছিল, গগৈয়ে ‘সুখৰ নহয়, দুখৰ নহয়, হিয়াভৰা চকুলো’ৰ প্ৰাণৰ ‘পাপৰি’ ফুলাইছিল, ৰায়চৌধুৰীয়ে এক ‘তুমি’ৰ বিৰহত সমগ্ৰ বিশ্বকে তুমিময় কৰি পেলাইছিল। কবি দেৱকান্তৰ বাবে বিৰহ আৰু মিলন স্বাভাৱিক কথা। প্ৰেম যৌৱনৰ ধৰ্ম। যৌৱনৰ সোণালী দিন দুদিনতে মৰহি গ’লেও জীৱনৰ বাবে সি দি যায় যুগমীয়া স্মৃতিৰ সম্পদ। কবিয়ে সেয়েহে ভাবে—

*আমিও মৰহি যাম? অসাৰ্থক প্ৰেম মোৰ? পাপ মাথোঁ*
*এই চুমাচুমি?*
*কি কৰিম? হক পাপ ক্ষতি নাই, মই পাম স্বৰ্গ তাতে*
*তুমি ৰ’বা তুমি!*

সকলো তৰুণ প্ৰাণৰ দৰেই যৌৱনৰ শুভলগ্নত প্ৰিয়াৰ মাজত তেওঁ আৱিস্কাৰ কৰিছে জীৱন মধুময় কৰাৰ সকলো উপাদান— প্ৰেমে কবিৰ মনত জীৱনযোৱা পূৰ্ণতাৰ আনন্দ দান কৰিছে। তেওঁৰ চকুত ধৰা পৰে জীৱন আৰু জগতৰ অনিত্যতা। একোৱেই অনিত্য নহয়, একোৱেই সম্পূৰ্ণও নহয়। ‘‘ক্ষন্তেক যৌৱনা প্ৰিয়াৰ’’ প্ৰেমৰ বেদীত তেওঁ যি প্ৰণয়ৰ ধূপ জম্বলে, সেয়াও ক্ষণস্থায়ী। প্ৰাপ্তি ক্ষয়মান আৰু অসত্য, সত্য মাথোন বেদনাৰ অক্ষয় গৌৰৱ। ক্ষুদ্ৰ পৰিসৰৰ মাজত সীমাবদ্ধ মানুহে মাথোন স্বাধীনতা পায় সপোন দেখাৰ।

মানুহৰ অসহায়তা উপেক্ষা কৰি মানুহৰ গৌৰৱ উপলব্ধি কৰাৰ প্ৰৱণতা দেৱকান্ত বৰুৱাৰ কেইবাটিও কবিতাত ফুটি ওলাইছে। নিয়তিয়ে প্ৰতি খোজে খোজে মানুহক সীমাবদ্ধ কৰি থৈছে। 'অপ্ৰকাশ', 'অসাৰ্থক', 'সাগৰ দেখিছা' আদি কবিতাত মানুহৰ পূৰ্ণতাৰ অক্ষমতা প্ৰকাশ পাইছে।

নাৰীৰ প্ৰতি থকা তেওঁৰ বিচিত্ৰ ধাৰণাৰো উমান পাব পাৰি 'সাগৰ দেখিছা'ৰ মাজত। সপোনৰ মায়াসনা চকুৰে মনোৰমা তেওঁৰ সপোনৰ ৰাণী। কিন্তু এই ৰাণীৰ মাজত তেওঁ প্ৰত্যক্ষ কৰে অমৃত আৰু গৰল দুয়োটাৰে তীব্ৰতা। 'তিলোত্তমা' কবিতাটিত নাৰীৰ অপূৰ্ব ছবি এখনি তেওঁ ফুটাই তুলিছে। যাৰ বাবে 'ভায়ে ভায়ে কৰিছে সংগ্ৰাম' আৰু যি 'হিংসাতুৰা বাঘিনীৰ বুকুৰ পোৱালী কাঢ়ি' হেলাৰঙে ধেমালি কৰিব পাৰে, সেই নাৰীৰ উপমা যেন সাপৰ মূৰৰ মণিৰ লগত; যি মূল্যবান অথচ অপ্ৰাপ্য—

অথচ সন্ধ্যাৰ কোমল ছাঁত প্ৰিয়াৰ হাতৰ চেতাৰৰ মধুৰ গুঞ্জনৰ দৰে তেওঁ শান্তিদায়িনী। তেওঁ কঠোৰতা আৰু কোমলতাৰ অপূৰ্ব সংমিশ্ৰণ, তেওঁৰ

*হৰিণ চকুত জক্সলে বন্ধুৰ মৰণ, চৰণত*
*নিৰ্ভয়-শৰণ!*

তেওঁৰ দেহভঙ্গীত আছে বিশ্ব অবৰুদ্ধ যৌৱনৰ প্ৰকাশ, তেওঁৰ নিশাহত বিহ মেটেকাই পাহি মেলে। তথাপিও সেই পৰম আকাঙ্ক্ষিতাক কোনোমতেই এৰি থাকিব নোৱাৰি, সেয়ে কবিৰ নিৰুপায় স্বীকাৰোক্তি—

*মৰণ যাচোঁ ৰাণী তোমাৰ*
*কমল-চৰণ তুমি।*

নাৰীৰ প্ৰতি থকা এই প্ৰেম তেওঁৰ বাবে জানি শুনি কৰা মধুৰ ভুল, যাক তেওঁ বুলিছে, ''বেজাৰ-দুখৰ তেজেৰে ৰাঙলী হেজাৰ ফুল।'' ভগ্ন হৃদয়ক লৈ গৌৰৱ কৰাৰ ক্ষমতা খুব কম কবিৰহে থাকে। সেই ক্ষমতা আছে দেৱকান্তৰ। কবিৰ এই অনুভূতি পৌৰুষদীপ্ত প্ৰাণৰ চানেকি। নাৰীৰ ৰূপৰ জুইত আৰু মনৰ সৰোবৰত তেওঁ জানি-শুনি ডুব দিছে। নাৰী তেওঁৰ কবিতাৰ সুখ আৰু আনন্দৰ উৎস। নাৰীৰ পৰা পোৱা জক্সলা আৰু বেদনাও তেওঁৰ মধুৰ ঐশ্বৰ্য।

সৌন্দৰ্য কামনা দেৱকান্তৰ কবিতাৰ অন্যতম লক্ষণ। প্ৰিয়াৰ মাজত আৰু প্ৰিয়াৰ সান্নিধ্যত ধন্য হোৱা পৃথিৱীৰ মাজত তেওঁ লক্ষ্য কৰিছে অবিৰাম সৌন্দৰ্যৰ স্স্কুৰণ। এই সৌন্দৰ্যই তেওঁৰ সকলো বেদনা আৰু নৈৰাশ্যৰ ঠাইত এক আত্ম-তৃপ্তিৰ ভাৱ জগাই তুলিছে।

'সাগৰ দেখিছা' কবিতাটিৰ মাজত প্ৰকাশ পাইছে মানুহৰ চিৰকলীয়া পূৰ্ণতাৰ তৃষা। ক্ষন্তেকীয়া জীৱনত দুদিনৰ ৰূপ-যৌৱন, কামনা-বাসনা লৈ

মানুহে কাৰুণ্যক জয় কৰাৰ যত্ন কৰে। 'আমি দুৱাৰ মুকলি কৰোঁ'ত মানুহৰ পৰম প্ৰাপ্তিৰ পথ বিচাৰি তেওঁ বিচিত্ৰ চিন্তাৰ জাল তৰিছে।

তেওঁৰ দেশপ্ৰেমৰ কবিতা দুটিও যথেষ্ট সুন্দৰ। 'মোৰ দেশ মানুহৰ দেশ'ত সুন্দৰী ভাৰতবৰ্ষ আৰু ৰূপহী অসমৰ মহিমা ঘোষণা কৰি সোঁৱৰণ কৰিছে যুগে যুগে এই দেশত জক্‌মলা মৈত্ৰী আৰু অহিংসাৰ শলিতাৰ কথা। এই দেশৰ মানুহ মৰণ বিজয়ী–

*জীৱনৰ মৃত্যুঞ্জয়ী আকুল আহ্বানে বাৰে বাৰে*
*মাতিছে আমাক;*
*তেজেৰে আমাৰ*
*পাণিপথ, হল্‌দিঘাট, পলাশীৰ, শৰাইঘাটৰ*
*মাটি সেমেকাই*
*আমি তাক কৰিছো গ্ৰহণ।*

এসময়ৰ এনে উজজ্জ্বল দেশখনিৰ আজিৰ অৱস্থাই কবিক ব্যথিত কৰিছে। মানুহৰ অধঃপতনে তেওঁক সুঁৱৰিবলৈ বাধ্য কৰিছে লাচিত বৰফুলনলৈ। জাতিৰ বুকুত দুৰ্মদ যৌৱন জগাই তোলোঁতা লাচিত বৰফুকনৰ কাষত কবিয়ে যেন হৃদয় উজাৰি কৈছে নিজ দেশ আৰু জাতিৰ অধঃপতনৰ কথা। বাহিৰৰ জগতত পৰিৱৰ্তনৰ ঢল নমাৰ সময়তো অসম ঢাক খাই আছে কু-সংস্কাৰৰ অন্ধকাৰত। কবিৰ আক্ষেপ–

*শাস্ত্ৰৰ তলি উদি হৈ গ'ল, নেলাগিল মাথোঁ থিত*
*মৰ আঁউসীত হাল বালে লাগে কেই ধেনু পৰাচিত।*

অসমৰ কাম্যভূমিত চৰা ঘাঁহ খাই থকা 'গাধৰ পাল'বোৰৰ লজস্কাহীনতাই তেওঁক ব্যথিত কৰিছে। সেয়ে স্বদেশৰ মহান বীৰজনক তেওঁ অনুৰোধ কৰিছে,

*আকউ এবাৰ শুনোৱা তোমাৰ ৰণ-আহ্বান বাণী*
*আকউ এবাৰ ৰঙা কৰি মৰো লুইতৰ বগা পানী।*

তেওঁৰ কবিতাত আৰু ফুটি উঠিছে সমাজৰ কঠুৱা ৰীতি আৰু পাপৰ ধাৰণাৰ প্ৰতি প্ৰতিবাদৰ কণ্ঠস্বৰ। কিন্তু এই প্ৰতিবাদৰ ভাষা অভিনৱভাৱে কাব্যধৰ্মী। নিয়তিৰ লগত হোৱা মানুহৰ অবিৰাম সংগ্ৰামৰ ঘোষণাও তেওঁৰ কবিতাৰ প্ৰাণবস্তু। সেই সৰ্বপ্ৰকাৰ ঘোষণাত তেওঁৰ ৰচনাশৈলী এক অনুপম কাব্যিকতাৰে সিক্ত হৈ প্ৰকাশ পাইছে যাৰ তুলনা অন্য কবিৰ কবিতাত নাই।

দেৱকান্ত বৰুৱাই অসমীয়া কবিতাৰ যিখন দুৱাৰ মুকলি কৰিলে সেই দুৱাৰেদি সাগৰ নেদেখি উপাই নাই। হৃদয়বান ব্যক্তি মাত্ৰেই অনুভৱ কৰিব

দুৱাৰেদি ভাঁহি অহা দূৰ দিগন্ত বিয়পি থকা বাধাহীন উৰ্মিমালাৰ কল্লোল। শুনিবলৈ পাব সেই সাগৰত ধুমুহাৰ উতলা সংগীত। এই ধুমুহানো কি, প্ৰেমৰ কবিতাত ধুমুহাৰ প্ৰয়োজন কিয়– সকলো প্ৰশ্নৰ উত্তৰ 'সাগৰ দেখিছা'ৰ কবিতাকেইটিৰ মাজতে আছে। দেৱকান্ত প্ৰেমৰ কবি। তেওঁৰ কাব্যধাৰাৰ উৎস কোনো এক গাভৰু, তেওঁৰ প্ৰিয়া, লাহৰী, ৰাণী, মনোৰমা। 'হিয়াহীন প্ৰিয়া'ই তেওঁৰ অনুৰাগ হয়তো নুবুজিলে, ফলত গগৈ, দুৱৰা, ৰায়চৌধুৰীৰ দৰে তেওঁৰো ব্যৰ্থ প্ৰেমে জন্ম দিলে কবিতাৰ। প্ৰেম ব্যৰ্থ হ'লেই জীৱন ব্যৰ্থ নহয়; ৰক্ত-মাংসৰ যৌৱনে কেৱল দেহাতীত প্ৰেমতেই তৃপ্ত হ'ব নোৱাৰে; 'গাভৰুৰ ওঁঠৰ লালিমা'ৰ অবিহনে জীৱন-যৌৱন দুয়োটাই অসাৰ্থক; এইবোৰ বাস্তৱৰ চৰম সত্যক দেৱকান্তই কবিতাত ৰূপ দিলে, পূৰ্বোক্ত ব্যৰ্থ প্ৰেমিক কবিকেইজনে কিন্তু বাস্তৱক ইমান মুকলিভাৱে প্ৰকাশ কৰা নাছিল। তেওঁলোকে দেহ-সৌন্দৰ্যতকৈ অন্তৰৰ সৌন্দৰ্যক বেছি মূল্য দিছিল। দেৱকান্তৰ বাবে কিন্তু দুয়োটাৰে মূল্য সমান। শাৰীৰিক সৌন্দৰ্যৰে সৈতে যোগ হৈহে প্ৰেমিকাৰ হিয়াৰ সৌন্দৰ্যই তেওঁৰ মৰু-জীৱনলৈ ৰস আনিছে।

*নিপোটল বুকু, লাটুমণি ওঁঠ*
*দুয়োপাৰি দাঁত ডালিম গুটি*
*মৰুময় মোৰ জীৱনত সখী*
*তুমি কবিতাৰ একোটি সূঁতি।*

'তেজ মঙহৰ সামান্য এটি পুতলা' হ'লেও, 'মৰতৰ মৃত্যুশীল ফুল' হ'লেও তেওঁৰ প্ৰেয়সী বিজুলীৰ ক্ষন্তেকীয়া শোভা নহয়, যৌৱনৰ অক্ষয় দীপালীহে। 'নাৰী-শৰীৰৰ কামনাৰ জুইত তেওঁৰ সৌন্দৰ্যবোৰৰ প্ৰকৃত প্ৰতীক বিচাৰি' কবিয়ে সাহসী যৌৱনৰ গীত গাইছে, ফলত কলঙ পাৰত মাজনিশা লগ ধৰা মনোৰমা নাইবা খোপাত ৰঙা কৰবীৰ ফুল পিন্ধা প্ৰেয়সীৰ সৈতে তেওঁ দেহ-মনৰ এধানমানো ব্যৱধান ৰাখিব খোজা নাই। মনোৰমাৰ নিশাহত 'কোমল ঘাঁহৰ সুৰভিৰে পূৰ মৃদুল বা' আৰু জোন যেন মুখখনিত সপোন-মায়া সনা চকুযোৰে তেওঁক কল্প-জগতৰ স্নিগ্ধ প্ৰেমেই কেৱল দান কৰা নাই, দিঠকৰ নিষেধ নেওচি প্ৰাপ্যখিনি গ্ৰহণ কৰাৰ সাহসো দিছে,–

দেৱকান্ত বৰুৱা স্পষ্টভাৱে ব্যৰ্থ প্ৰেমৰ কবি; অথচ তেওঁৰ কবিতাত ভগ্ন হৃদয়ৰ হা-হুতাশ নাই। প্ৰেমিকাৰ প্ৰত্যাখ্যানত মৰ্মাহত হৈ কবি দুৱৰাই নিজকে উপেক্ষিত বনফুল আখ্যা দিলে, গগৈয়ে 'সুখৰ নহয় দুখৰ নহয় হিয়াভৰা চকুলোৰ' প্ৰাণৰ পাপৰি ফুলালে আৰু ৰায়চৌধুৰীয়ে এক 'তুমি'ৰ বিৰহত সমগ্ৰ বিশ্বকে তুমিময় কৰি পেলালে। তেওঁলোকে বাস্তৱক বাস্তৱৰূপে চাবলৈ সক্ষম হোৱা নাই। আনফালে নতুনৰ দুৱাৰ মেলোঁতা বংগৰ শ্ৰেষ্ঠ কবি জীৱনানন্দৰ কবিতাত বাস্তৱক সহজভাৱে গ্ৰহণ কৰাৰ প্ৰয়াস আছে। সুৰঞ্জনা,

সুচৰিতা, বনলতা সেনৰ স্মৃতিখিনিয়েই তেওঁৰ বাবে যথেষ্ট, পোৱা-নোপোৱাৰ হিচাপ-নিকাচো কৰিব লাগিছে কিয়? ভালপোৱা যৌৱনৰ ধৰ্ম। কাৰোবাক এদিন ভাল পোৱাটো একো পাপ নহয়।

*"আমিও মৰহি পাম ? অসাৰ্থক প্ৰেম মোৰ ? পাপ মাথো*
*এই চুমাচুমি ?*
*কি কৰিম ? হক পাপ ক্ষতি নাই, মই পাম স্বৰ্গ তাতে*
*তুমি ৰ'বা তুমি।"*

**(অসাৰ্থক)**

সংসাৰত সকলোৱেই অনিত্য। পুৱা ফুলা ফুল পাহি সন্ধিয়া মৰহি যায়। এধানি বন্তিৰ পোহৰে সামান্য এটুকুৰা ঠাইহে পোহৰাব পাৰে, আন্ধাৰ জগতৰ বিশাল অংশ ইয়াৰ আয়ত্বৰ বাহিৰত থাকি যায়। তথাপি সংসাৰ-যাত্ৰা মূল্যহীন বা অৰ্থহীন নহয়; হ'ব পাৰো আমি সীমাৰ মাজত আবদ্ধ, বন্ধনৰ মাজতে প্ৰিয়জনৰ প্ৰেমে আমাক অসীম সুখৰ সন্ধান দিব পাৰে। জীৱনত দীনতা আছে, সঁচা-মিছাৰ মায়াজাল আছে, পংকিলতাৰো অভাৱ নাই; তথাপি জীৱন অৰ্থপূৰ্ণ এইবাবেই যে ইয়াত আছে ওঁঠতে লগাই ওঁঠ পদুমৰ দৰে ফুলিবলৈ দুখন একেসুৰী হিয়া। হ'ব পাৰে প্ৰেমৰ আনন্দ ক্ষন্তেকীয়া। ক্ষণিকৰ মাজতে প্ৰেমে হৃদয়ত যি ছবি আঁকে সি কেতিয়াও মছ নাখায়, Love opens the door of heart never to close again. সেয়েহে প্ৰেয়সীৰ বিয়াৰ দহদিনৰ আগেয়ে শেষ সাক্ষাতৰ সময়ত প্ৰেয়সীৰ বিদায়পৰ্বত দুখ পালেও কবি ভাঙি পৰা নাই। তেওঁৰ সমস্ত জীৱনৰ বাবে প্ৰেমে দি গৈছে এটা সম্পদ, এক অহংকাৰ –

*". . . মোৰ অহংকাৰ*
*প্ৰথম জগালো ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা !*
*হিয়াত তোমাৰ।"*

কবিৰ মানস পটত মনোৰমা নানাৰূপা। তেওঁ চঞ্চলা হৈ কবিক আহ্বান কৰে, তৰা হৈ মন আকাশত জিলিকনি তোলে, মেটেকাৰ বিহফুল হৈ বাসনাক প্ৰলুব্ধ কৰে। 'সাগৰ দেখিছা'ত কবিৰ প্ৰিয়া হিয়াহীনা। সাগৰৰ দৰে নীলা বেদনাৰে ভৰা কবি হৃদয়ৰ তেওঁ সন্ধান ৰখা নাই, ৰাখিলেও অনুভৱ কৰা নাই ফুলনিত বসন্তৰ কোমল ইংগিত। কিশোৰী সুলভ উপলব্ধিৰে তেওঁ হয়তো ভালপোৱা বুজিলেও সমস্যাৰ গাঢ়তা বুজি উঠা নাই। সেয়েহে কবিৰ আক্ষেপ–

*". . . তুমি নুবুজিবা সখী !*
*কিনো বেদনাত*
*ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিসৰ্জো আমি বিজয়াৰ*
*বিফল সন্ধ্যাত।"*

প্ৰেয়সী বা মানসীক সবাতোকৈ শ্ৰেষ্ঠ কৰি গঢ়িবলৈ কবি মাত্ৰেই প্ৰয়াস কৰে। কালিদাসৰ শকুন্তলা অনাঘ্ৰাত কুসুম, অক্ষত কিশলয় আৰু অবিদ্ধ ৰত্নৰ দৰে মোহনীয়। ওৱৰ্ডছৱৰ্থৰ লুচি "fair as a star when only one is shining in the sky"– কবি দেৱকান্তয়ো গছে-বনে প্ৰিয়াৰ উপমা বিচাৰি এপাকত কৈ উঠিছে –

*''যি ছাটি জোনাক দেহি আজিও পোৱাহি নাই*
*ধৰণীৰ ধূলিৰ পৰশ*
*তুমি সেই আনন্দৰ আগমনী অনুভূতি*
*যৌৱনৰ প্ৰকাশ হৰষ।''* **(ওলগ)**

'প্ৰথমা'ত তেওঁৰ প্ৰেয়সী মূৰ্তিমতী প্ৰেৰণা। ছন্দ-গীতৰ পূজা তেওঁ এই প্ৰেয়সীৰ বাবেই পাতিছে। তেওঁৰ কবিতা-আৰতি, জীৱন-পূজা, তেজেৰে জস্কলোৱা জীৱন-বন্তি প্ৰথমা প্ৰেয়সীৰ প্ৰেমৰ বেদীতে উৎসৰ্গিত। গাভৰুৰ চকুভৰা জুয়ে, বুকুভৰা বাসনাই তেওঁৰ পৃথিৱীত উলাহৰ বোল সানিছে। উৰ্দু কবিয়ে প্ৰিয়াৰ আগমনত চাৰিওফালে বসন্তময় দেখাৰ দৰে আমাৰ কবিয়েও উপলব্ধি কৰিছে–

*''জীৱনত আজি প্ৰথম ফাগুণ, পলাশ ৰেণুৰে*
*আকাশ পূৰ।''*

কবিৰ সৃষ্টিৰ কামনা আছিল, কিন্তু সৃষ্টিৰ সামৰ্থ্য নাছিল। দুখ আৰু বিদ্ৰোহৰ অনুভূতিয়ে তেওঁৰ কলমক দিছিল মাথোন 'সৃষ্টিনাশৰ মহোল্লাস'।

প্ৰেৰণাময়ী ৰাণী, কবিৰ কাৰণে পূজাৰ ফুলৰ দৰে পৱিত্ৰ। তেওঁৰ তুলনা নাই। ইৰাণ দেশৰ আঙুৰ-গোলাপ বাগ, মৰুভূমিৰ নিজান মৰুদ্যান, পাতালপুৰীৰ নিবিড় অন্ধকাৰ ক'তোৱেই সেই মায়াবতীৰ বাবে উপযুক্ত স্থান তেওঁ বিচাৰি পোৱা নাই। তেওঁ মাথো আকুল হৈ প্ৰতীক্ষা কৰিছে ৰাণীৰ সান্নিধ্যৰ। কবিৰ প্ৰেয়সী এফালে সুকোমল-হৃদয়া, আনফালে নিৰ্দয়া। তেওঁ জীৱন্ত কামনা। তেওঁৰ ওঁঠৰ লালিমাত বিহফুলীয়া বিষাক্ত হাঁহি – যাৰ আকৰ্ষণ এৰাব নোৱাৰি 'ভায়ে ভায়ে কৰিছে সংগ্ৰাম'। তেওঁৰ উপমা কিহত নাই; চেতাৰৰ মধুৰ গুঞ্জৰণত, তৰাৰ জেউতিত; 'বুভূক্ষ দেৱতা কাম'ৰ পূজাৰ অঞ্জলিত তেওঁৰেই প্ৰকাশ। তেওঁ কোমলতাৰ অংশ কঠোৰতাৰো অংশ; সকলোৰে সাৰভাগ লৈয়েই তেওঁৰ সৃষ্টি।

তেওঁৰ দেহৰ ভংগীত বিশ্বৰ অবৰুদ্ধ যৌৱনৰ প্ৰকাশ; 'হৰিণ চকুত জস্কলে বন্ধুৰ মৰণ।' ৰাঙলী ওঁঠত জস্কলে বিহৰ মউ। তথাপি সেই পৰম আকাংক্ষিতাক কোনোমতেই এৰি থাকিব নোৱাৰি। সেয়ে তেওঁ কৈ উঠিছে-

*''মৰণ যাচোঁ ৰাণী তোমাৰ কমল-চৰণ চুমি।''*

“বিমুখ প্ৰিয়াৰ অবুজ স্বভাৱে, সেই প্ৰিয়াৰ সৌন্দৰ্যৰ জুয়ে কবি বৰুৱাকো বাসনাত গলাই পেলাইছে, প্ৰেম আৰু প্ৰেমিকা সৰ্বস্ব কবিয়ে, ডাণ্টেই বিয়েট্ৰিচৰ চকুত দেখা সৰগ-নৰকৰ ছাঁৰ দৰে তিমিৰ-নাৰী প্ৰেম-সৌন্দৰ্যৰ আকাশ বাঁতি লক্ষ্য কৰিছে।”

প্ৰেম তেওঁৰ বাবে জানি-শুনি কৰা মধুৰ ভুল, ঠিক ভুলো নহয়, “বেজাৰ-দুখৰ তেজেৰে ৰাঙলী হেজাৰ ফুল”। যৌৱন খন্তেকীয়া, পৃথিৱী মৃত্যুভূমি। –“তুমি আৰু মই সজা প্ৰেমৰ পৃথিৱীখনি মৃত্যু তাৰ সীমা।” তথাপি মৃত্যুৰো মাধুৰ্য আছে।

‘সাগৰ দেখিছা’ পুথিখনিত প্ৰেমৰেই মুখ্য স্থান যদিও জীৱন সম্বন্ধীয় নানা প্ৰশ্নৰ অৱতাৰণাও মাজে মাজে আছে। ওচৰত তুষাৰ বিননি, মৰুদ্যান কোন সুদূৰত? গধূলি-সখীৰ বিদায় বিননি, তৰুণী ঊষাৰ ‘সুপ্ৰভাত’ৰ মূল্যই বা কিমান? দুয়োফালে কাঁইটৰ হুল, সেই কাঁইটতো চোন ফুলিছে ফুল। সেই ফুলৰে জানো দেৱতাক পূজিব পাৰি। এই দ্বিধা-সংশয়, পোৱা-নোপোৱাৰ খেলিমেলিৰে দেৱকান্ত বৰুৱাৰ কবিতা অপূৰ্ব।

সৌন্দৰ্য পূজাৰী কবিৰ বাবে— "A thing of beauty is a joy for ever". প্ৰেম আৰু প্ৰেমিকাৰ সৌন্দৰ্যতে আবদ্ধ নাথাকি ‘বিনন্দীয়া পৃথিৱীৰ নিতউ নতুন শোভা’ চাই লোৱাৰ প্ৰয়াসো তেওঁ কৰিছে। প্ৰধানকৈ নিৰাশাবাদী আখ্যা দিব নোৱাৰিলেও কবিৰ কবিতাবোৰৰ দুই-এঠাইত নিৰাশাবাদে ভুমুকি নমৰাকৈ থকা নাই। এই সুন্দৰ পৃথিৱীখনত মানুহৰ স্থায়ী চিন একো বৈ নাযায়। কোনে এটি গান গালে, কোনে এটি কবিতা ৰচিলে, তাৰ প্ৰতিধ্বনি নিজে উঠি নিজে মাৰ যায়। কতজন আছে, কতজন যায় একেদৰে ৰয় কলঙৰ সোঁত।

কলঙৰ পাৰতে বহি ছন্দৰ ৰামধেনু সাজি আমাৰ দৰে কত যৌৱনে পুৱাৰ অৰুণৰাগ, গধূলিৰ হেঙুলী ডাৱৰ ৰঙাই গ’ল, —আমাক পাহৰি যাব অনাগত ভবিষ্যই, মানুহৰ মিছা ইতিহাসে প্ৰভাতৰ পূবেৰুণেও আমাক পাহৰিব, পাহৰিব সন্ধিয়াৰ ৰঙীণ আকাশে।

দেৱকান্ত বৰুৱাৰ ভাবত অভিনৱত্ব নহ’লেও প্ৰকাশত অভিনৱত্ব আছে। অগতানুগতিক ছন্দ সজজাৱে তেওঁৰ কবিতা ৰুচিকৰ। ‘সাগৰ দেখিছা’, ‘অপ্ৰকাশ’, ‘অসাৰ্থক’, ‘কলঙ পাৰত মাজনিশা’ আদি কবিতাত ছন্দ চিৰাচৰিত ৰীতিৰ হ’লেও তাৰ উপস্থাপন নতুন। ৮+৮+১০ ভাগ নকৰি ২১+৬ কৰা বাবে সুকীয়া মাধুৰ্য পৰিলক্ষিত হয়। এটা শাৰী বা ছেদৰ লগতে এটা বাক্য শেষ হোৱা নাই, ছন্দৰ বান্ধোন এৰাই বাক্যই নিজৰ স্বাধীনতা বিচাৰি লৈছে। তেওঁৰ কবিতাত যি কথা কোৱা ভংগী সি অতিশয় আকৰ্ষণীয়।

*''মাজনিশা সাৰ পাই শুনিছানে কেতিয়াবা*
*কেতেকীৰ হিয়া ভগা মাত,*
*ভাবিছানে এটি বাৰো পখীৰ ডিঙিত কান্দে*
*মানুহৰ বুকুৰ সম্বাদ ?''*

—এই গভীৰ প্ৰশ্নটো তেওঁ যেতিয়া নাটকীয় বচনভংগীৰে পাঠকৰ ফালে দলিয়াই দিয়ে, তাৰ গভীৰ আবেদন কোনে অস্বীকাৰ কৰিব পাৰে ?

তেওঁৰ কবিতা মিশ্ৰ অনুভূতিৰ প্ৰকাশ। ভগ্ন হৃদয়ক লৈ গৌৰৱ কৰাৰ ক্ষমতা খুব কম কবিৰহে থাকে; সেই ক্ষমতা দেৱকান্তৰ আছে—

*''হিয়া নিয়া আমাৰ ধেমালি মাথো, ভগা হিয়া মানুহৰ*
*নিজস্ব গৌৰৱ;*
*বিৰহৰ চকুপানী মৰতৰ মন্দাকিনী, প্ৰেম তাৰ*
*মন্দাৰ সৌৰভ।''* **(দেৱদাসী)**

এয়ে তেওঁৰ ভাবৰ বৈশিষ্ট্য। যৌৱনত বেদনা লাভ কৰি কৰি জীৱনক এটা প্ৰত্যাহ্বান ৰূপে ল'বলৈ খুজিছিল তেওঁ। কিন্তু শেষত কি পালে? ড° মহেশ্বৰ নেওগৰ ভাষাতে ক'ব পাৰি— ''ৰীতিৰ বিৰুদ্ধে সমাজৰ ধাৰণাবোৰৰ বিপক্ষে প্ৰতিবাদ কৰিও কবিয়ে ব্যক্তিগত আৰু কাব্যিক জীৱনত লভিছে ক্লান্তি আৰু ব্যৰ্থতা।'' 'অশ্ৰু-ক্লান্ত জীৱনৰ' অসহনিত শ্বেলীৰ দৰে তেওঁ উচুপি উঠিছে। কাব্য-জগততো যেন প্ৰেমিক কবিৰ ভাব পিছলি গৈছে, ভৱিষ্যত যেন দেখা দেখিকৈয়ে আন্ধাৰ। এই যুদ্ধত কবিয়ে হাৰ মানি লৈছে। অন্তৰ্নিহিত সকলো শক্তি লৈও কবি নিৰাশাবাদী হৈ পৰিছে; 'পোহৰৰ অভিযান'ত 'আন্ধাৰৰ জয়' স্বীকাৰ কৰি খায়ংয়ামী হৈ বহি পৰিছে।

### ৪.২.৩.১ যুগ-সন্ধিৰ কবি দেৱকান্ত বৰুৱা

অসমীয়া ৰোমান্টিক কবিতাৰ শেষৰ জন সফল কবি দেৱকান্ত বৰুৱাই অসমীয়া কবিতাত আধুনিক চিন্তাৰ দুৱাৰ মুকলি কৰিছিল তেওঁৰ 'ৰংঘৰ' আলোচনীত প্ৰকাশিত 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাৰে। একমাত্ৰ পুথি 'সাগৰ দেখিছা'ৰ মাজত দেৱকান্তৰ কবি-মানসত জাগি উঠা প্ৰথম আধুনিকতাৰ বোল লক্ষ্য কৰা যায়। তেওঁৰ ওপৰত ৰবীন্দ্ৰনাথ আৰু জীবনানন্দ দুয়োজনৰে প্ৰভাৱ লক্ষ্য কৰা যায়। বিচাৰি পোৱা যায় ব্ৰাউনিঙৰ প্ৰভাৱো। ৰোমাণ্টিক চেতনাৰ সৰসতাৰে ভৰা তেওঁৰ কবিতাত বংগৰ কবিৰ প্ৰাণত পৰা ইংৰাজ আধুনিক কবিৰ শূণ্যতাবোধৰ প্ৰভাৱৰ এক মৃদু স্পৰ্শও অনুভূত হয়। অসমীয়া আধুনিক কবিতাৰ কেইবাটিও দিশত দেৱকান্তৰ সহজ বিচৰণ লক্ষ্য কৰা যায়। সেইবোৰ চমুকৈ আলোচনা কৰা হ'ল—

**প্ৰেম সম্পৰ্কে ধাৰণা ঃ**

ৰোমাণ্টিক কবিতাৰ স্বৰ্গীয় প্ৰেম আধুনিক কবিতাত ধৰণী ধূলিলৈ নামি অহাৰ কথা লাহে লাহে সহজ হৈ আহিছিল। ইংৰাজী আৰু বাংলা কবিতাত প্ৰেমে দেহ-সৰ্বস্ব ৰূপ ইতিমধ্যে গ্ৰহণ কৰিছিল। অসমীয়া কবিতা কিন্তু অতিন্দ্ৰীয় প্ৰেমৰেই বন্দনা চলি আছিল।

এনে সময়তে দেৱকান্তই নতুন দৃষ্টিভংগীৰে দিখা দিলে। তেওঁৰ বাবে প্ৰেম কেৱল আত্মাৰ সঁহাৰিয়েই নহয়। প্ৰেয়সীৰ দেহ আৰু মন দুয়োটাই তেওঁৰ বাবে সঁচা। কেৱল কল্প জগতত সপোনৰ ডেউকা মেলি প্ৰিয়াৰ প্ৰেমৰ জগতত তেওঁ বিচৰণ কৰি ফুৰা নাই। প্ৰিয়াৰ শৰীৰকো তেওঁ অস্বীকাৰ কৰা নাই। প্ৰেম জীৱন-মৰুত নিজৰা স্বৰূপ, কিন্তু তাতো আছে শৰীৰৰ স্পৰ্শ। ৰোমাণ্টিক ভাববিলাসিতা সম্পূৰ্ণৰূপে পৰিত্যাগ কৰা নাছিল যদিও তেওঁৰ প্ৰেম-চিন্তা আছিল আধুনিকতাৰ প্ৰথম সোপানত। প্ৰেম তেওঁৰ বাবে থুনুকা আৱেগেই কেৱল নহয়, এক প্ৰয়োজনো। প্ৰেমৰ বাবেই নাই জীৱনজোৰা আগ্ৰাসনৰ আকাংক্ষা, আছে এক মুহূৰ্তৰ প্ৰাপ্তিৰ মাজতে ওৰে জীৱনৰ সঞ্চয়, – এই আধুনিক ধাৰণা তেওঁৰ ‘কলংপাৰত মাজনিশা’ কবিতাটোত মূৰ্ত হৈ উঠিছে। আনৰ বাগদত্তা হৈ পৰা প্ৰেয়সীক বিয়াৰ আগে আগে গোপনে লগ ধৰি তেওঁ অনায়াসে কৈ উঠিছে–

*তুমি গোলাপৰ আজি লভিছো পৰশ প্ৰিয়া*
*কাঁইটৰ শংকা মোৰ নাই।*

যতীন্দ্ৰনাথ দুৱৰা আৰু গণেশ গগৈৰ প্ৰেমৰ চিন্তাত থকা ব্যৰ্থতাৰ বিষাদ তেওঁৰ কবিতাত পোৱা নাযায়। অমিয় চক্ৰৱৰ্তী, বুদ্ধদেৱ বসু আদিৰ দৰে ক্ষণভংগুৰ ৰূপতে তেওঁ প্ৰেমক গ্ৰহণ কৰিছে। ব্যৰ্থ প্ৰেমৰ মাজতে নিজৰ অহংকাৰক তৃপ্ত কৰিব পৰা এটা আধুনিক মন আছিল তেওঁৰ–

*মোৰ অহংকাৰ*
*প্ৰথম জগালো ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা!*
*হিয়াৰ তোমাৰ।*

**(কলংপাৰত মাজনিশা)**

প্ৰেম যৌৱনৰ স্বাভাৱিক ধৰ্ম। যৌৱন ক্ষণস্থায়ী বাবেই তাৰ মূল্যও বেছি। এই দুদিনৰ মাজত কোনো পাপ-পূণ্যৰ হিচাপ কৰিবলৈ কবি অনিচ্ছুক।

*আমিও মৰহি যাম? অসাৰ্থক প্ৰেম মোৰ? পাপ মাথো*
*এই চুমাচুমি?*
*কি কৰিম? হক পাপ ক্ষতি নাই, মই পাম স্বৰ্গ তাতে*
*তুমি ৰ’বা তুমি।*

এইদৰে দেখা যায় যে প্ৰেমৰ মূল্যবোধ তেওঁৰ বাবে পৰিৱৰ্তিত হৈছিল। আধুনিকতাৰ আনয়নৰ বাবে দলবদ্ধ প্ৰচেষ্টা আৰম্ভ হোৱাৰ আগতেই তেওঁ নতুন ধৰণে প্ৰেমৰ বিষয়ে চিন্তা কৰিছিল।

**নাৰী সম্পৰ্কে ধাৰণা ঃ**

দেৱকান্তৰ নাৰী-ধাৰণাতো ৰোমাণ্টিক কোমলতাৰ লগত যুক্ত হৈছে দিঠকৰ কঠোৰ সত্য। নাৰী তেওঁৰ বাবে মনোৰমা, ৰাণী, সখী, লাহৰী ইত্যাদি। নাৰীৰ মাজত অনাঘ্ৰাতা ৰূপ আছে, অথচ মাটিৰ পৃথিৱীৰ ধূলিৰ গোন্ধো আছে। বিষ্ণু দে আৰু বুদ্ধদেৱ বসুৰ দৰে নাৰীৰ লাৱণী দেহৰ মাজত 'কংকাল' আৰু অস্থিৰ উপস্থিতি ইমান নিৰ্মমভাৱে অনুভূত নকৰিলেও তেওঁ কৈছে–

*তেজ-মঙহৰ তুমি সামান্য পুতলা এটি*
*মৃত্যুশীল ফুল মৰতৰ।*

'তিলোত্তমা' নামৰ কবিতাটিৰ মাজত নাৰীৰ যি ছবি তেওঁ প্ৰকাশ কৰিছে সি প্ৰচলিত পূৰ্বাপাৰ ধাৰণাৰ বিপৰীত। নাৰীৰ বাবে 'ভায়ে ভায়ে কৰিছে সংগ্ৰাম'। নাৰী ইমানেই ভয়ংকৰ যে তেওঁ 'হিংসাতুৰা বাঘিনীৰ বুকুৰ পোৱালী কাঢ়ি' হেলাৰঙে ধেমালি কৰিব পাৰে। কেৱল সেয়েই নহয়, নাৰী হৈছে উৎপীড়ন আৰু শোষণৰ বিৰুদ্ধে মূৰ্তিমতী প্ৰতিবাদ—

*দৃপ্তফণা কালনাগ, বিহ উগাৰত যাৰ নীলকণ্ঠ ভোলানাথ*
*তুমি তাৰ মণি;*
*উৎপীড়িত বেদনাৰ চিৰন্তন বিদ্ৰোহৰ গগণ উতলা কৰা*
*তুমি তূৰ্য্যধ্বনি।*

**(তিলোত্তমা)**

তেওঁৰ কবিতাতে পোনপ্ৰথমবাৰ প্ৰকাশ পায় নাৰীৰ ওপৰত হোৱা উৎপীড়নৰ অনুভৱ। এই নাৰী সীতা, দ্ৰৌপদী নে অমূল্য বৰুৱাই উল্লেখ কৰা 'বেশ্যা', সেই কথা জনা নাযায় যদিও নাৰীক এনে দৃষ্টিৰে চোৱা দেৱকান্তই আছিল প্ৰথম ব্যক্তি।

তেওঁৰ বাবে, নাৰীৰ দেহ-ভংগীত আছে বিশ্বৰ অবৰুদ্ধ যৌৱনৰ প্ৰকাশ, যাৰ নিশাহত বিহ মেটেকাই পাহি মেলে (নাৰী আৰু বিহ মেটেকাৰ এই প্ৰতীক পিছলৈ নৱকান্ত বৰুৱায়ো প্ৰয়োগ কৰিছে), তথাপিও জীৱনৰ চৰম সত্য ৰূপে নাৰীক তেওঁ কামনা কৰিছে–

*মৰণ যাচোঁ ৰাণী তোমাৰ*
*কমল-চৰণ চুমি।*

**জটিল চিন্তা ঃ**

দেৱকান্তৰ আগলৈকে অসমীয়া কবিতাত কেৱল হৃদয়ৰ সুৰ শুনা গৈছিল। এই সুৰত প্ৰণয় আৰু বিৰহ, প্ৰকৃতি আৰু দেশপ্ৰেম, হাস্য আৰু কৰুণ ভাবৰ অনুভৱ স্বচ্ছৰূপত জিলিকি আছিল। কবিতা একোটা পোনে পোনে মনলৈ সোমাই গৈছিল আৰু ভাল কবিতা হ'লে মনত ৰৈ গৈছিল, বেয়া হ'লে মানুহে পাহৰি পেলাইছিল। এই ক্ষেত্ৰত ব্যতিক্ৰম আনিলে দেৱকান্তৰ কবিতাই। তেওঁৰ 'আমি দুৱাৰ মুকলি কৰোঁ' আৰু 'সাগৰ দেখিছা', 'লাচিত ফুকন' উপলব্ধি কৰিবলৈ হৃদয়ানুভূতিৰ লগতে চিন্তাশক্তিৰো প্ৰয়োজন হ'ল। কবিতাকেইটিত থকা জটিল চিন্তা আৰু সেইবোৰ উপলব্ধি কৰিবৰ বাবে প্ৰয়োজন হোৱা মগজুৰ কছৰৎ আধুনিক কবিতাৰ অন্যতম চিনাকি।

**সমাজ সচেতনতা ঃ**

দেৱকান্তৰ আগতেও কমলাকান্ত ভট্টাচাৰ্য, বলীনাৰায়ণ আদিয়ে সমাজৰ দোষ আৰু ভণ্ডামিবোৰ আঙুলিয়াই ক্ৰোধ আৰু ব্যঙ্গৰ ভাব প্ৰকাশ কৰিছিল তেওঁলোকৰ কবিতাত। দেৱকান্তৰ কবিতাত তাৰ ধৰণ বেলেগ হৈ পৰিল। 'লাচিত ফুকন' কবিতাটোত তেওঁৰ আক্ষেপ, ব্যংগ আৰু ধিক্কাৰৰ মনোভাব আধুনিক কবিতাৰ সমগোত্ৰীয়। কবিতাটো উপলব্ধি কৰিবলৈও বুদ্ধিমত্তাৰ প্ৰয়োজন হয়।

জ্জ

**শব্দ আৰু শৈলী ঃ**

জীবনানন্দ 'ঝৰাপালক'ৰ কবিতা আৰু নজৰুলৰ কবিতাৰ শব্দভাণ্ডাৰৰ লগত দেৱকান্তৰ (কম পৰিমাণে হ'লেও) সাদৃশ্য দেখা যায়। 'মাতুল ঘাতক নবী' (লাচিত ফুকন) তেওঁৰ সুন্দৰ প্ৰয়োগ।

কবিতাৰ শব্দ আৰু প্ৰসংগৰ মাজত অনুচ্চাৰিত হৈ থকা পৌৰাণিক গাথা বিচাৰি ল'বলগীয়া আধুনিক লক্ষণ তেওঁৰ কবিতাত বিচাৰি পোৱা যায়। 'তিলোত্তমা' আৰু 'লাচিত বৰফুকন'ত এনে প্ৰসংগৰ অৱতাৰণা কৰা হৈছে।

ব্ৰাউনিঙৰ আৰ্হিত প্ৰয়োগ কৰা কবিতাৰ নাটকীয় একোশক্তি তেওঁৰ কবিতাৰ অন্যতম লক্ষণ। এই লক্ষণে পৰম্পৰাগত ছন্দস  াৰ ঠাইত নতুন ছন্দৰ পথ সুগম কৰিছিল।

## ৪.২.৪ সাৰাংশ

- কবিতাসমূহ ৰোমাণ্টিক হ'লেও আধুনিক চিন্তাৰ বাৰ্তাবাহক।
- প্ৰেম সম্পৰ্কে নতুন ধাৰণাৰ প্ৰকাশ।
- স্বদেশপ্ৰেমৰ তীব্ৰ প্ৰকাশ দেখা যায়।
- ভাব আৰু ভাষাত অভিনৱত্বৰ প্ৰকাশ।
- নাটকীয় একোক্তিৰ প্ৰয়োগ।
- জীৱন-যৌৱন সম্পৰ্কে দৃষ্টিভংগীৰ নতুনত্ব।

## ৪.২.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১**

**সঁচা মিছা নিৰ্ণয় কৰা।**

(ক) 'সাগৰ দেখিছা'ৰ কবি হেম বৰুৱা।

(খ) দেৱকান্ত বৰুৱা যুদ্ধোত্তৰ যুগৰ কবি।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২**

**কবিৰ এখন কবিতা পুথি বিচাৰি উলিওৱা—**

| | |
|---|---|
| দেৱকান্ত বৰুৱা | সুৰী-দৌত্য |
| | অনুভূতি |
| | সাগৰ দেখিছা |
| | অপ্ৰকাশ |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩**

**শুদ্ধ উত্তৰ নিৰ্বাচন কৰাঁ—**

(ক) দেৱকান্ত বৰুৱাক আখ্যা দিয়া হয়—

বিপ্লৱী কবি

সন্ধিক্ষণৰ কবি

ৰহস্যবাদী কবি

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪**

**খালী ঠাই পূৰণ কৰাঁ—**

(ক) নিপোটল বুকু .................. ওঁঠ

দুয়োপাৰি দাঁত ........................

মৰুময় মোৰ .......................... সখী

............................... একোটি সুঁতি

## ৪.২.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ**

(ক) মিছা

(খ) মিছা

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ**

দেৱকান্ত বৰুৱা — সাগৰ দেখিছা

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ**

(ক) সন্ধিক্ষণৰ কবি

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ**

(ক) নিপোটল বুকু লাটুমণি ওঁঠ

দুয়োপাৰি দাঁত ডালিম গুটি

মৰুময় মোৰ জীৱনত সখী

তুমি কবিতাৰ একোটি সুঁতি।

● ***এই গোটৰ কেইটামান আৰ্হি প্ৰশ্ন তোমালোকৰ অনুশীলনৰ বাবে দিয়া হ'ল—***

**পাচোঁটা বাক্যত উত্তৰ সম্পূৰ্ণ কৰাঁ—**

(ক) প্ৰেম আৰু নাৰী সম্পৰ্কে দেৱকান্ত বৰুৱাৰ ধাৰণা বিশ্লেষণ কৰাঁ।

(খ) 'সাগৰ দেখিছা'ত আধুনিক কবিতাৰ কোনবোৰ লক্ষণ প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

(গ) সাগৰ দেখিছা কাব্যত প্ৰকাশ পোৱা নতুন ছন্দ, উপমা, অলংকাৰ আৰু নতুন চিন্তাধাৰাৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰাঁ।

(ঘ) 'সাগৰ দেখিছা' কাব্যত কবিৰ স্বদেশপ্ৰেমৰো প্ৰকাশ দেখা যায় – কথাষাৰ বহলাই আলোচনা কৰাঁ।

(ঙ) দেৱকান্ত বৰুৱাক 'যুগসন্ধিৰ কবি' বুলি কিয় কোৱা হয় ?

(চ) দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেম আৰু মৃত্যুচেতনাৰ স্থানৰ বিষয়ে লিখাঁ।

# খণ্ড ৫ ঃ আধুনিক কবিতা
# (Modern Poetry)

## গোট ১ ঃ আধুনিক কবিতা


৫.১.০ উদ্দেশ্য

৫.১.১ প্ৰস্তাৱনা

৫.১.২ আধুনিক কবিতাৰ লক্ষণ

৫.১.৩ আধুনিক অসমীয়া কবিতা

৫.১.৪ সাৰাংশ

৫.১.৫ অনুশীলনী

৫.১.৬ প্ৰশ্নোত্তৰ


### ৫.১.০ উদ্দেশ্য

- আধুনিক কবিতাৰ লক্ষণসমূহৰ বিষয়ে অৱগত হোৱা।
- অসমীয়া আধুনিক কবিতাৰ লক্ষণসমূহৰ লগত পৰিচিত হোৱা।
- আধুনিক অসমীয়া কবিতাৰ বিকাশৰ ইতিহাসৰ বিষয়ে জ্ঞান লাভ কৰা।
- পাঁচজন বিশিষ্ট কবিৰ আলমত আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তু আৰু আংগিকৰ বিষয়ে ধাৰণা লাভ কৰা।

## ৫.১.১ প্ৰস্তাৱনা

ইমানপৰ তোমালোকে অসমীয়া কবিতাৰ সুদীৰ্ঘ যাত্ৰাপথৰ উমান পালা। চৰ্যাপদৰ দিনৰ পৰা মাধৱ কন্দলী, শংকৰদেৱ আদিৰ অৱদানেৰে পুষ্ট হৈ জোনাকী যুগৰ মাজেদি কেনেকৈ অসমীয়া কবিতা প্ৰৱাহিত হৈ আহিছে, তাৰো ধাৰণা লাভ কৰিলা। এইবাৰ তোমালোকক আধুনিক অসমীয়া কবিতাৰ লগত পৰিচয় কৰাই দিব খুজিছোঁ। এই বিষয়টি অলপ জটিল। সেয়েহে কিছু বিস্তৃতভাৱেই তোমালোকক আধুনিক কবিতাৰ লক্ষণৰ লগত চিনাকি কৰাই দিম।

## ৫.১.২ আধুনিক কবিতাৰ লক্ষণ

আধুনিকতাৰ ধাৰণা সদায়ে গতিশীল। নতুন যুগৰ চিন্তা আৰু চেতনা যি সাহিত্যত প্ৰতিবিম্বিত হৈ উঠে সেই সাহিত্যক সাধাৰণ অৰ্থত আধুনিক বুলি ক'ব পাৰি। কিন্তু ঠায়ে ঠায়ে এই চেতনাও বেলেগ বেলেগ সময়ত জাগৰিত হ'ব পাৰে। ঊনবিংশ শতিকাৰ প্ৰথম দুই দশকত ইংলেণ্ডত যি ৰমন্যাসিক সাহিত্যৰ বিকাশ ঘটিছিল, ভাৰতত তাৰ বিকাশ ঘটে সেই শতাব্দীৰ একেবাৰে শেষ ফালেহে। গতিকে সেই সময়ৰ ভাৰতীয় মনৰ বাবে ইংলেণ্ডৰ সেই সাহিত্যিক জাগৰণ নিঃসন্দেহে আচহুৱা আৰু অবোধগম্য আছিল। অথচ এটা সময়ত স্বাভাৱিক গতিৰে সেই ভাৱধাৰা আহি আপোনা-আপুনি ভাৰতীয় সাহিত্যত সোমাই পৰিল। গতিকে দেখা যায় যে আধুনিকতাৰ এক নিৰ্দিষ্ট সময় আৰু নিৰ্দিষ্ট গতিপথ থাকে। কবিতাৰ ক্ষেত্ৰত আধুনিকতাৰ বিচাৰ কৰাটো আৰু কঠিন। কবিৰ মনৰ জগত আৰু কবিতা-পাঠকৰ মনৰ জগতৰ মাজত যেতিয়া একে সময়তে নতুন চেতনাৰ সাঁকোৰে অনুভূতিৰ আদান-প্ৰদান ঘটে, তেতিয়াই কবিতাত আধুনিকতা স্বীকৃত হয়, কেতিয়াবা সেইবোৰ লক্ষণকে আধুনিক বোলা হয়, যিবোৰত মানৱ-প্ৰগতি, সভ্যতা, সংস্কৃতি আদিৰ বিষয়ে প্ৰচলিত সকলো ধাৰণাকে মানি নোলোৱাৰ আৰু তাৰ বিপৰীত ধাৰণা এটাক মানি লোৱাৰ প্ৰৱণতাই দেখা দিয়ে। থূলমূলকৈ আধুনিক কবিতাৰ কেইটামান লক্ষণ হ'ল—

(ক) প্ৰতীকধৰ্মী শব্দৰ প্ৰয়োগ

(খ) আপাত দৃষ্টিত যিবোৰ বিষয়ক কবিতাৰ উপযুক্ত বুলি অতদিনে ধৰা হোৱা নাছিল, সেইবোৰৰ অন্তৰ্ভুক্তি।

(গ) অসংলগ্ন যেন লগা ভাষাৰ প্ৰয়োগ

(ঘ) চলচিত্ৰধৰ্মী কলা-কৌশল

(ঙ) অতিকথাৰ প্ৰয়োগ

(চ) ব্যৱহৃত একাধিক চিত্ৰকল্পৰ অসংলগ্নতা

(ছ) চিত্ৰকল্পসমূহত নাটকীয় বীজ

(জ) ছন্দৰ শিকলি ছিঙা ৰূপ

(ঝ) ঘৰুৱা আৰু কথিত শব্দৰ প্ৰয়োগ।

## ৫.১.৩ আধুনিক অসমীয়া কবিতা

নতুন যুগৰ চিন্তা আৰু চেতনা যি সাহিত্যত প্ৰতিবিম্বিত হৈ উঠে, সেই সাহিত্যক সাধাৰণ অৰ্থত আধুনিক বুলি ক'ব পাৰি। কিন্তু ঠায়ে ঠায়ে এই চেতনাও বেলেগ বেলেগ সময়ত জাগৰিত হ'ব পাৰে। ঊনবিংশ শতিকাৰ প্ৰথম দুই দশকত ইংলণ্ডত যি ৰোমাণ্টিক সাহিত্যৰ বিকাশ ঘটিছিল, ভাৰতত তাৰ বিকাশ ঘটিছিল সেই শতাব্দীৰ একেবাৰে শেষৰ ফালেহে। বংগদেশৰে সাহিত্যত পাশ্চাত্য জগতৰ চিন্তাৰ ছাঁ পৰাৰ বহু পিছতহে আমাৰ অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱে দেখা দিছিল। আধুনিকতা এটা আপেক্ষিক শব্দ। কবিতাৰ ক্ষেত্ৰত আধুনিকতাৰ বিচাৰ কৰাটো আৰু কঠিন। কবিৰ মনৰ জগত আৰু কবিতা-পাঠকৰ মনৰ জগতৰ মাজত যেতিয়া একে সময়তে নতুন চেতনাৰ সাকোঁৰে অনুভূতিৰ আদান-প্ৰদান ঘটে, তেতিয়াই কবিতাত আধুনিকতা স্বীকৃত হয়। অসমীয়া কবিতাত অমূল্য বৰুৱাৰ দিনৰে পৰা এক নতুন চেতনা স্ৰোত প্ৰৱাহিত হৈছিল। কিন্তু পাঠকৰ সমাজত সি বিয়পি পৰাৰ সুবিধা লাভ কৰা নাছিল সেইবোৰৰ আকস্মিকতা আৰু অভাৱনীয়তাত, বিশেষকৈ বিষয়বস্তু, নামকৰণ আদিৰ ক্ষেত্ৰত। কবিতাত আধুনিকতাই প্ৰথমেই দিয়ে একোটা বিস্ময়ৰ চমক। কবিৰ চকুত বিশেষভাৱে ধৰা পৰা একোটা অগতানুগতিক উপলব্ধিয়ে সেই চমক প্ৰদান কৰে। অসমীয়া সাহিত্যৰ কবি আৰু পাঠকে যেতিয়া ফুল, তৰা, ৰূপহীৰ মাজত সৌন্দৰ্য বিচাৰি এসময়ত ক্লান্ত হৈ পৰিছিল তেতিয়া তেওঁলোকে সন্ধান কৰিছিল অন্য দৃষ্টিকোণেৰে অন্য আকৰ্ষণৰ। দেহৰ পৰা মনলৈ গতি কৰা সৌন্দৰ্যৰ সেই সন্ধানত অনুভূতি আৰু চিন্তাধাৰাৰ যি বৈচিত্ৰ্য পৰিলক্ষিত হয় আপাত দৃষ্টিত সি সকলো সময়তে সুন্দৰ নাছিল। কেতিয়াবা সকলো 'অসুন্দৰ' আৰু 'অশুভ'ৰ মাজতো কবিয়ে কবিতাৰ সমল বিচাৰি পায়। আধুনিক কবিতাৰ ই এক প্ৰধান বৈশিষ্ট্য। দুখ আৰু পাপৰ সংমিশ্ৰণত উদ্ভৱ হোৱা অমংগলবোধৰ চেতনা আধুনিক কবিতাৰ এক বিস্ময়কৰ উপাদান। 'জয়ন্তী' যুগৰ অসমীয়া কবিতাত ইয়াৰ প্ৰকাশ দেখা গৈছিল।

আধুনিক কবিতাই মানুহৰ একান্ত ব্যক্তিগত আৰু গোপনীয় বিষয়সমূহ লৈ যি আলোচনাত প্ৰবৃত্ত হয়, সি সকলো সময়তে সকলো পাঠকৰ বাবে বোধগম্য নহ'বও পাৰে। পাঠকক বিমোৰত পেলোৱা নতুন কবিতাৰ দুটামান

নতুন লক্ষণ হ'ল সমাজৰ প্ৰচলিত ৰীতিৰ প্ৰতি প্ৰৱল অনীহা আৰু নিজৰ মনোভাৱক সহজবোধ্য নোহোৱাকৈ ঢাকি ৰখাৰ এক বিস্ময়কৰ প্ৰৱণতা। প্ৰথমটোৱে কবিতাত দিছে এক অসন্তুষ্টিৰ মনোভাৱ। দ্বিতীয়টোৱে দিছে দুৰ্বোধ্য হোৱাৰ লক্ষণ। অসমীয়া কবিতাটো এই দুয়োটা দিশ দেখা যায়। সেইবাবেই আধুনিক অসমীয়া কবিতা পাঠকৰ মাজত এক বিতৰ্কৰ বিষয় হৈ পৰিছিল, কবিতা বাৰে বাৰে এই প্ৰশ্নত। প্ৰতীক চিত্ৰকল্পেৰে ভাৰাক্ৰান্ত কবিতাই প্ৰথম দৃষ্টিত এই কথা প্ৰতীয়মান কৰাইছিল যে কবিতা হ'ল কবিৰ নিজৰ দৰে সতীৰ্থসকলেহে বুজিব পৰা এবিধ সাহিত্যকলা, সকলোৰে বাবে কবিতা নহয়। কিন্তু প্ৰকৃততে কবিতাক কোনোপধ্যেই সামগ্ৰিক জন-জীৱনৰ পৰা আঁতৰাই চাব নোৱাৰি। প্ৰতি মানুহৰে অন্তৰত থকা আকাশ বতাহৰ প্ৰতি ভালপোৱা, প্ৰেমহীনতা অথবা প্ৰেমৰ পৰশ, আলোচনাৰ আদান-প্ৰদানৰ ইচ্ছা, নগৰৰ উত্তেজনা আৰু কুৰূপতা, গ্ৰামাঞ্চলৰ সজীৱতা আৰু সংকীৰ্ণতা, ঘৃণা-বিৰাগ-অনুৰাগৰ অনুভূতিক কবিতাই প্ৰকাশ কৰে; তাকে যেনিবা নিজৰ ভাষাত। এই আটাইবোৰ অনুভূতিয়ে প্ৰকাশৰ বাট বিচাৰি মৰে সাধাৰণ মানুহৰো অন্তৰত। কিন্তু কবিয়ে সহজে বাট বিচাৰি পায় আৰু বুটলি ল'বলৈ জানে প্ৰয়োজনীয় শব্দ। মানসিক পৰিশ্ৰমৰ অন্তত তেওঁ সাজি উলিয়াব পাৰে একোটি নিটোল কবিতা। গতিকে কোনো এজন কবিৰ ব্যক্তিগত ৰচনা হ'লেও একোটা কবিতাই কোনো এখন সমাজৰ বহুত মানুহৰ আশা-নিৰাশা আৰু সমস্যাৰ ছবি বহন কৰে। এই লক্ষণ আধুনিক কবিতাত যিমান স্পষ্ট, ৰোমাণ্টিক কবিতাত সিমান নহয়। আধুনিক অসমীয়া কবিতায়ো এইদৰেই জন-জীৱনৰ বাতৰি বহন কৰি আহিছে।

আধুনিক অসমীয়া কবিতাত প্ৰেম আৰু প্ৰকৃতি কোনোটোৱেই উপেক্ষিত হোৱা নাই। সেইদৰে আধুনিক অসমীয়া কবিতাত ৰাজনীতিৰ কথাও নোকোৱাকৈ থকা নাই। প্ৰাচীনপন্থীসকলৰ দৃষ্টিত কবিতা আৰু ৰাজনীতি দুটা বিপৰীত মেৰুৰ বস্তু যদিও আধুনিক দৃষ্টিত ৰাজনীতি হ'ল মানুহৰ সমাজ জীৱনৰ, আৰু ব্যক্তিগত জীৱনৰো, সবাতোকৈ প্ৰভাৱশালী শক্তি। কবিতাত ৰাজনীতি থাকে কবিৰ কোনো আদৰ্শ-স্থাপনৰ মনোভাৱ অথবা কোনো সংস্কাৰৰ মনোভাৱ নাইবা কোনো প্ৰতিবাদৰ মনোভাৱৰ ছদ্মবেশত। কিছুমান কবিতাই ৰাজনৈতিক চেতনাৰে মানৱ মুক্তিৰ বাণী বহন কৰে।

আধুনিক অসমীয়া কবিতাত থকা সমাজ সচেতনতাৰ মনোভাৱ বহুখিনি মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱৰ ফল। শোষিতৰ প্ৰতি সহানুভূতি এই দৰ্শনৰ অন্যতম বৈশিষ্ট্য। এনে দৰ্শনৰ ভিত্তিত ৰচিত ভালেমান কবিতা আধুনিক অসমীয়া সাহিত্যৰ মূল্যবান সম্পদৰূপে বিবেচিত হৈছে। মাৰ্ক্সৰ বাহিৰে এটা গুৰুত্বপূৰ্ণ নাম হ'ল চিগমণ্ড ফ্ৰয়েড, যিজনে আধুনিক মানুহৰ চিন্তাধাৰাত নতুন চেতনা জগাবলৈ সমৰ্থ হ'ল। এই দুজনৰ বাহিৰেও আৰু কেইবাজনো চিন্তাবিদৰ

তথ্যপূর্ণ বিশ্লেষণ আৰু নানা চিন্তাৰ সমল যোগোৱা অৱদানে অসমীয়া আধুনিক কবিতাত প্ৰভাৱ পেলাইছে।

আধুনিক অসমীয়া কবিতাখিনি আলোচনা কৰিলে এইবোৰক দুটা প্ৰাথমিক ভাগত বিভক্ত কৰিব পাৰি। তাৰে এবিধ হ'ল হৃদয় পৰশি যোৱা আৰু আনবিধ হ'ল মগজুৰ দুৱাৰেদি সোমাই অহা। প্ৰথমবিধৰ কোমলতা আৰু সৰলতাৰ তুলনাত পিছৰবিধ কিছু জটিল। কাৰণ এইবোৰ কবিতাই পাঠকৰ পৰা অধিক সচেতনতা আৰু অধ্যয়নৰ দাবী কৰে। সেয়েহে কেতিয়াবা সীমিত সচেতনতা আৰু অধ্যয়নৰ পাঠকৰ বাবে এইবোৰ জটিল আৰু দুৰূহ হৈ পৰে। এই অস্পষ্টতা নতুন কবিতাৰ প্ৰধান বৈশিষ্ট্য। অস্পষ্ট সেইসকলৰ বাবে, যিসকলৰ বুদ্ধি আৰু হৃদয় নতুন কবিতাৰ ৰস-গ্ৰহণৰ বাবে উপযুক্ত হৈ উঠা নাই, অৰ্থাৎ যিসকলে নতুন কবিতাৰ দুৱাৰ মুকলি কৰাৰ সঁচাৰ-কাঠি বিচাৰি পোৱা নাই। এনেবোৰ কবিতা বুজি পাবৰ বাবে কেতিয়াবা অধ্যৱসায়ৰো প্ৰয়োজন হয়।

সামগ্ৰিকভাৱে চাবলৈ গ'লে, অসমীয়া নতুন কবিতাৰ কেইটিমান বৈশিষ্ট্য আছে। তাৰে প্ৰথমটো ধৰা পৰে বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত। যিবোৰ বিষয়ক ইমানদিনে কবিতাৰ ৰাজ্যলৈ আহিবলৈ দিয়া নহৈছিল, সেইবোৰো অনায়াসে কবিতাত সোমাই পৰিল। ভাল-বেয়া, ঘৃণাজনক, জ্জ লজজাজনক, আনন্দ আৰু বিষাদদায়ক সকলো অনুভূতিয়ে সমানে গুৰুত্ব পাবলৈ ধৰিলে। এইবোৰৰ প্ৰকাশৰ বাবে প্ৰতীক বাছি লোৱা হ'ল। প্ৰতীকধৰ্মী শব্দৰ প্ৰাচুৰ্য বাঢ়ি আহিল। ফলত কবিতাৰ অন্তৰ্নিহিত ভাৱ এখন আঁৰকাপোৰৰ আঁৰত ঢাক খাই পৰিল আৰু অনুশীলনৰ দ্বাৰাহে সেই আঁৰকাপোৰ আঁতৰাব পৰা অৱস্থা হ'ল। প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগৰ বাবে কবিতাৰ ভাষা আপাত দৃষ্টিত অসংলগ্ন যেন লগা হৈ পৰিল। কবিতাৰ বাহ্যিক আৱৰণ খেলি-মেলি আৰু ছিগা-ভগা যেন লগা হ'ল। পুৰণি ছন্দৰীতি আঁতৰি গৈ কবিতা মুকলি হৈ পৰিল আৰু সহজ কথা কোৱাৰ ভংগী এটা কবিতাই আপোন কৰি ল'লে। যিবোৰ চিত্ৰকল্প প্ৰয়োগ কৰা হয়, কেতিয়াবা সেইবোৰৰো কিছুমানৰ মাজত অসংলগ্নতা চকুত পৰে আৰু যথেষ্ট কষ্ট কৰিহে সেইবোৰৰ মাজত থকা যোগসূত্ৰ বিচাৰি উলিয়াব পৰা যায়। কিছুমান কবিতাই ৰূপকথা বা অতিকথাৰ ইমান ইংগিতপূৰ্ণ প্ৰয়োগ কৰে যে মূল কাহিনীটোৰ লগত সম্পৰ্ক নাথাকিলে কবিতাটো বুজায় নাযায়। সেইদৰে একোটি চৰিত্ৰৰ হঠাৎ উল্লেখে পাঠকৰ পৌৰাণিক বা ঐতিহাসিক জ্ঞানৰো দাবী কৰে। ঘৰুৱা মাত-কথা, আনকি উপভাষাৰ প্ৰয়োগো নতুন কবিতাত দেখা যায়। ফৰাচী, জাপানী, ইংৰাজী আদি কবিতাৰ প্ৰভাৱে অসমীয়া নতুন কবিতাৰ ভাৱ, ভাষা আৰু ছন্দ-স   াত নতুনত্ব প্ৰয়োগ কৰিবলৈ প্ৰেৰণা যোগালে।

এই আটাইবোৰ বৈশিষ্ট্যৰ ভিত্তিত কোৱা যায় যে ভাৰতৰ আন

সকলৰ দৰে অসমীয়া আধুনিক কবিসকলেও ‘পাউণ্ডৰ পৰা ফৰ্ম’ শব্দৰ সংগীত আৰু সুৰ, সাংগীতিক ফৰ্মক কবিতালৈ ৰূপান্তৰ, প্ৰসংগ উল্লেখ, নিৰ্দেশ, সাহিত্য-সংস্কৃতিৰ ব্যাপক প্ৰচাৰ আৰু অৰ্থনীতিৰ দ্বাৰা গভীৰতৰ বোধ উদ্দীপনাৰ প্ৰচেষ্টা, চিত্ৰকল্পৰ ব্যৱহাৰ, শব্দ আৰু বাক্যৰ প্ৰচণ্ড সংহতি, মুখৰ কথ্যভাষাৰ ব্যৱহাৰ, বিভিন্ন দেশৰ কাব্যৰ ফৰ্মৰ পৰীক্ষা-নিৰীক্ষা’ ইত্যাদি বিভিন্ন লক্ষণ আহৰণ কৰিছিল।

## ৫.১.৪ সাৰাংশ

- আধুনিক কবিতাত প্ৰচলিত ধাৰণাক নতুন ৰূপেৰে চোৱা হয়।
- আধুনিকতা এটা আপেক্ষিক শব্দ।
- আধুনিক অসমীয়া কবিতাই জনজীৱনৰ বাতৰি বহন কৰিছে।
- আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তুৰ সীমা বিস্তৃত।
- আধুনিক অসমীয়া কবিতাত বিচিত্ৰ আংগিকৰ প্ৰয়োগ দেখা যায়।

## ৫.১.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**সঁচা-মিছা নিৰ্ণয় কৰাঁ—**

(ক) আধুনিক কবিতাত চিত্ৰকল্প নাথাকে।

(খ) আধুনিক কবিতাত অন্ত্যমিল থাকিবই লাগে।

(গ) আধুনিক কবিতাত ঘৰুৱা আৰু কথিত শব্দ থাকিব পাৰে।

(ঘ) আধুনিক অসমীয়া কবিতাত নতুন চেতনা প্ৰৱাহিত হৈছিল অমূল্য বৰুৱাৰ দিনৰ পৰা।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**অসমীয়া কবিতাত আধুনিক চিন্তাৰ আৰম্ভ কৰা আলোচনীখন—**

(ক) বাঁহী

(খ) জয়ন্তী

(গ) অৰুনোদই

(ঘ) প্ৰান্তিক

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**আধুনিক অসমীয়া কবিতাৰ আলোচনাত কবিতাখিনিক কেইটা প্ৰাথমিক ভাগত ভাগ কৰিব পাৰি ?**

(ক) এটা

(খ) দুটা

(গ) চাৰিটা

(ঘ) পাঁচটা

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**আধুনিক অসমীয়া কবিতাৰ প্ৰথমৰ ফালৰ এজন কবিৰ নাম—**

(ক) অমূল্য বৰুৱা

(খ) নীলমণি ফুকন

(গ) নলিনীবালা দেৱী

(ঘ) হীৰেণ ভট্টাচাৰ্য

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ ঃ**

আধুনিক কবিতাৰ লক্ষণৰ বিষয়ে পাঁচোটা বাক্য লিখাঁ—

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

## ৫.১.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

(ক) মিছা

(খ) মিছা

(গ) সঁচা

(ঘ) সঁচা

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

(খ) জয়ন্তী

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

(খ) দুটা

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

(ক) অমূল্য বৰুৱা

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ৰ উত্তৰ ঃ**

আপাতদৃষ্টিত যিবোৰ বস্তুক বা বিষয়ক কবিতাৰ উপযুক্ত বুলি অতদিনে ভবা হোৱা নাছিল; সেইবোৰ অন্তৰ্ভুক্ত হ'ল। প্ৰতীকধৰ্মী শব্দ প্ৰয়োগ। অসংলগ্ন যেন লগা ভাষাৰ প্ৰয়োগ আৰু ঘৰুৱা কথিত ভাষাৰ প্ৰয়োগ হ'ল। চলচিত্ৰধৰ্মী কলা-কৌশল প্ৰয়োগ কৰি চিত্ৰকল্পত নাটকীয় বীজ আৰোপ কৰা হ'ল। ছন্দৰ শিকলি ছিঙা ৰূপত কবিতাবোৰে আত্মপ্ৰকাশ কৰিলে। কবিৰ মনৰ জগত আৰু কবিতাৰ পাঠকৰ মনৰ জগতৰ মাজত অনুভূতিৰ আদান-প্ৰদান ঘটিবলৈ ধৰিলে নতুন ৰূপত।

**খণ্ড ৫**

## গোট ২ ঃ যাত্ৰাৰ শেষ নাই

৫.২.০ উদ্দেশ্য

৫.২.১ প্ৰস্তাৱনা

৫.২.২ হেম বৰুৱাৰ কবি পৰিচয়

৫.২.৩ ‘যাত্ৰাৰ শেষ নাই’ কবিতাটোৰ আলোচনা

৫.২.৪ সাৰাংশ

৫.২.৫ অনুশীলনী

৫.২.৬ প্ৰশ্নোত্তৰ

### ৫.২.০ উদ্দেশ্য

- হেম বৰুৱাৰ কবিতাৰ বিষয়ে ধাৰণা।
- অসমীয়া আধুনিক কবিতাত চিত্ৰকল্প প্ৰয়োগৰ নতুন ধৰণটোৰ বিষয়ে সচেতনতা।
- কবিতাত ৰাজনীতি-সমাজনীতিৰ আলোচনাৰ বিষয়ে ধাৰণা।

### ৫.২.১ প্ৰস্তাৱনা

হেম বৰুৱা আছিল আধুনিক অসমীয়া কবিতাক স্থিৰ ৰূপ দিয়া প্ৰথমজন কবি। তেওঁৰ কবিতাই প্ৰথমবাৰৰ বাবে গভীৰ চিন্তাশক্তিৰ দাবী কৰে। কবিতাৰ মাজত কাব্যিকতা ৰক্ষা কৰিও সমাজৰ প্ৰচলিত ধ্যান-ধাৰণা সলোৱাৰ কথা তেওঁ কবিতাত প্ৰচাৰ কৰিছিল। তেওঁ দেখুৱাই দিয়া বাটেৰে আগবাঢ়ি পিছৰ কবিসকলে আধুনিক অসমীয়া কবিতাৰ ভেটি সুদৃঢ় কৰে।

### ৫.২.২ হেম বৰুৱাৰ পৰিচয়

হেম বৰুৱা (১৯১৫–১৯৭৭)ৰ নাম অসমীয়া কবিতা আৰু কথা-সাহিত্যত সমানে উচ্চাৰিত। বিশেষকৈ অসমীয়া ভ্ৰমণ সাহিত্যত হেম বৰুৱা

এটা শক্তিশালী নাম।

অসমীয়া আধুনিক কবিতাৰ সংশয় আৰু সন্ধানৰ কালছোৱাত হেম বৰুৱাৰ আৰ্বিভাব হৈছিল। তেওঁৰ কবিতাতে প্ৰথমে দেখা গৈছিল প্ৰতীক আৰু চিত্ৰকল্পৰ আধুনিক প্ৰয়োগ। **'ৱালিচন্দা'** (১৯৫৯) আৰু **'মন-ময়ূৰী'** (১৯৬৫) তেওঁৰ দুখন কবিতাৰ পুথি। পিছত প্ৰকাশ পোৱা এখন কবিতাৰ সংকলন হ'ল 'হেম বৰুৱাৰ কবিতা'।

হেম বৰুৱাৰ কবিতাৰ অন্যতম প্ৰধান বিষয় – মানুহৰ জীৱন সংগ্ৰাম আৰু তাৰ ফাকে ফাকে বিৰিঙি উঠা আশাৰ ৰেঙণি। দুখীয়া নিচলা শ্ৰমজীৱি মানুহৰ সমূহীয়া প্ৰাণৰ প্ৰতিবাদৰ ভাষা তেওঁৰ কবিতাত সৰৱ। প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি অনাস্থা, নতুন সমাজ গঢ়াৰ আশা, সাধাৰণ মানুহৰ ক্ষুদ্ৰ পৰিধিৰ সপোন আদি তেওঁৰ কবিতাত মূৰ্ত। তাৰ লগে লগে প্ৰকাশ পাইছে প্ৰেমৰ লগত জড়িত হৈ থকা জীৱন-মমতা, ৰোমাণ্টিক কাৰুণ্য আৰু আপোন প্ৰাণৰ বিমূৰ্ত চিন্তাৰ ছবি। তেওঁৰ প্ৰাণ 'মৰিশালীত জীৱনৰ গান' শুনিবলৈ পৰাকৈ সংবেদনশীল। ৰাজনৈতিক পথাৰত অৰ্জন কৰা সফলতাৰ বাবেই হয়তো তেওঁৰ কবিতাত ৰাজনৈতিক চিন্তাই মূৰ তুলি থাকে, এনেকৈ–

*বুৰঞ্জীৰ মাৰলঘৰত তেজৰ নিচান।*
*আগন্তুক শ্বহীদৰ মৃত্যু কিম্বা নতুন পৃথিৱীৰ পণ।*
*পুৰণি কামিহাড়ত মামৰৰ ছটা।*
*মেজিৰ নৃত্যৰতা জুইঃ*
*জুইত হেনো তীখা জঙ্গলে, ৰঙা হয়।* **(ৱালিচন্দা)**

নগৰীয়া সভ্যতাই ভিতৰি ফোপোলা কৰি পেলোৱা আধুনিক মানুহৰ ছবিও তেওঁ দাঙি ধৰিছে। তাৰ মাজেদি প্ৰকাশ পাইছে শান্ত কোমল প্ৰেমৰ এটি মনোৰম সুঁতি। জীৱনৰ আকাশত জোন, জোনাক-তৰাৰ মায়া থাকিলেও মানুহৰ বাবে কঠোৰ দিঠকৰ নিঠুৰতা অধিক সত্য। তাৰ মাজত প্ৰেম হেৰাই যায় বালিৰ মাজৰ নদীৰ দৰে। তেওঁৰ বিভিন্ন কবিতাত স্বপ্ন আৰু প্ৰতিকূলতাৰ এনে বাতৰি দিয়া হৈছে।

হেম বৰুৱাৰ কবিতাৰ অন্যতম আকৰ্ষণ তেওঁৰ চিত্ৰকল্পবোৰ। তাৰে দুটুকুৰা–

১। প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে থৰে থৰে পৃথিৱী কঁপিছে

২। মুখখন তাইৰ
আলি আকবৰ খাঁৰ সৰোদৰ এটা
নিজম মূৰ্ছনাহে যেন

তেওঁৰ অশান্তি, অতৃপ্তি আৰু কোমল বিষন্নতাৰে ভৰা কবিতাসমূহৰ

ভিতৰত ‘মমতাৰ চিঠি’ অন্যতম।

## ৫.২.৩ ‘যাত্ৰাৰ শেষ নাই’ কবিতাটোৰ আলোচনা

অসমীয়া আধুনিক কবিতাৰ ইতিহাসত এই কবিতাটিয়ে নতুনত্বৰ সূচনা কৰিছিল। তথাকথিত সৰু মানুহৰ প্ৰাণৰ বেদনাৰ অলিখিত গাঁথা ইয়াত লিপিবদ্ধ হৈ আছে।

বুৰঞ্জী সদায় সহস্ৰজনৰ সন্মিলিত প্ৰচেষ্টাতহে নিৰ্মিত হয়। এই মানুহবোৰৰ শ্ৰম আৰু ত্যাগৰ বিনিময়ত একোটা সভ্যতা আৰু সংস্কৃতি তিষ্ঠি থাকে। অথচ তেওঁলোকক পাহৰি যায় সময়ে আৰু ইতিহাসে। বুৰঞ্জীত ৰজা-মহাৰজা, সেনাপতিৰ নাম থাকে, নাম নাথাকে তেওঁলোকক বিজয়ী কৰা সাধাৰণ সৈনিকৰ। যুগে যুগে এনেকৈয়ে চলি আছে সমাজৰ গতিপথ। মৰা ঘূলিত সাঁতুৰি চহৰতলীৰ নিস্প্ৰভ চাকিৰ পোহৰত জীৱনৰ সন্ধান কৰিবলৈ অহা এই মানুহবোৰ এন্দুৰৰ দৰে সমাজৰ একোণত জীয়াই থাকে। মৰিও নমৰা এওঁলোকৰ মাজত আছে যুগক প্ৰত্যাহ্বান জনাব পৰা শক্তি।

হাজাৰ জনৰ তেজেৰে ৰঙা হোৱা মহাকাব্যৰ যুদ্ধৰ কাহিনীয়ে কোনোবা দুই এজনক চিৰন্তন নায়কত পৰিণত কৰে। অথচ সৰু সৰু মানুহৰ তেজৰ কোনো মূল্যই নাই কাব্য লিখোতাৰ বাবে। এইখিনি মানুহৰ বাবে কাৰুণ্যৰ বাহিৰে জীৱনৰ আন অৰ্থ একো নাই। যিদৰে আঁউসীৰ আকাশত প্ৰকাশৰ বাট বিচাৰি ক’ৰবাত সংগ্ৰাম কৰে জোনটোৱে, ঠিক সেইদৰে আশাহীন জীৱনত জীয়াই থকাৰ সংগ্ৰাম কৰে এই অখ্যাত মানুহবোৰে। মেখেলাৰ পাতলিত লাগি থকা কাৰ্শলা বনৰ দৰে সৰু মানুহৰ জীৱনৰ অবিচ্ছেদ্য অংগ হ’ল বাধা আৰু সংঘাত।

তথাপিও আশাৰ শেষ নাই। খেতিয়কৰ নাঙলত প্ৰাণ পাই উঠিব ভবিষ্যতৰ প্ৰতিশ্ৰুতিময় গীত। যিদৰে স্বৰ্ণমৃগৰ সন্ধানত প্ৰলোভিত হৈ সীতা অৱশেষত অশোকবনত বন্দিনী হৈছিল, সেইদৰে ছলনা, ভ্ৰম আৰু অলীক স্বপ্নৰ পৰা আঁতৰি থাকিবৰ বাবে এয়েই সময়। এই কষ্ট আৰু সংঘাতৰ মাজতো জীৱনে পাহৰি নাযায় যৌৱনৰ ধৰ্ম, যি ধৰ্মত জড়িত হৈ আছে প্ৰেমৰ স্বপ্ন।

সমগ্ৰ বিশ্ব এতিয়া ৰাজনৈতিক অস্থিৰতাৰ গ্ৰাসত অস্থিৰ। কোৰিয়াৰ পৰা মাজুলিলৈকে ক’তো নাই শান্তি আৰু স্থিৰতা। পৰম্পৰাগত সকলো ঐশ্বৰ্য বিপথে চালিত হৈছে। হেৰাই গৈছে জীৱনৰ প্ৰীতি আৰু আস্থাৰ দিনবোৰ। তাৰ মাজতে আশাৰ পথাৰ উপচি উঠে, দুখীয়াৰ মনেও দেখে প্ৰেম আৰু মিলনৰ সপোন।

সৰু মানুহৰ জীৱন গচকি আগবঢ়া বুৰঞ্জীয়ে মাজে মাজে গতি

সলায়। অখ্যাতজনৰ আত্মপ্ৰতিষ্ঠাৰ শোভাযাত্ৰাত বৃহন্নলাৰ দৰে নপুংসক বৰমূৰীয়াসকলে আজি আত্মগোপন কৰিছে। শতযুগৰ ক্ষুধা পেটত লৈ আগবঢ়া দৰিদ্ৰৰ মহাশক্তিৰ সন্মুখত অচল আজি বৃহন্নলাৰ গাণ্ডীৱ ধনু। হাতত হাত থৈ আগবঢ়া নাৰী আৰু পুৰুষৰ সন্মিলিত প্ৰতিবাদৰ অগ্নিত সন্মুখৰ পথ উ স্কল হৈ উঠিছে। এই সংগ্ৰামৰ মাজতেই প্ৰতিভাত হৈছে আগলৈ যোৱাৰ পথ। এই যাত্ৰাৰ মাজতে জীয়াই আছে সৰু সৰু মানুহৰ আশা-সপোনেৰে ভৰা জীৱনৰ ইতিহাস।

## ৫.২.৪ সাৰাংশ

- ই এটি প্ৰতীকধৰ্মী কবিতা।
- আধুনিক কবিতাৰ তথাকথিত অসংলগ্ন কথনভংগী ইয়াত দেখা যায়।
- কবিয়ে উল্লেখ কৰা অংশৰ মাজৰ উহ্য থকা অংশখিনি নিজে বিচাৰি ল’ব নোৱাৰিলে ৰস গ্ৰহণ সম্ভৱপৰ নহয়।
- সীতা, অশোকবন, শকুন্তলা, ৰামায়ণ, নামঘোষা, বৃহন্নলা আদিৰ উল্লেখ লক্ষ্যণীয়।
- বৈষ্ণৱ পদাৱলী, বিহুগীত আৰু ভৱভূতিৰ উক্তি তাৎপৰ্যপূৰ্ণ।
- দেৱকান্ত বৰুৱাৰ কবিতাৰ প্ৰতিধ্বনি দেখা যায়।

## ৫.২.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**হেম বৰুৱাৰ কবিতাপুথিৰ নাম বাচি উলিওৱা——**

সম্ৰাট

বালিছন্দা

মন-ময়ূৰী

হে অৰণ্য, হে মহানগৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**খালী ঠাই পূৰ কৰাঁ——**

বুৰঞ্জীৰ মাৰলঘৰত.............................................

আগন্তুক....................................... মৃত্যু কিম্বা নতুন পৃথিৱীৰ পণ

পুৰণি.......................................... মামৰৰ ছটা

মেজিৰ নৃত্যৰতা জুই ঃ

জুইত হেনো.................................... ।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**বুৰঞ্জীয়ে কাক পাহৰে ?**

ৰজাক

সেনাপতিক

সাধাৰণ মানুহক

বীৰক

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**শুদ্ধ উত্তৰ নিৰ্বাচন কৰাঁ—**

(ক) হেম বৰুৱা এজন ৰোমাণ্টিক কবি।

(খ) হেম বৰুৱা এজন বিষাদৰ কবি।

(গ) হেম বৰুৱাৰ কবিতাৰ মূল বিষয় মানুহৰ জীৱন-সংগ্ৰাম।

(ঘ) হেম বৰুৱাই প্ৰচুৰ পৰিমাণে চিত্ৰকল্পৰ প্ৰয়োগ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ ঃ**

**পাঁচোটা বাক্যত উত্তৰ দিয়া—**

হেম বৰুৱাৰ 'যাত্ৰাৰ শেষ নাই' কবিতাত বুৰঞ্জীত মানুহৰ স্থান সম্পৰ্কে কি কোৱা হৈছে।

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

## ৫.২.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

বালিছন্দা
মন-ময়ূৰী

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

বুৰঞ্জীৰ মাৰলঘৰত তেজৰ নিচান।

আগন্তুক শ্বহীদৰ মৃত্যু কিম্বা নতুন পৃথিৱীৰ পণ

পুৰণি কামিহাড়ত মামৰৰ ছটা

মেজিৰ নৃত্যৰতা জুই ঃ

জুইত হেনো তীখা জস্কলে, ৰঙা হয়।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

সাধাৰণ মানুহৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

(গ) হেম বৰুৱাৰ কবিতাৰ মূল বিষয় মানুহৰ জীৱন-সংগ্ৰাম।

(ঘ) হেম বৰুৱাই প্ৰচুৰ পৰিমাণে চিত্ৰকল্পৰ প্ৰয়োগ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৫ৰ উত্তৰ ঃ**

সৰু-বৰ অনেক মানুহৰ শ্ৰম আৰু ত্যাগৰ বিনিময়ত একোটা সভ্যতা আৰু সংস্কৃতি তিষ্ঠি থাকে। কিন্তু সময় আৰু ইতিহাসে সকলোকে মনত নাৰাখে। বুৰঞ্জীত ৰজা-মহাৰজা, সেনাপতিৰ নাম থাকে, নাম নাথাকে তেওঁলোকক বিজয়ী কৰা সাধাৰণ সৈনিকৰ। এনেদৰেই যুগে যুগে সমাজ ব্যৱস্থা চলি আছে। এই সাধাৰণ মানুহবোৰ কিন্তু মৰিও নমৰে, কাৰণ তেওঁলোকৰ মাজত আছে যুগক প্ৰত্যাহ্বান জনাব পৰা শক্তি।

## খণ্ড ৫

# গোট ৩ ঃ লখিমী

৫.৩.০ উদ্দেশ্য

৫.৩.১ প্ৰস্তাৱনা

৫.৩.২ নবকান্ত বৰুৱাৰ কবি পৰিচয়

৫.৩.৩ ‘লখিমী’ কবিতাটোৰ আলোচনা

৫.৩.৪ সাৰাংশ

৫.৩.৫ অনুশীলনী

৫.৩.৬ প্ৰশ্নোত্তৰ

## ৫.৩.০ উদ্দেশ্য

- নৱকান্ত বৰুৱাৰ কবিতাৰ লগত পৰিচয় হোৱা।
- আধুনিক অসমীয়া কবিতাৰ কোমলতাৰ সোৱাদ লোৱা।
- আধুনিক অসমীয়া কবিতাৰ সৌন্দৰ্য সন্ধান কৰা।

## ৫.৩.১ প্ৰস্তাৱনা

অসমীয়া আধুনিক কবিতাৰ ইতিহাসত নৱকান্ত বৰুৱাৰ নাম অতি উ স্কল। চিন্তা আৰু অনুভূতি দুয়োটাৰে খোৰাক তেওঁৰ কবিতাই দিব পাৰে। আধুনিক কবিতাৰ সকলো লক্ষণ তেওঁৰ কবিতাত নানাভাৱে পোৱা যায়। নৱকান্ত বৰুৱাৰ কবিতা নপঢ়াকৈ আধুনিক অসমীয়া কবিতাৰ বিষয়ে সম্যক ধাৰণা পোৱা নাযায়।

## ৫.৩.২ নৱকান্ত বৰুৱাৰ পৰিচয়

নৱকান্ত বৰুৱা (১৯২৬-২০০২) এগৰাকী সফল আৰু জনপ্ৰিয় কবি। কবিতাৰ পুথিসমূহৰ নাম– **‘হে অৰণ্য, হে মহানগৰ’** (১৯৫১), **‘এটি দুটি এঘাৰটি তৰা’** (১৯৫৭), **‘যতি আৰু কেইটামান স্কেছ’** (১৯৬০), **‘সম্ৰাট’**

(১৯৬২), **‘ৰাৱণ’** (১৯৬৩), **‘মোৰ আৰু পৃথিৱীৰ’** (১৯৭৩), **‘ৰত্নাকৰ’** (১৯৮৬), **‘এখন স্বচ্ছ মুখাৰে’** (১৯৬০), **‘দলঙৰ তামীঘৰ’** (১৯৯৯)।

বাঁহী, জয়ন্তী; ৰামধেনু, মনিদীপ, গৰিয়সী আদি আলোচনীৰ পাতত নৱকান্ত বৰুৱাৰ কবিতাৰ উন্মেষ, প্ৰকাশ আৰু বিস্তাৰ ঘটিছিল। আৰম্ভণিতে তেওঁ সীমা দত্ত ছদ্মনামেৰে কবিতা ৰচনা কৰিছিল। ‘মোৰ আৰু পৃথিৱীৰ’ কাব্যগ্ৰন্থৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা (১৯৭৪), ‘ককাদেউতাৰ হাড়’ উপন্যাসৰ বাবে সাহিত্য অকাদেমি বঁটা (১৯৭৫) লাভ কৰাৰ উপৰিও তেওঁ অসম উপত্যকা বঁটাৰেও (১৯৯৩) সন্মানিত হৈছিল। কবিতাৰ অনুবাদ, কবিতাৰ আলোচনা আৰু ছন্দ-বিজ্ঞানৰ বিশ্লেষণেৰে তেওঁ অসমীয়া কবিতাৰ জগতলৈ বহুমূলীয়া অৱদান আগবঢ়াইছে।

আধুনিক অসমীয়া কবিতাৰ জয়যাত্ৰা আৰম্ভ হয় নৱকান্ত বৰুৱাৰ কবিতাৰ যোগেদি। অধ্যয়নপুষ্ট মন আৰু সংবেদনশীল হৃদয়, এই দুই উপাদানেৰে পুষ্ট তেওঁৰ কবিতাই অসমীয়া কবিতাত নতুন মাত্ৰা প্ৰদান কৰে। চিন্তাৰ জগতত তেওঁৰ এফালে ৰবীন্দ্ৰনাথ, এলিয়ট, হুইটমেন, মায়াকভস্কি; আনফালে আৱেগৰ জগতত জীৱনানন্দ আৰু খলিল জিব্ৰান– এনেবোৰ অনুপ্ৰেৰণা বিচাৰি পোৱা গ’লেও মুঠ বিচাৰত সিবোৰত নৱকান্তৰ নিজস্ব বৈশিষ্ট্য বেছি স্পষ্ট।

ব্যক্তিগত অনুভূতিৰ গভীৰতা আৰু সমূহীয়া চিন্তাৰ বিশালতা তেওঁৰ কবিতাত পোৱা যায়। নগৰীয়া জীৱনৰ ক্লান্তি, নিঃসংগতা জীৱনৰ সৌন্দৰ্য, প্ৰেমৰ মাধুৰিমা, মৃত্যুৰ ৰহস্য আদি বিবিধ দিশে তেওঁৰ কবিতা সুন্দৰ কৰিছে। সুন্দৰ চিত্ৰকল্প নিৰ্মাণ তেওঁৰ অন্যতম বৈশিষ্ট্য।

‘ইয়াত নদী আছিল’, ‘পলস’, ‘সম্ৰাট’, ‘এটা প্ৰেমৰ পদ্য’ আদি কবিতাৰ মাজত বৌদ্ধিক চিন্তাৰ উৎকৰ্ষ লক্ষ্য কৰা যায়। চিন্তা আৰু অনুভূতি, তেওঁৰ কবিতাই দুয়োবিধকে জাগৰিত কৰে। ধ্বংস, গ্লানি আদিৰ চিত্ৰ তেওঁৰ কবিতাত স্পষ্ট, তাৰ লগে লগে আছে নিজেই সৃষ্টি কৰি লোৱা অতৃপ্তিৰ পৰা দুপলক আঁতৰি কোনোবা শান্তিৰ মাজুলিত জিৰণি ল’বলৈ থকা বাসনা। নাৰীৰ মমতা তেওঁৰ মতে জীৱনৰ মূল্যবান সম্পদ। তেওঁ জীৱনৰ কবি। মৃত্যুৰ সীমাৰে ঘেৰা জীৱনক সকলো দোষ আৰু ৰমণীয়তাৰে সৈতে তেওঁ বুকুৰ উম ঢালি গ্ৰহণ কৰিছে।

## ৫.৩.৩ ‘লখিমী’ কবিতাটোৰ আলোচনা

কবিতাটোৰ মাজত নাৰীৰ মাজত থকা সেই শক্তিৰ বন্দনা কৰা হৈছে যাৰ স্পৰ্শত মানুহৰ জীৱন মধুৰ হৈ উঠে।

সকলো পুৰুষৰে জীৱনত কোনো এক মানসী নাৰীৰ সপোন থাকে। সপোন দেখাৰ গৌৰৱত আপোনপাহৰা হৈ পুৰুষে সীমাহীন কল্পনাৰে নাৰীৰ ৰূপছবি আঁকে। নুফুলা ফুলৰ ৰঙেৰে আৰু নেদেখা তৰাৰ দীপ্তিৰে সেই মানসীক সজাই পৰাই পুৰুষে জীৱনত পূৰ্ণতাৰ সন্ধান কৰে। তেওঁৰ নিঃসংগ ঘৰৰ দীপশিখাৰ পোহৰে আঁতৰাব নোৱাৰে শূণ্যতাৰ অন্ধকাৰ।

জীৱন-পথত মানুহে বহুতো নাৰীকে হয়তো লগ পায়। দুদিন ভাললগাৰ পিছত সেই আটাইবোৰ হৈ পৰে ভঙা পুতলাৰ দৰে মাথোন একোটা সোঁৱৰণী। অকলশৰীয়া সেই পুৰুষে পুনৰ সপোন দেখে পাৰ হৈ যোৱা আৰু আহিব ধৰা দিনৰ। কাৰণ সপোন দেখাৰ আনন্দত মানুহ চিৰকাল মতলীয়া।

সপোনৰ পৰা নামি আহি দিঠকলৈ চালে তাত যদি কোনোবা লখিমী নাৰীৰ সান্নিধ্য পোৱা যায় তেতিয়া জীৱনে লাভ কৰে আকাঙ্খিত পৰিপূৰ্ণতা। তুলসী তলৰ বন্তিৰ পোহৰৰ দৰে মাংগলিক আভাৰে জীৱন ভৰি পৰে। নাৰীৰ নৱবধু ৰূপে দিব পাৰে অনাবিল শান্তি আৰু আনন্দ। এয়া হৈছে জীৱনৰ পৰম প্ৰাপ্তি।

## ৫.৩.৪ সাৰাংশ

- প্ৰকাশভংগী সৰল।
- মূল বক্তব্য নাৰী আৰু পুৰুষৰ চিৰন্তন সম্পৰ্ক।
- বুদ্ধিদীপ্ততাতকৈ হৃদয়ৰ আৱেদন বেছি স্পষ্ট।
- চিত্ৰকল্পৰ প্ৰয়োগ দেখা যায় (ভঙা পুতলাৰ ভীৰ, মৰা সপোনৰ আৱৰ্জনা, মৰা চহৰ, পপীয়া তৰাৰ ছাঁ ইত্যাদি)।
- নাৰীৰ মংগলময় ৰূপত আস্থা।

## ৫.৩.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**নৰকান্ত বৰুৱাৰ এটা কবিতাৰ নাম—**

(ক) জাৰৰ দিনৰ সপোন

(খ) পৰম তৃষ্ণা

(গ) এটা প্ৰেমৰ পদ্য

(ঘ) যাত্ৰাৰ শেষ নাই

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**শুদ্ধ/ অশুদ্ধ নিৰ্ণয় কৰাঁ—**

(ক) ‘এটি দুটি এঘাৰটি তৰা’ এখন গীতৰ পুথি।

(খ) ‘পলস’ এখন নাটকৰ নাম।

(গ) নৱকান্ত বৰুৱাৰ জন্মৰ চন ১৯২৬।

(ঘ) সীমা দত্ত নামেৰেও নৱকান্ত বৰুৱাই কবিতা ৰচনা কৰিছিল।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**শুদ্ধ ৰূপত মিলোৱা—**

| | |
|---|---|
| ইয়াত নদী আছিল | কবিতা |
| ৰত্নাকৰ | কবিতা পুথি |
| লখিমী | কবিতা |
| দলঙৰ তামীঘৰা | কবিতা পুথি |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**পাঁচোটা বাক্যত উত্তৰ দিয়া—**

‘লখিমী’ কবিতাত কবিৰ মতে জীৱনৰ পৰমপ্ৰাপ্তি কি ?

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

## ৫.৩.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

(গ) এটা প্ৰেমৰ পদ্য

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

(ক) অশুদ্ধ

(খ) অশুদ্ধ

(গ) শুদ্ধ

(ঘ) শুদ্ধ

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

| | | |
|---|---|---|
| ইয়াত নদী আছিল | – | কবিতা পুথি |
| ৰত্নাকৰ | – | কবিতা |
| লখিমী | – | কবিতা |
| দলঙৰ তামীঘৰা | – | কবিতা পুথি |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

জীৱনপথত মানুহে বহুতো নাৰীকে হয়তো লগ পায়। কিন্তু সপোনৰ পৰা নামি আহি দিঠকলৈ চালে তাত যদি কোনোবা লখিমী নাৰীৰ সান্নিধ্য পোৱা যায় তেতিয়া জীৱনে লাভ কৰে আকাংক্ষিত পৰিপূৰ্ণতা। তুলসী তলৰ বন্তিৰ পোহৰৰ দৰে মাংগলিক আভাৰে জীৱন ভৰি পৰে। নাৰীৰ নৱবধুৰূপে দিব পাৰিছে অনাবিল আনন্দ। এয়াই হৈছে জীৱনৰ পৰমপ্ৰাপ্তি।

**খণ্ড ৫**

## গোট ৪ ঃ প্ৰাৰ্থনা ঃ দেহচ্যুত আত্মা


৫.৪.০ উদ্দেশ্য

৫.৪.১ প্ৰস্তাৱনা

৫.৪.২ মহেন্দ্ৰ বৰাৰ কবি পৰিচয়

৫.৪.৩ 'প্ৰাৰ্থনা ঃ দেহচ্যুত আত্মা'ৰ আলোচনা

৫.৪.৪ সাৰাংশ

৫.৪.৫ অনুশীলনী

৫.৪.৬ প্ৰশ্নোত্তৰ


### ৫.৪.০ উদ্দেশ্য

- মহেন্দ্ৰ বৰাৰ কবিতাৰ লগত চিনাকি হোৱা।
- আধুনিক অসমীয়া কবিতাত পৰম্পৰাবাদী ভাৰতীয় দৰ্শনৰ মিশ্ৰণ লক্ষ্য কৰা।

### ৫.৪.১ প্ৰস্তাৱনা

আধুনিক অসমীয়া কবিসকলৰ মাজত মহেন্দ্ৰ বৰাৰ কবিতাত কিছুমান বিশিষ্ট লক্ষণ দেখা যায়। তেওঁৰ আধুনিক চিন্তাৰ আঁৰত পৰম্পৰাবাদী ভাৰতীয় মনে ক্ৰিয়া কৰিছিল। গীতাৰ বাণী তেওঁৰ প্ৰায়বোৰ কবিতাতে পোৱা যায়। এক গাম্ভীৰ্যপূণ ভংগীৰে ৰচনা কৰা তেওঁৰ কবিতাত চিত্ৰকল্পৰ প্ৰয়োগো লক্ষ্যণীয়।

### ৫.৪.২ মহেন্দ্ৰ বৰাৰ পৰিচয়

অসমীয়া নতুন কবিতাক প্ৰতিষ্ঠিত কৰোঁতাসকলৰ অন্যতম কবি মহেন্দ্ৰ বৰা (১৯২৯–১৯৯৬) একেধাৰে আছিল কবি, ছান্দসিক, শিশু-সাহিত্যিক, অনুবাদক আৰু সমালোচক। তেওঁৰ কবিতাৰ পুথিকেইখনৰ নাম **'জাতিস্মৰ'**

(১৯৬১), **‘এই নদীয়েদি’** (১৯৭০), **‘ৰূপৰ টিলিঙাৰ মাত’** (১৯৮১), **‘আলি দোমোজাৰ ক্ৰুছৰ পৰা’** (১৯৮৭), **‘নীলা ধতুৰাৰ ফুল’** (১৯৮৭) আৰু **‘জীৱন এক আস্তাবল’** (১৯৯৫)।

মহেন্দ্ৰ বৰা আছিল এজন সংবেদনশীল কবি আৰু কাব্য ৰসিক। তেওঁৰ কবিতাত আধুনিক অসমীয়া কবিতাৰ যিকেইটা লক্ষণ দেখা যায় তাৰ ভিতৰত অন্যতম হ’ল ভাৰতীয় চিন্তাশক্তিৰ ফালৰ পৰা যথেষ্ট আধুনিক আৰু হৃদয়ৰ ফালৰ পৰা ৰোমাণ্টিক ধাৰণাৰে পুষ্ট। কবি মহেন্দ্ৰ বৰাৰ জীৱনদৰ্শন আশা আৰু স্বপ্নৰে ভৰা, এই দৰ্শনত অৱদান যোগাইছে গীতা উপনিষদৰ দেশ ভাৰতবৰ্ষৰ জীৱনৰ প্ৰতি থকা চিৰন্তন সত্য অনুভূতিৰ ধাৰণাই। সেয়েহে তেওঁৰ ‘এই নদীয়েদি’, ‘জাতিস্মৰ’, ‘প্ৰাৰ্থনা ঃ দেহচ্যুত আত্মা’ৰ আদি কবিতাৰ মাজেদি আত্মাৰ অবিনশ্বৰতাৰ কথাকে কোৱা হৈছে। তেওঁ মানুহ ৰূপেৰে এই পৃথিৱীলৈ আহিব পৰাৰ সৌভাগ্য অনুভৱ কৰিছে। চিৰন্তন আত্মাৰ শ্বাশ্বত অনুভূতি তেওঁ নিজৰ হৃদয়ৰ মাজত উপলব্ধি কৰে। এই উপলব্ধি বহুখিনি ৰবীন্দ্ৰনাথৰ একেজাতীয় কবিতাৰ লগত তুলনীয়। তেওঁ কবিতাত কিন্তু এইটোৱেই একমাত্ৰ দিশ নহয়। আধুনিক মানুহৰ নিসংগতা আৰু মধ্যবিত্ত শ্ৰেণীৰ স্বপ্নভংগৰ বেদনা তেওঁ সুন্দৰকৈ ফুটাই তোলে। তেওঁৰ কবিতাত ক্ষোভ বা প্ৰতিবাদৰ উগ্ৰসুৰ নাই, আছে শান্ত নিঃশব্দ হতাশাৰ প্ৰতিধ্বনি; এই হুতাশাৰ অনুভৱো তেওঁৰ কবিতাত থকা ৰোমাণ্টিক গীতিময়তাই তল পেলায় থয়। সেয়েহে কিছুমান কবিতাত তেওঁৰ কোমল আৰু অনুভূতিপ্ৰৱণ মনে বেছি সুন্দৰকৈ ধৰা দিয়ে। সাধাৰণতে তেওঁ অন্তঃজীৱনৰ কবি, নিজৰ অন্তৰৰ মাজত খেলা কৰা ভাৱ-অনুভূতিবোৰ লৈ তেওঁ এখন সুকীয়া জগত সৃষ্টি কৰি লয়। এনেবোৰ কবিতাত তেওঁ জীবনানন্দৰ দৰেই অন্তৰ্মুখী হৈ পৰে। মহেন্দ্ৰ বৰাৰ কবিতাত চিত্ৰকল্পৰ সাৰ্থক প্ৰয়োগ লক্ষ্য কৰা যায়। চিত্ৰকল্পবোৰে এফালে কোমল কৰিছে আনফালে অৰ্থবৎ কৰিছে। মৃত্যুচেতনা তেওঁৰ কবিতাৰ অন্যতম লক্ষণীয় বিষয়। মৃত্যুক তেওঁ অৱধাৰিত সত্য ৰূপেৰে নিৰ্বিকাৰভাৱে গ্ৰহণ কৰিছে। এনে মনোভাৱ গীতাৰ শিক্ষা আৰু ৰবীন্দ্ৰনাথৰ প্ৰেৰণাত অনুভূত হয়। কবিৰ মন-প্ৰাণৰ জ্যোতিৰে উমাল। কদৰ্য আৰু ভয়াবহ পৃথিৱীৰ মাজত তেওঁ বিচাৰি পায় মানুহৰ মাজত একোৱে নষ্ট কৰিব নোৱাৰা এক শুভ আৰু মংগলময় চিন্তাৰ বীজ। সম্পূৰ্ণভাৱে আধুনিক মনৰ কবি হ’লেও ৰোমাণ্টিক চিন্তাক তেওঁ একেবাৰে বিসৰ্জন দিব পৰা নাই। গীতাৰ দৰ্শনপুষ্ট তেওঁৰ মনে দুই এটা কবিতাত যিদৰে গাম্ভীৰ্য প্ৰদান কৰিছে, সেইদৰে কোমল আৱেগে দুই এটাত দিছে আলফুলীয়া উচ্ছাস,–

*শালবন জানা প্ৰেয়সীৰ মন, উৰুৱাই ছাই শাখাৰ শাখাই*
*জম্বলে ৰঙা-জুই-শিখা*
*চকুলোৰে সতে গলি শেষ হয়, ভালপোৱা মাথো বৰফৰ*
*চামনিত আঙুলিৰ লিখা।*
**(শূন্য এখনি সোণৰ পিৰিচ)**

১৯৮৩ চনত তেওঁ মহাকবি আচান বঁটা লাভ কৰে।

## ৫.৪.৩ 'প্ৰাৰ্থনা ঃ দেহচ্যুত আত্মাৰ' কবিতাটোৰ আলোচনা

কবিতাটোৰ নামেই তাৰ বিষয়বস্তুৰ ইংগিত দিয়ে। দেহৰ পিঞ্জৰ এৰি অসীমৰ ফালে ধাৱমান হোৱা আত্মাৰ ৰহস্যময় অনুভৱ কবিতাটোত প্ৰকাশ পাইছে।

মানুহৰ দেহত আত্মা বন্দী হৈ থাকে কাৰাৰুদ্ধ কয়দীৰ দৰে। হঠাৎ যেতিয়া সেই বন্ধনৰ পৰা মুক্তি পোৱা যায় তেতিয়া আত্মা যেন হৈ পৰে নিৰাশ্ৰয়। এই সংসাৰ এখন নদীৰ দৰে। যুগে যুগে নানা নাম আৰু নানা ৰূপেৰে মানুহৰ আত্মাই নদীৰ বুকুৰে অহা-যোৱা কৰে। সংসাৰৰ শ্ৰেষ্ঠতম সৃষ্টি হ'ল মানুহ। মানুহৰ মাজত থকা মহত্তম শক্তি হ'ল চিৰন্তন আত্মা। আনন্দৰ মধুৰ স্পৰ্শ আৰু বেদনাৰ দাৰুণ আঘাতে দেহধাৰী মানুহক স্পৰ্শ কৰিলেও আত্মাক স্পৰ্শ নকৰে। আত্মা হ'ল জীৱনৰ চিৰ অনিৰ্ব্বাণ বন্তি।

সংসাৰৰ নদীয়েদি ভাহি যোৱা বহুত নিৰাশ্ৰয় আত্মাই মৃত্যুৰ গৰ্ভত নতুন জীৱনৰ ফালে শতদলৰ দৰে প্ৰস্ফুটিত হয়। মৃত্যুৰ পৰা জীৱনলৈ আৰু জীৱনৰ পৰা মৃত্যুলৈ আত্মাই অবিৰাম পৰিভ্ৰমণ কৰে। আত্মা চিৰন্তন আৰু নিষ্কলংক। জন্ম আৰু মৃত্যুৰ দোমোজাত অতীত আৰু বৰ্তমান একাকাৰ হৈ পৰে চিৰন্তন আত্মাৰ মাজত। মানুহৰ মৃত্যুৰ পিছত কিছু সময়ৰ বাবে আত্মা হৈ পৰে নীড়হাৰা পখীৰ দৰে নিৰাশ্ৰয়। তাৰ পিছত কোনো এক অন্ধকাৰ জন্ম-ৰহস্যৰ মাজেৰে পুনৰ জীৱনলৈ আহিবলৈ প্ৰতীক্ষা কৰে।

মানুহৰ প্ৰেম আৰু মিলনৰ আদিম অনুভৱৰ মাজত আত্মাই বিচাৰি পায় পুনৰ জনমৰ পথ। আত্মা সদায়ে পৃথিৱীৰ প্ৰেমত মগ্ন। সেয়েহে নতুন নামেৰে, নতুন ৰূপেৰে পৃথিৱীলৈ উভতি আহিবলৈ তাৰ দুৰ্বাৰ হেঁপাহ। আকৌ এবাৰ এই পৃথিৱীত কিছুকাল কটাবলৈ অবিনাশী আত্মাই সদায়ে হেঁপাহ কৰে।

### ৫.৪.৪ সাংৰাশ

- কবিতাটিত উপনিষদীয় দৰ্শনৰ প্ৰভাৱ দেখা যায়।
- আংগিকৰ ফালৰ পৰা আধুনিক যদিও ভাৱৰ ফালৰ পৰা পৰম্পৰাবাদী।
- ৰবীন্দ্ৰ-চিন্তাৰ মৃদু প্ৰভাৱ লক্ষ্য কৰা যায়।
- কঠিন আৰু সংস্কৃত শব্দৰ প্ৰতি মোহ লক্ষ্যণীয়।
- চিত্ৰকল্পৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

### ৫.৪.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**শুদ্ধ নে অশুদ্ধ লিখাঁ—**

(ক) মহেন্দ্ৰ বৰা এজন নাট্যকাৰ।

(খ) মহেন্দ্ৰ বৰা এজন কবি।

(গ) 'ৰূপৰ টিলিঙাৰ মাত' শিশু সাহিত্য।

(ঘ) 'এই নদীয়েদি' এটি কবিতাৰ নাম।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**প্ৰকাশৰ চন অনুযায়ী তলৰ কবিতাপুথিকেইখন শুদ্ধকৈ সজোৱা।**

| | |
|---|---|
| নীলা ধতুৰাৰ ফুল | ১৯৯৫ |
| ৰূপৰ টিলিঙাৰ মাত | ১৯৮৭ |
| জীৱন এক আস্তাবল | ১৯৬১ |
| জাতিস্মৰ | ১৯৮১ |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**খালী ঠাই পূৰ কৰাঁ—**

শালবন জানা.................................., উৰুৱাই ছাই.............................

জঙ্ঘলে...................................

..........................গলি শেষ হয়, ভালপোৱা মাথো................................

চামনিত................................ ।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**পাঁচোটা বাক্যত উত্তৰ দিয়া—**

'দেহচ্যুত আত্মাৰ' কবিতাটোৰ মূলভাৰ লিখাঁ।

## ৫.৪.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

(ক) অশুদ্ধ

(খ) শুদ্ধ

(গ) অশুদ্ধ

(ঘ) অশুদ্ধ

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

| | |
|---|---|
| নীলা ধতুৰা ফুল | ১৯৮৭ |
| ৰূপৰ টিলিঙাৰ মাত | ১৯৮১ |
| জীৱন এক আস্তাবল | ১৯৯৫ |
| জাতিস্মৰ | ১৯৬১ |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

শালবন জানা প্ৰেয়সীৰ মন., উৰুৱাই ছাই শাখাৰ শাখাই
জম্বলা ৰঙা-জুই-শিখা
চকুলোৰে সতে গলি শেষ হয়, ভালপোৱা মাথো বৰফৰ
চামনিত আঙুলিৰ লিখা।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

উপনিষদীয় দৰ্শনৰ প্ৰভাৱ থকা এই কবিতাত দেহৰ পিঞ্জৰ এৰি অসীম-অনন্তলৈ ধাৱমান হোৱা আত্মাৰ ৰহস্যময়তাৰ কথা কৈছে। আংগিকৰ ফালৰ আধুনিক হৈও ভাৰত পৰম্পৰাবাদী এই কবিতাত আত্মাৰ কথা মানুহৰ দেহত বন্দী কাৰাৰুদ্ধ কয়দীৰ লগত তুলনা কৰিছে। যুগে যুগে নানা ৰূপেৰে আত্মাই পৃথিৱীলৈ অহা-যোৱা কৰে। সংসাৰৰ শ্ৰেষ্ঠতম সৃষ্টি মানুহৰ মাজত থকা মহত্তম শক্তিয়েই হ'ল আত্মা। আনন্দৰ মধুৰ স্পৰ্শ আৰু বেদনাৰ প্ৰচণ্ড আঘাতে দেহধাৰী মানুহক চুলেও আত্মাক স্পৰ্শ কৰিব নোৱাৰে।

**খণ্ড ৫**

## গোট ৫ ঃ স্বপ্ন বাসৱদত্তা

৫.৫.০ উদ্দেশ্য

৫.৫.১ প্ৰস্তাৱনা

৫.৫.২ নীলমণি ফুকনৰ কবি পৰিচয়

৫.৫.৪ 'স্বপ্ন বাসৱদত্তা'ৰ আলোচনা

৫.৫.৪ সাৰাংশ

৫.৫.৫ অনুশীলনী

৫.৫.৬ প্ৰশ্নোত্তৰ

### ৫.৫.০ উদ্দেশ্য

- নীলমণি ফুকনৰ কবিতাৰ ভিন্ন শৈলী, আংগিক আৰু চিত্ৰকল্পৰ লগত পৰিচয় কৰোৱা আৰু আধুনিক অসমীয়া কবিতাৰ কাঠিন্যৰ আঁৰত থকা বুদ্ধি আৰু হৃদয়ৰ সহঅৱস্থানৰ কথা অৱগত কৰোৱা।

### ৫.৫.১ প্ৰস্তাৱনা

নীলমণি ফুকনৰ কবিতাত বুদ্ধি আৰু হৃদয় দুয়োটাৰে সমন্বয় ঘটে। চিত্ৰময় ৰচনাশৈলীত শব্দগাঁথনি আৰু ব্যতিক্ৰম চিত্ৰকল্পৰ কলাত্মক প্ৰকাশ ঘটা দেখা যায়। তাৰমাজতেই কবিৰ ৰোমাণ্টিক চিন্তাৰ বুদ্ধিদীপ্ত সূক্ষ্ম প্ৰকাশ ঘটে। নীলমণি ফুকনৰ কবিতাত আধুনিক ৰূপক, চিত্ৰকল্প আৰু শব্দ গাঁথনিৰ অনুপম সমন্বয়ো লক্ষ্যণীয়।

### ৫.৫.২ নীলমণি ফুকনৰ কবি পৰিচয়

আধুনিক কালৰ এজন জনপ্ৰিয় আৰু সফল কবি। কবিতাৰ পুথিসমূহৰ নাম **'সূৰ্য্য হেনো নামি আহে এই নদীয়েদি'** (১৯৬৩), **'নিৰ্জনতাৰ শব্দ'**

(১৯৬৫), **‘আৰু কি নৈঃশব্দ’**(১৯৬৮), **‘ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে’** (১৯৭১), **‘কঁাইট, গোলাপ আৰু কঁাইট’** (১৯৭৫), **‘গোলাপী জামুৰ লগ্ন’** (১৯৭৫), **‘কবিতা’** (১৯৭৮), **‘নৃত্যৰতা পৃথিৱী’** (১৯৮৫) আৰু **‘সাগৰতলীৰ শংখ’** (১৯৯৪)।

নীলমণি ফুকনৰ কবিতা বুদ্ধিদীপ্ত আৰু চিত্ৰময় ৰচনা। সময়ে সময়ে জটিল প্ৰকাশৰীতিৰ বাবে, প্ৰতীকি শব্দৰ আধিক্যৰ বাবে কবিতাসমূহ কঠিন হৈ পৰে। কাঠিন্যৰ সিপাৰে এজন নিঃসংগ কবিৰ ৰোমাণ্টিক আকুলতাও চকুত নপৰাকৈ নাথাকে। নিৰ্জন মনৰ বাতৰি, অনন্তৰ লগত সংযুক্ত মানৱৰ ৰূপ, সমাজ-সচেতনতাৰ ইংগিত আৰু জীৱনৰ অশুভ দিশটোৰো আভাস তেওঁৰ কবিতাত পোৱা যায়। ব্যক্তিগত ব্যাখ্যা আৰু বেদনাই কবিতাবোৰক বিশেষ মন পৰশা কৰি তুলিছে। যৌনজীৱন অথবা স্পৃহাৰ কলাসুলভ প্ৰকাশ তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য, ফুকনৰ চিত্ৰকল্পৰ প্ৰয়োগ বিশেষত্বপূৰ্ণ। উদাহৰণ-

*তোমাৰ তিতা চুলিকোচাৰ আগেৰে মই*
*টোপ্ টোপ্কৈ পৰোঁ*

..............................................

*জন্জনাই যায় কঁাহৰ বাতিত*
*মোৰ হালধিবটা ৰাতি*

নীলমণি ফুকনে অসম সাহিত্য সভাৰ ৰঘুনাথ চৌধাৰী বঁটা (১৯৭২), প্ৰকাশন পৰিষদ বঁটা (১৯৭৭), সাহিত্য অকাদেমি বঁটা (১৯৮২), অসম উপত্যকা সাহিত্য বঁটা আদি বঁটা লাভ কৰিছে।

## ৫.৫.৩ ‘স্বপ্নবাসৱদত্তা’ কবিতাটোৰ আলোচনা

‘স্বপ্নবাসৱদত্তা’ এটি প্ৰেমানুভূতিৰ কবিতা। মানুহৰ অন্তৰে চিৰন্তন নিসংগতা আঁতৰাবৰ বাবে নাৰীৰ মাজত সন্ধান কৰে এধানি আশ্ৰয়, কবিতাটোত তাকে কোৱা হৈছে।

জীৱনত কেতিয়াবা ব্যাখ্যাহীন বিষাদে মানুহক কাতৰ কৰে। সেই বিষাদ কৰুণ হ’লেও মধুৰ। কাৰণ তাৰ লগত জড়িত হৈ থাকে কোনো অনামী নাৰীৰ স্বপ্ন। বাসৱদত্তা কো নিৰ্দিষ্ট নাৰী নহয়, চিৰন্তনা নাৰীৰ প্ৰতীকি ৰূপ। এই নাৰীক বিচাৰি যুগে যুগে দেশ কালৰ সীমা পাৰ হৈ পুৰুষৰ বুভুক্ষ অন্তৰে পৰিভ্ৰমণ কৰে। সেই নাৰীৰ চুলিৰ লগত তুলনা কৰিব পাৰি ৰাতিৰ আকাশক। তেওঁ ফুলৰ দৰে সুন্দৰ আৰু মৌৰ দৰে মধুৰ। তেওঁক পোৱাৰ সপোনত মগ্ন হৈ থাকে প্ৰতিখন যৌৱন-মতলীয়া হিয়া।

কবিৰ বাবে সেই বাসৱদত্তা অতীতৰ এক কৰুণ সোঁৱৰণী। কোনোবা

অতীতত সেই মানসীৰ ভালপোৱা আকাঙ্ক্ষা কৰিও গ্ৰহণ কৰিব নোৱাৰাৰ বেদনাই কবিক আজিও লগ এৰা নাই। তেওঁৰ জীৱনত আনন্দৰ পোহৰ ক্ৰমে কমি আহিছে, বাঢ়ি আহিছে অন্তহীন তৃষ্ণা, বাঢ়ি আহিছে সন্মুখৰ অন্ধকাৰ। অতীতৰ কোনোবা এৰাতিত প্ৰিয়তমক লগ পোৱাৰ সেই স্মৃতি এতিয়া এক পাহৰি যোৱা স্বপ্নত পৰিণত হৈছে। নদীৰ দৰে বৈ যোৱা সময়ৰ পাৰে পাৰে কবি আৰু তেওঁৰ স্বপ্নবাসৱদত্তা দুটি অচিনাকী প্ৰাণ হৈয়ে থাকি গ'ল। দিঠকত হেৰাই যোৱা প্ৰেম আৰু ভালপোৱাৰ ম্লান পোহৰত কবিয়ে অনুভৱ কৰিছে দিঠকত নাপালেও সপোন দেখাত ক্ষতি কি; হয়তো সপোনতে তেওঁ লাভ কৰিব বাসৱদত্তাৰ সাহচৰ্য।

দিঠকৰ কঠোৰতাৰ মাজত স্বপ্ন মানুহক সজীৱ কৰি ৰখাৰ শান্তিময় উপকূল। যান্ত্ৰিক জীৱনৰ মাজত সেয়েহে সপোনৰো মূল্য আছে।

## ৫.৫.৪ সাৰাংশ

- ই এটি প্ৰেম আৰু যৌৱনৰ কবিতা।
- জীৱনানন্দৰ দুই-এটি কবিতাৰ লগত তুলনা কৰিব পাৰি।
- স্বপ্নবাসৱদত্তা, দময়ন্তী, অশোকবন আদি শব্দই পৌৰাণিক আবেশ সৃষ্টি কৰিছে।
- পুদমপাহিৰ নাও, পখিলাৰ পাখিৰ পাল, নাহৰগুটিৰ তেল আদি শব্দই লোকগীত সুৰীয়া ছবি প্ৰকাশ কৰে।
- প্ৰতীকধৰ্মিতা দেখা যায়।

## ৫.৫.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**প্ৰকাশৰ চন অনুযায়ী তলৰ কবিতাপুথিকেইখন শুদ্ধকৈ সজোৱা।**

| | |
|---|---|
| নিৰ্জনতাৰ শব্দ | ১৯৮৫ |
| ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে | ১৯৬৫ |
| নৃত্যৰতা পৃথিৱী | ১৯৭৫ |
| কাঁইট, গোলাপ আৰু কাঁইট | ১৯৭১ |

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**শুদ্ধ নে অশুদ্ধ লিখাঁ—**

(ক) ‘স্বপ্নবাসৱদত্তা’ প্ৰেম আৰু যৌৱনৰ কবিতা।

(খ) ‘মন-ময়ূৰী’ নীলমণি ফুকনৰ এখন কবিতা পুথি।

(গ) ‘নৃত্যৰতা পৃথিৱী’ৰ কবি নীলমণি ফুকন।

(ঘ) নীলমণি ফুকন ৰোমাণ্টিক যুগৰ কবি।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**খালী ঠাই পূৰ কৰাঁ—**

(ক) তোমাৰ তিতা .................................. আগেৰে মই
.......................... পৰোঁ

(খ) ......................... যায় কাঁহৰ বাতিত
মোৰ ............................. ৰাতি।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**পাঁচোটা বাক্যত উত্তৰ দিয়া—**

‘স্বপ্নবাসৱদত্তা’ কবিতাটোৰ মূলভাৱ লিখাঁ।

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

## ৫.৫.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

| | |
|---|---|
| নিৰ্জনতাৰ শব্দ | ১৯৬৫ |
| ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে | ১৯৭১ |
| নৃত্যৰতা পৃথিৱী | ১৯৮৫ |
| কাঁইট, গোলাপ আৰু কাঁইট | ১৯৭৫ |

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

(ক) শুদ্ধ

(খ) অশুদ্ধ

(গ) শুদ্ধ

(ঘ) অশুদ্ধ

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

(ক) তোমাৰ তিতা চুলিকোচাৰ আগেৰে মই
টোপটোপকৈ সৰোঁ

(খ) জনজনাই যায় কাঁহৰ বাতিত
মোৰ হালধিবটা ৰাতি।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

'স্বপ্নবাসৱদত্তা'ত মানুহৰ অন্তৰে চিৰন্তন নিঃসংগতা আঁতৰাবৰ বাবে নাৰীৰ মাজত সন্ধান কৰিছে এধানি আশ্ৰয়ৰ। জীৱনক কেতিয়াবা ব্যাখ্যাহীন বিষাদে কাতৰ কৰা মুহূৰ্তৰো কাৰণ কোনো অনামী নাৰী। বাসৱদত্তা কোনো নিৰ্দ্দিষ্ট নাৰী নহয়, চিৰন্তন নাৰীৰেই প্ৰতীকি ৰূপ। সেই স্বপ্নৰ নাৰীক পোৱাৰ সপোনত মতলীয়া হৈ থাকে প্ৰতিখন যৌৱন মতলীয়া হিয়া। দিঠকত হেৰোৱা প্ৰেম আৰু ভালপোৱাৰ ম্লান পোহৰত অনুভূত হয় সপোনৰ নাৰীৰ সাহচৰ্য, সেই স্বপ্নময়ী নাৰীয়েই 'স্বপ্নবাসৱদত্তা'।

**খণ্ড ৫**

## গোট ৬ ঃ আয়োজন শেষ


৫.৬.০ উদ্দেশ্য

৫.৬.১ প্ৰস্তাৱনা

৫.৬.২ কেশৱ মহন্তৰ কবি পৰিচয়

৫.৬.৩ 'আয়োজন শেষ'ৰ আলোচনা

৫.৬.৪ সাৰাংশ

৫.৬.৫ অনুশীলনী

৫.৬.৬ প্ৰশ্নোত্তৰ


### ৫.৬.০ উদ্দেশ্য

- কেৰশ মহন্তৰ কবিতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক অৱগত কৰোঁৱা আৰু আধুনিক অসমীয়া কবিতাত তেওঁৰ স্থান সম্পৰ্কে আভাস দিয়া।

### ৫.৬.১ প্ৰস্তাৱনা

কেশৱ মহন্তৰ কবিতা সমসাময়িক কবিসকলৰ মাজত কিছু ব্যতিক্ৰম। বাস্তৱৰ নিষ্ঠুৰ সত্যৰ উদ্ঘাটন আৰু প্ৰগতিবাদী চিন্তাৰে সমৃদ্ধ হ'লেও কাব্যিক আবেদনত কলাত্মকভাৱে সফল কেশৱ মহন্তৰ কবিতা। গ্ৰাম্য জীৱনৰ সফল আৰু নিটোল চিত্ৰণ কেশৱ মহন্তৰ কবিতাৰ অন্যতম লক্ষ্যণীয় দিশ।

### ৫.৬.২ কেশৱ মহন্তৰ কবি পৰিচয়

এজন প্ৰথিতযশা কবি আৰু গীতিকাৰ। গীতৰ পুথি **'মোৰ যে কিমান হেঁপাহ'**ৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা (১৯৯৩) আৰু **'তোমাৰ তেজ'** কাব্যগ্ৰন্থৰ বাবে ৰঘুনাথ চৌধাৰী (অসম সাহিত্য সভা) বঁটা লাভ কৰে। তেওঁৰ

কবিতাৰ পুথিসমূহ হ'ল **'আমাৰ পৃথিৱী'** (১৯৪৬), **'আগন্তুক'** (১৯৬৩), **'তোমাৰ তেজ'** (১৯৮৫) আৰু **'মোৰ শুকান কলিজাৰ কুঁহিপাত'** (২০০০)।

সমসাময়িক কবিসকলৰ মাজত কেশৱ মহন্তৰ কবিতা কিছু ব্যতিক্ৰমধৰ্মী। তেওঁৰ অনুভূতি কল্পনাৰ মাজত উটি ভাঁহি ফুৰা বিধৰ নহয়। দিঠকৰ কঠিন নিদাৰুণ সত্যক তেওঁৰ কবিতাত ঠাই দিয়ে। পৃথিৱীৰ সকলো দুখী, নিৰ্যাতিত মানুহৰ মাজত তেওঁ একে মানৱত্বৰ প্ৰকাশ ঘোষণা কৰে। কেশৱ মহন্ত প্ৰগতিবাদী কবি, কিন্তু আদৰ্শ প্ৰচাৰৰ তীক্ষ্ণতাই তেওঁৰ কবিতাক কঠোৰ কৰি তোলা নাই। তেওঁৰ কবিতাৰ মাজত 'আঘোণৰ কুঁৱলী' এটা ভাল কবিতা। গাঁৱলীয়া সমাজৰ ডেকা-গাভৰুৰ স্বপ্ন আৰু কুঁৱলীৰে ঢকা ভৱিষ্যতৰ ছবি কবিতাটোত ফুটাই তোলা হৈছে। সকলো শ্ৰেণীৰ মানুহৰ মনতে যৌৱনৰ যি হেঁপাহ আৰু সপোন থাকে সেই হেঁপাহক তেওঁ মনোমোহা প্ৰকাশ ৰীতিৰে দাঙি ধৰিছে। এই প্ৰকাশৰীতি অনাড়ম্বৰ আৰু জতুৱা ঠাঁচেৰে ভৰা। সহজ-সৰল গাঁৱলীয়া ডেকা-গাভৰুৰ প্ৰাণৰ কথাও তেওঁ সহজ-সৰল ভাষাতেই কৈছে। অথচ তাৰ মাজতে কুঁৱলীৰ ব্যঞ্জনাই কবিতাটোত আধুনিকতা প্ৰদান কৰিছে। কবিতাটোৰ শেষৰফালে কেনেকৈ সাধাৰণ মানুহৰ মনৰ সপোন মনতে মৰহি যায় তাৰ ইংগিত দিয়া হৈছে। সমগ্ৰ কবিতাটোত কোৱা কথাতকৈ নোকোৱা কথাৰ স্পন্দন বেছিকৈ অনুভূত হয়। আধুনিক কবিতাৰ এই লক্ষণটি 'আঘোণৰ কুঁৱলী'ৰ মাজত বিচাৰি পোৱা যায়।

অন্য এটি কবিতা 'সোণজিৰা মাহীৰ নাড়ী'ত শ্ৰেণীবৈষম্যৰ বেদনা ফুটি উঠিছে। সোণজিৰা মাহী এগৰাকী সৰ্বহাৰা মানৱৰ প্ৰতীক। তেওঁলোকে পৰৰ মাটিত খেতি কৰে, এসাজ খালে এসাজ খাবলৈ নাই অথচ হৃদয়ত মৰম-চেনেহ ভৰপূৰ। এনে লোকৰ মাজতেই মানৱতাৰ প্ৰতীক বাণী জীয়াই থাকে। কবিতাটোত মধ্যবিত্ত শ্ৰেণীৰ জীৱন-সংগ্ৰামৰ চিত্ৰও স্পষ্ট। সমাজত কোনেও মন নকৰাকৈ এক অৰ্থনৈতিক বৈষম্য চলি থাকে। যিবোৰ ধনী তেওঁলোকৰ ধনৰ অন্ত নাই, মধ্যবিত্ত শ্ৰেণীয়ে ইজনে-সিজনৰ সহযোগত দিন যাপন কৰে আৰু দলিত শ্ৰেণীটো সম্পূৰ্ণভাৱে আনৰ ওপৰত নিৰ্ভৰশীল। অৰ্থনৈতিক যন্ত্ৰণাৰ ক্ৰমে পৰিস্থিতিৰ মাজতো মানুহৰ একমাত্ৰ মূল্যৱান সম্পদ হ'ল অন্তৰত বহন কৰা মৰম-চেনেহ আৰু ভালপোৱা। সোণজিৰা মাহী যেনে মৰম আৰু শুভকামনাৰ এক চিৰন্তন প্ৰতীক। সুদূৰ কংগোত কৃষ্ণকায় আৰু শ্বেতকায়সকলৰ মাজত চলা কোনো বৈষম্যৰ উমান তেওঁ নাপায়। তথাপিও এগৰাকী অচিনাকী সন্তানহাৰা মহিলাৰ বেদনাত তেওঁৰ অন্তৰে যন্ত্ৰণা অনুভৱ কৰিছে। কাৰণ সম্পৰ্ক বা পৰিচয়ৰ সিপাৰেও মানুহৰ প্ৰতি মানুহৰ যি চিৰন্তন ভালপোৱা থাকে তাৰ অনুভৱ তেওঁ অন্তৰেৰে কৰিব পাৰে। সোণজিৰা মাহীৰ মাজত সহজ-সৰল মানুহৰ অন্তৰৰ সৌন্দৰ্য দাঙি ধৰা হৈছে। তথাকথিত অভিজাত আৰু ধনী শ্ৰেণীৰ মাজত মানৱতাৰ

অপমৃত্যু ঘটিলেও খাবলৈ নোপোৱা সৰ্বহাৰাৰ মাজত এতিয়াও মানৱতা জীয়াই আছে। দেশ-কালৰ বান্দোন নমনা এই মানৱতাৰ কথাকে কবিতাটোত কোৱা হৈছে। কবিতাটো ৰচনাৰীতিৰ ফালৰপৰা কাহিনী নিৰ্ভৰ। কবিতাৰ মাজে মাজে বৰ্ণনাত্মক সংলাপ প্ৰয়োগ কৰা হৈছে। সংলাপবোৰ কবিতাধৰ্মী নহয়। সংলাপৰ মাজেদিয়ে দুখী-দৰিদ্ৰ গাঁৱলীয়া লোকৰ জীৱনৰ কৰুণ ছবি পৰিস্কাৰকৈ ফুটাই তোলা হৈছে। কবিতাটোত ৰচনাৰীতিৰ সৰলতা থাকিলেও সম্পূৰ্ণ উপলব্ধিৰ বাবে পাঠকৰ চিন্তাশক্তিৰ সচেতনতা দাবী কৰা গুণ এটিও আছে।

'জালুকবাৰীত ঃ ৰাতি' নামৰ কবিতাটোত তেওঁ জীৱন আৰু সময় দুয়োটাকে এক নিৰাশাৰ দৃষ্টিৰে প্ৰত্যক্ষ কৰিছে। কবিতাটোত তেওঁৰ কোনো এক নিঃসঙ্গ সময়ৰ অনুভূতি প্ৰকাশ পাইছে, যিসময়ত অতীত আৰু ভৱিষ্যত দুয়োটাই আছিল অন্ধকাৰেৰে ঢকা। সেই ক্ষণিকৰ উপলব্ধিত তেওঁৰ পৃথিৱীত পোহৰ, আশা আৰু শান্তিৰ স্থান নাছিল। এক অস্থিৰ, সমাধানহীন আৰু হতাশাৰে ভৰা সমস্যাত মগ্ন হৈ থকা তেওঁৰ হৃদয়ে যেন কবিতাটোত প্ৰকাশৰ বাট বিচাৰিছে, এনে অনুভৱ হয়।

## ৫.৬.৩ 'আয়োজন শেষ' কবিতাটোৰ আলোচনা

'আয়োজন শেষ' নামৰ কবিতাটোত কিছু জটিল প্ৰকাশৰীতিৰ দ্বাৰা কৃষ্ণকায় আৰু শ্বেতকায়সমূহৰ সমস্যাৰে ভৰা এক অন্ধকাৰ সময়ৰ পৰিস্থিতি দাঙি ধৰা হৈছে। কবিতাটোত সমগ্ৰ বিশ্বত ক্ৰমাৎ বাঢ়ি অহা শ্ৰেণী বৈষম্য দূৰ কৰাৰ কামনা আৰু অনাগত শুভদিনলৈ বাটচোৱাৰ এক আশাবাদী মনোভাৱ প্ৰকাশ পাইছে।

কবিতাটোৰ মাজত নতুন যুগৰ জন্মৰ ইংগিত দেখা পোৱা যায়। কবিয়ে নিজৰ মাজত এক মহাশক্তিৰ সন্ধান পাইছে। সেই শক্তি হ'ল নতুনক আদৰাৰ শক্তি। দেশ-কালৰ পৰিৱৰ্তন আহি আছে, পৰিৱৰ্তন যেন এতিয়া এটা পুৰঠ বীজত পৰিণত হৈছে। অনাগত কালৰ বুকুত এই বীজ অংকুৰিত হ'ব। সমগ্ৰ কৃষ্ণ-আফ্ৰিকা এতিয়া এটি অংকুৰিত হ'ব খোজা বীজৰ দৰে কম্পমান হৈ আছে। তাকে দেখি পৃথিৱীৰ সুবিধাভোগী শ্ৰেণী হৈ পৰিছে আতংকিত। জলন্ত সূৰ্যৰ দৰে বাঢ়ি আহিছে মানুহৰ মনোবল। আগন্তক জাতকৰ বাবে সকলোৱে আগ্ৰহেৰে অপেক্ষা কৰিছে। যিদৰে মৰআঁউসীৰ বুকুত পূৰ্ণিমাৰ জোনৰ সম্ভাৱনা লুকাই থাকে সেইদৰে কবিয়েও অনুভৱ কৰিছে যে, তেওঁৰ মাজতো যেন আন্দোলিত হৈছে নতুন যুগৰ জন্ম-যন্ত্ৰণা।

## ৫.৬.৪ সাৰাংশ

- ই এটি প্ৰগতিবাদী কবিতা।
- শ্বেতাংগ আৰু কৃষ্ণাংগৰ সংঘাতৰ ইংগিত দিয়া হৈছে।
- প্ৰচলিত সমাজ-ব্যৱস্থাৰ পৰিৱৰ্তন কামনা কৰা হৈছে।
- এটা আশাবাদী কবিতা।

## ৫.৬.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ**

**শুদ্ধ উত্তৰটো বাচি উলিওৱা—**

কেশৱ মহন্তৰ এখন কবিতা পুথিৰ নাম—

(ক) আয়োজন শেষ

(খ) মোৰ আৰু পৃথিৱী

(গ) মন-ময়ূৰী

(ঘ) আমাৰ পৃথিৱী

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ**

**শুদ্ধকৈ সজোৱা।**

| | |
|---|---|
| সোণজিৰা মাহীৰ নাৰী | এখন কবিতা পুথি |
| আয়োজন শেষ | সাহিত্য অকাদেমি বঁটা |
| তোমাৰ তেজ | এটি কবিতা |
| মোৰ যে কিমান হেঁপাহ | বগা-কলা বৰ্ণ বৈষম্যৰ কবিতা |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

**শুদ্ধ নে অশুদ্ধ বিচাৰি উলিওৱা—**

(ক) 'তোমাৰ তেজ' ১৯৮৫ চনত প্ৰকাশ পাইছিল।

(খ) 'জালুকবাৰীত ৰাতি'ত সোণজিৰা মাহীৰ কথা আছে।

(গ) কেশৱ মহন্ত এগৰাকী গীতিকাৰ আছিল।

(ঘ) 'আঘোণৰ কুঁৱলী' কেশৱ মহন্তৰ এখন কবিতা পুথিৰ নাম।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**পাঁচোটা বাক্যত উত্তৰ দিয়া—**

‘আয়োজন শেষ’ কবিতাটোৰ মূলভাৰ লিখাঁ।

## ৫.৫.৬ প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ**

(ঘ) আমাৰ পৃথিৱী

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ**

| | |
|---|---|
| সোণজিৰা মাহীৰ নাৰী | — এটি কবিতা |
| আয়োজন শেষ | — বগা-কলা বৰ্ণ বৈষম্যৰ কবিতা |
| তোমাৰ তেজ | — এখন কবিতা পুথি |
| মোৰ যে কিমান হেঁপাহ | — সাহিত্য অকাদেমি বঁটা |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

(ক) শুদ্ধ

(খ) অশুদ্ধ

(গ) শুদ্ধ

(ঘ) অশুদ্ধ

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

‘আয়োজন শেষ’ত শ্বেতকায় আৰু কৃষ্ণকায় মানুহৰ শ্ৰেণী বৈষম্যৰ চিত্ৰণ কৰা হৈছে। সমগ্ৰ বিশ্বতে বৃদ্ধি পোৱা এই শ্ৰেণী বৈষম্য দূৰ কৰাৰ কামনাৰে আশাবাদৰ সুৰ প্ৰতিধ্বনিত হৈছে কবিতাটিত। নতুন যুগৰ জন্মৰ ইংগিতে যেন কবিৰ মাজত এক মহাশক্তিৰ সন্ধান দিয়ে। অনাগত কালৰ বুকুত পৰিৱৰ্তনৰ পুৰঠ বীজ যেন অংকুৰিত হ’ব বুলি কবি আশাবাদী। কবিয়ে নিজৰ মাজতেই যেন অনুভৱ কৰিবলৈ ধৰে এক নতুন যুগৰ জন্ম-যন্ত্ৰণা।

## প্ৰসংগ পুথি ঃ

১। নীলৰতন সেন ঃ চৰ্যাগীতিকোষ

২। পৰীক্ষিত হাজৰিকা ঃ চৰ্যাপদ

৩। মঞ্জু চক্ৰৱৰ্তী আৰু
করবী ডেকা হাজৰিকা ঃ চৰ্যাপদ আৰু বৰগীত

৪। নন্দ তালুকদাৰ ঃ কবি আৰু কবিতা

৫। কৰবী ডেকা হাজৰিকা ঃ অসমীয়া কবি আৰু কবিতা

৬। ........................................ ঃ অসমীয়া কবিতা

৭। বসন্ত কুমাৰ শৰ্মা (সম্পা.) ঃ মহেন্দ্ৰ বৰাৰ কবিতা সম্ভাৰ

৮। জয়ন্ত কুমাৰ বৰা ঃ সাহিত্য সংসৃষ্ট

৯। প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ কবিতাৰ সৌৰভ

১০। মহেশ্বৰ নেওগ (সম্পা.) ঃ সঞ্চয়ন (পাতনি)

১১। মহেন্দ্ৰ বৰা (সম্পা.) ঃ নতুন কবিতা (পাতনি)

১২। নীলমণি ফুকন ঃ কুৰি শতিকাৰ অসমীয়া কবিতা (পাতনি)

১৩। হোমেন বৰগোহাঞি (সম্পা.) ঃ এশ বছৰৰ অসমীয়া কবিতা (পাতনি)

১৪। ...................................... (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (৬ষ্ঠ খণ্ড)

১৫। সত্যেন্দ্ৰনাথ শৰ্মা ঃ পুৰণি সাহিত্য অধ্যয়ন

১৬। কেশদা মহন্ত ঃ অসমীয়া ৰামায়ণী সাহিত্য

১৭। ......................... ঃ কাব্যতত্ত্বৰ দৃষ্টিৰে শংকৰদেৱৰ কাব্য

১৮। মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা

১৯। সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত

২০। হৰিনাথ শৰ্মা দলৈ ঃ অসমীয়া সাহিত্যৰ সম্পূৰ্ণ ইতিহাস

২১। হেম বৰুৱা ঃ অসমীয়া সাহিত্য

*****